জেমছ বছৱেলৰ

ছেমুৱেল জনছনৰ জীৱনী

(সটীক সংক্ষিপ্ত অনুবাদ)

ৰায়হান শাহ

DISTRICT LIBRARY
GAUHATI

১৯৭৪

অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট : অসম

জেমছ বছৱেলৰ

ছেমুৱেল জনছনৰ জীৱনী

ৰায়হান শাহ

১৯৭৪

অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট : অসম

Boswell's Life of Dr. Johnson adopted and translated by Prof. Raihan Shah and published by Sri Nagen Saikia, Chandrakanta Handique Bhavan, Jorhat.

প্ৰকাশক :
শ্ৰীনগেন শইকীয়া
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
যোৰহাট

গুৱাহাটী কাৰ্য্যালয়
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী—১

প্ৰথম প্ৰকাশ
ফেব্ৰুৱাৰী ১৯৭৪

মূল্য : ৫·০০ টকা

মুদ্ৰক : গুৱাহাটী প্ৰেছ প্ৰাঃ লিঃ, গুৱাহাটী—১

Boswell's Johnson is incontestably the greatest biography in any language; moreover, it is elaborately planned and elaborately built. A fool would have magnified his own importance in the story; and this Boswell never does.... It is unmatchable and inexhaustible.

—*Cambridge History of English Litreature.*

Which of us but remembers...the day when he opened these airy volumes, fascinating him by a true natural magic! It was as if the curtains of the past were drawn aside, and we looked mysteriously into a kindred country, where dwelt our fathers; inexpressibly dear to us, but which had seemed forever hidden from our eyes.

—*Carlyle.*

কৃতজ্ঞতা জ্ঞাপন

গুৱাহাটীৰ গোপীনাথ নগৰৰ শ্ৰীবিশ্বনাথ ঘোষাল ডাঙৰীয়াৰ ৪৪০০'০০ (চাৰিহাজাৰ-চাৰিশ টকা) দানেৰে বছৰেলে লিখা জনচনৰ বিশ্ববিখ্যাত জীৱনীৰ অসমীয়া ভাঙনিৰ প্ৰথম প্ৰকাশ ছপা কৰি উলিয়াব পৰা হ'ল। অধ্যাপক শ্ৰীৰায়হান ছাহদেৱে এই বহুমূলীয়া ইংৰাজী কিতাপখনৰ অসমীয়া ভাঙনি কৰি আৰু আৱশ্যকীয় টীকা লিখি আমাক উপকৃত কৰিছে।

ঘোষাল ডাঙৰীয়াৰ এই দানে অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি থকা তেখেতৰ প্ৰগাঢ় শ্ৰদ্ধা প্ৰকাশ কৰিছে আৰু তেখেতৰ এই দানৰ কথা অসম সাহিত্য সভাৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। আমি তেখেতক সাহিত্য সভাৰ তৰফৰপৰা আৰু ব্যক্তিগত ভাৱেও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পৰবৰ্তী সংস্কৰণবোৰতো প্ৰথম সংস্কৰণ শ্ৰীঘোষাল ডাঙৰীয়াৰ দানেৰে প্ৰকাশ কৰা বুলি উল্লেখ থাকিব। তেখেতৰ এই উদাৰ দানে অন্যান্য দানশীল লোককো দান-বৰঙণি দি অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধন কৰাৰ কাৰণে উৎসাহিত কৰিব বুলি আশা কৰিলোঁ।

তেখেতৰ সপৰিয়ালৰে সৰ্বতো মঙ্গল ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ।

গুৱাহাটী
৭।২।৭৪ ইং

শ্ৰীগিৰিধৰ শৰ্মা
সভাপতি
অসম সাহিত্য সভা

আগকথা

অসম সাহিত্য সভাৰ ৰঙিয়া সন্মিলনৰ সভাপতিৰ অভিভাষণত আমি প্ৰকাশনৰ কাৰণে যি বাৰদফীয়া আঁচনি দাঙি ধৰিছিলোঁ, সেই আঁচনি বিষয় বাছনী সভাই গ্ৰহণ কৰাত, সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহকে সেই আঁচনিৰ কাম হাতত লয়। সেই আঁচনিৰ এটি বিষয় হ'ল অনুবাদ সাহিত্য। এই মৰ্মে বিশ্বৰ বিভিন্ন ভাষাৰ উল্লেখযোগ্য গ্ৰন্থসমূহ অসমীয়ালৈ আৰু অসমীয়া ভাষাৰ উল্লেখযোগ্য গ্ৰন্থৰাজি ইংৰাজী, হিন্দী আদি ভাষালৈ অনুবাদ কৰাৰ আঁচনি লোৱা হৈছে। এই আঁচনিৰ ফল স্বৰূপেই আজি বছৱেলৰ বিশ্ব-বিখ্যাত গ্ৰন্থ Life of Dr. Johnson খনৰ অসমীয়া অনুবাদ 'জনছনৰ জীৱনী' পাঠকসমাজলৈ আগবঢ়াব পাৰিছো। গ্ৰন্থখনি পৃথিবীৰ বিভিন্ন ভাষাত অনূদিত হৈছে। কিন্তু এতিয়ালৈকে অসমীয়া ভাষাত অনুবাদ নোহোৱাকৈ থকা সঁচাকৈয়ে দুখৰ কথা আছিল আৰু এই অভাৱৰ কথালৈ লক্ষ্য ৰাখিয়েই গ্ৰন্থখনি অনুবাদ কৰা হয়। Life of Johnson গ্ৰন্থখনিৰ ইংৰাজী ভাষা যে বৰ কঠিন এই বিষয়ে অনুবাদকে যথাস্থানত বিবৰি কৈছে। সেইটো হলেও অতি কম সময়ৰ ভিতৰতে প্ৰাঞ্জল অসমীয়া ভাষাত অনুবাদ কৰি দিয়াৰ কাৰণে অসম সাহিত্য সভাৰ তৰফৰপৰা আমি অধ্যাপক বায়হান শাহক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আশা কৰিছোঁ, গ্ৰন্থখনিৰ পৰা পাঠক সমাজ উপকৃত হ'ব।

গ্ৰন্থখনিৰ প্ৰকাশ সম্ভৱ হৈছে দানশীল ৰাইজৰ দান বৰঙণি আৰু ৰাজ্য চৰকাৰৰ অনুদানৰ সহায়েৰে। সেই সকললৈকো আমাৰ আন্তৰিক শলাগ জ্ঞাপন কৰিছোঁ। অতি কম সময়ৰ ভিতৰত ছপা কৰি উলিয়াই দিয়া কাৰণে গুৱাহাটী প্ৰেছৰ গৰাকী আৰু কৰ্মীসকলকো ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গুৱাহাটী
২২ মাঘ, ১৮৯৫ শক

শ্ৰীগিৰিধৰ শৰ্মা,
সভাপতি
অসম সাহিত্য সভা
৫।২।৭৪

সূচীপত্র

অনুবাদকৰ কৱলগীয়া ১
ছেমুৱেল জনছন ৩
জেমছ্ বছৱেল ৭

বছৱেলে লিখা জনছনৰ জীৱনীৰ পৰা উৰ্ধৃতিসমূহ

১। ছাৰ যশ্বোৱা ৰেণল্ড্ ছলৈ কৰা উৎসৰ্গ পত্ৰৰ পৰা ১১
২। দ্বিতীয় সংস্কৰণৰ পাতনিৰ পৰা ১১
৩। আগ কথা ১২
৪। জন্ম আৰু পিতৃ-মাতৃ ১৪
৫। অক্সফৰ্ড ১৬
৬। অধ্যয়ন ১৭
৭। জনছনৰ নিজা শিক্ষা-নিকেতন ১৭
৮। লণ্ডনলৈ যাত্ৰা ১৮
৯। অভাৱৰ দিন কেইটা ১৯
১০। জেন্টলমেন্'ছ্ মেগেজিন ১৯
১১। অভিধান ২১
১২। মিছেছ জনছনৰ মৃত্যু ২২
১৩। বেনেট লেংটন আৰু টপ্হাম বোক্লাৰ্ক ২৩
১৪। লৰ্ড চেষ্টাৰফিল্ডলৈ চিঠি ২৪
১৫। অভিধানৰ প্ৰকাশ ২৭
১৬। চাহৰ সপক্ষে ২৯
১৭। আইৰীশ্ ভাষা ২৯
১৮। শ্বেক্সপীয়াৰ ৩০
১৯। মাতৃ-বিয়োগ ৩১
২০। চৰ্কাৰী পেঞ্চন ৩২
২১। বছৱেল আৰু জনছনৰ প্ৰথম সাক্ষাত ৩৩
২২। ক্ৰিট স্মাৰ্ট ৩৫

২৩। পলমকৈ শুই উঠা ৩৬
২৪। ধৰ্ম ৩৬
২৫। বিৰূপ সমালোচনা ৩৭
২৬। অলিভাৰ গ'ল্ড্স্মিথ ৩৭
২৭। ভিকাৰ অব ৱেকফিল্ড ৩৯
২৮। বছ্ৱেলৰ কৈফিয়ৎ ৩৯
২৯। মিত্ৰাক্ষৰ ছন্দ ৪০
৩০। চামুচ কিখন গণি চাব লাগিব ৪০
৩১। ৰজাসকল অসুখী নে? ৪১
৩২। যুবকসকলৰ আকৰ্ষণ ৪১
৩৩। হেব্ৰাইডিজ্ ৪২
৩৪। লৰা-ছোৱালীৰ শিক্ষা ৪৩
৩৫। জীৱনী ৰচনাৰ পৰিশ্ৰম ৪৩
৩৬। মাইকী মানুহৰ ধৰ্মোপদেশ ৪৪
৩৭। জনছনৰ খেমালি ৪৪
৩৮। উদ্বৈগ্ ৪৫
৩৯। লিটেৰেৰী ক্লাব ৪৮
৪০। অভ্যাস নে কুসংস্কাৰ ৪৯
৪১। বন্ধুলৈ মৰম ৫০
৪২। থ্ৰেইল পৰিবাৰ ৫১
৪৩। কবিতা ৰচনা ৫২
৪৪। গেলিক ভাষাত বাইবেল অনুবাদ সম্বন্ধে ৫৩
৪৫। সম্ৰাট তৃতীয় জৰ্জৰ সৈতে সাক্ষাত ৫৫
৪৬। Wood-cock আৰু Swallow ৫৮
৪৭। কছিকা ৫৮
৪৮। ভাল্লুক জনছন ৫৯
৪৯। বছ্ৱেললৈ চিঠি ৬০
৫০। গেৰিক, গ'ল্ডস্মিথ, জনছন ৬১
৫১। প্ৰকৃত সমালোচনা ৬২
৫২। মৃত্যু ৬৩
৫৩। আপেলৰ পিঠা ৬৩

৫৪। অনুকৰণ ৬৪
৫৫। অভিধান ৬৫
৫৬। স্কচ উচ্চাৰণ ৬৫
৫৭। ৰজা আৰু প্ৰজা ৬৬
৫৮। গ'ল্ডস্মিথ ৬৭
৫৯। স্কচ্ মেন ৬৮
৬০। গ'ল্ডস্মিথ ৬৮
৬১। বছৱেললৈ চিঠি ৬৮
৬২। বক্তৃতা আৰু অঙ্গ সঞ্চালন ৬৯
৬৩। লৰ্ড চেষ্টাৰফিল্ড ৬৯
৬৪। কিতাপ সম্পূৰ্ণকৈ পঢ়া ৭০
৬৫। গ'ল্ডস্মিথ ৭০
৬৬। বুৰঞ্জীবিদ ৭১
৬৭। বছৱেল 'ক্লাব'ৰ সভ্য হ'ল ৭৩
৬৮। চৰাইৰ দেশ সলনি ৭৩
৬৯। গ'ল্ডি ৭৪
৭০। ছপাবৰ অধিকাৰ ৭৫
৭১। পশ্চিম দ্বীপপুঞ্জলৈ যাত্ৰা ৭৫
৭২। মিছেছ বছৱেল সম্বন্ধে ৭৬
৭৩। কল্পনা আৰু ভক্তি ৭৭
৭৪। গ'ল্ডস্মিথৰ মৃত্যু সম্পৰ্কে দুখন চিঠি ৭৮
৭৫। মেক্ ফাৰ্ছনৰ 'অছিয়ান' ৭৯
৭৬। স্কচ্ আৰু আইৰীশ্ মানুহ ৮১
৭৭। টমাছ গ্ৰে ৮২
৭৮। নৱকৰ ভেঁটি সদিচ্ছাৰে তৈয়াৰী ৮২
৭৯। পাঠ কৰাৰ উপকাৰিতা ৮৩
৮০। সুৰাপিবাৰ বাকলি ৮৩
৮১। ডক্টৰ জনছন ৮৪
৮২। সুপ্ৰচেষ্টা ৮৫
৮৩। ভ্ৰমণ কাহিনী ৮৬
৮৪। স্কটলেণ্ডৰ শিক্ষা ৮৬

৮৫।	স্কচ পিঠা	৮৭
৮৬।	এয়েই জীৱন	৮৭
৮৭।	উদ্বেগ আৰু চিন্তাকুলতা	৮৭
৮৮।	জ্ঞান বঢ়োৱা	৮৮
৮৯।	বিবাহ	৮৮
৯০।	সৈনিকৰ চৰিত্ৰ	৮৯
৯১।	জীৱনী লিখা	৮৯
৯২।	ভোজনালয়	৯০
৯৩।	বিষাদ	৯০
৯৪।	ওৱাই	৯১
৯৫।	খণ্ডিত সংস্কৰণ	৯১
৯৬।	ভূমধ্য সাগৰ	৯২
৯৭।	অনুবাদ	৯২
৯৮।	কবিতা	৯৩
৯৯।	ৰুচি অনুসৰি পঢ়া	৯৪
১০০।	চেটাৰটন	৯৪
১০১।	জনছন আৰু উইলকিছ্	৯৫
১০২।	জীৱনীৰ সম্বল	১০০
১০৩।	গ'ল্ডস্মিথৰ স্মৃতিফলক	১০১
১০৪।	কিতাপৰ প্ৰভাৱ	১০৩
১০৫।	বছ্ৱেললৈ চিঠি	১০৫
১০৬।	কবিসকলৰ জীৱনী	১০৬
১০৭।	বছ্ৱেললৈ চিঠি	১০৭
১০৮।	ডাকগাৰীত ভ্ৰমণ	১০৮
১০৯।	পুৱা সোনকালে উঠা	১০৮
১১০।	জনছনৰ ৰচনাশৈলীৰ সমালোচনা	১০৮
১১১।	জনছনৰ চকুত লণ্ডন	১১০
১১২।	হাৰ্ভৰ কাউলী	১১০
১১৩।	শিল্পকলাৰ মূল্য	১১০
১১৪।	আমাৰ প্ৰকৃতি	১১১
১১৫।	স্কটলেণ্ড	১১২

১১৬। মনৰ প্ৰসাৰ ১১২
১১৭। সম্ৰাট আৰু সৈনিক ১১৩
১১৮। লেহেম গতি ১১৪
১১৯। বুঢ়া বয়স ১১৫
১২০। চীনৰ প্ৰাচীৰ ১১৬
১২১। উদ্দাম আগ্ৰহেৰে পঢ়া ১১৬
১২২। খোছামুদ ১১৭
১২৩। ভ্ৰমণ কাহিনী ১১৭
১২৪। জনছন আৰু এড্‌বাৰ্ডছ ১১৯
১২৫। বছৱেলক তিৰস্কাৰ ১১৯
১২৬। অমিতব্যয়িতা ১২০
১২৭। ডেবম্বিনিচ টেইলৰ ১২১
১২৮। সুৰাপান ১২১
১২৯। জনছনৰ ভক্তসকল ১২২
১৩০। দৃষ্টিকোণ ১২৪
১৩১। সিইঁতে runt অৰ কথাহে কয় ১২৪
১৩২। কাজিয়া আৰু মিল ১২৫
১৩৩। যাক সকলোৱে ভাল পায় ১২৬
১৩৪। লণ্ডন ১২৭
১৩৫। পাঠ নিৰ্বাচন ১২৮
১৩৬। গেৰিক ১২৮
১৩৭। বোক্লাৰ্ক ১৩০
১৩৮। নিবনুৱা সমস্যা ১৩০
১৩৯। বোক্লাৰ্কৰ মৃত্যুত বছৱেললৈ ১৩১
১৪০। জনছন আৰু বোক্লাৰ্ক ১৩১
১৪১। শিক্ষাৰ তুলনা ১৩২
১৪২। বাৰ্ক ১৩২
১৪৩। গ'ল্ডস্মিথ ১৩২
১৪৪। লেংটনৰ পৰা পোৱা ১৩৩
১৪৫। কবিসকলৰ জীৱনী ১৩৩
১৪৬। মিলটনৰ জীৱনী ১৩৪

১৪৭। জনছনৰ অনুকৰণ ১৩৫
১৪৮। ৱাৰেন হেষ্টিংছলৈ চিঠি ১৩৬
১৪৯। খঁক ১৩৬
১৫০। চান্দাৰ সহায়েৰে প্ৰকাশন ১৩৭
১৫১। চেটাৰটন ১৩৭
১৫২। মিতব্যয়িতা,—বছৱেললৈ চিঠি ১৩৮
১৫৩। কথোপকথন ১৩৯
১৫৪। সত্য আৰু কল্পনা ১৩৯
১৫৫। প্ৰত্যুত্তৰত পাৰ্গতালি ১৪০
১৫৬। মৰিছ মৰগেন ১৪০
১৫৭। জনছনৰ মৰম ১৪১
১৫৮। ৰাজহুৱা কাম ১৪২
১৫৯। মিছেছ ছিডন্‌ছ্‌ ১৪৩
১৬০। বাৰ্কৰ কথা বতৰা ১৪৩
১৬১। পুথি সংগ্ৰহ ১৪৪
১৬২। মুক্ত বিবেক ১৪৪
১৬৩। লৰ্ড থাৰ্লোলৈ আবেদন ১৪৫
১৬৪। থাৰ্লোৰ উত্তৰ ১৪৬
১৬৫। শেষ সাক্ষাত ১৪৮
১৬৬। শেষ দিন কেইটা ১৪৮
১৬৭। স্মৃতি ফলক ১৪৯
১৬৮। জনছনৰ মৃত্যু হ'ল ১৫০
১৬৯। শেষ কথা ১৫০
টীকা...... .... ১৫১

অনুবাদকৰ কৱলগীয়া

বছৱেলৰ Life of Dr. Johnson LL.D এখন বিশ্ববিখ্যাত গ্ৰন্থ। সমালোচকৰ মতে জীৱনী সাহিত্যৰ ভিতৰত এইখনিৰে প্ৰথম স্থান। প্ৰকৃত-পক্ষে হিটলাৰৰ Mein Kampfৰ বাহিৰে আন কোনো জীৱনীৰে ইমান বহুল প্ৰচাৰ হোৱা নাই। আনহাতে হিটলাৰৰ আত্মজীৱনী মানুহে এতিয়াই পাহৰি-বলৈ ধৰিছে, কিন্তু বছৱেলে লিখা জীৱন-চৰিত আজি প্ৰায় দুশ বছৰেও মানুহে পাহৰিব পৰা নাই। ইউৰোপৰ সকলো ভাষালৈকে ইয়াৰ অনুবাদ হৈছে আৰু বিদেশী ভাষাতো অনুবাদ নোহোৱাকৈ থকা নাই। আমে-ৰিকা, অষ্ট্ৰেলিয়া আদি দেশত অৱশ্যে মানুহে মূল কিতাপখনিৰেই সোৱাদ ল'ব পাৰিছে।

বছৱেলে লিখা মূল জীৱনীখনি এখন মহাভাৰত। ইয়াত পাঁচ লাখতকৈয়ো বেছি শব্দ আছে (contains more than half a million words)। ঊনবিংশ শতিকাৰ আগভাগত যেতিয়া ভাৰতীয় ইংৰাজী-নবিছসকলে "ইংৰাজীতে সপোন দেখা" অভ্যাস কৰিছিল, তেতিয়া নতুনকৈ ওলোৱা এই জীৱনীখনি বহুতো ভাৰতীয়ই আগ্ৰহেৰে পঢ়িছিল। কিন্তু সময় যোৱাৰ লগে লগে আজৰি আৰু ধৈৰ্য্যৰ অভাৱত মানুহে তাক পঢ়িবলৈ এৰি পেলালে। অসমীয়া পাঠক সাহিত্যৰথী বেজবৰুৱাৰ কথা জানো, তেখেতে কথা প্ৰসঙ্গত মোক কৈছিল যে বি. এ. মহলাত এইখনৰ উৰ্দ্ধৃতি কেইটামান পঢ়িব লগীয়া হোৱাত তেখেতে হেনো 'মৰসাহ কৰি লাইব্ৰেৰীৰ পৰা' মূল কিতাপ-খন নি পঢ়িব খুজিছিল, কিন্তু প্ৰথম দুকুৰিমান পৃষ্ঠা পঢ়ি আৰু আগ বাঢ়িবৰ ধৈৰ্য্য নেথাকিল। কথাষাৰৰ আন্তৰিকতাই মোক সহজেই স্পৰ্শ কৰিছিল। কাৰণ জীৱনীখনিৰ প্ৰথম ১০০ পৃষ্ঠামান গঁচাকৈয়ে নীৰস আৰু বৰ অকোৱা পকোৱা ইংৰাজীত লিখা। পঢ়িবলৈ মুঠেই ভাল নেলাগে। কিন্তু পঢ়ি গলে লাহে লাহে ভাল লাগি যায় আৰু শেষৰফালে উৰ্দ্ধশ্বাসে পঢ়িব লগীয়া হয়। বৰ্ত্তমান কালত কিতাপখনিৰ মনোগ্ৰাহিতা আৰু কমি গৈছে।

প্ৰথম কথা হল, অষ্টাদশ শতাব্দীৰ ইংৰাজী আৰু বিংশ শতাব্দীৰ ইংৰাজীৰ মাজত কিছু প্ৰভেদ। সেই সময়ৰ বহু শব্দৰ যেনে, immediate, weary,

fabulous, devotion, prescribe আদিৰ বৰ্তমানৰ অৰ্থ নলৈ অষ্টাদশ শতাব্দীৰ অৰ্থ ললেহে বছ্‌ৱেল বা জনছনক ভালকৈ বুজিব পাৰি। বানানৰ পাৰ্থক্য অৱশ্যে তেনে কোনো জটিল কথা নহয় (negociate, expence, patriotick), ব্যাকৰণো প্ৰায় একেধৰণেই কিন্তু catched (caught) ; offered *to* sale (for) ; he *made* the inscription *be* defaced ; it was kind *in* you to take it off (of) ইত্যাদি আজিৰ দিনত নচলে। কিন্তু এই জীৱনীৰ সকলোতকৈ ডাঙৰ অসুবিধা হ'ল যে ইয়াৰ বাক্য সংযোজনা আজিতকৈ বহুতো জটিল, আনকি ঠায়ে ঠায়ে প্ৰথমতে অৰ্থহীন যেন লাগে (obscure to the point of unintelligibility)। জনছনৰতো বদনামেই আছিল যে য'ত তিনিটা শব্দেৰে কাম হয় তাত তেওঁ ছটা শব্দ লগায়েই (উধৃতি ৯৯ নং দ্ৰষ্টব্য)। তদুপৰি কিতাপখনে পাঠকৰ পৰা ভালেখিনি লেটিনৰ জ্ঞান দাবী কৰে। আকৌ কিছুমান এনে আও-হতীয়া উধৃতি আছে যে Croker অৰ টীকা সত্ত্বেও তাৰ মূল উনিযাবলৈ বা সেইবোৰ বুজিবলৈ টান। এই জীৱনীৰ বিখ্যাত সম্পাদক চাপ্‌মেনেও হেনো প্ৰথমতে কিতাপখন পঢ়িবলৈ আৰম্ভ কৰোঁতে এই চক্ৰবেহুত সোমাই পৰি হতাশ হৈ পাত এৰি দিছিল, "After wandering for a space in those crepuscular regions, forsook the journey before the sun was up". সেইবাবেই 'বছ্‌ৱেলৰ জনছন'ৰ পাঠক আমাৰ মাজত বিৰল হৈ আহিছে।

কিন্তু এনে এখন বিশ্ববিশ্ৰুত গ্ৰন্থৰ অন্ততঃ কিবা এটা পৰিচয় অসমীয়া সাহিত্যত থকা উচিত। সেই বাবেই অসম সাহিত্য সভাই বছ্‌ৱেলৰ কিতাপ-খনিৰ এটি সংক্ষিপ্ত অনুবাদ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰে।

এই অনুবাদৰ বাবে উধৃতি নিৰ্বাচন কৰোঁতে যিমানদূৰ সম্ভৱ আগৰ সম্পাদক-সমালোচকসকলৰ (Macaulay, Carlyle, Chapman, Croker) সহায় আৰু সংকেত লোৱা হৈছে, কিন্তু তেওঁলোকৰ সমথিত হলেও ধৰ্মীয় বিশৃঙ্খলা আৰু অহেতুক আক্ৰমণ (যেনে স্কচ্‌সকল বা Whig আৰু Tory সকলৰ ওপৰত), আমাৰ বাবে অনাৱশ্যক বোধে বাদ দিয়া হৈছে। তদু-পৰি কিতাপৰ সীমিত কলেৱৰৰ ভিতৰত বেছি উধৃতি সুমুৱাবৰ উদ্দেশ্যে কিছুমান অংশ চমুৱাই বা কিছু লেটিন অংশ বাদ দি গৈছোঁ। কিন্তু কিতা-পৰ ৰূপ আৰু গঢ় বছ্‌ৱেলৰ দৰেই ৰাখিবলৈ যথাসম্ভৱ চেষ্টা কৰা হৈছে। অনুবাদৰ বেলিকাও বাক্য-সংযোজনা সম্পূৰ্ণ অসমীয়া ঠাঁচলৈ নানি বছ্‌ৱেলৰ বিশেষত্ব ৰক্ষা কৰিবলৈ চেষ্টা কৰা হৈছে।

এই অনুবাদৰ বাবে ১৭৯৯ চনত প্ৰকাশ পোৱা তৃতীয় সংস্কৰণকে মূলৰূপে লোৱা হৈছে। এইখনেই বছৱেলৰ জীৱন কালত সাজু কৰা শেষ সংস্কৰণ, যদিও জেখেতে ইয়াৰ ছপা শেষ হোৱা চাই যাবলৈ নেপালে। দ্বিতীয় সংস্কৰণত বছৱেলে বহু কথা যোগ দিছিল আৰু তৃতীয় সংস্কৰণত বছৱেল আৰু মেল'ন দুয়ো মিলি যোগ দিছিল, সাল-সলনি কৰিছিল আৰু শুধৰাইছিল। বছৱেলে নিজেই এই সম্পৰ্কে মেলনৰ ঋণ স্বীকাৰ কৰি গৈছে। প্ৰত্যেক উধৃতিৰ ওপৰত একোটি শিৰোনামা দিয়া হৈছে, কিন্তু যিহেতু মূল কিতাপত এইবিলাক শিৰোনামা নাই গতিকে মূলৰ লগত সম্বন্ধ ৰাখিবলৈ বন্ধনীৰ ভিতৰত বছৰটোও লিখি দিয়া হৈছে; যাতে অনুসন্ধিৎসু পাঠকে ইচ্ছা কৰিলে মূল বছৱেল খুলি মিলাই চাব পাৰে।

পাঠকৰ সুবিধাৰ বাবে শেষত এলানি টীকাও জুৰি দিয়া হ'ল। ইয়াতো মই বছৱেল, মেল'ন, চাপমেন আদিৰ পৰা ধাৰ কৰিছোঁ আৰু সেই টীকাবোৰৰ শেষত B (Boswell) C (Chapman) আৰু M (Malone) আখৰকেইটা দি চিহ্নিত কৰি দিছোঁ। মুঠ ১৪২ টা টীকাৰ ভিতৰত ৪১ টা চাপমেনৰ, ৮ টা বছৱেলৰ, ছটা মেলনৰ, এটা লেংটনৰ আৰু এটা মোৰ প্ৰিয় ছাত্ৰ প্ৰাগজ্যোতিষ কলেজৰ অধ্যাপক শ্ৰীমান কোকিল বেজবৰুৱাৰ। বাকীখিনি মোৰ অক্ষম হাতেৰেই লিখা, আৰু সেইবোৰত কিবা ভুল ওলালে তাৰবাবে মযেই দায়ী।

ছেমুৱেল জনছন

ডক্টৰ ছেমুৱেল জনছন তেখেতৰ যুগৰ ইংৰাজী সাহিত্যৰ গুৰু আছিল। সেই সময়ৰ সাহিত্যৰ ৰচনা আৰু প্ৰকাশভঙ্গীত তেখেতৰ অদ্ভুত প্ৰভাৱ দেখা যায়। কিন্তু এই প্ৰভাৱ বিয়পি পৰিছিল—কেৱল লিখাৰ গুণত নহয়, হৈছিল তেখেতৰ অনুগামী আৰু বন্ধু, সেই সময়ৰ সকলো প্ৰখ্যাত লিখকৰ লগতে আলোচনা-বিলোচনা আৰু কথা-বতৰাত। এইবিলাক কথোপকথন আৰু লগতে জনছনৰ স্বভাৱ, চেহেৰা আৰু সাংসাৰিক জীৱন আদিৰ খণ্ড খণ্ড বৰ্ণনা বছৱেলে তেখেতৰ প্ৰায় পাঁচ লাখ শব্দৰ বিশাল জীৱনীত লিখি থৈ গৈছে।

জনছনৰ দেউতাক মাইকেল জনছন লীচ্‌ফিল্ডৰ এজন দুখীয়া কিতাপৰ ব্যৱসায়ী আছিল। এই ঠাইতে ১৭০৯ চনৰ ১৮ চেপ্টেম্বৰত তেখেতৰ

জন্ম হয়। শিশু কালৰে পৰা তেওঁ King's Evil ৰোগত ভুগি বিকৃত চেহেৰাৰ হৈ গৈছিল আৰু তেওঁৰ দৃষ্টিশক্তিও কমি গৈছিল। মাকে প্ৰচলিত বিশ্বাস অনুসৰি তিনিবছৰ বয়সতে তেতিয়াৰ ইংলণ্ডৰ সম্ৰাজ্ঞী এনে (Queen Anne) স্পৰ্শ কৰিবলৈ লণ্ডনলৈ লৈ গৈছিল। কিন্তু সেই ৰাজস্পৰ্শ সত্ত্বেও এই অসুখ একেবাৰে ভাল নহ'ল। পিচলৈকো গায়ে-গাঁৰিয়ে থুলন্তৰ পুৰুষ হৈ উঠিলেও তেখেতৰ চেহেৰা বিকৃত হৈ ৰ'ল আৰু স্বভাৱো খিঙখিঙীয়া হৈ থাকিল। মাজে মাজে গোটেই গাটো একোটা কঁপনিত জিকাৰ খায়ো উঠিছিল।

তেখেতৰ শিক্ষা আৰম্ভ হয় Lichfield Grammar School অত আৰু তাৰ পিচত পঢ়িছিল Stourbridge নামে ঠাইৰ স্কুল এটাত। কিন্তু ভৱিষ্যতৰ পণ্ডিত জনছনৰ প্ৰকৃত শিক্ষাৰ ভেঁটি স্থাপন হৈছিল ঘৰত হে। ১৭২৮ চনৰ অক্টোবৰ মাহত তেওঁ অক্সফ'ৰ্ডৰ পেমব্ৰোক কলেজত সোমায় আৰু এৰা-ধৰাকৈ ১৪ মাহমান কটাই ১৭৩১ চনত অক্সফ'ৰ্ড ত্যাগ কৰে। এই বছৰ ডিচেম্বৰ মাহত তেখেতৰ দেউতাক ঢুকায়। এইবাৰ তেওঁ সঁচাকৈয়ে দুখীয়া হ'ল। বাপেকৰ সম্পত্তিৰ ভাগ পাইছিল মাত্ৰ ২০ পাউণ্ড। তাকো মাকক দি দিলে। জীৱিকাৰ বাবে শিক্ষক হ'ব খুজিছিল, কিন্তু তাকো নেপাই তল খাপৰ এক প্ৰকাৰ সহকাৰী শিক্ষক হ'লগৈ। কিন্তু চেহেৰা আৰু খিঙখিঙীয়া স্বভাৱৰ বাবে চাৰি বছৰমান ইটো স্কুলৰপৰা সিটো স্কুললৈ বাগৰি ফুৰিলে। শেষত নিজে এডিয়েলত (Edial) এটা স্কুল খুলিব খুজিলে কিন্তু ছাত্ৰৰ অভাৱত অকৃতকাৰ্য্য হ'ল।

১৭৩৫ চনত জনছনে বাৰ্মিংহামৰ এজন ব্যৱসায়ীৰ বাবে (Father Lobbo) ফাদাৰ লব'ৰ *Voyage to Abyssinia* খন অনুবাদ কৰে। সেই বছৰতে জুলাই মাহত ২৩ বছৰ বয়সত তেওঁ মিছেছ্ পৰ্টাৰ নামে ৪৮ বছৰীয়া বিধৱা এগৰাকীক বিয়া কৰায়। ১৭৩৮ চনত তেওঁ ছাত্ৰ ডেভিড গেৰিকৰ সৈতে লণ্ডনলৈ আহে, লগত আছিল মাত্ৰ আঢ়ৈ পেনি আৰু তেখে-তৰ অসমাপ্ত নাটক *Irene.* গেৰিকৰ অভিনেতা হ'বৰ হেঁপাহ আছিল আৰু তেওঁ অলপ দিনৰ ভিতৰতে এজন ওখ খাপৰ অভিনেতা হৈ স্বচ্ছল হৈ উঠিল কিন্তু জনছন থাকিল 'সাহিত্যৰ' মজদুৰ' হৈ। তেখেতে সামান্য মানচ লৈ কিতাপৰ ব্যৱসায়ী সকলক, পাতনি, সমালোচনা, অনুবাদ আদি লিখি দিবলৈ ধৰিলে শেষত এড্‌বাৰ্ড কেভৰ *Gentleman's Magazine* অত ১৭৪১ চনৰ পৰা ১৭৪৪ চনলৈকে নিয়মীয়া লিখক হৈ থাকিল।

এইখিনি সময়ত তেখেতে কিছু যশস্যাও অৰ্জন কৰিছিল। ১৭৩৮ চনত তেখেতৰ বিখ্যাত কবিতা 'লণ্ডন' প্ৰকাশ হৈছিল। কিন্তু তেতিয়াও তেখেতে ঘোৰ দাৰিদ্ৰ্যৰ মাজেৰে কাল কটাব লগীয়া হৈছিল। সস্তীয়া দোকানত ছয় পেনিৰ গো-মাংস আৰু এক পেনিৰ ৰুটি খাই পেট পুৰাব লগীয়া হৈছিল।

তেখেতৰ এই দাৰিদ্ৰ্যৰ লগৰীয়া আছিল দুৰ্ভগীয়া কবি Richard Savage. সময়ে সময়ে অভাৱত নিশাৰ সাঁজ নোখোৱাকৈয়ে এই দুই বন্ধুৱে লণ্ডনৰ ৰাস্তাত ঘূৰি ফুৰিছিল। চেভেজৰ ১৭৪৩ চনত মৃত্যু হয়। জনছনে এই বছৰতে চেভেজৰ জীৱনী এখনি লিখি উলিয়ায়। এইখনকে সামান্য সাল-সলনি কৰি পিছত তেখতে *Lives of the Poets* অত ঠাই দিছিল।

১৭৪৭ চনৰ পৰা ১৭৫৫ চনলৈকে জনছন তেখেতৰ বিখ্যাত অভিধান *Dictionary of the English Language* লিখাত ব্যস্ত আছিল। এই অভিধান ওলাবৰ সময়তে তেখেতে লৰ্ড চেষ্টাৰফিল্ডলৈ (Earl of Stanhope) সেই বিখ্যাত বক্ৰোক্তিপূৰ্ণ চিঠিখন লিখিছিল। পিচে অভিধান লিখি থকা কালছোৱাৰ ভিতৰতে তেখেতে আমনি দূৰ কৰিবলৈ অন্য লেখাও কিছু কিছু নিলিখাকৈ থকা নাছিল। ১৭৪৯ চনত তেখেতৰ *Vanity of Human Wishes* নামে কবিতাটি প্ৰকাশ হয়। এই বছৰতে গেৰিকে Drury Lame Theatre অত তেওঁলোকে প্ৰথমে লণ্ডনলৈ আহোঁতে লৈ অহা জনছনৰ সেই অসমাপ্ত *Irene* নামে নাটকখন সম্পূৰ্ণ হোৱাত মঞ্চস্থ কৰে। সেইখন মাথোন ৯ দিন চলি বন্ধ হৈ যায় আৰু তাৰবাবে জনছনে যৎসামান্য মাথোন পইচা পায়।

এই কালছোৱাৰ আৰু এটা কাম হল *Rambler* নামে আলোচনীখন উলিওৱা। এইখন, ১৭৫০ চনৰ পৰা সপ্তাহত দুদিনকৈ ওলাই ১৭৫২ চনত বন্ধ হৈ যায়। মাত্ৰ দুই-চাৰিটা প্ৰবন্ধৰ বাহিৰে বেধ্ নাবৰ প্ৰত্যেকটো সংখ্যা জনছনে নিজেই লিখিছিল। অভিধান প্ৰকাশৰ পিচতে তেখেতে Newberry ৰ *Universal Chronicle* নামে পত্ৰিকাত *Idler* নামেৰে এলানি প্ৰবন্ধ লিখে।

১৭৫২ চনৰ মাৰ্চ মাহত মিছেছ জনছন ঢুকায় আৰু ১৭৫৯ চনত তেওঁ মাকক হেৰুৱায়। মাকৰ পাৰলৌকিক কাম-কাজৰ খৰচ উলিয়াবলৈ তেখেতে অতি খৰকৈ *Rasselas* নামে উপন্যাসখন লিখি উলিয়ায়। এইখনক কিন্তু ঠিক উপন্যাস নুবুলি নৈতিক প্ৰবন্ধ বুলিলেহে ভাল হয়।

সম্ৰাট তৃতীয় জৰ্জে সিংহাসনত বহাৰ লগে লগে ইংলেণ্ডত সাহিত্যিক, কলাবিদ ইত্যাদিক ৰাজ অনুগ্ৰহ দেখুৱাবলৈ আৰম্ভ কৰিছিল। ১৭৬২ চনত প্ৰধান মন্ত্ৰী লৰ্ড বিউটে জনছনৰ বাবে বছৰি ৩০০ পাউণ্ডৰ এটা বৃত্তি মঞ্জুৰ কৰিলে। এইবাৰ তেওঁ কোনোমতে দাৰিদ্ৰ্যৰ পৰা মুক্ত হ'ল। জনছন সদায় উদাৰ আৰু মৰমীয়াল প্ৰকৃতিৰ মানুহ আছিল। দুখীয়া হৈ থাকোঁতেও কেইজন-জনমান অক্ষম আৰু ডাল-দৰিদ্ৰ মানুহে তেওঁৰ আশ্ৰয় পাইছিল, এতিয়া তেওঁ সিহঁতকো অলপ ভালকৈ পোহপাল দিব পৰা হ'ল।

১৭৬৩ চনত জনছনৰ দেখা হয় তেখেতৰ বিখ্যাত জীৱনী লিখক জেমছ্ বছৱেলৰ সৈতে। এই সময়তে 'ক্লাব'—গেবিকৰ মৃত্যুৰ পিচত The Literary Club স্থাপিত হয়। এই ক্লাবৰ সভ্য আছিল জনছন, ৰেণল্ড্ছ্, বাৰ্ক, গ'ল্ড্স্মিথ আৰু পিচত চাৰ্লছ্ জেমছ ফক্স, বছৱেল (১৭৭৩ৰ পৰা) আৰু বিশ্বপ পাৰ্চী। এই ক্লাবৰ সভাবিলাকতে জনছনক অতি উজ্জ্বলৰূপে দেখা গৈছিল। জনছনে লিখা ভাল নেপাইছিল কিন্তু কথা-বতৰাত বৰ পাকৈত আছিল। প্ৰকৃততে তেওঁৰ কথা-বতৰাই আছিল সাহিত্য—গভীৰ ভাবেৰে ভৰপূৰ আৰু জোৰাল ভাষাৰে শক্তিমন্ত যুক্তিৰে পৰিপুষ্ট। তৰ্কতো তেওঁ বৰ পটু আছিল আৰু 'ক্লাব'ৰ আনন্দই তেখেতৰ জীৱনৰ আনন্দ আছিল বুলি ক'ব পাৰি। এই সময়ৰ তেখেতৰ বন্ধু বিলাকৰ মাজত আছিল পাৰ্লেমেন্টৰ সভ্য মি. থ্ৰেইল, আৰু মিছেছ থ্ৰেইল। মিছেছ থ্ৰেইলে লিখা *Anecdotes of Dr. Johnson* নামে কিতাপৰ পৰা আমি জনছন সম্বন্ধে বহু কথাই জানিব পাৰোঁ। এই বন্ধুত্ব প্ৰায় ১৮ বছৰ টিকি আছিল।

১৭৬৫ চনত জনছনে তেওঁৰ শ্বেক্সপীয়াৰ প্ৰকাশ কৰে। এইখনৰ বাবে ১৭৫৬ চনতে বিজ্ঞাপন দিয়া হৈছিল আৰু আগধন দি গ্ৰাহক হোৱা বহুতেই অধৈৰ্য্য হৈ উঠিছিল, কিন্তু জনছনে দাৰিদ্ৰ্যৰ হেঁচাত অন্য কামত ব্যস্ত হৈ থাকিব লগীয়া হোৱাত সেইখন লিখি উলিয়াব নোৱৰা হৈছিল। অৱশেষত পেঞ্চন পাই সেই কষ্টৰ পৰা ৰক্ষা পালত শ্বেক্সপীয়াৰ লিখি উলিয়ালে। বহুতৰ মতে এইখনিৰ টীকা অতি দুৰ্বল, কেৱল মাজে মাজে জনছনৰ গভীৰ অন্তৰ্দৃষ্টিৰ পৰিচয় পোৱা যায়। কিন্তু পাতনিখন হলে মূল্যবান। ১৭৭৩ চনত তেওঁ বছৱেলৰ সৈতে হেব্ৰাইডিজৰ দ্বীপবোৰলৈ ফুৰিবলৈ যায়। সেই সময়ত এনেকুৱা ভ্ৰমণবো কম মূল্য নাছিল। এই ভ্ৰমণৰ ফল *Journey to the Western Islands* নামে ভ্ৰমণ কাহিনী ১৭৭৫ চনত প্ৰকাশ হয়। এই বছৰতে তেখেতে অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা সন্মানসূচক LL.D. উপাধি

লাভ কৰে। সেই সময়ত অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ ভাইছ চেন্সেলৰ আছিল বেডা, ড. ফ্লাবগিল আৰু জনছনৰ নাম প্ৰস্তাৱ কৰিছিল লৰ্ড নৰ্থে। এই সময়তে তেখেতে মেক্ফাৰ্চনৰ *Ossian* অৰ জুৱাচুৰি ধৰা পেলায়। আকৌ এই সময়তে আমেৰিকাৰ বিদ্ৰোহৰ বিপক্ষে মত প্ৰকাশ কৰি *Taxation no Tyranny* নামে এখন পুস্তিকা প্ৰচাৰ কৰে। প্ৰকৃততে দাস প্ৰথা সমৰ্থন কৰাৰ বাবে তেওঁ আমেৰিকানইতক দেখিব নোৱাৰিছিল।

১৭৭৭ চনৰ পৰা ১৭৮০ চনলৈকে তেখেত *Lives of the Poets* লিখাত ব্যস্ত আছিল। কাউলীৰ পৰা জনছনৰ সম-সাময়িক কবিসকললৈকে প্ৰায় সকলো কবিৰেই জীৱনী ইয়াত আছে, কিন্তু আগৰ ডাঙৰ কবিসকল যেনে চ'ছাৰ, শ্বেক্সপীয়াৰ, স্পেন্সাৰ আদিৰ কোনো উল্লেখ নাই। এই জীৱনীৰ আটাইতকৈ উল্লেখযোগ্য নামবোৰ হ'ল মিলটন, বাটলাৰ, ড্ৰাইডেন, পোপ আৰু গ্ৰে। পুথিখনিৰ বিশেষত্ব হ'ল এই যে জনছনে কবিৰ জীৱনী আৰু কবিতাৰ সমালোচনাত সমানে গুৰুত্ব দিছে। এই জীৱনীবিলাক কবিতাৰ পাতনি মাত্ৰ নহৈ ইমান বহল হৈ উঠিল যে কবিতাৰ সংগ্ৰহটো অৱশেষত বেলেগে প্ৰকাশ কৰি জীৱনীবিলাক বেলেগে চাৰিটা খণ্ডত ছপাই উলিওৱা হ'ল। এই Lives অৰে এটা সংশোধিত সংস্কৰণ ১৭৮১ খৃষ্টাব্দত ছপা হৈ ওলায়।

Lives of the Poets অৰ লগতে জনছনৰ সাহিত্যিক জীৱন শেষ হয়। ইয়াৰ তিনি বছৰ পিচত ১৭৮৪ চনৰ ১৩ ডিচেম্বৰ তাৰিখে ব'ল্টু কোৰ্টত তেখেতৰ নিজা ঘৰত বহুতদিন অসুখত ভুগি তেখেতে শেষ নিশ্বাস পেলায়। মৃত্যুৰ সময়ত তেখেতৰ বহুতো বন্ধুৱে তেখেতক বেৰি আছিল, কিন্তু আক্ষেপৰ বিষয়, বছৱেল তাত নাছিল; তেওঁ আছিল স্কটলেণ্ডত। ইংলেণ্ডৰ বিখ্যাত কবি সাহিত্যিক, বৈজ্ঞানিক আৰু ৰাজনীতিবিদ সকলৰ সমাধিক্ষেত্ৰ West Minister Abbey ৰ কবৰখানাত জনছনক সমাধিস্থ কৰা হয়।

বছৱেল জনছনৰ পিচত ১১ বছৰ জীয়াই আছিল। তেওঁৰ জনছনৰ জীৱনী প্ৰথম ১৭৯১ চনত প্ৰকাশ হয়।

জেমছ বছৱেল

জেমছ বছৱেলৰ, ১৭৪০ খৃষ্টাব্দত এডিনবাৰ্গৰ Auchinleck অত (বছৱেলৰ উচ্চাৰণ 'এফ্লেক') জন্ম হৈছিল। দেউতাক এজন জমিদাৰ আৰু

বিচাৰক আছিল আৰু লৰ্ড অকিনলেক নামে জনাজাত আছিল। বছৱেলে শিক্ষা পাইছিল এডিনবৰা আৰু গ্লাছগো'ৰ বিশ্ববিদ্যালয়ত।

বহুতৰ মতে পুত্ৰ, স্বামী বা পিতা হিচাপে বছৱেল অতি অনুপযুক্ত আছিল। তেওঁ 'ওকালতি কৰিবৰ চনদ পাইছিল, কিন্তু সেই ব্যৱসায়ত তেওঁ সম্পূৰ্ণ অকৃতকাৰ্য্য হ'ল। ১৭৬৩ চনৰ ১৬ মেইৰ দিনা তেওঁৰ জনছনৰ সৈতে প্ৰথম সাক্ষাৎ হয়। এই বছৰতে আগষ্ট মাহত তেওঁ আইন পঢ়িবৰ বাবে উট্ৰেক্টলৈ যায়। এই ছেগতে তেওঁ ইউৰোপ পৰিভ্ৰমণ কৰে আৰু কৰ্ছি-কাতো কিছু দিন কটায়। এই ভ্ৰমণত তেওঁ ভলতেয়াৰ, ৰুছো আৰু কৰ্ছিকাৰ জেনেৰেল পাওলিৰ সৈতে সাক্ষাৎ কৰিছিল।

এই ভ্ৰমণৰ কাহিনী তেওঁ ১৭৬৮ চনত *Account of Corsica* নামেৰে পুথিত প্ৰকাশ কৰে। পিচৰ বছৰত *British Essays in favour of the Brave Corsicans* নামে কুৰিখন চিঠিৰ এটা সংগ্ৰহ প্ৰকাশ কৰিছিল।

১৭৬৯ চনত মাৰ্গাৰেট মণ্ট্‌গমেৰী নামে এগৰাকীৰ লগত বছৱেলৰ বিয়া হয়। মিছেছ্ বছৱেল প্ৰায় সকলো সময়তে Auchinleck অতে থাকিছিল। বছৱেলে কিন্তু মূল ঘৰ স্কটলেণ্ডত হলেও ১৭৬৮,-৬৯,-৭২, -৭৩,-৭৫,-৭৬,-৭৮,-৭৯ (দুবাৰ), -৮১,-৮৩ আৰু ৮৪ চনত লণ্ডনলৈ আহি প্ৰত্যেকবাৰতে ভালেখিনি দিন কটাই গৈছিল। ১৭৭৬ আৰু ৭৭ চনত দুবাৰ তেওঁ জনছনৰ লগতে ডঃ টেইলৰৰ ঘৰত আছিল।

১৭৭৩ চনত জনছন আৰু বছৱেল স্কটলেণ্ডৰ পশ্চিম দ্বীপপুঞ্জলৈ ফুৰিবলৈ গৈছিল। এই সম্পৰ্কত জনছনৰ ভ্ৰমণ কাহিনীৰ কথা কোৱা হৈছে। বছৱেলেও এই ভ্ৰমণৰ বিৱৰণী লিখিছিল তেওঁৰ *Tour to the Hebrides* নামে পুথিত। এইখন ১৭৮৫ খৃষ্টাব্দত প্ৰকাশ হয়। ১৯২৭ চনত বছৱেলৰ নানান হাতেলিখা কাকতৰ এটা সংগ্ৰহ Malahide Castle অত পোৱা যায়। এই সোপাৰ মাজতে *Tour to the Hebrides* অৰ মূল পাণ্ডুলিপিও পোৱা যায়। তেওঁৰ জনছনৰ জীৱনী, *Life of Sumuel Johnson LL.D.*, ১৭৯১ খৃষ্টাব্দত প্ৰথমে প্ৰকাশিত হোৱাৰ কথা আগতে উল্লেখ কৰা হৈছে।

নানান দোষ সত্ত্বেও বছৱেল সঙ্গী হিচাপে বৰ প্ৰিয় আছিল। জনছনে কৈছে, "বছৱেল এনে এজন মানুহ যে সকলোৱেই তেওঁক ভাল পাইছিল। ইয়াতকৈ বেচি আৰু মানুহক একো নেলাগে।" আকৌ, "বছৱেল এনে

এজন মানুহ যি কোনো এটা ঘৰৰ পৰা বিদায় ললে গৃহস্থৰ মনত পুনৰ ঘূৰি আহিবৰ আশা এটা এৰি নোযোৱাকৈ নেযায়।"

১৭৯৫ চনত বছৱেলৰ মৃত্যু হয়।

বছৱেলে নিজৰ চৰিত্ৰ অঙ্কণ এনেদৰে কৰিছে। "মই ডঃ জনছনৰ ছবি এটি দাঙি ধৰিলোঁ। পাঠকসকলে হয়তো তেওঁৰ সহযাত্ৰীৰ সম্বন্ধেও অকণমান জানিব খুজিব পাৰে। তেন্তে পুৰণি তেজ গাত থকা এজন মানুহ কল্পনা কৰক, যাৰ প্ৰধান গৰ্ব আছিল এই সম্ভ্ৰান্ত তেজ লৈ। সেই সময়ত তেওঁৰ বয়স আছিল তেত্ৰিছ বছৰ আৰু ইতিমধ্যে চাৰিবছৰ সুখী দাম্পত্য জীৱন কটাইছিল। তেওঁৰ ইচ্ছা আছিল সৈনিক হ'বৰ, কিন্তু তেওঁৰ দেউতাক, এজন সন্মানিত বিচাৰকে, তেওঁক আইনৰ সেৱা কৰিবলৈ বাধ্য কৰিছিল। তেওঁ যে কিমান চিন্তা কৰিছিল মানুহে তাৰ গম নেপায়। ভাল শিক্ষা আৰু জ্ঞানৰ ভঁৰাল এটিও তেওঁৰ আছিল। তেওঁ ডঃ জনছনৰ মতৰ অনুগামী আছিল কিন্তু কিছু পৰিমাণে তাক শিথিল কৰিও লৈছিল। তেওঁৰ স্বাভাৱিক বুদ্ধি বেছি নহৈ বৰং কমহে আছিল আৰু কল্পনাপ্ৰৱণ হোৱাত সময়ে সময়ে এনে কথাও কৈ পেলাইছিল যাৰ প্ৰভাৱ তেওঁ ইচ্ছা কৰা মতে নহৈ বৰং খেলেগ ৰকমৰহে হৈছিল।"—*Tour to the Hebrides.*

ডঃ জনছনৰ জীৱনী

ছাৰ যশোৱা ৰেণল্ডছলৈ কৰা উৎসৰ্গ পত্ৰৰ পৰা

……কোনো এখন পুথি, যদি সেই বিষয়ৰ বিশেষজ্ঞ এজনৰ নামত এইবাবে উৎসৰ্গ কৰা উচিত যে তেখেতৰ প্ৰশংসা লাভ কৰিলে পুথিখনিৰ গুণ বঢ়াৰ লগে লগে সি বেচি গ্ৰহণীয় হৈ উঠিব, তেন্তে ডঃ জনছনৰ জীৱনী স্বাভাৱিকভাৱেই তেখেতৰ ঘনিষ্ঠ আৰু প্ৰিয় বন্ধু ছাৰ যশোৱা ৰেণল্ডছৰ নামত উৎসৰ্গ কৰা অতি সমীচীন। জনছনে নিজেই এই বন্ধুজনক তেখেতৰ পৰিচিত সকলৰ ভিতৰত সকলোতকৈ অপৰাজেয় মানুহ বুলি কৈছিল আৰু কৈছিল যে তেওঁৰ লগত কেতিয়াবা কাজিয়া হ'ব লাগিলে কেনেকৈনো তিৰস্কাৰ কৰিব তাকো ডঃ জনছনে ভাবি নেপায়। আপুনি ছাৰ ৰণাল্ড্ছ্, তেখেতক ভালকৈ বুজিছিল আৰু জানিছিল। আপুনি তেখেতক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। সাধাৰণভাৱে চালে তেখেত গোটেই মানুহজন উজ্জ্বল আছিল যদিও আপুনিয়েহে সেই সৃষ্টিত বিহল খোৱা বেলেগ বেলেগ ৰংবোৰ চিনিব পাৰিছিল। সেই সাহিত্যৰ কলছাছৰ (colossus) সৰু সৰু বিশেষত্ব আৰু খুঁতবোৰো আপুনি চিনি পাইছিল। মই মোৰ *Journal of a Tour to the Hebrides* নামৰ কিতাপখনত যি সামান্য নমুনা দিছিলোঁ তাৰে পৰাই তেখেতৰ কথা-বতৰা মই বাস্তৱ আৰু জীৱন্ত ধৰণেৰে ৰক্ষা কৰিব পাৰোঁ বুলি আপুনি প্ৰশংসা কৰিছিল আৰু ৰাইজেও আপোনাৰ কথা সমৰ্থন কৰিছে। এইটোৱেই মোক (এই সম্পৰ্কীয়) সকলোখিনি সৱল প্ৰকাশ কৰাত উৎসাহ যোগাইছে।……

২

দ্বিতীয় সংস্কৰণৰ পাতনিৰ পৰা

কেতিয়াবা কেতিয়াবা মই ভাবোঁ, এই সুবিস্তীৰ্ণ জীৱনীখন, প্ৰকৃততে যিমানেই নিমুখাপৰ নহওক লাগে, একপ্ৰকাৰে 'অডিছী'ৰ লগত তুলনা কৰিব পৰা যায়। সহস্ৰ আমোদজনক আৰু শিক্ষাদায়ক ঘটনাৰ মাজতো

নায়কজন কেতিয়াও বেছি পৰলৈ দৃষ্টিৰ পৰা আঁতৰত নেথাকে কাৰণ সেই ঘটনাবিলাক কিবা নহয় কিবা প্ৰকাৰে তেওঁৰে সৈতে সংশ্লিষ্ট, আৰু গোটেই কাহিনীটোতে লিখকে তেওঁক আটাইতকৈ সুন্দৰ ভাৱে পাঠকৰ চকুৰ আগত তুলি ধৰিছে।

মোৰ বিশ্বাস, কিছুমান মানুহ আছে যাৰ আত্ম প্ৰসাদৰ ভাব নাই, নতুবা বৰ কম আছে বুলিয়েই তেওঁলোকে বিশ্বাস কৰে। এওঁলোকে নিজৰ সাহিত্যিক যশস্যাক সুন্দৰ সংকোচপূৰ্ণ ভাষাৰে প্ৰকাশ কৰিব পাৰে। কিন্তু মই স্বীকাৰ কৰোঁ মোৰ স্বভাৱ আৰু অভ্যাস এনেদৰে গঠিত যে নিজে যশস্যা অৰ্জন কৰিলে তাৰ বাবে আনন্দ প্ৰকাশ নকৰাটো মোৰ বাবে সঁচাকৈয়ে বেদনাদায়ক হ'ব। তেন্তে নো মই তাক লুকুৱাই ৰাখিম কিয়? কিয় মই মুকলি মনেৰে তাক স্বীকাৰ নকৰিম? সেই বাবেই মই উচ্ছ্বাসপূৰ্ণ ভাষাৰে, কিন্তু গৰ্বেৰে ভৰা নহয়, কওঁ যে মোৰ কামৰ বাবে মই বহুতো সন্মানিত, শিক্ষিত, বহুগুণ-ভূষিত বিখ্যাত মানুহৰপৰা স্বতঃস্ফূৰ্ত প্ৰশংসা লাভ কৰিছোঁ। তেখেতসকলৰ স্বহস্তলিখিত এই প্ৰশংসাপত্ৰবোৰৰ বেছিৰ ভাগ মই মোৰ এফ্লেকৰ (Auchinleck) ঘৰৰ সংগ্ৰহালয়ত থৈ যাম। কিতাপখনে যে শিক্ষিত উচ্চ সমাজতো সাদৰে স্থান পাইছে তাকে উল্লেখ কৰি এজন সন্মানিত ধৰ্মযাজকে কৈছিল, "আপুনি তেওঁলোক সকলোকে জনছনৰ আলোচনা কৰাইছে।" এৰা, ময়ো যোগ দিব পাৰোঁ যে, মই দেশখন 'জনছনীয়া' কৰি পেলাইছোঁ। তেওঁলোকে জনছন কেৱল আলাপেই নকৰে, ভাবিবও।

৩

আগকথা

যিজন অইনৰ জীৱনী লিখাত সকলোতকৈ শ্ৰেষ্ঠ আছিল আৰু যাৰ অসাধাৰণ বিদ্যা-বুদ্ধি আৰু নানান প্ৰকাৰৰ গ্ৰন্থৰচনা কৰাত সমকক্ষ যুগে যুগে মাত্ৰ কেইজনমানকহে দেখা পাওঁ সেইজনৰ জীৱনী লিখা অতি কঠিন, আনকি দুঃসাহসিক কাৰ্য্য বুলিও ধৰিব পাৰি।

ডঃ জনছনৰ মত আছিল যে যি কোনো মানুহৰ জীৱনী তেওঁ নিজেইহে যথোন ভালদৰে লিখিব পাৰে। তেখেতে (জনছনে) যদি নিজৰ মত অনুসৰণ কৰি, আন আন বহুতো প্ৰখ্যাত লোকক যি পৰিকাৰ বৰ্ণনা আৰু

লালিত্যময় ভাষাৰে পুংঃ কৰি গৈছে সেইদৰে নিজৰ জীৱন-ইতিহাসো লিপি-বদ্ধ কৰি গ'লহেঁতেন তেন্তে জগতে বোধহয় জীৱন-চৰিত্ৰৰ এটি নিখুঁত উদাহৰণ লাভ কৰিলেহেঁতেন। কিন্তু তেখেতে যদিও বেলেগ বেলেগ সময়ত নিজৰ মনৰ অগ্ৰগতি আৰু ভাগ্যৰ বৰ্ণনা এৰা-ধৰা ভাবে লিখি ৰাখিছিল তথাপিও প্ৰণালীবদ্ধ ৰচনা হিচাপে সেইবোৰ লিখি উলিয়াবৰ জোখাৰে ধৈৰ্য্য আৰু কষ্ট স্বীকাৰ কৰিবৰ ইচ্ছা তেখেতৰ নাছিল। এই খণ্ড-সৌৰৱণী বিলাকৰ কিছুমান ৰক্ষা কৰা হৈছে, কিন্তু বেচিৰ ভাগেই মৃত্যুৰ দুদিনমান আগতে তেখেতে নিজেই অগ্নিদগ্ধ কৰি থৈ গৈছে।

কুৰি বছৰৰো বেচি কাল তেখেতৰ বন্ধুতা লাভ কৰিবৰ আনন্দ আৰু সৌভাগ্য মোৰ হৈছিল। তেখেতৰ এখনি জীৱনী লিখিবৰ উদ্দেশ্য মোৰ সদায়েই আছিল আৰু তেখেতেও সেইটো ভালকৈয়ে জানিছিল। সময়ে সময়ে তেখেতে আগ বয়সত ঘটা ঘটনাবিলাক সম্বন্ধে মোৰ ঔৎসুক্য নিবাৰণ কৰিছিল। এই সকলোবিলাক কথা-বতৰা মই লিখি ৰাখিছিলোঁ। আৰু মোৰ স্মৰণশক্তিও লাহে লাহে বাঢ়ি আহিছিল। তেখেতৰ কথোপকথনৰ তেজ আৰু জীৱনীশক্তি তেখেতৰ চৰিত্ৰৰ এটা বিশেষ অঙ্গ আছিল। য'তে তেখেতৰ জীৱনীৰ বাবে উপাদান পোৱা সম্ভৱ বুলি মোৰ মনে ধৰিছে ত'ৰে পৰা সেইবোৰ সংগ্ৰহ কৰিবৰ কষ্ট স্বীকাৰ কৰিবলৈ মই পিচ হোঁহকা নাই আৰু তেখেতৰ বন্ধুসকলৰ পৰা মই উদাৰভাৱে সহায়ো পাইছোঁ। আনকি মই গৰ্ব কৰি ক'ব পাৰোঁ এই বিষয়ত অতি কম জীৱনী লিখকেহে মোতকৈ বেচি সুবিধা পাইছে।

মোৰ গোটেইখিনি সমল গোটাই একে আগি কৰি মই নিজে কোৱা দৰে কথাখিনি কৈ যোৱা হলে হয়তো এই জীৱনীখনি সংকলন কৰাৰ বাবে বেছি কৃতিত্ব দাবী কৰিব পাৰিলোঁহেঁতেন কিন্তু তাকে নকৰি মিঃ মেছনে গ্ৰে'ৰ স্মৃতি কথা লিখোঁতে লোৱা সুন্দৰ প্ৰণালী বহলাই লৈ অনুসৰণ কৰিছোঁ বৰ্ণনাৰ যি ঠাইতে ব্যাখ্যা কৰিবৰ বা সংযোগ ৰাখিবৰ আৱশ্যক তাক মই সাধ্যানুসাৰে কৰিছোঁ, কিন্তু জনছনৰ জীৱনৰ ঘটনাৱলী বৰ্ণাওঁতে মই সময়ৰ ধাৰাবাহিকতা বছৰৰ পিছত বছৰ ধৰি যিমান পৰিষ্কাৰভাৱে সম্ভৱ ৰক্ষা কৰিছোঁ। যি ঠাইতে পাৰিছোঁ, তেখেতৰ নিজা টোকা, চিঠি, কথা-বতৰা উল্লেখ কৰিছোঁ কাৰণ মোৰ বিশ্বাস যে এই ধৰণটোহে বেচি প্ৰাণৱন্ত। মোৰ বিশ্বাস ই মোৰ পাঠকসকলক, যিসকলে তেওঁক প্ৰকৃততে দেখিছিল বা লগ পাইছিল কিন্তু ভালকৈ চিনিব পৰা নাছিল সেই সকলতকৈ, বেছি

ভালকৈ পৰিচিত কৰি দিব পাৰিব। কাৰণ বহু কালৰ পৰা বহু বাতৰি গোট খাই আছে যিবোৰে তেওঁৰ চৰিত্ৰ সুন্দৰভাৱে ফুটাই তুলিব আৰু বুজাই দিব পাৰিব।

প্ৰকৃততে কবলৈ গলে, মোৰ মতে এজন মানুহৰ জীৱনী লিখাৰ সকলোতকৈ প্ৰশস্ত প্ৰণালী হৈছে তেখেতৰ জীৱনৰ বিশেষ বিশেষ ঘটনা-ৱলী ঠিক যিদৰে ঘটিছিল সেইদৰে বৰ্ণোৱাটোৱেই মাত্ৰ নহয়, বৰং তেখেতে স্বকীয়ভাৱে যিবোৰ লিখিছিল বা কৈছিল বা ভাবিছিল সেইবিলাকো সেই ঘটনাবিলাকৰ সৈতে খাপ খুৱাই গাঁথি দিয়া। এইবিলাকে যেন প্ৰতিটো দৃশ্যকে তেখেতৰ লগতে অভিনয় কৰাই মানুহৰ চকুৰ আগত জীৱন্ত কৰি তুলিব আৰু তেখেতে জীৱনত কেনেকৈ ধাপে ধাপে আগুৱাই গৈছিল তাকো দেখুৱাই দিব।

এই জীৱনীত তেখেত যেনেকুৱা আছিল তেনেকুৱাই দেখা যাব, কাৰণ, মই তেখেতৰ প্ৰশংসাপত্ৰ লিখিব খোজা নাই জীৱনীহে লিখিছোঁ। তেখে-তৰ জীৱন সৎ আৰু মহান আছিল কিন্তু দোষ-শূন্য বোলাটো উচিত নহব। তেখেত যেনে আছিল তেনে হোৱাটোও যি কোনো মানুহৰ পক্ষে প্ৰশংসাৰ কথা। আনহাতে প্ৰতিখনি ছবিতে যিদৰে পোহৰ থাকে ছাঁয়াও থাকে তেনেকৈয়ে, আৰু সেইবিলাক মই যেতিয়া নিসংকোচে আঙুলিয়াই যাও তেতিয়া তেখেতে নিজেই উপদেশ আৰু আহিৰ দ্বাৰা যিটো কৰিবলৈ কৈছিল তাকে মাখোন কৰি গৈছোঁ।

৪

জন্ম আৰু পিতৃ-মাতৃ

১৭০৯ খৃষ্টাব্দৰ ১৮ চেপ্টেম্বৰৰ দিনা ষ্টাফোৰ্ডশ্যায়াৰৰ লীচ্ফিল্ড নামৰ ঠাইত ছেমুৱেল জনছনৰ জন্ম হয়। তেওঁক লগে লগে খৃষ্টধৰ্মত দীক্ষিত কৰা হৈছিল কাৰণ সেই চহৰৰ চেণ্ট মেৰীজ চুবুৰীৰ গীৰ্জাৰ ৰেজি-ষ্টাৰত জন্মৰ দিনাই দীক্ষিত হোৱাৰ উল্লেখ পোৱা যায়। সেউতাক তেতিয়া 'জেণ্ট্ল্মেন' উপাধিৰে জনাজাত আছিল। এজন অজ্ঞ ব্যক্তিয়ে এই উপা-ধিটো লৈ গৰ্ব্ব নকৰাৰ বাবে জনছনক প্ৰশংসা কৰিছিল। কিন্তু প্ৰকৃত কথা হ'ল যে এই gentleman উপাধিটো—বৰ্ত্তমানে সকলোৱে Esquire শব্দটো নামৰ লগত ব্যৱহাৰ কৰাৰ বাবে অৰ্থহীন হৈ পৰিলেও—সেই

সময়ত সাধাৰণতে বিসকলে উচ্চ বংশৰ পৰা অহা বুলি গৰ্ব কৰিব নোৱা-ৰিছিল সেই সকলেহে ব্যৱহাৰ কৰিছিল। সেউতাক মাইকেল জনছন ডাৰ্বি-শ্বায়াৰৰ মানুহ আছিল। তেখেতৰ বংশ পৰিচয় পোৱা নেযায়। তেখেতে কিতাপ আৰু মনোহাৰী বস্তুৰ দোকান খুলি লীচ্‌ফিল্ডত বহিছিলহি। মাকৰ নাম আছিল ছাৰা ফৰ্ড্। তেখেত হ'ল ৱাৰৱিকশ্বায়াৰৰ পুৰণি ভদ্ৰ খেতিয়কৰ বংশৰ। বিয়াৰ আগতেই দুয়োৰে যথেষ্ট বয়স হৈছিল, সন্তান হৈছিল মাত্ৰ দুটি—দুয়োটি লৰা। ডাঙৰজন ছেমুৱেল, যি পিচত বিখ্যাত হৈ উঠিছিল, আৰু যাৰ গুণ-গান মই কৰিবলৈ লৈছোঁ। সৰুজন নেথানিয়েলৰ ২৫ বছৰ বয়সতে মৃত্যু হয়।

মাইকেল জনছন গায়ে-গাঁৰিয়ে প্ৰকাণ্ড মানুহ আছিল, মনটোও আছিল বলী আৰু কামিলা। কিন্তু সকলো কঠিন শিলতে দুৰ্বল বস্তুৰ ভাঁজ থকা দৰে তেওঁৰ শৰীৰতো ৰোগৰ বীজ মিহলি হৈ আছিল। এই ৰোগ নো কি তাক বহু অনুসন্ধান কৰিও বুজিব পৰা হোৱা নাই, কিন্তু তাৰ ফল হ'ল এবিধ দুৰ্বলতা। এই দুৰ্বলতাই জীৱনলৈ ক্লান্তি আনে, যিবিলাক বস্তুৱে সৰহভাগ মানুহকে উৎসাহ যোগায় সেইবোৰৰ প্ৰতি এটি আওকণীয়া ভাব আৰু সাধাৰণভাৱে এটা অন্ধকাৰ নৈৰাশ্যৰ ভাৱ মনলৈ আনে। পুতেক জনছনেও আন আন গুণৰ লগতে এটা বিষাদ আৰু নৈৰাশ্যৰ ভাৱ উত্তৰাধি-কাৰ স্বৰূপে পাইছিল। এইটোৱেই তেওঁক—তেওঁৰ চোকা ভাষাৰে কবলৈ গ'লে—'গোটেই জীৱনটো ঠিক বলিয়া কৰি নথলেও অস্বাভাৱিক কৰি ৰাখিছিল।' মাইকেলে অৱশ্যে নিজৰ দৰিদ্ৰ অৱস্থাৰ বাবেই, কেৱল নিজৰ দোকানতে যে কঠোৰ পৰিশ্ৰম কৰিব লগীয়া হৈছিল এনে নহয়, সময়ত লীচ্‌ফিল্ড এৰি দূৰৰ চহৰবোৰতো ঘূৰি ফুৰিব লগীয়া হৈছিল। সেই সময়ত সৰু সৰু চহৰবোৰত কিতাপৰ দোকানৰ বৰ অভাৱ আছিল, আনকি বাৰ্মিং-হামৰ নিচিনা চহৰতো এখন কিতাপৰ দোকান নাছিল। মাইকেল জনছনে প্ৰত্যেক হাটবাৰে গৈ বাৰ্মিংহামত কিতাপৰ দোকান খুলিছিলগৈ। তেওঁ লেটিন ভাষা ভালেই জানিছিল আৰু মানুহ হিচাপে ইমান ভাল আছিল যে লীচ্‌ফিল্ডত তেওঁক মেজিষ্ট্ৰেট পতা হৈছিল। তেওঁ সৎ মানুহ আৰু ব্যৱ-সায়ত চতুৰ আছিল বাবে কিছু ধন-সম্পত্তিও গোটাইছিল, কিন্তু শেষ বয়সত পাৰ্চমেণ্ট তৈয়াৰীৰ ব্যৱসায় খুলি এই সম্পত্তিৰ সৰহভাগকে হেৰুৱালে। তেওঁ উগ্ৰ গোঁড়া খৃষ্টীয় মতাৱলম্বী আছিল আৰু আছিল ৰজাৰ সমৰ্থনকাৰী। মৃত্যুৰ কাললৈকে ষ্টুৱাৰ্ট বংশৰ প্ৰতি ভক্তি আৰু মৰম অটুট আছিল, যদিও

ঘটনাৰ প্ৰবাহত পৰি আৰু প্ৰয়োজনৰ খাতিৰত প্ৰচলিত শাসক গৱৰ্ণমেণ্টৰ ওচৰত শপত ল'ব লগীয়াও হৈছিল।

৫

অক্সফ'ৰ্ড (১৭২৮)

মাইকেল জনছনৰ নিচিনা অৱস্থাৰ মানুহ এজনে নিজৰ খৰচত পুতেকক অক্সফ'ৰ্ডৰ নিচিনা এটা ব্যয়বহুল বিশ্ববিদ্যালয়লৈ পঠাব পাৰিব সেইটো দেখাতে অসম্ভৱ। আনহাতে জনছনকো কথাষাৰ বুজিব নোৱাৰি। কিন্তু ডঃ টেইলৰে মোক নিশ্চয়কৈ কৈছিল যে তেওঁৰ এজন সহপাঠী 'শ্ৰপশ্বায়াৰ-বাসী ভদ্ৰলোকে উপযাচি জনছনক সহায় কৰিবলৈ আগবাঢ়ি নহা হলে কথাষাৰ নুঠিলেইহেঁতেন। সেই ভদ্ৰলোকে জনছনক সঙ্গী হিচাপে পাবলৈ ইচ্ছা কৰিছিল, কিন্তু বাস্তৱক্ষেত্ৰত জনছনে তেওঁৰ পৰা কোনো সহায়েই পোৱা নাছিল।

যি হওক, তেখেত অক্সফ'ৰ্ডলৈ গৈছিল আৰু ১৭২৮ চনৰ ৩১ অক্টোবৰৰ তাৰিখে 'কমনাৰ' (সাধাৰণ ছাত্ৰ) হিচাপে পেমব্ৰোক কলেজত ভৰ্তি হৈছিল। সেই সময়ত তেওঁৰ বয়স আছিল উনৈছ বছৰ।

ৰেভা ডঃ আডাম্‌ছ্ (এখেতে পিচত সুখ্যাতিৰে সৈতে পেমব্ৰোক কলেজৰ অধ্যক্ষতা কৰিছিল) সেই সময়ত পেমব্ৰোকত আছিল। তেখেতে মোক জনছন অক্সফ'ৰ্ড আহি পোৱাৰ নিশা কি ঘটিছিল তাৰ অলপ বৰ্ণনা দিছিল। জনছনৰ তত্ত্বাৱধান লোৱাৰ দায়িত্ব পৰিছিল মিঃ জৰ্ডেনৰ (Jorden) ভাগত। জনছনৰ দেউতাকে বৰ শঙ্কাকুল চিত্তে পুতেকৰ লগত অক্সফ'ৰ্ডলৈ গৈছিল আৰু এটা সুবিধা উলিয়াই পুতেকক মিঃ জৰ্ডেনৰ সৈতে চিনাকি কৰি দিছিল।

পুতেকৰ প্ৰতিভাত দেউতাকৰ বুকু ফুলি আছিল আৰু সমবেত ভদ্ৰলোকসকলক কৈছিল যে জনছন্ এজন পণ্ডিত লৰা, এজন কবি আৰু লেটিন ভাষাতো কবিতা লিখিব পাৰে। তেওঁলোকৰ কিন্তু জনছনৰ চেহেৰা আৰু গঠন অদ্ভুত যেন লাগিছিল, যদিও জনছনে বৰ নম্ৰ ব্যৱহাৰ কৰিছিল আৰু নিমাতে বহি আছিল। কিন্তু কথা-বতৰাৰ মাজতে হঠাৎ কিবা এটা প্ৰসঙ্গ ওলোৱাত তেওঁ কথাৰ মাজত সোমাই মেক্ৰবিয়াচৰ পৰা এটা উদ্ধৃতি দিলে। এইদৰেই তেওঁ নিজৰ গভীৰ পঢ়া-শুনাৰ প্ৰথম পৰিচয় দিছিল।

৬
অধ্যয়ন (১৭২৯)

এদিন মই জনচনক এজন ভদ্ৰলোকে—নামটো এতিয়া পাহৰিছোঁ—গভীৰ ভাৱে পঢ়া-শুনা কৰিছিল নে নাই সুধিছিলোঁ। জনচনে উত্তৰ দিছিল—'হুঁহে।' তেওঁ গভীৰভাৱে পঢ়া-শুনা কৰিছিল বুলি মোৰ বিশ্বাস নহয়। গভীৰ অধ্যয়ন কৰা মানুহ মই দেখাই নাই। অৱশ্যে ফলাফল দেখি কব পাৰোঁ যে কিছুমান মানুহে গভীৰভাৱে পঢ়া-শুনা কৰিছে, যেনে, বেণ্ট্লী আৰু ক্লাৰ্ক।"

অইনক জনচনে যি চকুৰে জুখি চাইছিল সেই চকুৰে জুখি চাই জনচনৰ লিখা আৰু কথা-বতৰাৰ পৰা আমি নিশ্চয় কব পাৰোঁ যে জনচনৰ পঢ়া-শুনা বহুদূৰ বিস্তৃত আছিল। ডঃ আডাম স্মিথে (এই বিষয়ে বোধ হয় জনচনতকৈ বিজ্ঞ খুব কমেই আছিল) এদিন মোক কৈছিল যে জনচনে যি কোনো জীৱিত মানুহতকৈ বেচি কিতাপ পঢ়িছে। জনচনৰ এটা অদ্ভুত বিশেষত্ব আছিল যে গোটেই কিতাপখন ইমূৰৰ পৰা সিমূৰলৈ পঢ়িবৰ কষ্ট নকৰাকৈয়ো যি কোনো কিতাপৰ মূল্যবান কথাখিনি উলিয়াই লব পাৰিছিল। জনচনৰ স্বাস্থ্যই জনচনক সদায় বিৰক্তি লগাই আছিল বাবে জনচনে যেতিয়াই কিবা পঢ়ে বা লিখে তেতিয়াই সদায় বাস্ত হৈ খৰখেদা লগাইছিল। কলেজত পঢ়োঁতে নতুন হোৱা বাবে আৰু অলপ ভয়ো থকাত লিখিব লগীয়াখিনি দুবাৰকৈয়ো লিখিছিল, কিন্তু আন কোনো ৰচনাতে জনচনে সিমান কষ্ট নকৰিছিল। আমি পিচত দেখা পাম যে জনচনৰ অতি সুন্দৰ লেখাবিলাকো অতি খৰকৈ উত্তেজনাৰ মুহূৰ্ত্তত লিখি থোৱা।

৭
জনচনৰ নিজা শিক্ষা-নিকেতন (১৭৩৬)

এইবাৰ জনচনে এটা ঘৰুৱা শিক্ষা-নিকেতন খুলিলে। ইয়াৰ বাবে জনচনে নিজ চহৰৰ ওচৰতে এটা ডাঙৰ ঘৰ ভাৰা কৰি লৈছিল। ১৭৩৬ চনৰ *Gentlemen's Magazine* অত তলত দিয়া বিজ্ঞাপনখন ওলাইছিল ;

"ষ্টাফোর্ডশ্ব্যায়াৰৰ লীচ্ফিল্ড চহৰৰ ওচৰত এডিয়েল (Edial) নামে ঠাইত জেমুৱেল জনছনে যুৱকসকলক লেটিন আৰু গ্ৰীক ভাষা শিকাব। থকা-খোৱাৰ ব্যৱস্থা আছে।"

কিন্তু জনছনে ছাত্ৰ পালে মাত্ৰ ডেভিড গেৰিক, ডেভিডৰ ভায়েক জৰ্জ আৰু মিঃ অফেলি নামে এজন অৱস্থাপন্ন ভদ্ৰলোক। শেষৰজনৰ অকালতে মৃত্যু হয়। পিচৰ জীৱনৰ সমগ্ৰ মানৱ জাতিৰ সন্মান আৰু দৃষ্টি আকৰ্ষণ কৰিব পৰা যশস্যা তেতিয়াও তেখেতৰ লাভ হোৱা নাছিল। এইখন বিজ্ঞাপন যদি তেখেতৰ 'লণ্ডন' বা 'ৰেম্বলাৰ' বা অভিধানখন প্ৰকাশ হোৱাৰ পিচত ওলালেহেঁতেন তেন্তেসি কিদৰে গোটেই পৃথিবী ফাটিফুটি গ'লহেঁতেন। কি আগ্ৰহেৰেই যে ডাঙৰ মানুহ অথবা ধনীমানুহ সকলে নিজৰ লৰাইঁতৰ পণ্ডিত জেমুৱেল জনছনৰ ওচৰত শিক্ষা লাভ কৰিবলৈ পোৱাৰ সুবিধা আঁকোৱালি নধৰিলেহেঁতেন।

৮

লণ্ডনলৈ যাত্ৰা (১৭৩৬)

এইবাৰ জনছনে প্ৰতিভা আৰু পৰিশ্ৰমৰ ক্ষেত্ৰ লণ্ডনত নিজৰ ভাগ্য পৰীক্ষা কৰিবলৈ মন মেলিলে। এই ঠাইত সকলো প্ৰকাৰৰ প্ৰতিভাৰ বাবে দুৱাৰ মুকলি আৰু সকলোৱে সম্পূৰ্ণ উৎসাহ পাব পাৰে। উল্লেখ কৰিব লগীয়া ঘটনা হ'ল যে তেখেতৰ ছাত্ৰ ডেভিড গেৰিকো একেলগে যাবলৈ ওলাল। গেৰিকৰ উদ্দেশ্য আছিল তেওঁৰ শিক্ষা সম্পূৰ্ণ কৰা আৰু আইনৰ ব্যৱসায় কৰা। কিন্তু অভিনয়ত বাপ থকাৰ বাবে তেওঁ আইনৰ ব্যৱসায় লবলৈ ইচ্ছা নকৰিলে।

দুয়ো ভদ্ৰলোকৰ এই প্ৰথম লণ্ডন যাত্ৰাৰ কথা বৰ আনন্দেৰে বৰ্ণনা কৰিছিল। কিলালোৰ (Killaloe) বিশপে যোক কৈছিল, এদিন জনছন আৰু গেৰিকে আন অনেকৰে সৈতে খোৱা মেজত বহি কথা পাতি থাকোঁতে কিবা এটা সময়ৰ কথা মনত পেলাবলৈ চেষ্টা কৰিছিল। জনছনে বাজতে হাঁহি হাঁহি কৈছিল: "সেই বছৰতে মই জেপত মাত্ৰ আঢৈ পেনি লৈ লণ্ডনলৈ আহিছিলোঁ।" গেৰিকে কথাষাৰ শুনি মাত লগালে, "কি কয় আপুনি? জেপত মাত্ৰ আঢৈ পেনি লৈ?" জনছনে উত্তৰ দিলে, "হয় হয়ত্তো ডেভি! আৰু মই যেতিয়া মোৰ জেপত আঢৈ পেনি লৈ আহোঁ, তেতিয়া তুমি আহিছিলা তোমাৰ জেপত তিনিটা আধা পেনি লৈ।"

৯

অভাৱৰ দিনকেইটা (১৭৩৭)

লণ্ডনলৈ অহাৰ পিচত তেখেতৰ হাতত নিচেই অলপ পইচা আছিল কিন্তু তেখেতে জানিছিল কেনেকৈ অতি কম খৰচতে চলিব পাৰি। প্ৰথমতে তেখেতে ষ্ট্ৰাণ্ডৰ কেথেৰীণ ষ্ট্ৰীটৰ লগতে লাগি থকা ইক্সেটাৰ ষ্ট্ৰীটৰ মিঃ নৰিছ নামে এজন মানুহৰ ঘৰত থাকিবলৈ লৈছিল। তেখেতে কৈছিল: "মই ওচৰতে থকা নিউ ষ্ট্ৰীটৰ "পাইন্ এপল্" নামে ভোজনালয়ত আঁঠ পেনি খৰচতে বেছ ভালকৈ খাব পাৰিছিলোঁ। খাওঁতে এনেদৰে ভাল মানুহকে সদায় লগ পাইছিলোঁ। এওঁলোকৰ কেইবাজনেও ভ্ৰমণ কৰি ফুৰিছিল। তেওঁলোকে সদায় তাত গোট খাবৰ চেষ্টা কৰিছিল, কিন্তু ইজনে সিজনৰ নাম নেজানিছিল। তেওঁলোকৰ এগৰাকী খাওঁতে জনম্বৰি এক চিলিংকৈ পৰিছিল কাৰণ তেওঁলোকে সুৰা-পান কৰিছিল। মই ছয় পেনিৰ মাংস আৰু এক পেনিৰ ৰুটি খাইছিলোঁ। আৰু পৰিবেশনকাৰীটোক এক পেনিকৈ দিছিলোঁ। তেওঁলোকে কিন্তু তাক একো নিদিছিল, গতিকে তেওঁলোকতকৈ মোকেই সি ভালকৈ খুৱাইছিল।"

মোৰ বিশ্বাস এই সময়ত তেখেতে সম্পূৰ্ণৰূপে মদ বৰ্জন কৰিছিল। জীৱনৰ বেলেগ বেলেগ কালত একোবাৰত কেইবা বছৰ ধৰি তেখেতে এই বৰ্জন অভ্যাস কৰিছিল।

১০

জেণ্টল্‌মেন'ছ মেগেজিন (১৭৩৮)

দেখা যায়, এই সময়তে মিঃ কেভে (Cave) তেখেতৰ আলোচনী-খনত জনছনক নিয়মীয়া লিখক কৰি লৈছিল। এই উপায়ে তেখেতে সাধাৰণভাৱে জীৱিকা উলিয়াবলৈ সক্ষম হৈছিল। কোন সময়ত আৰু কেনেকৈ তেখেতে ফৰাচী আৰু ইটালিয়ান ভাষাৰ সম্যক জ্ঞান আহৰণ কৰিছিল সেইটো মই ক'ব নোৱাৰোঁ। কিন্তু ভাষাকেইটাত তেখেতৰ ইমানখিনি দখল আছিল যে অনুবাদকৰ কামৰ বাবে তেখেত উপযুক্ত বুলি বিবেচিত হৈছিল। (আলোচনী খনৰ) আন আন লিখকসকলৰ প্ৰবন্ধ-পাতি গাল-সলনি কৰি উন্নত কৰাত তেখেতে কেনে পৰিশ্ৰম কৰিব লগীয়া হৈছিল

সেইটো মাত্র তেখেতসকলেহে বুজিব পাৰিব যি মাটি এডোখৰ সমান কৰা কামত দেখাৰ দৰে প্ৰবন্ধবোৰৰ আগৰ অৱস্থাৰ লগত সলনি কৰা প্ৰবন্ধবোৰ বিজাই চাবৰ সুবিধা পাইছিল। আমি মাত্ৰ সঠিককৈ ইমানখিনিকে জানো যে পাৰ্লেমেন্টৰ দুয়োখন সভাৰে আলোচনাবিলাক তেখেতে এইদৰেই সাল-সলনি কৰি *Senate of Lilliput* নাম দি প্ৰকাশ কৰিছিল। বক্তাসকলৰ নামবোৰ অতি পাতলভাৱে লুকুৱাই নাইবা প্ৰকৃত নামৰ আখৰকেইটা অলপ আগ-পিচকৈ কিন্তু চিনিব পৰাকৈ ৰাখি এইবোৰ প্ৰকাশ কৰা হৈছিল। এনে কৌশল অৱলম্বন কৰিবৰ কাৰণ হ'ল যে পাৰ্লেমেন্টে সেই সময়ত বাতৰি কাকত বিলাকক ভয়ত চেপা খুৱাই ৰাখিছিল। আমাৰ সময়ত তো বাতৰি কাকতে অবাধ স্বাধীনতা পাইছে। এতিয়া দেশৰ সকলো ঠাইতে মানুহে তেওঁলোকৰ প্ৰতিনিধিসকলে কি কৰিছে তাৰ মুক্ত, নিঃস্বাৰ্থ সঠিক বিৱৰণী পাব পাৰে। এইটো হৈছে আমাৰ সংবিধানৰ এটি অতি মূল্যবান অঙ্গ, যদিও বৰ্ত্তমানে কিছুমান অপ্যাত নিৰ্থক সন্মানিত পদ আৰু চৰিত্ৰৰ ভদ্ৰলোককো নীচ আক্ৰমণ কৰা দেখা যায়।

জেণ্ট্‌ল্‌মেনচ্‌ মেগেজিনত এই বিশেষ প্ৰবন্ধৰাজি কেইবা বছৰ ধৰি লিখি আছিছিল মিঃ উইলিয়ম গাথ্‌ৰীয়ে (Guthrie)। গাথ্‌ৰীৰ মেধা শক্তি—যদিও পিচত তেখেতক চেৰ পেলাব পৰা মানুহ ওলাইছে—বৰ তীক্ষ্ণ আৰু গ্ৰহণ কৰিব পৰা ধৰণৰ আছিল। প্ৰথমতে মিঃ কেভে গাথ্‌ৰীয়ে অনা টোকাবোৰ ভালকৈ লিখিবৰ বাবে জনচনৰ হাতত তুলি দিছিল আৰু পিচলৈ গাথ্‌ৰীৰ আন আন কাম বেচি হোৱাত আৰু ইফালে জনচনৰ প্ৰতি ভাৰ পৰশ পাই বিৱৰণীবোৰো সুন্দৰ হৈ উঠাত, পাৰ্লেমেন্টৰ দৰ্শক হিচাপে নিযুক্ত কৰা মানুহে গোটাই অনা সৰু সৰু টোকাবোৰ জনচনৰ হাতত সোধাই দি তেখেতকে গোটেইখিনি কাম কৰিবলৈ কোৱা হয়। তেখেতে নিজে মোক কৈছিল যে কেতিয়াবা কেতিয়াবা এই টোকাবোৰত বক্তাকেইজনৰ নামকেইটা আৰু আলোচনাত তেওঁ কি অংশ গ্ৰহণ কৰিছিল তাৰ বাহিৰে একো পোৱা নাগৈছিল।

এইদৰেই জনচনে জীৱনৰ কেইটামান উত্তৰ বছৰ কেৱল জীৱিকা অৰ্জনৰ বাবে সাহিত্যিক মজদুৰ হৈ কটাইছিল, ব্যক্তিৰ বাবে নহয়, ধনৰ বাবে। অৱশ্যে সময়ে সময়ে তেখেতে নিজৰ আনন্দৰ বাবে সৰু-সুৰা একোটি প্ৰবন্ধ ও লিখিছিল। এইবিলাকক ফৰাচীইতে *jeux d'esprit* বোলে। এইবিলাকৰ কথা পিচত কোৱা হ'ব।

১১

অভিধান (১৭৪৭)

১৭৪৭ চনত জনছনৰ *Dictionary of the English Language* অৰ চক (plan) এটা বাহিৰলৈ আগবঢ়োৱা হয়। এই অভিধান আছিল জনছনৰ সকলোতকৈ শ্ৰমসাধ্য আৰু বিশেষত্বপূৰ্ণ গ্ৰন্থ। আৰু সেইবাবেই ১৭৪৭ চনটোক (জনছনৰ সাহিত্যিক জীৱনৰ) এটি নতুন যুগৰ সূচনা বুলিব পাৰি।

এই বিৰাট কামটো যে কিমান দিন তেওঁৰ চিন্তা আৰু কল্পনাৰ বিষয় হৈ আছিল তাক মই ক'ব নোৱাৰোঁ। মই এবাৰ তেওঁক সুধিছিলোঁ যে ইমান অসুবিধাপূৰ্ণ আৰু সুদূৰ-প্ৰসাৰী পৰিকল্পনা এটা সফল কৰিবৰ জোগাৰে আমাৰ ভাষা সম্বন্ধে বিস্ময়কৰ জ্ঞান তেখেতে কেনেকৈ গোটালে? তেখেতে উত্তৰ দিছিল যে ই কোনো অধ্যয়নৰ ফল নহয় বৰং ই গম নোপোৱাকৈয়ে তেখেতৰ মনত গঢ়ি উঠিছিল। মিঃ জেমছ ডড্ছ্লীয়ে মোক কৈছিল যে এই plan প্ৰকাশ কৰাৰ কেইবছৰমান আগতে এদিন জনছন জেমছৰ ভায়েক ৰবাৰ্টৰ কিতাপৰ দোকানত বহি আছিল। জেমছো উপস্থিত আছিল। সেই সময়তে ৰবাৰ্টে জনছনক কৈছিল যে ইংৰাজী ভাষাৰ এখন অভিধান উলিয়ালে ৰাইজে বোধহয় আনন্দেৰে গ্ৰহণ কৰিব। জনছনে প্ৰথমতে কথাষাৰত কাণ দিয়া যেন লাগিল কিন্তু অলপ পৰ হৈ তেওঁ হঠাৎ সিদ্ধান্ত লোৱাৰ দৰে কলে, "মোৰ হলে বিশ্বাস মই কামটো হাতত নলব।" কিন্তু প্লেনখন প্ৰকাশ কৰাৰ আগতে বিষয়টো যে তেখেতে গভীৰভাৱে চিন্তা কৰিছিল সেইটো প্লেনখনৰ স্পষ্ট বিশুদ্ধ আৰু বিস্তৃত ৰূপ দেখিলেই বুজিব পাৰি। ইয়াত তেখেতে উল্লেখ কৰিছে যে কিমকল লিখকৰ মতামত সেই অভিধানত লোৱা হ'ব তেখেতসকলৰ বেছি ভাগকেই নিৰ্বাচন কৰিছে পোপে (Alexander Pope), ইয়াৰ পৰাই বুজা যায় যে ইয়াৰ আগতে এই প্ৰকাণ্ড সাহিত্যিক প্ৰচেষ্টাৰ বাবে সেই বিখ্যাত কবিয়ে কিবিলাক ইঙ্গিত দিছিল সেইবিলাক খুব সম্ভবতঃ ডড্ছ্লীয়েই জনছনৰ হাতত দিছিল।

যি কাম আন আন দেশত বহুতৰ সহযোগিতা অবিহনে হোৱা নাই সেই কাম জনছনে অকলে কোনো সহায় নোহোৱাকৈ কৰিবলৈ যিসকল কিতাপৰ ব্যৱসায়ীয়ে জনছনৰ লগত চুক্তি কৰিছিল তেওঁলোক হল, মিঃ

ৰবাৰ্ট ডড্‌ছ্‌লী, চাৰ্লছ্‌ হিচ (Hitch), এণ্ড্ৰু মিলাৰ ((Millar)), দুজন মিঃ লংমেন আৰু দুজন মিঃ নেপটন ((Knapton) । বন্দোবস্ত হল এহেজাৰ পাঁচশ পঁয়সত্তৰ পাউণ্ডত।

এদিন ডঃ আডাম্‌ছে তেখেতক অভিধানৰ কামত ব্যস্ত থকা সময়ত সুধিছিল, "ডাঙৰীয়া, এইটো এটা বৰ ডাঙৰ কাম। আৰু শব্দবোৰৰ মূল কেনেকৈ স্থিৰ কৰিব?" জনছনে উত্তৰ দিলে "কিয়? এইযা কিতাপৰ শেল্‌ফত আছে জুনিয়াচ, স্কীনাৰ আৰু আন আন গ্ৰন্থকাৰ। আৰু ৱেলছৰ এজন ভদ্ৰলোকে ৱেলছৰ খণ্ডবাক্যৰ সংগ্ৰহ এটি উলিয়াইছে, তেওঁ মোক ৱেলচ ভাষা সম্বন্ধে সহায় কৰিব।' আডামছে সুধিলে, "কিন্তু তিনি বছৰৰ ভিতৰত এইখন কেনেকৈ লিখি উলিয়াব?" জনছনে উত্তৰ দিলে, "তিনি বছৰত যে পাৰিম তাত কোনো সন্দেহ নাই।" আডাম্‌ছ—"কিন্তু 'ফ্ৰেঞ্চ একাডেমী'ৰ চল্লিশজন সভ্য আছে, অৰু তেওঁলোকৰ অভিধানখনি লিখি উলিয়াওঁতে চল্লিছ বছৰ সময় লাগিছিল।" জনচনে উত্তৰ দিলে, "ডাঙৰীয়া কথাটো হল এনেকুৱা, মানে অনুপাতটো হ'ল, এই চাওক, চল্লিছক চল্লিছৰে পূৰণ কৰিলে হয় যোল্লশ। এতিয়া তিনি আৰু যোল্ল শৰ যি অনুপাত, এজন ইংৰাজ আৰু এজন ফৰাচীৰো সেই অনুপাত।" ইমান সহজে আৰু ধেমালি ধুমুলাৰে সোতে তেখেতে এটা বিৰাট পৰিশ্ৰমৰ বোজা মূৰত লৈ কথা ক'ব পাৰিছিল।

১২

মিছেছ জনছনৰ মৃত্যু (১৭৫২)

পিচদিনা তেখেতে এইদৰে লিখিছিল :

ৰেভাৰেণ্ড ডঃ টেইলৰলৈ,

প্ৰিয় ডাঙৰীয়া, মোক আপোনাৰ সঙ্গদান কৰক আৰু উপদেশ দিয়ক। মোৰ পৰা আঁতৰি নেথাকিব। মোৰ দুৰ্ভোগ বহুতো।

মিছেছ টেইলৰক ক'ব, তেখেতে যেন অনুগ্ৰহ কৰি মোক জনায়, বই বা আৰু কিছু পঠাবৰ বাবে কি কি শোকৰ পোছাক আদি কিনিব লাগিব, আৰু তাৰ এটি লিখিত টোকা লগতে লৈ আহিব।

আপোনাৰ প্ৰাৰ্থনাৰ সময়ত যেন মোক মনত ৰাখে, কাৰণ মানুহৰ সহায় মিছা।

১৮ মাৰ্চ, ১৭৫২ আপোনাৰ, ছেম জনছন।

১৩

বেনেট লেংটন আৰু টপ্‌হাম বোক্লাৰ্ক (১৭৫২)

ৰেম্বলাৰ বন্ধ হৈ যোৱাৰ পিচতে তেখেতৰ আন এজন প্ৰিয় বন্ধুৰ সৈতে পৰিচয়ৰ সূত্ৰপাত হয়। তেখেত হ'ল বেনেট্ লেংটন (Bennet Langton) লিঙ্কনশ্বায়াৰৰ লেংটনৰ জমিদাৰ। লেংটনে—তেতিয়া ডেকা বয়স—ৰেম্বলাৰ পঢ়ি ইমান ভাল পাইছিল যে প্ৰধানতঃ তাৰ লিখকৰ লগত দেখা কৰিবলৈকে লণ্ডন পাইছিলহি।

মিঃ লেংটনে পিচত অক্সফৰ্ডৰ ট্ৰিনিটি কলেজলৈ পঢ়া-শুনা কৰিবৰ বাবে গৈছিল আৰু তাত সহপাঠী টপহাম বোক্লাৰ্কৰ (Topham Beuclerk) সৈতে বন্ধুতা পাতিছিল। দুয়োজনৰ মতামত আৰু জীৱন কটোৱাৰ প্ৰণালী ইমান বেলেগ আছিল যে তেওঁলোকৰ মাজত মিলাপ্ৰীতিৰ সম্বন্ধ গঢ়ি উঠাটো অসম্ভৱ যেন লাগিছিল। আনহাতে লেংটনৰ কেৱল শিক্ষা আৰু যোগ্যতাই যে আছিল এনে নহয় শুনোতাই আনন্দ পোৱাকৈ কথা-বতৰা পতাতো সিদ্ধহস্ত আছিল। বোক্লাৰ্ক আছিল উগ্ৰ সাহিত্যপ্ৰেমী, তীক্ষ্ণ বুদ্ধিৰ আৰু অতি ভদ্ৰ ব্যৱহাৰৰ মানুহ। তেখেত মিঃ লেংটনৰ সদ্‌গুণ বিলাকত মোহিত হৈছিল আৰু দুয়োৰে মাজত এক গভীৰ বন্ধুত্ব গঢ়ি উঠিছিল।

এই পৰিচয় গঢ়ি উঠাৰ পিচত জনচনে অক্সফৰ্ডত বহু সময় কটাইছিল। তেখেত প্ৰথমতে আচৰিত হৈছিল যে লেংটনে এনে এজন মানুহৰ সৈতে ইমান বন্ধুতা পাতিব যাৰ চৰিত্ৰ কামে-কাজে ভাল নহয় বুলি দুৰ্নাম আছিল। কিন্তু ক্ৰমে ক্ৰমে তেখেত নিজেও বোক্লাৰ্কৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। জনচনৰ মনত আকৌ দুটা কথাই বোক্লাৰ্কৰ সদ্‌গুণবোৰ পোহৰাই তুলিছিল, এটা হ'ল, বোক্লাৰ্ক আছিল St. Albans পৰিয়ালৰ, আৰু আনটো হ'ল যে বোক্লাৰ্কৰ চেহেৰাবো ৰজা দ্বিতীয় চাৰ্লছৰ চেহেৰাৰে সৈতে বহুখিনি মিল আছিল। অলপ দিনৰ ভিতৰতে সজ্জন, ধাৰ্মিক জনচন আৰু ফুৰ্তিবাজ, মদপী বোক্লাৰ্ক বন্ধু হৈ পৰিল। গেৰিকে কথাষাৰ শুনি কৈছিল, "বাঃ কি বন্ধুত্ব! মই বোধ হয় বন্ধুক কেতিয়াবা মদপীৰ জেলখানাৰ পৰা জামিনত আনিব লগীয়া হব।" কিন্তু মই সাক্ষ্য দিব পাৰোঁ যে এই বন্ধুত্ব বেছ সৌহাৰ্দ্যপূৰ্ণ আছিল। বোক্লাৰ্ক ইমান বিনয়ী আছিল আৰু পাণ্ডিত্য আৰু বিদ্যাৰ ইমান ভক্ত আছিল যে উচ্ছৃংখলতা বা অবিশ্বাসৰ কাৰ্য্যৰে জনচনক বিৰক্ত কৰাৰ কথাই নুঠে। আনহাতে তেওঁৰ

সদ্‌গুণবিলাক আকৌ জনছনে ইমান ভাল পাইছিল যে তেওঁ বোক্লাৰ্কৰ বদ-গুণবিলাক গুচাবৰ আশা কৰিছিল। এই ডেকা দুজনে জনছনক বহু সময়তে আনন্দ দিছিল। সেই জনছনৰ মিমানবিলাক লগৰীয়া দেখিছোঁ তাৰ ভিতৰত বোক্লাৰ্কেই তেওঁৰ পৰা বেছিকৈ লাই পাইছিল। আনহাতে, যদি গালি শপনি পাৰিবৰ আৱশ্যক হয়, তেন্তে বোক্লাৰ্কৰো তেওঁৰ সন্মানিত বন্ধুৰে শুদাই নেৰিছিল। বোক্লাৰ্কৰ ইমান ব্যঙ্গ কৰাৰ অভ্যাস আছিল যে এবাৰ জনছনে তেওঁক কৈছিল, "তুমি মানুহৰ মনত কষ্ট নিদিয়াকৈ মুখ মেলিবকে নোৱাৰা। মোৰ মনতো তুমি বহু সময়ত কষ্ট দিছা কিন্তু তোমাৰ কথাৰ শক্তিৰে নহয়, বৰং তোমাৰ উদ্দেশ্যৰ দ্বাৰা।" আন এটা সময়ত তেওঁ পোপৰ এশাৰী কবিতা Thy love of folly and thy scorn of fools—উদ্ধৃত কৰি সান-মিলনি কৰি বোক্লাৰ্কৰ ওপৰত প্ৰয়োগ কৰিছিল। কৈছিল 'তুমি যিহকে কৰা সি তোমাক প্ৰথমটো বুলি প্ৰমাণ কৰে, যিহকে কোৱা সি দ্বিতীয়টো বুলি।" আন এটা সময়ত আকৌ কৈছিল "তোমাৰ শৰীৰটো হল পাপ আৰু মনটো পুণ্য।" বোক্লাৰ্কে প্ৰশংসাটো বৰ ভাল নোপোৱাত জনছনে আকৌ কলে, "নহয়, মহান আলেকজেণ্ডাৰেও বিজয় গৌৰৱেৰে বেবিলনত আহি সোমাওঁতে ইয়াতকৈ বেছি প্ৰশংসা আশা নকৰিলেহঁতেন।"

১৪
লৰ্ড চেষ্টাৰফিল্ডলৈ চিঠি (১৭৫৪)

জনছনে তেখেতৰ অভিধানৰ 'প্লেন' লৰ্ড চেষ্টাৰফিল্ডক সম্বোধন কৰি লিখিছিল। এইটো কম প্ৰশংসাৰ কথা নহয়, কিন্তু চেষ্টাৰফিল্ডে তেওঁৰ লগত এনে ব্যৱহাৰ কৰিলে যে জনছনৰ মন বিৰাগ আৰু অশ্ৰদ্ধাৰে ভৰি পৰিল। তেখেতে মোক কৈছিল যে কোনো সময়তে এনে কোনো ঘটনা ঘটা নাছিল যে লৰ্ড চেষ্টাৰফিল্ডৰ লগত তেখেতৰ কাজিয়া হ'ব পাৰে, কিন্তু লৰ্ড গৰাকীৰ অনৱৰত অৱহেলাৰ বাবেহে জনছনে তেওঁৰ লগত কোনো সম্বন্ধ নেৰাখিবলৈ থিৰ কৰিছিল। মানুহে কয় যে লৰ্ড চেষ্টাৰফিল্ডে আশা কৰিছিল জনছনে অভিধানখন তেওঁৰ নামতে উৎসৰ্গ কৰিব। অভিধানখন প্ৰকাশ হবৰ আগে আগে চেষ্টাৰফিল্ডে বাঞ্ছাচিত ভদ্ৰতাৰে সৈতে প্ৰবন্ধনক লিখি দিবৰ আৰু তেখেতৰ অনুগ্ৰহ লাভ কৰিবৰ চেষ্টা কৰিছিল। ইয়াৰে পৰা বুজা যায়, যে তেখেতে জনছনক যেনেকুৱা শীতল অৱজ্ঞাৰে চাইছিল সেইটো

তেওঁ নাজনা নহয়। তদুপৰি *World* নামৰ আলোচনীত কিতাপখনৰ প্ৰশংসা কৰি দুটা প্ৰবন্ধও লিখিছিল। স্বীকাৰ কৰিব লাগিব এই প্ৰবন্ধ দুটাত কিছু-মান এনে ইচ্ছাকৃত প্ৰশংসাবাদ আছে আৰু সেইবোৰ এনে কৌশলেৰে লিখা যে আগৰ দোষখিনি নথকা হলে জনছনে হয়তো অতি আনন্দ পালেহেঁতেন। প্ৰশংসাই তেখেতক সাধাৰণতে আনন্দ দিছিল আৰু সেই প্ৰশংসা উচ্চ পদৰ মানুহৰ পৰা আহিলে অতি সন্তুষ্ট হৈছিল।

এই ৰাজোচিত কৌশল কিন্তু ব্যৰ্থ হ'ল। জনছনে ভাবিছিল "এই সকলোবোৰ মিছা আৰু ফোপোলা"; এই মৌ-সনা কথাবোৰ তেখেতে ঘৃণা কৰিছিল আৰু খঙো উঠিছিল এই বাবে যে লৰ্ড চেষ্টাৰফিল্ডে এক মুহূৰ্ত্তৰ বাবেও ধাৰণা কৰিছিল জনছনে এনে এটা কৌশলত ভোল যাব। এই প্ৰসঙ্গত মোক তেখেতে এইদৰে কৈছিল, "লৰ্ড চেষ্টাৰফিল্ডে আগতে ভালেখিনি বৰ বৰ কথা কৈ পিচত কেইবা বছৰো ধৰি মোৰ কোনো খবৰকে নোৰাখিলে আৰু যেতিয়া মোৰ অভিধান প্ৰকাশ হব লগীয়া হলহি তেতিয়া 'ৱৰ্ল্ড্' আলোচনীত লিখিবলৈ আৰম্ভ কৰিলে। সেই বাবেই মই তেখেতলৈ চিঠি এখন লিখিলোঁ, বেচ ভদ্ৰভাৱেই কিন্তু এইটো কথা পৰিষ্কাৰ কৰি দি যে তেখেতে কি কয় আৰু কি লিখে তাক মই গ্ৰাহ্যই নকৰোঁ। আৰু তেখেতৰ লগত মোৰ সম্বন্ধও শেষ।"

এইখনেই সেই বিখ্যাত চিঠি যাৰ সম্বন্ধে ইমানবিলাক কথা কোৱা হৈছে আৰু যিখনৰ সম্বন্ধে মানুহৰ কৌতূহল ইমানদিন জাগ্ৰত হলেও নিবাৰণ হোৱা নাই। এনে সুন্দৰ এফি লেখা যাতে পিচৰ পুৰুষৰ বাবে হেৰাই নেযায় সেই বাবে মই জনছনক ইয়াৰ নকল এফিৰ বাবে কেইবাবাৰো অনু-ৰোধ কৰিছিলোঁ। তেওঁ দিয়াত পলম কৰি কৰি অৱশেষত ১৭৮১ চনত আমি বেড্ ফৰ্ডশ্বায়াৰৰ চাউথ্ হিলত মিঃ ডিলীৰ অ'লৈ যাওঁতে সোঁৱৰণীৰ পৰাই লিখাই দিছিল। পিচত তেখেতে নিজৰ কাগজ-পত্ৰ বিলাকৰ মাজত মিঃ বেৰেটিৰ দ্বাৰা লিখাই থোৱা আৰু তেখেতৰ নিজ হাতে শুধৰোৱা নকল এটা পালে। এই নকলটো তেখেতে মিঃ লেংটনক দিছিল আৰু কৈছিল যে চিঠিখন যদি কেতিয়াবা ছপা কৰিব লগীয়া হয় তেন্তে যেন সেইখনৰ পৰাই কৰা হয়। মিঃ লেংটনৰ অনুগ্ৰহতে যিটো বস্তু গোটেই পৃথিবীয়ে চাবলৈ আগ্ৰহান্বিত হৈ আছে তাৰ এটা শুদ্ধ নকলৰ দ্বাৰা মোৰ কিতাপখনৰ শোভা বঢ়াবলৈ সক্ষম হৈছোঁ।

সত্য সন্মানিত আৰ্ল অব চেষ্টাৰফিল্ডলৈ 7 ফেব্ৰুৱাৰী, ১৭৫৫

মাই লৰ্ড,

দি ৱৰ্ল্ড্ আলোচনীৰ স্বত্বাধিকাৰীসকলে মোক অলপতে জনাইছিল যে মোৰ অভিধানখনিলৈ প্ৰশংসাৰে সৈতে দৃষ্টি আকৰ্ষণ কৰা প্ৰবন্ধ দুটি আপুনিয়েই লিখা। এইদৰে প্ৰশংসিত হোৱাটো অৱশ্যে এটা সন্মান, কিন্তু, ডাঙৰৰ পৰা অনুগ্ৰহ পোৱাত মই ইমান অনভ্যস্ত যে এই প্ৰশংসা কেনেকৈ গ্ৰহণ কৰিম বা কি ভাষাত কৃতজ্ঞতা স্বীকাৰ কৰিম তাক মই নেজানো।

যেতিয়া সামান্য উৎসাহ পাই মই প্ৰথমে আপোনাৰ তালৈ গৈছিলোঁ তেতিয়া আন আন মানুহৰ দৰে মযো আপোনাৰ কথা-বতৰা শুনি অভিভূত হৈ গৈছিলোঁ আৰু ভাবিবলৈকো বাধ্য হৈছিলো যে সকলো মানুহে যি অনুগ্ৰহৰ বাবে হাঁ-আঁজোৰা কৰিছে মযো সেই অনুগ্ৰহৰ ভাগ নিশ্চয় পাম। কিন্তু মোৰ সেই যোৱাত ইমান কম উৎসাহ দিয়া হ'ল যে আত্ম-সন্মান আৰু ভদ্ৰতা কোনোটোৱেই আৰু মোক আপোনাৰ তালৈ গৈ থাকিবলৈ নিদিলে। বাজহুৱা ভাৱেও মই, এজন নিৰ্জনতাপ্ৰিয় আৰু অসামাজিক পণ্ডিতৰ দ্বাৰা যিমানখিনি সম্ভৱ কৰিলোঁ, কিন্তু কোনো মানুহেই তেওঁৰ সকলোখিনি —সি যিমানেই কম নহওক—আওহেলা কৰাটো সহ্য কৰিব নোৱাৰে।

মাই লৰ্ড, মই আপোনাৰ বাহিৰৰ কোঠাত (আপোনাক দেখা পাবৰ আশা পালি) ৰৈ থকাৰ পৰা নতুবা আপোনাৰ দুৱাৰমুখৰ পৰা ঘূৰাই পঠাবৰ পৰা আজি সাত বছৰ পাৰ হৈ গৈছে। এই গোটেইখিনি সময় মই নানা অসুবিধাৰ মাজেদি মোৰ কাম আগবঢ়াই নৈ গৈ আছোঁ—সেইবোৰ লৈ আক্ষেপ কৰা এতিয়া নিষ্প্ৰয়োজন—আৰু অৱশেষত কাৰো পৰা অকণমানি সাহায্য, এটা উৎসাহৰ বাক্য, এটা মৰমৰ হাঁহি নোপোৱাকৈয়ে কিতাপখনি প্ৰকাশ কৰিবৰ সীমাত আনি পোৱাইছোঁ। মই এনে ব্যৱহাৰ আশা কৰা নাছিলোঁ, কাৰণ ইয়াৰ আগতে মোৰ কোনো পৃষ্ঠপোষক নাছিলেই।

ভাৰ্জিলৰ গৰখীয়াই অৱশেষত প্ৰেমৰ চিনাকি পালে, দেখিলে যে সি পৰ্বতৰ অধিবাসী।

মাই লৰ্ড। পৃষ্ঠ-পোষক এনে এজনেই নহয়নে যি এজন মানুহ যেতিয়া পানীত পৰি কক-বকাই থাকে তেতিয়া নিৰ্বিকাৰ ভাৱে চাই থাকে আৰু যেতিয়া পাৰ পায়হি তেতিয়া সহায়েৰে চাকি পেলায়। আপুনি মোৰ পৰিশ্ৰমৰ যি কেৱা স্বীকৃতি দিছে আগতে হোৱা হলে তাক মৰম বুলি ক'ব পৰা গ'লহেঁতেন, কিন্তু তাক ইমানখিনি পলমে কৰা হ'ল যেতিয়া মই নিৰ্বি-

কাৰ আৰু তাৰ উপভোগ কৰিব নোৱাৰোঁ, যেতিয়া মই অকলশৰীয়া আৰু তাৰ এইবৰ লৈতে ভগাই ল'ব নোৱাৰোঁ, যেতিয়া মই প্ৰখ্যাত আৰু তাৰ আৱশ্যক মোৰ নাই। মই আশা কৰোঁ যত কোনো উপকাৰেই পোৱা নাই সেই ঠাইত কৃতজ্ঞতা স্বীকাৰ নকৰাটো, আৰু ভগবানে মোক যি কাম কৰিবলৈ সহায় কৰিলে সেই কাম পৃষ্ঠপোষকৰ সহায়ত কৰিছোঁ বুলি ৰাইজক জনাবলৈ অনিচ্ছা প্ৰকাশ কৰাটো কোনো অবিবেচনাৰ কাম নহয়।

কোনো জ্ঞান-বিদ্যাৰ পৃষ্ঠপোষকৰ পৰা ইমান কম সহায় লৈয়ে যদি কামটো ইমানখিনি আগবঢ়াই নিব পাৰিলোঁ তেন্তে আৰু কম সহায় (মানে কম যদি সম্ভৱ হয়) লৈয়ে কামটো শেষ কৰিব পাৰিলে মই হতাশ নহওঁ। কাৰণ, মাই লৰ্ড, মই ইমান আনন্দেৰে লৈতে অতকাল যি আশাৰ সপোন দেখি আছিলোঁ সেই সপোন দেখা টোপনিৰ পৰা মই সাৰ পাইছোঁ।

আপোনাৰ একান্ত বাধ্য

জেম জনচন

১৫

অভিধানৰ প্ৰকাশ (১৭৫৫)

অবশেষত অভিধানখন ইংৰাজী ভাষাৰ বুৎপত্তি আৰু ব্যাকৰণেৰে লৈতে দুই খণ্ড ফলিওত (two volumes folio) ছপা হৈ ওলাল। বিশ্ববাসীয়ে দেখি আচৰিত হ'ল যে আন আন দেশত যি কাম একোদল পণ্ডিতৰ দ্বাৰাহে কৰা সম্ভৱ বুলি ভাবিছিল তেনে এটা বিৰাট কাম এজন মানুহেই কৰি তুলিলে।

এনে এটি কামৰ বাবে প্ৰামাণিক অভিমত গোটাবলৈ নিশ্চয় কেইবা বছৰো অধ্যয়ন আৱশ্যক হৈছিল। আৰু জনচনৰ তেজী স্মৃতিশক্তি, নানান প্ৰকাৰৰ জ্ঞান আৰু কল্পনাৰে ভৰি পৰিবৰ মূল কাৰণো হয়তো সেয়ে। পাণ্ডলিখন দুই প্ৰকাৰৰ পাৰ্গঅলিৰ অতি সুন্দৰ উদাহৰণ আৰু জনচনেও এই কথাটো ভালকৈয়ে জানিছিল। ছাৰ যশুৱা ৰেণল্ডছে তেখেতক কোৱা শুনিছিল, "মই দুটা কাম খুব ভালকৈ কৰিব পাৰোঁ বুলি মোৰ বিশ্বাস। এটা হল, যি কোনো সাহিত্য গ্ৰন্থৰ আঁচনি লিখা—জাত কি কি

থাকিব লাগিব, কেনেকৈ তাক সৰ্বাঙ্গ-সুন্দৰকৈ লিখি উলিয়াব লাগিব, ইত্যাদি আৰু দ্বিতীয়টো হল কিতাপখন লিখকে যেনেকৈ লিখি উলিয়াম বুলি ভাবিছিল আৰু বাইজকো জনাইছিল তেনেকৈ কিয় লিখিব পৰা নহল তাৰ কাৰণ দেখুৱাই সামৰণি লিখা।"

শব্দৰ অৰ্থ লিখোঁতে তেখেতৰ নিজৰ অভিমত আনকি বিকৃত মতামত দিলাকো। সুকুৱাই দি শব্দটোৰ আচল অৰ্থটো এৰি থৈ যোৱাটো অৱশ্যে সমৰ্থন কৰিব নোৱাৰি। এনেকুৱা কেইটামান শব্দ হ'ল Tory, Whig, Pension, Oats, excise ইত্যাদি। ক'ব পাৰি, এইবোৰ তেওঁৰ খামখিয়ালি ভাব বা ধেমালি প্ৰিয় মনৰ পৰিচয়। অৱশ্যে আমি মনত ৰাখিব লাগিব, এই কৌতুক প্ৰিয়তা কেৱল আনক ব্যঙ্গ কৰোঁতে ব্যৱহাৰ কৰা হোৱা নাই বৰং সময়ত, তেখেতৰ সেই কঠিন শ্ৰমসাধ্য কামটোৰ সম্বন্ধে মানুহৰ যি ধাৰণা আছিলেকো ধেমেলিয়াকৈ ইঙ্গিত কৰি গৈছিল। উদাহৰণ Grub Street : লণ্ডনৰ এটা ৰাস্তা। ইয়াত বহুতো সৰু-সুৰা বুৰঞ্জীলিখক, অভিধান সংকলক আৰু ক্ষন্তেকীয়া কবিতাৰ লিখক বাস কৰে। সেই বাবে বেয়াকৈ লিখা কিতাপ আদিক Grub Street বোলে। আকৌ Lexicographer : অভিধান লিখোঁতা, এজন নিৰ্মাপিত মজদুৰ।

অভিধান সংকলন কৰিবলৈ তেওঁ যি টকাৰ চুক্তি কৰিছিল সেই টকা কাম চলি থাকোঁতেই খৰচ হৈ গৈছিল। আমি আগতে দেখিছোঁ যে তেখেতৰ পৰিশ্ৰমৰ পুৰস্কাৰ আছিল মাথোন পোন্ধৰশ পঁয়সত্তৰ পাউণ্ড। ইয়াৰ পৰা কাগজৰ দাম, নকল নবিছৰ বানচ আৰু আন আন বস্তুৰ দাম বাদ দিলে প্ৰকৃত লাভ প্ৰায় নোখাকেই। এবাৰ মই তেখেতক কৈছিলোঁ, ছাৰ আপুনি যে অভিধানখনৰ বাবে বেছি টকা নেপালে সেই বাবে মই দুখিত। তেখেতে উত্তৰ দিলে, "মযো দুখিত, কিন্তু বেছ ভালেই হ'ল বুলিব লাগে। প্ৰকাশক সকল হ'ল উদাৰ মুকলি মনৰ মানুহ।" এই বিষয়ত তেখেতে সকলো সময়তে প্ৰকাশক সকলৰ প্ৰতি ন্যায় বিচাৰ কৰিছিল। তেখেতে ভাবিছিল, এওঁলোক সাহিত্যৰ পৃষ্ঠপোষক, আৰু প্ৰকৃতপক্ষে, যদিও তেওঁলোকে অৱশেষত তেখেতৰ অভিধানৰ পৰা বহুতো লাভ কৰিলে, তথাপিও কামটো হাতত লোৱাৰ আৰু বহু খৰচৰ মাজেদি তাক সম্পূৰ্ণ কৰাৰ সুবিধা দিয়াৰ বাবে আমি তেওঁলোকৰ ওচৰত হে ঋণী, কাৰণ তেওঁলোক তেওঁলোকৰ ক্ষতিপূৰণ হব নে নহয় সেই সম্পৰ্কে সম্পূৰ্ণ নিশ্চিত নাছিল।

১৬

চাহৰ সপক্ষে (১৭৫৬)

মি: জনাছ্ হেনওয়ে (Jonas Hanway) নামৰ এজন মানুহে চাহ নামৰ সুন্দৰ আৰু জনপ্ৰিয় পানীয়টি আক্ৰমণ কৰি লিখা প্ৰবন্ধটিৰ বিপক্ষে জনচনে যেনেকৈ চাহৰ সমৰ্থন কৰিছিল তাৰ পৰাই বুজিব পাৰি যে এজন মেধাৱী লোকে যেতিয়া, ইটালিয়ানহঁতে কোৱাৰ দৰে, "মৰমতে লিখিবলৈ" লয় তেতিয়া একোটা সামান্য বিষয় লৈয়ো কিমান সুন্দৰভাৱে লিখিব পাৰে। মোৰ বোধেৰে এই সুগন্ধি পাতৰ নিৰ্য্যাস জনচনতকৈ বেছি তৃপ্তিৰে সম্ভৱতঃ কোনো মানুহেই উপভোগ কৰা নাছিল। তেখেতে সকলো সময়তে ইমানকৈ চাহ খোৱা সত্ত্বেও যে তেখেতৰ স্নায়ু একেবাৰে দুৰ্বল হৈ যোৱা নাছিল তাৰ পৰাই বুজিব পাৰি যে তেখেতৰ সেইবোৰ অসাধাৰণ ভাৱে শক্ত আছিল তেখেতে মোক কৈছিল যে বেছি চাহ খোৱাৰ পৰা তেখেতৰ কোনো সময়তে অকণমানো অসুবিধা হোৱা নাছিল। এইটোৱেই কিন্তু প্ৰমাণ যে তেখেতৰ শৰীৰৰ স্নায়ু-তন্ত্ৰীৰ গাঁথনি ঢিলা নহৈ বৰং টান হে আছিল।

১৭

আইৰীশ্ ভাষা (১৭৫৭)

ডাবলিন ৰাজকোষৰ মি: জোচেফ কুপাৰ ৱাকাৰৰ অনুগ্ৰহত মই তলত উৰ্দ্ধৃত কৰা চিঠিখন পাইছিলোঁ। এইখন জনচনে "আয়াৰলেণ্ডৰ বুৰঞ্জীৰ ওপৰত টোকা' নামে পুথিৰ সন্মানিত গ্ৰন্থকাৰলৈ লিখা

চাৰ্লছ্ অ'কনুৰ কোৱাৰলৈ—

ডাঙৰীয়া। অলপতে মই মি: ফক্‌নাৰৰ অনুগ্ৰহত আপোনাৰ আয়াৰলেণ্ডৰ বিৱৰণীখন দেখি তাৰ গঠন কৌশলৰ প্ৰশংসা নকৰি নোৱাৰিলোঁ। চাৰ উইলিয়ম টেম্পলে আক্ষেপ কৰিছিল যে আন আন দেশতকৈ আয়াৰলেণ্ডৰ অতীত অৱস্থাৰ কথা বৰ কমকৈ জনা যায়। ইয়াৰ কাৰণ হ'ল যে স্থানীয় মানুহৰ আহৰি নাই আৰু অনুসন্ধানৰ বাবে কোনো উৎসাহো তেওঁলোকে পোৱা নাই। বাহিৰৰ মানুহৰ আকৌ (ভাষাটো নজনাৰ বাবে) কামটো কৰিবৰ শক্তি নাই।

আইৰীশ্ ভাষাৰ চৰ্চ্চা হওক সেইটো মোৰ বহুদিনৰ ইচ্ছা। এসময়ত আয়াৰলেণ্ড শিক্ষা আৰু ধৰ্ম পৰায়ণতাৰ ক্ষেত্ৰৰূপে জনাজাত আছিল। যি সকলে জাতিৰ উৎপত্তি বা ভাষাৰ পাৰস্পৰিক সম্বন্ধ ইত্যাদি বিষয়ে জানিবলৈ উৎসুক তেওঁলোকে (আইৰীশ্ সকলৰ নিচিনা) ইমান পুৰণি আৰু বিখ্যাত জাতি এটাৰ ক্ৰম বিৱৰ্ত্তনৰ বিষয়ে আৰু বেছিকৈ জানিবলৈ পালে আনন্দিত হ'ব।

ৱেলছ্ আৰু আইৰীশ্ ভাষাৰ মাজত নাইবা আয়ৰলেণ্ডৰ ভাষা আৰু বিস্কে'ৰ (Biscay) ভাষাৰ মাজত কি সম্বন্ধ আছে তাৰ অনুসন্ধান হোৱা উচিত। একেজন মানুহে কাচিৎহে এই স্থানীয় আৰু সীমিত ভাষাবোৰৰ এটাতকৈ বেচি ভাষা বুজিব পাৰে। সেই বাবেই ভাষাবোৰৰ তুলনামূলক আলোচনা কেতিয়াবাহে সম্ভৱপৰ হয়। মই আশা কৰোঁ আপুনি এনে আলোচনা চলাই যাব। বিষয়টো বহুকাল অৱহেলিত হৈ পৰি থাকিল আৰু মোৰ ভয় হয় যে যদি আৰু এটা শতাব্দীও ইয়াক পাহৰণিৰ গৰ্ভত লুকাই থাকিবলৈ দিয়া হয় তেন্তে আৰু কোনোদিনেই উদ্ধাৰ কৰিব পৰা নেযাব। মই সকলো আৱশ্যকীয় অৰ্থাৎ ভাল কামৰ প্ৰচেষ্টাৰে শুভ কামনা কৰোঁ। মোৰ ধাৰণামতে শিক্ষা প্ৰেমী সকলৰপৰা আপুনি বহু সন্মান পোৱা উচিত। আৰু আপোনাৰ পুথিখনৰপৰা বহু আনন্দ পাওঁতা হ'ল আপোনাৰ

এই আজ্ঞাধীন দাস।

লণ্ডন, ৯ এপ্ৰিল ১৭৫৭। **চেমুৱেল জনছন**

১৮

শ্বেক্সপীয়াৰ (১৭৫৭-৫৮)

১৭৫৭: বাৰ্ণিলৈ লিখা চিঠিৰ পৰা: মই আপোনাক জনাবলৈ লাজ পাইছোঁ যে মোৰ শ্বেক্সপীয়াৰখন গ্ৰাহকসকলক যিমান সোনকালে উলিয়াই দিম বুলি কৈছিলোঁ সিমান সোনকালে নোলাব। পিচে এইটো কেৱল তেওঁবিলাকক কথা দিয়া নহয়, মই নিজকো সেই একে কথাই দিছিলোঁ। যি হওক, গ্ৰীষ্মকালৰ আগতে সেইখন ওলাব।

বাৰ্ণিৰ (Burney) পৰা পোৱা: বাৰ্ণি—কিন্তু, ডাঙৰীয়া, আপুনি ৱাৰবাৰ্টনৰ ((Warburton) সন্মুখীন হ'ব লাগিব নহয় জানো? জনছন—

"না। তেঁখেতে ওলাই নাহে। মাত্র তেওঁখেতৰ গুহাতবহি গৌ-গোঁৱাই থাকিব।"
"কিন্তু আপুনি নিশ্চয় ভাবে যে ৰাবৰ্বাৰ্টন খিউবল্ডতকৈ শ্ৰেষ্ঠ সমালোচক।"
"অ'! সেইপিনৰ পৰা চালে ৰাবৰ্বাৰ্টনক টুকুৰা-টুকুৰ কৈ কাটিলে দুকুৰি ৰবৰটা থিউবল্ড হ'ব। তেওঁখেতৰ দোষ হ'ল যে য'ত একোৱেই কৰ লগীয়া নাই, তাতো তেওঁখেতে ক'বলৈ বলিয়া হৈ থাকে।"

১৮৫৮ : টমাছ ৱাৰ্টনলৈ (Warton) লিখা এখন চিঠিৰ পৰা : ডাঙৰীয়া। মোৰ কবিৰ ওপৰত আপুনি লিখা টোকাকেইটা অতি গ্ৰহণীয় হৈছে। মই অনুৰোধ কৰোঁ আপুনি যেন আপোনাৰ অনুসন্ধান চলাই যায়। আপোনাৰ পৰা কিবা এটা মোৰ কিতাপৰ টোকাত থকাটো মোৰ কিতাপৰ বাবেও যশস্যাৰ কথা আৰু অধ্যাপক হিচাপে আপোনাৰ পাণ্ডিত্যৰ বাবেও। আপোনাৰ নাম ব্যৱহাৰ কৰা সম্বন্ধে আপুনি একো নিলিখিলে, এতেকে মই তাক (কিতাপত) দিয়াটোৱেই স্থিৰ কৰিছোঁ। মই আশা কৰোঁ আপোনাৰ বাতৃয়েও তাকে কৰিব। গ্ৰন্থৰ টোকা তৈয়াৰী হয় সাহিত্যৰ বেলেগ বেলেগ বিভাগত কাম কৰি থকা বহুতো মানুহৰ ঘটনাক্ৰমে কৰা আৱিষ্কাৰৰ দ্বাৰা।

১৯

মাতৃ বিয়োগ (১৭৫৯)

লীচ্ফিল্ডৰ মিছ পৰ্টাৰলৈ লিখা—

মোৰ মাক হেৰুৱাই—সৰ্বশ্ৰেষ্ঠ মাতৃক হেৰুৱাই—মই কি শোকত অভিভূত হৈছোঁ সেইটো তুমি বুজিবই প'ৰিবা। তেওঁখেতে যদি পুনৰ জীৱন পোৱাটো সম্ভৱ হ'লহেঁতেন তেন্তে হয়তো মই তেওঁখেতৰ লগত বেছি ভাল ব্যৱহাৰ কৰিলোঁহেঁতেন। কিন্তু তেখেত এতিয়া সুখী। যি হৈ গ'ল সেইবোৰ (এতিয়া) তেখেতৰ বাবে একোৱেই নহয়। আৰু মোৰ কথা হ'ল, মই যিহেতু তেখেতৰ ওচৰত লগোৱা দোষ খিনি নোহোৱা কৰিব নোৱাৰোঁ আশা কৰোঁ অনুতাপে তাক ধুই নিব। মই তোমাক আৰু আন যিসকলে তেখেতক যত্ন কৰিছিল সকলোকে মোৰ আন্তৰিক ধন্যবাদ জনাওঁ আৰু ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যেন তেখেতে তোমালোকক সুখী কৰে। মোলৈ লিখিবা যাতে মই সেই চিঠিৰ পৰা সান্ত্বনা পাওঁ। কিটিয়েও যদি মোলৈ লিখে তেন্তে মই সুখী হ'ম। কেইদিনমানৰ ভিতৰতে মই কুৰি পাউণ্ডৰ হুণ্ডী এখন পঠাম। সেইখন মই নিজেই বা-লৈ লৈ যাম বুলি ভাবি-

ছিলোঁ কিন্তু ভগবানে সেইটো হবলৈ নিদিলে। মোৰ আৰু বেছি কৰৰ শক্তি বা মনৰ অৱস্থা নাই। ভগবানে যেন তোমালোকৰ মঙ্গল কৰে, আমাৰ সকলোৰে মঙ্গল কৰে।

তোমাৰ একান্ত বাধ্য

ছেমুৱেল জনছন

২০

চৰ্কাৰী পেঞ্চন (১৭৬২)

ৰজা তৃতীয় জৰ্জ এই দেশৰ সিংহাসনত বহাৰ লগে লগে সাহিত্যিক সকলৰ বাবে এটি উজ্জ্বল আৰু নতুন পথ মুকলি হ'ল। ইয়াৰ আগৰ শাসন কালত তেওঁলোকে কোনো ৰাজকীয় সন্মান পোৱা নাছিল। বৰ্ত্তমান সম্ৰাটক, এই দেশত পোৱা শিক্ষাই আৰু তেখেতৰ স্বাভাৱিক উদাৰতাই কলা আৰু বিজ্ঞানৰ পৃষ্ঠপোষক কৰি তুলিছিল। এই বছৰৰ আগভাগতে জনছনক এজন সৎ আৰু শিক্ষিত কিন্তু কোনো নিশ্চিত জীৱিকা নথকা মানুহ হিচাপে পৰিচয় কৰি দিয়া হলত সম্ৰাটে তেওঁৰ বাবে বছৰি তিনিশ পাউণ্ডৰ বৃত্তি এটি মঞ্জুৰ কৰিলে।

ৰাইট অনাৰেবল আৰ্ল অৱ বিউটলৈ চিঠি:

"কালি মিঃ ৱেডাৰবাৰ্ণে (Wedderburne) বিল কিশ্বন মোক দিয়াৰ লগে লগে জনালে আপোনাৰ শুভ চুপাৰিছ অনুসৰি সম্ৰাটে ভৱিষ্যতেও মোক আন আন অনুগ্ৰহ দেখুৱাবৰ ইচ্ছা প্ৰকাশ কৰিছে।

অনুগ্ৰহৰ মূল্য চিৰকাল আংশিকভাৱে নিৰ্ভৰ কৰে কি ধৰণেৰে সেই অনুগ্ৰহ দেখুৱা হ'ল তাৰ ওপৰত। আপোনাৰ অনুগ্ৰহত মনৰ সংকোচ গুচাৰ পৰা বা বাধ্যত্ৰ আকৰ্ষণ কৰিব পৰা সকলোখিনিয়েই আছে। আপুনি এনে এজন মানুহক অনুগ্ৰহ দেখুৱাইছে যাৰ (আপোনাৰ সংস্পৰ্শত আনিবলৈ) কোনো বন্ধুও নাই আৰু কোনো অন্তৰ্নিহিত উদ্দেশ্যও নাই, যি কোনো সেৱাৰ দ্বাৰা সেই অনুগ্ৰহ আৰ্জন কৰা নাই নতুবা খোছামুদী কৰি তাক বিচৰাও নাই। আৰু আপুনি মোক ভিক্ষা কৰাৰ লাজৰ পৰা আৰু প্ৰত্যাশাৰ উৎকণ্ঠাৰ পৰা ৰক্ষা কৰিছে।

ইমান সুন্দৰভাৱে যিখিনি দিয়া হ'ল, মই আশা কৰোঁ। সেইখিনি অনুচিত ভাৱে ভোগ কৰা নহব। উদাৰতাই যি প্ৰতিদান বিচাৰে মই আপোনাক সেই প্ৰতিদান অৰ্থাৎ অযোগ্যজনক যে দান দিয়া হোৱা নাই সেই সান্ত্বনা নিশ্চয় যোগাম।

২০ জুলাই ১৭৬২। আপোনাৰ অতি অনুগৃহীত, একান্ত বাধ্য

ছেম জনছন

২১

বছৱেল আৰু জনছনৰ প্ৰথম সাক্ষাৎ (১৭৬৩)

অভিনেতা মিঃ টমাচ ডেভিচৰ (Davies সেই সময়ত কভেণ্ট গাৰ্ডেনৰ ৰাছেল ষ্ট্ৰীটত এখন কিতাপৰ দোকান আছিল। তেখেতে মোক কৈছিল যে জনচন তেওঁৰ বিশেষ বন্ধু আৰু প্ৰায়েই তেওঁৰ ঘৰলৈ আহে। মোক তেখেতে কেইবাবাৰো তেওঁৰ ঘৰলৈ জনছনক দেখা কৰিবলৈ নিমন্ত্ৰণ কৰিছিল। কিন্তু প্ৰত্যেক বাৰেই কিবা নহয় কিবা এটা দুৰ্ভাগ্যক্ৰমে জনছনৰ আমা। ওচৰলৈ অহাত বাধা পৰিছিল।

অৱশেষত ১৬ মে' সোমবাৰৰ দিনা, মই মিঃ ডেভিচৰ আৰু তেখেতৰ গৃহিণীৰ লগত চাহ-ভাত খাই তেওঁলোকৰ পিচফালৰ বহা-কোঠাত বহি আছো, এনেতে জনছন হঠাৎ দোকানলৈ আহিল। ডেভিছে আমাৰ কোঠাৰ মাজেদি তেখেতক আমাৰ ফাললৈ আগবাঢ়ি অহা দেখা পাই তেখেতৰ আগমন বাৰ্তা ঘোষণা কৰিলে, ঠিক যেন হৰাশ্চিওৰ ভাও লোৱা এজনে হেমলেটক দেউতাকৰ প্ৰেতমূৰ্ত্তি অহাৰ বাতৰি ঘোষণা কৰি কৈছে, "চাওক মাই লৰ্ড, তেওঁ আহিছে।' মই দেখিলোঁ যে জনছনৰ চেহেৰা সম্বন্ধে মোৰ ধাৰণা একেবাৰেই ঠিক। মোৰ এই ধাৰণা হৈছিল অভিধান-খন প্ৰকাশ হোৱাৰ পিচতে ছাৰ যশ্বোৱা ৰেণল্ডছে অঁকা এখন প্ৰতিকৃতিৰ পৰা। এইখনেই বন্ধু ৰেণল্ডচে অঁকা জনছনৰ প্ৰথম ছবি। এই ছবিত তেখেতে নিজৰ আৰামী চকীখনত বহি গভীৰ চিন্তাত বুৰ গৈ আছে। ছাৰ যশ্বোৱাই অনুগ্ৰহ কৰি এইখন মোক উপহাৰ দিছিল আৰু তাৰ পৰাই এই কিতাপখনৰ বাবে নকল কৰা হৈছে।

মিঃ ডেভিছে মোৰ নাম উল্লেখ কৰি সন্মানেৰে তেখেতৰ লগত চিনাকী কৰি দিলে। স্কচ্ সকলৰ প্ৰতি তেখেতৰ অশ্ৰদ্ধাৰ কথা বহুতো শুনাৰ বাবে

মই হয়তো উত্তেজিত হৈছিলোঁ, সেইবাবে ডেভিছক কলোঁ, "মই ক'ৰ পৰা আহিছো (কোন ঠাইৰ মানুহ) নকবা।" ডেভিছে দুষ্টালি কৰি ডাঙৰ মাতেৰে জনাই দিলে, "স্কটলেণ্ডৰ পৰা।" মই কলোঁ, "মিঃ জনছন, মই সঁচাকৈয়ে স্কটলেণ্ডৰ পৰাই আহিছোঁ, কিন্তু তাত মোৰ কোনো হাত নাছিল।" মই ভাবি সন্তোষ পাওঁ যে কথাষাৰ মই তেখেতক সন্তুষ্ট কৰিবৰ বাবে ধেমালিৰ ছলেৰে হে কৈছিলোঁ, মোৰ দেশক সৰু নাইবা তুচ্ছ কৰি দেখুৱাবৰ বাবে নহয়। যি হওক, দেখা গ'ল যে কথাষাৰ মোৰ বাবে অলপ দুৰ্ভাগ্যজনক হল, কাৰণ তেখেতে সেই জন্মজাত তীক্ষ্ণ বুদ্ধিৰে মোৰ সেই "স্কটলেণ্ডৰ পৰাই আহিছোঁ" কথাষাৰ চোঁ মাৰি ধৰিলে। কথাষাৰ মই কৈছিলোঁ মই যে সেই দেশৰ অধিবাসী এই অৰ্থত আৰু তেখেতে মই সেন দেশখন এৰি থৈ আহিছোঁ এই অৰ্থত লৈ উত্তৰ দিলে, "ডাঙৰীয়া, মইতো দেখিছোঁ আপোনাৰ দেশৰ বহুতেই সেইটো নকৰাকৈ থাকিব নোৱাৰে।" সোঁচাটো খাই মই খতমত খাই গলোঁ আৰু তেখেত বহাৰ পিছতো ইয়াৰ পিচত নো কি কয় তাকে ভাবি ভয়ে ভয়ে বহি থাকিলোঁ। তেখেতে ডেভিছক কলে, "তুমি গেৰিকৰ কথা কি ভাবা হেঁ? মই মিছ উইলিয়ামছৰ বাবে অভিনয় চাবৰ এখন অনুমতি পত্ৰ খুজিছিলোঁ তেওঁ দেখোন দিবলৈ অস্বীকাৰ কৰিলে। কাৰণ তেওঁ জানে যে ঘৰ দৰ্শকেৰে ভৰি যাব আৰু এখন অনুমতি-পত্ৰত তিনি চিলিং খৰচ পৰিব।" তেখেতৰ লগত কথা পাতিবৰ যি কোনো সুবিধাকে ল'বৰ ইচ্ছাৰে মই সাহ কৰি মাত লগালোঁ, "ডাঙৰীয়া, মই নেভাবোঁ যে মিঃ গেৰিকে আপোনাক এই সামান্য বস্তুকেৰাও অস্বীকাৰ কৰিব।" তেখেতে কঠোৰ দৃষ্টিৰে চাই মাত লগালে, "ডাঙৰীয়া, ডেভিড গেৰিকক মই আপোনাতকৈ বেছি দিন চিনি পাওঁ; আৰু আপোনাৰ এই বিষয়ে মোক কিবা কবৰ অধিকাৰ আছে বুলিও নেজানো।" এই বাধাটো মোৰ বোধ হয় প্ৰাপ্য আছিল। কাৰণ, মোৰ নিচিনা এজন সম্পূৰ্ণ অপৰিচিত মানুহে, নিজৰ ছাত্ৰ আৰু অতি পৰিচিত এজনৰ সম্বন্ধে তেখেতে নিজে প্ৰকাশ কৰা মতৰ যথাৰ্থতা সম্বন্ধে সন্দেহ প্ৰকাশ কৰাটো সঁচাকৈয়ে অন্যায় সাহসৰ পৰিচায়ক হৈছিল। মই সঁচাকৈ বৰ দুখ পালোঁ আৰু ভাবিবলৈ ধৰিলোঁ তেখেতৰ পৰিচয় লাভৰ বাবে ইমানদিনৰ পৰা মনত পুহি ৰখা আশা আজি নিৰ্মূল হ'ল। প্ৰকৃততে মোৰ আগ্ৰহ যদি উৎকট নহলহেঁতেন আৰু মোৰ ইচ্ছাও অতি অধ্যৱসায়ী নহলহেঁতেন তেন্তে এনে কঠোৰ অভ্যৰ্থনাৰ পিচত পুনৰ চেষ্টা কৰাৰ পৰা বিৰত থাকিলোঁহেঁতেন। সৌভাগ্যক্ৰমে

মই সম্পূৰ্ণ বিব্ৰত নহৈ তাতে বৈ থাকিলোঁ আৰু অলপ পিচতে তেখেতৰ কথোপকথন শুনাৰ সৌভাগ্যও ঘটিল।

মই তেখেতৰ কথা-বতৰাৰ তেজ দেখি বৰ আনন্দিত হৈছিলোঁ আৰু আন ঠাইত কাম থকাৰ বাবে গুচি আহিব লগা হোৱাত বৰ দুখ পাইছিলোঁ। সেইদিনা কিছুপৰ মই তেখেতৰ সৈতে অকলে থাকিব লগীয়া হৈছিল আৰু মাজে মাজে দুই এষাৰ কথা কওঁতে তেখেতে বৰ ভদ্ৰভাৱে গ্ৰহণ কৰিছিল। মই বুজিলোঁ যে তেখেতৰ মাত কথা অলপ ছটা হলেও প্ৰকৃততে তেখেত দুৰ্মুখ নাছিল। আহিবৰ সময়ত ডেভিছে মোক আগবঢ়াই দিওঁতে মই, এই শ্ৰেষ্ঠ পুৰুষজনে মোক কঠিন আঘাত দিয়াৰ কথা কৈ সামান্য অনুযোগ কৰিছিলোঁ; ডেভিছে সান্ত্বনা দিয়াৰ ভাৰটো নিজৰ কান্ধতে লৈ উত্তৰ দিলে, "নিৰাশ নহবা। মই দেখিছোঁ যে তেওঁ তোমাক বৰ ভাল পাইছে।"

২২

কিট স্মাৰ্ট (১৭৬৩)

পগলা ফাটেকত আৱদ্ধ থকা দুৰ্ভগীয়া কবি ক্ৰিষ্টফাৰ স্মাৰ্টৰ সম্বন্ধে ডঃ বাৰ্ণিৰ লগত এদিন তেখেতৰ এনেদৰে কথা-বতৰা হৈছিল:

বাৰ্ণি—বেচেৰা স্মাৰ্ট কেনে আছে ছাৰ; ভাল হবৰ আশা আছেনে?

জনছন—ওহোঁ। তেওঁৰ মনটোৱে ৰোগৰে সৈতে যুঁজ কৰিবলৈ এৰি দিছে যেন লাগে, কাৰণ তেওঁ শকত হৈ গৈয়ে আছে।

বাৰ্ণি—হয়তো সেইটো হৈছে পৰিশ্ৰমৰ অভাৱত।

জনছন—নহয়, নহয়। তেওঁ আগতে যিখিনি পৰিশ্ৰম কৰিছিল প্ৰায় সিমানখিনি তো এতিয়াও কৰিয়েই আছে। কাৰণ তেওঁ বাগিছাখনত খন্দা-মেলা কাম কৰে। প্ৰকৃততে কবলৈ গলে আটক কৰি থোৱাৰ আগতে তেওঁ পৰিশ্ৰমকেৰা কৰিছিল ভাটীখানালৈ খোজ কাঢ়ি গৈ, কিন্তু উভতি আহোঁতে তেওঁক কঢ়িয়াই হে আনিব লগীয়া হৈছিল। তেওঁক আটক কৰি ৰখা উচিত বুলি মই কেতিয়াও ভবা নাই। তেওঁৰ দুৰ্বলতাবিলাক তো সমাজ-বিৰোধী নহয়। তেওঁ মানুহক তেওঁৰ লগত প্ৰাৰ্থনা কৰিবলৈ কৈছিল আৰু মই আন যি কোনো মানুহৰ লগত যিদৰে প্ৰাৰ্থনা কৰোঁ। কিট স্মাৰ্টৰ লগতো সেই দৰেই প্ৰাৰ্থনা কৰিবলৈ ৰাজী। আন এটা আপত্তি আছিল যে তেওঁ পৰিষ্কাৰ কাপোৰ ভাল নেপায় আৰু মই কওঁ, মইয়ো পৰিষ্কাৰ কাপোৰৰ বাবে বলিয়া নহওঁ।

২৩

পলমকৈ শুই উঠা (১৭৬৩)

মই আকৌ যাবলৈ উঠাত তেখেতে মোক আকৌ অলপ বহিবলৈ কলে। ময়ো তেখেতৰ কথা মানিলোঁ।

তেখেতে কলে, যে তেখেতে আবেলি ৪ টা বজাত শয্যাৰ পৰা ওলাই যায় আৰু কাচিৎহে নিশা দুটা বজাৰ আগতে শুবলৈ উভতে। মই সাহ কৰি প্ৰশ্ন কৰিলোঁ তেখেতে নিজৰ বিৰাট কল্পনাশক্তিৰ ব্যৱহাৰ নকৰি এইদৰে জীৱন কটোৱাটো ভুল বুলি নেভাবেনে? তেখেতে স্বীকাৰ কৰিলে যে অভ্যাসটো বেয়া। আজি বহুবছৰৰ পিচত মোৰ এই সময়ৰ দিনপঞ্জী চাই চাই আচৰিত হওঁ যে প্ৰথম সাক্ষাৎকাৰতে মই ইমান মুকলিভাৱে তেখেতৰ লগত কথা পাতিব পাৰিছিলোঁ আৰু তেখেতেও কেনে ক্ষমাৰ চকুৰে তাক সহ্য কৰিছিল।

২৪

ধৰ্ম (১৭৬৩)

মই স্বীকাৰ কৰিলোঁ যে ধৰ্মৰ মূল কথাবিলাকত কঠোৰভাৱে শিক্ষিত হৈয়ো মই কিছুদিন অবিশ্বাসী হৈ পৰিছিলোঁ, কিন্তু এতিয়া মোৰ চিন্তা ভালৰ ফাললৈ আহিছে আৰু খৃষ্টিয়ান ধৰ্মৰ ভগবানত্ব সম্ভাৱৰ মই বিশ্বাস কৰোঁ। কিন্তু কোন কোন কথাত বিশ্বাস কৰিলে গোঁড়া বুলিব পাৰি সেই সম্বন্ধে মোৰ ধাৰণা এতিয়াও পৰিষ্কাৰ নহয়। জনছনে সকলো সময়তে মানুহৰ মন অধ্যয়ন কৰি ভাল পাইছিল। এতিয়া তেনে এটা মনত কি ঘটিছিল তাৰ মুকলি বিৱৰণ শুনি তেওঁ মোক মৰমেৰে কাষলৈ মাতি নি কলে "হাত মিলোৱা। মই তোমাক ভাল পাবলৈ ধৰিছোঁ।" তাৰ পিচত তেখেতে উৎসাহেৰে আলোচনা কৰি প্ৰমাণৰ শক্তি আৰু আমি মূল কাৰণৰ কথা কিমান কম জানিব পাৰোঁ তাক বুজাই কবলৈ ধৰিলে; বুজাই দিলে যে, "কিয় এনে হ'ল" আৰু "কিয় এনে নহ'ল" এইবিলাক প্ৰশ্নই আমাক বিচলিত কৰা উচিত নহয়। লগতে যোগ দিলে যে তেখেতে নিজেও এসময়ত সাময়িক ভাৱে ধৰ্মক অৱহেলা কৰা দোষত দোষী আছিল, কিন্তু সেইটো তৰ্কৰ ফল স্বৰূপে নাছিল, বৰং চিন্তাৰ অভাৱত।

২৫

বিৰূপ সমালোচনা (১৭৬৩)

যোৱা শীতকালি ড্ৰুৰি লেনত (Drury Lane) মেলেটৰ *Elvira* নামে নাটকখনি অভিনীত হৈছিল। মই জনছনক কলোঁ যে অনাৰেবল এন্ড্ৰু আৰ্স্কাইন, মিঃ ডেম্প্‌ষ্টাৰ আৰু মই যুটীয়াভাৱে তাৰ এটি বিৰূপ সমালোচনা লিখি উলিয়াইছিলোঁ, কিন্তু ডেম্প্‌ষ্টাৰৰ কোমল স্বভাৱে অৱশেষত চিনাই দিলে। তেওঁ স্পষ্টকৈয়ে কলে, "এই নাটকখনক গালি পৰাৰ অধিকাৰ আমাৰ আছে জানো? এইখন বেয়া হ'ব পাৰে, কিন্তু আমাৰেই এজনে ইয়াতকৈ বহুত বেয়া এখনো লিখিব পাৰিলে কিমান গৰ্ববোধ নকৰিলোঁহেতেন।"

জনছন—ওহো, সেইটো তো ঠিক যুক্তি নহ'ল। তুমি নিজে নাটক এখন লিখিব নোৱাৰিলেও এখন নাটকৰ বিৰূপ সমালোচনা কৰিব পাৰা। এটা কাঠ মিস্ত্ৰীয়ে তোমাক বেয়া মেজ এখন সাজি দিলে তাক গালিও পাৰিব পাৰা, যদিও তুমি মেজ এখন সাজি উলিয়াব নোৱাৰা। মেজ সজাটো তোমাৰ ব্যৱসায় নহয়।

২৬

অলিভাৰ গ'ল্ডস্মিথ (১৭৬৩)

ডঃ অলিভাৰ গ'ল্ডস্মিথৰ নাম এই ইতিহাসত বহুবাৰ উল্লিখিত হ'ব, সেইবাবে মই পাঠকসকলক তেখেতৰ অদ্ভুত চৰিত্ৰৰ সৈতে পৰিচিত কৰি দিব খোজোঁ। তেখেত আছিল আয়াৰলেণ্ডৰ অধিবাসী আৰু কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজত বাৰ্কৰ (Edmund Burke) সহপাঠী আছিল। কিন্তু সেই সময়ত ভৱিষ্যতৰ যশস্যাৰ কোনো চিন তেখেতৰ গাত দেখা যোৱা নাছিল। তেখেতে কিন্তু মোক কৈছিল যে যদিও তেখেতে সেই কলেজৰ পাঠ্য বিষয়বোৰৰ মাজত উচ্চ স্থান পোৱা অংকশাস্ত্ৰত কোনো পাৰ্দৰ্শিতা দেখুৱাব পৰা নাছিল, তথাপি হোৰেছৰ একোটা ode (স্তব বাগৰ কবিতা) তেওঁৰ যি কোনো সহপাঠীতকৈ ভালকৈ ইংৰাজীলৈ অনুবাদ কৰিব পাৰিছিল। পিচলৈ তেওঁ এডিনবৰাত আৰু তাৰ পিচত ইউৰোপত চিকিৎসা শাস্ত্ৰ অধ্যয়ন কৰিছিল। মই শুনিছোঁ যে ইউৰোপত তেওঁ বিশ্ববিদ্যালয়

বোৰত তৰ্কসভাত যোগ দিবলৈ নিজৰ নাম দি পদব্ৰজে গোটেই দেশত ভ্ৰমণ কৰিবলৈ সক্ষম হৈছিল। কাৰণ সেই সময়ত কোনো বিশ্ববিদ্যালয়ে সৌভাগ্যক্ৰমে তেওঁৰ আহ্বান গ্ৰহণ নকৰিলে প্ৰচলিত নিয়ম অনুসৰি তেওঁক এক ক্ৰাউন (৫ চিলিং) দিবলৈ বাধ্য আছিল। সেই বাবেই মই এদিন জনচনক কৈছিলোঁ যে গ'ল্ডস্মিথে তৰ্কৰ সহায়তে গোটেই ইউৰোপ ভ্ৰমণ কৰিছিল। শেষত তেওঁ ইংলেণ্ডলৈ আহিল। ইয়াত তেখেতে যথাক্ৰমে এটা শিক্ষানুষ্ঠানৰ পালি-শিক্ষক, ছপাখানাৰ সংশোধক, সমালোচক আৰু বাতৰি কাকতৰ লিখক হিচাপে কাম কৰিছিল। জনচনৰ সৈতে নিবিড় পৰিচয় গঢ়ি তুলিবৰ জোখাৰে বুদ্ধি তেখেতৰ আছিল আৰু এনে এজন আহি সমুখত পাই তেখেতৰ বুদ্ধি-বৃত্তিও ধীৰে ধীৰে বিস্তাৰ লাভ কৰিছিল। মোৰ আৰু আন কেবাজনৰো দৃষ্টিত তেওঁ জনচনৰ ধৰণ-ধাৰণাকে নকল কৰা যেন লাগিছিল, অৱশ্যে কমকৈ।

মোৰ বোধেৰে এই সময়ত তেওঁ নিজৰ নাম দি একোকে প্ৰকাশ কৰা নাছিল, যদিও *An Enquiry into the Present State of Polite Learning in Europe* আৰু *The Citizen of the World.* এজন কাল্পনিক চীনা মানুহে লণ্ডনৰ পৰা লিখা এনানি চিঠি—এই দুখন কিতাপৰ লিখক ডঃ গ'ল্ডস্মিথ বুলি সাধাৰণভাৱে জনা আছিল। সাহিত্যৰ যি কেৰা জ্ঞান তেখেতে আহৰণ কৰিছিল তাক সৰ্বাঙ্গসুন্দৰ ভাৱে সজাই তুলিবৰ কৌশল তেওঁতকৈ বেচি ভালকৈ আৰু কোনেও নেজানিছিল। Nihil quod tetigit non ornavit তেওঁৰ মনটো আছিল যেনিবা সাৰুৱা পাতল এডৰপ মাটি। তাত যিহকে পেলাই দিয়া হয় সেয়ে তৎক্ষণাৎ গজি উঠে কিন্তু সবল খেতি নহয়। একোৰেই দ-কৈ শিপাব নোৱাৰে, কিন্তু ইচামৰ পিচত সিচাম কৈ ধুনীয়া জোপোহা বা সুগন্ধি ফুলৰ শাৰী গজি উঠে। সাধাৰণৰ মাজত প্ৰচাৰ হৈ গৈছিল আৰু মানুহে বিশ্বাসো কৰিছিল যে কথা-বতৰাত তেওঁ এজন মূৰ্খ আছিল। কিন্তু এই কথাষাৰ বৰ বেচি অতিৰঞ্জিত। এইটো নিঃসন্দেহ যে তেওঁৰ দেশৰ আন আন মানুহৰ দৰে তেওঁৰ মনতো ভাৱৰ সোঁত অতি তীব্ৰ আছিল আৰু সেই বাবেই সেইবোৰ প্ৰকাশ কৰোঁতে কেতিয়াবা কেতিয়াবা হাঁহি উঠা ধৰণে খেলি-মেলি লাগি গৈছিল। তেওঁ আছিল বহু পৰিমাণে ফৰাচীবিলাকে কোৱাৰ দৰে 'প্ৰশংসাপ্ৰিয়।' গৰ্বৰ বাবে, আৰু য'তে থাকে ত'তে মানুহৰ দৃষ্টি আকৰ্ষণ কৰিবৰ আগ্ৰহত, বহুত সময়তে তেওঁ অসাৱধানভাৱে, বিষয়টো নজনা-

কৈয়ে আনকি ভালকৈ নভবাকৈয়ে কথা কৈ পেলাইছিল। মানুহজন দেখাত আছিল চুটি-চাপৰ, মুখখন খহটা আৰু সাধাৰণ, আৰু ভঙ্গীটো হ'ল এজন পণ্ডিতে সাধাৰণ ভদ্রলোক এজনৰ ভাও লোৱা ধৰণৰ।

২৭

ভিকাৰ অব ৱেকৃফিল্ড (১৭৬৩)

এই উপন্যাসখন বিক্ৰী কৰিবৰ সময়ত গ'ল্ডস্মিথৰ অৱস্থা আৰু তাত জনছনে ভাগ লোৱাৰ ইতিহাস বৰ্ণাওঁতে মিছেচ পিয়জী আৰু ছাৰ জন হকিন্সে আচৰিত ভাবে ভুল কৰিছে। মই জনছনৰ মুখৰ কথাৰে সঁচা ঘটনাটো বিবৃত কৰিলোঁ:

"এদিন ৰাতিপুৱা মই গ'ল্ডস্মিথৰ পৰা বাতৰি পালোঁ যে তেওঁৰ বৰ বিপদত পৰিছে আৰু যিহেতু তেওঁ নিজে আহিব নোৱাৰে এতেকে মরেই তেওঁৰ ওচৰলৈ যিমান সোনকালে পাৰোঁ যাব লাগে। মই তেতিয়াই যাম বুলি কৈ তেতিয়াই এটা গিনি পঠাই দিলোঁ। সেই মতেই মই কাপোৰ-কানি পিন্ধিয়েই লবালবিকৈ তালৈ গলোঁ। গৈ দেখোঁ তেওঁৰ ঘৰৰ গৰাকীয়নিয়ে ঘৰ ভাৰাৰ বাবে তেওঁক গ্রেপ্তাৰ কৰাইছে আৰু সেই বাবে গ'ল্ড-স্মিথ খঙত খলি-পকি একো নাই হৈ আছে। আৰু দেখিলোঁ যে তেওঁ ইতিমধ্যে মই পঠোৱা গিনিটো ভঙাই এবটল 'মেডিৰা' মদ অনাই এটা গিলাছ সমুখত লৈ বহি আছে। মই বটলত ঠিলাটো মাৰি তেওঁক শান্ত হবলৈ কলোঁ আৰু কেনেকৈ তেওঁক বিপদৰ পৰা উদ্ধাৰ কৰা যায় সেই সম্বন্ধে আলোচনা কৰিবলৈ ধৰিলোঁ। তেওঁ এখন উপন্যাস ছপাখানাৰ বাবে সাজু হৈ থকা বুলি কলে আৰু সেইখন মোক উলিয়াই দেখুৱালে। মই কিতাপখন লৈ অলপ পঢ়ি চাই ভালেই যেন পালোঁ আৰু তেতিয়াই এজন কিতাপ ব্যৱসায়ীৰ তালৈ গৈ সেইখন ষাঠি পাউণ্ডত বেচি দিলোঁ। পইচা-খিনি গ'ল্ডস্মিথক আনি দিয়াত তেওঁ ভাৰা আদায় কৰি দিলে। অৱশ্যে তাৰ আগতে দুৰ্ব্যৱহাৰ কৰাৰ বাবে ঘৰৰ গৰাকীয়নিক চিঞৰি চিঞৰি দু-আষাৰমান নুশুনোৱাকৈ নেথাকিল।

২৮

বজুৱেলৰ কৈফিয়ৎ (১৭৬৩)

এইখিনিতে মই এবাৰ ক্ষমা প্রার্থনা কৰি লওঁ, জনছনৰ এই সময়ৰ কথা-বতৰা বিলাক অলপ বুঁত নগা ধৰণে পৰিবেশন কৰাৰ বাবে। কথা

হ'ল, পৰিচয় কালৰ আগ ভাগত তেখেতৰ সাধাৰণ কথা কোৱাৰ ধৰণত মই এনেদৰে সন্মোহিত হৈ পৰিছিলোঁ আৰু তেখেতৰ প্ৰকাশ ভঙ্গীৰ বিশেষ ধৰণ আয়ত্ত কৰাত ইমান অনভ্যস্ত আছিলোঁ, যে তেখেতৰ কথা-বতৰা তাৰ নিজস্ব তেজ আৰু প্ৰাণ-প্ৰাচুৰ্য্যৰে সৈতে মনত ৰখা আৰু লিখি ৰখা মোৰ বাবে অতি কঠিন আছিল। সময় পাৰ হৈ যোৱাৰ লগে লগে মোৰ মনটো জনছনীয়া ভঙ্গীত অভ্যস্ত হৈ পৰিল আৰু মই বেচি সহজে আৰু শুদ্ধভাৱে তেখেতৰ জ্ঞান বুদ্ধিৰ স্বতঃস্ফূৰ্ত্ত বৈচিত্ৰ্যপূৰ্ণ কথা-বতৰা মনত ৰাখিব আৰু লিখি ৰাখিব পৰা হলোঁ।

২৯

মিত্ৰাক্ষৰ ছন্দ (১৭৬৩)

এদিন তেখেতে ইংৰাজী কবিতাত অমিত্ৰাক্ষৰ ছন্দতকৈ মিত্ৰাক্ষৰ ছন্দ যে বহুগুণে ভাল সেই সম্বন্ধে বহুতো কথা বুজাই কলে। মই তেতিয়া কলোঁ যে গ্লাছগো'ৰ কলেজত ডঃ আডাম স্মিথৰ তলত পঢ়োঁতে তেখেতেও তেখেতৰ ৰচনা সম্বন্ধে বক্তৃতাত ঠিক এই মতকে দৃঢ়ভাৱে পোষণ কৰিছিল। মই (স্মিথৰ) যুক্তি কেইটামানৰো পুনৰুল্লেখ কৰিলোঁ।

জনছন—মই এসময়ত স্মিথক লগ পাইছিলোঁ, কিন্তু ইজনে সিজনৰ প্ৰতি বিশেষ আকৃষ্ট নহলোঁ। কিন্তু মই যদি তেতিয়া জানিলোঁহেঁতেন যে তেওঁ, তুমি যিদৰে বৰ্ণাইছা সেইদৰে মিত্ৰাক্ষৰ ছন্দ ভাল পায় তেন্তে মই তেওঁক সাবটি ধৰিলোঁহেঁতেন।

৩০

চামুচ কিমান গণি চাব লাগিব (১৭৬৩)

এদিন তেওঁক মই স্কটলেণ্ডৰ পৰা অহা এজন দুৰ্মুখ মানুহৰ কথা কৈছিলোঁ। এওঁ নিজকে অসভ্য বুলি কৈ ভাল পাইছিল আৰু সকলো প্ৰচলিত ৰীতি নীতিকে গালি পাৰিছিল।

জনছন—সেইটো আচৰিত কথা নহয়। তেওঁ নিজৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খোজে। তুমি যদি বাৰে বাৰে "ওলাই আহা", "ওলাই আহা" বুলি কৈ থাকা তেন্তে (কেৱল দৃষ্টি আকৰ্ষণ কৰিবলৈকে) তেওঁ গাহৰিৰ পৰা-লতো গোমাই থাকিব। কিন্তু যদি আওকাণ কৰি যঁতে আছে তঁতে থাকিবলৈ দিয়া তেন্তে তৎকালে ওলাই আহিব।

মই বোধ দিলোঁ যে এই মানুহজনে ধৰ্ম্ম আৰু পাপৰ মাজত কোনো পাৰ্থক্য নাই বুলি ভাবে।

জনচন—হয়নে ডাঙৰীয়া! তেতিয়া হলে মানুহজনে বিদৰে কয় সেই-দৰে যদি প্ৰকৃততে নেভাবে তেন্তে তেওঁ মিছা কথা কৈছে আৰু নিজকে মিছলীয়া প্ৰতিপন্ন কৰি তেওঁ যে কিটো সন্মান লাভ কৰিব খুজিছে সেইটো মোৰ অজ্ঞাত। কিন্তু যদি তেওঁ সঁচাকৈয়ে ধৰ্ম্ম আৰু অধৰ্ম্মৰ মাজত কোনো পাৰ্থক্য নাই বুলি ভাবে তেন্তে তেওঁ আমাৰ ঘৰৰপৰা 'ওলাই গলে চামুচ কেইখন গণি চাব লাগিব।

৩১

ৰজাসকল অসুখী নে? (১৭৬৩)

কোনোবাই কৈছিল ৰজাসকল নিশ্চয় অসুখী হে হব, কাৰণ তেওঁ-লোক মনলৈ শ্ৰেষ্ঠ সন্তুষ্টি আনিব পৰা সহজ সৰল সামাজিক জীৱনৰ পৰা বঞ্চিত।

জনচন—সেইটো এটা ভুল ধাৰণা। ৰজা হোৱাটোৱেই এজন মানুহক সমাজৰ পৰা বাহিৰত ৰাখিব নোৱাৰে। ডাঙৰ ৰজাসকল সদায়েই সামাজিক প্ৰাণী আছিল। বৰ্ত্তমানৰ একমাত্ৰ ডাঙৰ ৰজা প্ৰুছিয়াৰ সম্ৰাট এজন অতি সামাজিক পুৰুষ। বহুমুখী প্ৰতিভা সম্পন্ন ইংলেণ্ডৰ ৰজা দ্বিতীয় চাৰ্লছ সামাজিক মানুহ আছিল। আমাৰ হেনৰী আৰু এড্‌ৱাৰ্ডহঁতো সকলোৱেই সামাজিক মানুহ আছিল।

৩২

যুৱক সকলৰ আকৰ্ষণ (১৭৬৩)

সেইদিনা জনচন আৰু মই ষ্ট্ৰাণ্ডৰ টাৰ্কছ্ হেড (Turk's Head) কফি হাউচৰ এটা আচুতীয়াকৈ ৰখা কোঠাত নিশাৰ আহাৰ গ্ৰহণ কৰি কৰিছিলোঁ।

তেখেতে কলে, "মই এই ভোজনালয়টো ভাল পাওঁ কাৰণ ইয়াৰ মালিক গৰাকী এগৰাকী ভাল ভদ্ৰমহিলা আৰু তেখেতৰ ব্যৱসায় বৰ ব্যাপক নহয়।"

তাৰ পিচত কলে, "মই ডেকাসকলৰ সঙ্গ ভাল পাওঁ কাৰণ প্ৰথমতে, মই নিজকে বুঢ়া হৈ গৈছোঁ বুলি ভাবিবলৈ টান পাওঁ আৰু দ্বিতীয়তে,

ডেকাসকলৰ বন্ধুত্ব বেচি দিন টিকি থাকিব—যদি টিকি থাকে ; আৰু বুঢ়া-বোৰতকৈ ডেকাসকলৰ বেচি সদ্‌গুণ, প্ৰত্যেক বিষয়তে বেচি উদাৰতা থাকে। মই এই যুগৰ ডেকাইঁতক ভাল পাওঁ। আমাৰ সেই বয়সত যি বুদ্ধি বা সাংসাৰিক জ্ঞান আছিল এওঁলোকৰ তাতকৈ বেচি আছে। ভাবিলে বেয়া লাগে, কিন্তু কথাষাৰ সঁচা যে, মই ওঠৰ বছৰ বয়সত যিমানখিনি জানিছিলোঁ এতিয়াও প্ৰায় সিমানখিনিয়েই জানো। মোৰ বিচাৰ বুদ্ধি নিশ্চয় ইমানখিনি ভাল নাছিল কিন্তু কথা মই সিমানেই জানিছিলোঁ। মোৰ পৰিষ্কাৰ মনত আছে, মই যেতিয়া অক্সফৰ্ডত পঢ়িছিলোঁ তেতিয়া এজন বুঢ়া ভদ্ৰলোকে মোক কৈছিল, "হেঁৰা ডেকা, তোমাৰ কিতাপবিলাক এতিয়াই ভালকৈ পঢ়া আৰু জ্ঞানৰ ভাণ্ডাৰ এটি গোটাই লোৱাঁ, কাৰণ বয়সে যেতিয়া তোমাক হেঁচি ধৰিব তেতিয়া কিতাপ লৈ বহি পঢ়াটো এটা কষ্টকৰ কাৰ্য্য যেন লাগিব।"

৩৩

হেব্ৰাইডিজ্ (১৭৬৩)

এই মানুহজনৰ উল্লেখ কৰাৰ লগে লগে প্ৰসঙ্গতঃ স্কটলেণ্ডৰ পশ্চিম-কালৰ দ্বীপপুঞ্জৰ কথা আহি পৰিল। জনছনে এই দ্বীপবোৰলৈ যাবলৈ এটা ইচ্ছা প্ৰকাশ কৰিছিল। মই কিন্তু সেইটো এটা ৰঙীণ কল্পনা বুলিহে ভাবিছিলোঁ আৰু কোনোদিনে যে সেই ইচ্ছা ফলৱতী হ'ব তাক ভাবিবই পৰা নাছিলোঁ। তেখেতে মোক কৈছিল যে নিচেই সৰু থাকোঁতে এই দ্বীপবিলাকৰ সম্বন্ধে মাৰ্টিনে লিখা বৰ্ণনা এটা দেউতাকে তেখেতৰ হাতত দিছিল আৰু সেইখন পাই তেখেতে বৰ আনন্দ পাইছিল। তেখেতৰ বেচি ভাল লাগিছিল কিতাপখনত উল্লেখ থকা চেণ্ট কিল্ডাৰ (St. Kılda) মানুহ এজনৰ এটা বিশ্বাস। সেই মানুহজনৰ বিশ্বাস আছিল যে গ্লাচগো'ৰ গীৰ্জাটো একেটা শিলৰ পৰা কাটি উলিওৱা। এই কথাটো বুঢ়া জনছনে তেওঁক আঙুলিয়াই দিছিল। তেখেতে কৈছিল যে মই (ইউৰোপ) ভ্ৰমণৰ পৰা উভতি আহিলে মোৰ লগতে তেখেতে হেব্ৰাইডিজলৈ (Hebrides) ফুৰিবলৈ যাব বুলিহে মই অনুপস্থিত থকা কালত আন কোনোবা ভাল লগৰীয়া আগবাঢ়ি নাহে, সেইটো কিন্তু তেখেতে সম্ভৱ বুলি নেভাবিছিল। লগতে তেখেতে যোগ দিছিল, 'তোমাক মোৰ যেনে ভাল লাগে তেনে খুব কম মানুহকেই লাগে।'

মই যেতিয়া ইংলেণ্ড এৰাৰ কথা কৈছিলোঁ তেতিয়া তেখেতে বৰ মৰমেৰে কৈছিল, "প্ৰিয় বছৰেল, যদি আমাৰ পুনৰ দেখা হব বুলি নেভাবিলোঁহেঁতেন তেন্তে তুমি যোৱাত মই বৰ দুখ পালোঁহেঁতেন।" মোৰ পাঠক সকলক পুনৰায় সোঁৱৰাই দিয়া অন্যায় নহব যে এই মৰমৰ উল্লেখ যদিও মোৰ বাবে বৰ গৌৰৱৰ বিষয় তথাপি সেইবোৰ উল্লেখ কৰাত কেৱল গৌৰৱ বোধ কৰাৰ বাহিৰে আন পবিত্ৰ উদ্দেশ্যও আছে। কাৰণ, এইবিলাকেই তেখেতৰ মনৰ কোমলতা আৰু সত্যগ্ৰাহীতাৰ প্ৰমাণ। বহুতে তেখেতৰ প্ৰচুৰ ক্ষমতা স্বীকাৰ কৰিলেও এই গুণবোৰ আকৌ দৃঢ়ভাৱে অস্বীকাৰ কৰিব খোজে।

৩৪

ল'ৰা-ছোৱালীৰ শিক্ষা (১৭৬৩)

আমি ল'ৰা-ছোৱালীৰ শিক্ষা সম্বন্ধে কথা-বতৰা পাতিছিলোঁ। মই সুধিলোঁ তেখেতৰ মতে কোনটো বিষয় আগতে শিক্ষা দিয়া উচিত। তেখেতে কলে, "বুজিছা, কোনটো বিষয় আগতে শিকাবা সেইটো কোনো কথাই নহয়। এইটো হ'ল সেই, পেণ্টত কোনটো ভৰি আগতে সুমুৱাব তেনেকুৱা কথা। কোনটো ভৰি যো সুমুৱাব তাকে ভাবি থাকা মানে পেণ্টটো খালি হৈয়েই থাকিব। সেইদৰে তোমাৰ ল'ৰাক দুটা বিষয়ৰ কোনটো আগতে শিকাবা ভাবি থাকোঁতেই আন এটি ল'ৰাই হয়তো দুয়োটা শিকি পেলাব।"

৩৫

জীৱনী ৰচনাৰ পৰিশ্ৰম (১৭৬৩)

আমি গ্ৰীণিচত ইমান পৰ ৰ'লোঁ যে নাও লৈ নদীয়েদি উজাই লণ্ডনলৈ ঘূৰি আহোঁতে ৰাতিপুৱাৰ দৰে বুঢ়েই ভাল নেলাগিল। ৰাতিৰ বতাহ ইমান চেঁচা আছিল যে মোক জ্বৰত কঁপাই তুলিছিল। মোৰ বেচিকৈ জ্বৰ লাগিছিল কাৰণ ইয়াৰ আগ নিশাও মই যেৰ দিন-পঞ্জীত বিবিলাক কথা ৰক্ষা কৰিব লাগে সেইবিলাক মনত পেলাই লিখি থাকোঁতে গোটেই ৰাতিটো বহি কটাব লগীয়া হৈছিল। মোৰ মনত আছে কোনোবা এটা সপ্তাহত মই চাৰিটাকৈ ৰাতি বহি বহি কটাইছিলোঁ, কিন্তু তথাপি দিনত বিশেষ অসুবিধা ভোগ কৰা নাছিলোঁ।

৩৬

মাইকী মানুহৰ ধৰ্মোপদেশ (১৭৬৩)

পিচদিনা, জুলাইৰ ৩১ তাৰিখ, দেওবাৰে মই তেখেতক কলোঁ যে সেইদিনা পুৱা মই কোৱেকাৰ সকলৰ এখন ধৰ্মসভালৈ গৈছিলোঁ আৰু তাত এগৰাকী মহিলাক ধৰ্মোপদেশ দিয়া শুনি আহিছিলোঁ। জনছনে কলে, "মাইকী মানুহৰ ধৰ্মোপদেশ দিয়াটো কুকুৰে পিচ ঠেঙত থিয় দি খোজ কঢ়াৰ নিচিনা। সিহঁতেও কামটো ভালকৈ কৰিব নোৱাৰে, অথচ তুমিও আচৰিত হোৱা কামটো কৰা দেখি।"

৩৭

জনছনৰ ধেমালি (১৭৬৩)

৫ আগষ্ট, শুকুৰবাৰৰ দিনা আমি 'হাৰউইচ'ৰ ষ্টেজ কচ্ ধৰিলোঁ। যাত্ৰীসকলৰ মাজত এগৰাকী শকত-আৱত বয়সীয়া মহিলা আৰু এজন ওলন্দাজকে কথা পাতিবলৈ ইচ্ছুক যেন দেখিলো। যিটো ভোজনালয়ত আমি দুপৰীয়াৰ আহাৰ খালোঁ তাতে সেই মহিলাগৰাকীয়ে কলে যে তেখেতে তেখেতৰ লৰা-ছোৱালী কেইটাক বহু যত্নেৰে শিক্ষিত কৰি তুলিছে। জনছনে মাত লগালে, "মেডাম, আপুনি যদি মোকো শিক্ষা দিলেহেঁতেন। কাৰণ মই গোটেই জীৱন এলেহুৱা হৈ কটাইছোঁ।" মানুহ গৰাকীয়ে উত্তৰ দিলে, "ডাঙৰীয়া, মোৰ বিশ্বাস আপুনি নিশ্চয় এলেহুৱা নহয়।"

জনছন—একেবাৰেই সঁচা মেডাম। আৰু, (মোলৈ আঙুলিয়াই) সৌ যে ভদ্ৰলোকজন দেখিছে তেখেতো বৰ এলেহুৱা। তেওঁ এডিনবৰাত এলেহুৱা আছিল, দেউতাকে গ্লাছগোলৈ পঠাই দিলে তাতো তেওঁ এলেহুৱা হৈয়েই থাকিল। তাৰ পিচত আহিল লণ্ডনলৈ, তাতো এলেহুৱা জীৱন কটাইছে আৰু এতিয়া যাব উট্ৰেক্টলৈ, আৰু তাতো চিৰাচৰিত ভাৱে এলেহুৱা হৈয়ে কটাব।

মই তেখেতক মনে মনে সুধিলোঁ মোক এইদৰে লঘু কৰিবৰ কাৰণ কি? জনছনে উত্তৰ দিলে, 'খোৰা হেঁ। সিহঁতে তোমাৰ বিষয়ে একো নেজানেও আৰু এইবোৰ কথা পুনৰ নেভাৱেও।"

৩৮
উট্রেক্ট (১৭৬৩)

লণ্ডনৰ উত্তেজনাপূর্ণ দৃশ্যবোৰৰ পিচত উট্রেক্ট আৰম্ভণীতে বৰ প্রাণহীন যেন লাগিছিল, আৰু মোৰ মনটোও বৰ দমি গৈছিল। মই জনছনলৈ দুখ আৰু আক্ষেপেৰে চিঠি এখনো লিখিলোঁ। কিন্তু তেখেতে তালৈ ভ্রূক্ষেপকে নকৰিলে। পিচত মনটো অলপ সুস্থিৰ হলত মই তেখেতৰ বাতৰি পাবলৈ উৎকণ্ঠা প্রকাশ কৰি আৰু এখন চিঠি লিখিলোঁ। অৱশেষত মই তলত দিয়া চিঠিখন পালোঁ। এইখন মোৰ কামত আহিছিল আৰু হয়তো আনবো আহিব।

বছৱেললৈ চিঠি :

প্রিয় বছৱেল, মোৰ পৰা চিঠি নোপোৱাৰ বাবেই তোমাক পাহৰি গৈছোঁ বা অৱহেলা কৰিছো বুলি ভাবিব নেলাগে। মই মোৰ বন্ধুসকলক দেখা পালে ভাল পাওঁ, তেওঁলোকৰ লগত কথা পাতিবলৈ, তেওঁলোকৰ বাতৰি পাবলৈ আৰু তেওঁলোকৰ সম্বন্ধে গল্প কৰিও ভাল পাওঁ, কিন্তু তেওঁলোকলৈ লিখিবলৈ হলে যথেষ্ট মন দৃঢ় কৰি চেষ্টা কৰিহে কলম হাতত লʼব পাৰো। যি হওক, মই কোনো কর্তব্যক অৱহেলা কৰি বা কোনো মৰমৰ আহ্বানক উপেক্ষা কৰি মোৰ দীর্ঘসূত্রিতাক প্রশ্রয় নিদিওঁ। সাধাৰণতে এনেবোৰ চিঠিত, মই ভাল আছোঁ নে নাই, দেশৰ পৰা বাহিৰলৈ গৈছিলোঁ নে নাই যোৱা, শেষবাৰ আমি যিটো কোঠাত বহিছিলোঁ সেইটো কোঠাতে বহি যে তোমাৰ স্বাস্থ্যপান কৰিছিলোঁ, আৰু তোমাৰ পৰিচিত সকলে যে এতিয়াও আগৰ মৰমেৰেই তোমাৰ কথা কৈ থাকে এনেবোৰ কথাবেই ভৰাই পেলোৱা হয়, কিন্তু মই তেনেবোৰ কথা চিঠিৰ বিষয় হিচাপে ভাবিবই নোৱাৰোঁ, কাৰণ এইবোৰ কথা গতানুগতিকভাৱে কেৱল লিখিব লাগে বুলিয়েই লিখা হয়। কিন্তু মোৰ যদি কাৰোবাৰ মনৰ অশান্তি দূৰ কৰিবৰ ক্ষমতা থাকে, কিবা সদিচ্ছা জগাই তুলিবৰ, কোনো আৱশ্যকীয় মতামত সংশোধন কৰিবৰ বা কোনো উদাৰ মতামতক সমর্থন দিবৰ শক্তি থাকে তেন্তে তুমি নিশ্চিত থাকিব পাৰা যে মোৰ এনেহেন মনটোক সন্তুষ্ট কৰাতকৈ, তোমাতকৈ বহুগুণে কম প্রিয় বন্ধু এজনকো সন্তুষ্ট কৰিবৰ আনন্দহে পছন্দ কৰিম। কʼব নোৱাৰো মই নিয়মীয়াভাৱে চিঠি আদান-প্রদান কৰিবৰ অৱসৰ পাম নে নেপাম। বর্ত্তমানে মই আশা কৰিছোঁ যে তুমি এইখনকে তোমাৰ

পৰা পোৱা দুখনৰ পৰিৱৰ্তে গ্ৰহণ কৰিবা। প্ৰথমখনে মোক তোমাৰ মনৰ এনে এটা নৈৰাশ্যজনক অৱস্থাৰ বৰ্ণনা দিলে যে তাৰ উত্তৰ দিয়াটো সম্ভৱো নহয় আৰু আৱশ্যকো নাই যেন লাগিল। দ্বিতীয়খন পাই মোৰ ভাল লাগিল, আৰু এই আনন্দ আৰু বাঢ়ি যাব যদি বাতৰি পাওঁ যে কিবা আৱশ্যকীয় বিষয়ত তোমাৰ অধ্যয়ন সমান মনোযোগেৰে আগবাঢ়ি গৈ আছে।

তুমি হয়তো সুধিবা যে মই তোমাক কোনটো বিষয় অধ্যয়ন কৰিবলৈ কম। ধৰ্ম আলোচনাৰ কথা মই নকওঁ, কাৰণ তুমি ঈশ্বৰৰ ইচ্ছা জানিবৰ চেষ্টা কৰিবা নে নকৰা সেইটো কোনো প্ৰশ্নৰ বিষয় নহয়।

সেইবাবে মই এনেবিলাক বিষয়ৰ কথা হে বিবেচনা কৰিম, যিবিলাক তুমি অধ্যয়ন কৰিবও পাৰা আৰু নকৰিবও পাৰা। এইবিলাকৰ ভিতৰত তোমাৰ দেউতাৰাই উপদেশ দিয়াৰ দৰে আইন পঢ়া বা তুমি নিজে স্থিৰ কৰা দৰে পুৰণিকালৰ ভাষা চৰ্চা কৰা এই দুটাতকৈ ভাল নিৰ্বাচন তুমি কেনেকৈ কৰিবা মই কব নোৱাৰোঁ। অন্ততঃ এইটো স্থিৰ কৰি লবা যে যেতিয়া তুমি কোনো এখন ঠাইত সৰহ দিনৰ বাবে থাকা তেতিয়া নিতৌ কেইঘণ্টামান নিজৰ কিতাপবোৰৰ মাজত খৰচ কৰিবা। তুমি যি মনৰ অস্থিৰতাৰ কথা কৈছা সি মাত্ৰ মনটো বেলেগ বেলেগ উদ্দেশ্যৰ মাজত ওলমি থকা আৰু যি ফালেই ইচ্ছা প্ৰবল হয় সেই ফালেই দিশ সলনি কৰা মনৰ অস্থিৰতাৰ বাহিৰে আন একো নহয়। তুমি যদি কোনো প্ৰবল ইচ্ছা মনত প্ৰজ্জ্বলিত কৰি তুলিব পাৰা, যদি কোনো বিশেষ কৃতকাৰ্য্যতা বা বৈশিষ্ট্য লাভ কৰিবৰ ইচ্ছা মনত দৃঢ়ভাৱে জগাই ৰাখিব পাৰা তেন্তে কল্পনাৰ ধুমুহা তোমাৰ মনৰ ওপৰত একো প্ৰভাৱ নৰখাকৈ আৰু স্মৃতিতো একো ছাঁয়া নেপেলোৱাকৈ নাইকিয়া হৈ যাব।

বোধ হয় প্ৰত্যেকজন মানুহৰ অন্তৰতে প্ৰশংসা পাবৰ এটি লোভ সোমাই আছে। এই লোভেই তেওঁক প্ৰথমতে আশা কৰিবলৈ আৰু পিচত বিশ্বাস কৰিবলৈ শিকায় যে প্ৰকৃতিয়ে তেওঁক কিবা এটা বিশেষ বস্তু দিছে। এই আত্ম-প্ৰশংসাই কাৰোবাৰ মনত ঘৃণা আৰু কাৰোবাৰ মনত আকাংক্ষা ওপজায় আৰু সেয়ে অৱশেষত তেওঁলোকক চেষ্টাৰ দ্বাৰা আগতকৈ বেচি শক্তি আহৰণ কৰিবলৈ সহায় কৰে। আৰু ভাও ধৰাটোৱেই যিহেতু সময়ত অভ্যাসত পৰিণত হয় সেইবাবে প্ৰথমে ডাঙৰ হৈ বোলাবৰ ভাওটোৱে অৱশেষত সিইতক পীড়ি লয়। প্ৰত্যেকটো আকাংক্ষাই একোটা বুকত সুমুৱাই থোৱা সাপৰ দৰে; জাৰত ঠেটুৱা লাগি থাকে মানে নিৰাখিত হৈ থাকে আৰু গৰম পাই বল পালেই বিষ ছটিয়ায়। এজন মানুহৰ কথাই ধৰা বাওক।

প্ৰথমে যেতিয়া তেওঁ এই ৰূপে-ৰসে ভৰা সংসাৰত সোমায় তেতিয়া আমোদ-প্ৰমোদৰ সোঁতত গা ঢালি দিয়ে আৰু ভাবে যে (কাম কাজত) সম্পূৰ্ণ আওহেলা আৰু আওকাণ কৰাটোৱেই যৌৱনৰ এটা প্ৰিয় অঙ্গ আৰু উৎফুল্ল মন আৰু ক্ষিপ্ৰ বুদ্ধিৰ অতি উৎকৃষ্ট প্ৰমাণ। কোনো কথাকে ভালকৈ নুবুজি কিন্তু প্ৰত্যেক কথাৰ পৰাই আনন্দ গোটাই তেওঁ ভাবে যে পৰিশ্ৰমৰ ইংগিত মাত্ৰই তেওঁৰ 'মেধাবী' পৰিচয়ৰ পৰা কিবা এটা কমাই দিব। তেওঁ আশা কৰে যে সাধাৰণ মানুহে কোনো ওজৰ-আপত্তি নকৰাকৈ আৰু অকলে অকলে পৰিশ্ৰম কৰি যি জ্ঞান আৰু প্ৰশংসা লাভ কৰে সেইখিনি তেওঁ কেৱল অৱহেলা আৰু নানান আনন্দ-ধেমালিৰ দ্বাৰাই লাভ কৰিব। কিছুদিন এই জীৱন প্ৰণালী অনুসৰণ কৰে তাৰ পিচত আত্মগ্লানি আৰু বিবেকৰ ধিক্কাৰত ভাগৰি পৰে। তেতিয়া তেওঁ পুনৰ শিক্ষা লাভৰ চেষ্টা কৰে আৰু দেখে যে বহুদিনীয়া এলাহ আৰু সুখ-ভোগৰ অভ্যাস এৰি পেলোৱাটো তেওঁ ভবাতকৈ কঠিন কাম। তেতিয়াও তেওঁ 'প্ৰকৃতিয়ে দিয়া বিশেষ সুবিধা'ৰ দাবীটো এৰিব নোখোজে আৰু নিজৰ বদ্‌ অভ্যাসৰ পৰিণামটোক ভাগ্যৰ অখণ্ডনীয় লিপি বুলি ধৰি লৈ ভাবে যে প্ৰকৃতিয়ে আৰম্ভণীতে তেওঁক স্বাভাৱিক পৰিশ্ৰমৰ অযোগ্য কৰি গঢ়ি তুলিছিল।

এনেকুৱা মাৰাত্মক ধ্বংসকাৰী কল্পনা যেন এতিয়াই চিৰকালৰ বাবে তোমাৰ মনৰপৰা নাইকিয়া হৈ যায়। প্ৰতিজ্ঞা কৰিবা আৰু সেই প্ৰতিজ্ঞা ৰাখিবা। নিৰ্বাচন কৰিবা আৰু সেই নিৰ্বাচিত বস্তুটো পাবলৈ চেষ্টা চলাই যাবা। আজিৰ দিনটো যদি অধ্যয়নত ব্যয় কৰা তেন্তে দেখিবা কালিলৈ আৰু বেছি অধ্যয়ন কৰিবলৈ সক্ষম হৈছা। অৱশ্যে এইটো নহয় যে তুমি হঠাৎ বিজয় লাভ কৰিব পাৰিবা। কু-অভ্যাস সহজে এৰিব নোৱাৰি, প্ৰতিজ্ঞা সময়ে সময়ে ঢিলা হৈ যায়, পৰিশ্ৰমতো সময়ে সময়ে বাধা পৰে। কিন্তু আকস্মিক বিস্ময় বা বিপৰ্য্যয়ে, সি দীঘলেই হওক বা চুটিয়েই হওক, তোমাক যেন শোকত বিচলিত কৰিব নোৱাৰে। ধৰি লবা যে এনেবোৰ অকৃতকাৰ্য্যতা সকলো মানুহৰে ভাগ্যত ঘটে। যি ঠাইতে এৰিছিলা সেই ঠাইৰ পৰাই পুনৰ আৰম্ভ কৰা আৰু আগতে যি প্ৰলোভনে তোমাক দুৰ্বল কৰিছিল সেইবোৰ এৰাবলৈ যত্ন কৰা।

প্ৰিয় বন্ধুবৰ্গ, এয়ে মোৰ উপদেশ। হয়তো এই উপদেশ আগতেও কোনোবাই দিছে আৰু সেই দিয়াৰ পৰা কোনো ফল হোৱা নাই। কিন্তু এই উপদেশ তুমি আনৰ পৰা নললেও নিজৰ চিন্তাৰ পৰাই গ্ৰহণ কৰিব

লাগিব যদিহে তুমি ভগবানে তোমাক যি অৱস্থালৈ নিছে তাৰ যথাযোগ্য কৰ্তব্যখিনি সমাপন কৰিব পাৰা।

তোমাৰ পৰা যেন যিমান সোনকালে সম্ভৱ এখন দীঘলীয়া চিঠি পাওঁ। মই আশা কৰিছোঁ তুমি তোমাৰ দিনপঞ্জী লিখি থাকিবা আৰু যি দেশতে থাকা সেই দেশৰে অভিজ্ঞতাৰে তাক ধনী কৰি তুলিবা। তুমি যদি মোৰ বাবে কোনো Frisick ভাষাৰ (Frisian) কিতাপ সংগ্ৰহ কৰিব পাৰা আৰু সপ্ত-প্ৰদেশৰ দুখীয়াসকলক কেনেকৈ ৰখা হয় সেই বিষয়ে অনুসন্ধান কৰি জানিবলৈ দিয়া তেন্তে অনুগ্ৰহ বুলি ভাবিম।

লণ্ডন, ৮ ডিচেম্বৰ, ১৭৬৩।

তোমাৰ স্নেহৰ দাস

চেমু জনচন

৩৯
লিটেৰেৰী ক্লাব (১৭৬৪)

ফেব্ৰুৱাৰী মাহত জনচন লণ্ডনলৈ ঘূৰি অহাৰ কিছু পিচতে এই ক্লাবৰ পত্তন হয়। ক্লাবটো বহুদিনলৈকে কোনো নাম নোহোৱাকৈয়ে চলি আছিল, কিন্তু মিঃ গেৰিকৰ অন্ত্যেষ্টিক্ৰিয়াৰ পিচতে ইয়াৰ নাম দিয়া হয় "দি লিটেৰেৰী ক্লাব।' এই নাম প্ৰথমে প্ৰস্তাৱ কৰিবৰ গৌৰৱ হল ছাৰ যশ্বোৱা ৰেণল্ড্‌চৰ। জনচনেও সেই প্ৰস্তাৱক সমৰ্থন কৰিলে। ইয়াৰ প্ৰথম সভ্যসকল হল ছাৰ যশ্বোৱা ৰেণল্ড্‌চ, ডঃ জনচন, এডমণ্ড বাৰ্ক ডঃ নুজেন্ট (Nugent), বোক্লাৰ্ক, লেংটন, ডঃ গল্ডস্মিথ, মিঃ চামিয়াৰ (Chamier), আৰু ছাৰ জন হকিন্স। তেওঁলোকে প্ৰতি সপ্তাহতে একোটা সন্ধিয়াত জেৰাৰ্ড ষ্ট্ৰীটৰ টাৰ্কচ হেড নামে ভোজনালয়ত মিলিত হৈছিল আৰু সাধাৰণতে নিশা ভালেমান পৰলৈকে তেওঁলোকৰ কথা-বতৰা চলিছিল। লাহে লাহে ক্লাবৰ সভ্য সংখ্যা বৰ্ত্তমানে পঁয়ত্ৰিচ পাইছেগৈ। প্ৰায় দহবছৰমান এইদৰে চলাৰ পিচত সপ্তাহত এদিনকৈ নৈশ-ভোজ খোৱাৰ সলনি পাৰ্লেমেণ্ট বহি থকাৰ সময়ত পষেকত এৰাতি মিলিত হোৱা স্থিৰ হ'ল। তেওঁলোকৰ আগৰ ভোজনালয়টো মানুহৰ থকা ঘৰলৈ ৰূপান্তৰিত হোৱাত তেওঁলোকে প্ৰথমে ছেকভিল্ (Sackville) ষ্ট্ৰীটৰ "প্ৰিন্স" নামে হোটেললৈ আৰু পিচত ডোভাৰ ষ্ট্ৰীটৰ 'লে টেলিয়াৰ্ছ'ত (Le Teliers) মিলিত হবলৈ ধৰে আৰু এতিয়া তেওঁলোক বহে চেন্ট জেমচ্ ষ্ট্ৰীটৰ পাৰ্ছলো (Parsloe) নামে ভোজনালয়ত।

৪০

অভ্যাস নে কু-সংস্কাৰ (১৭৬৪)

জনছনৰ আন এটা বিশেষ অভ্যাস আছিল আৰু সেইটোৰ বিষয়ে তেওঁৰ কোনো বন্ধুৱেই তেওঁক একো সুধিবলৈ সাহস নকৰিছিল। মোৰ বোধেৰে এইটো তেওঁৰ আগ বয়সতে কিবা কু-সংস্কাৰৰ পৰা ওপজা অভ্যাস আছিল আৰু যুক্তিৰ সহায়েৰে তাৰ পৰা মুক্ত হ'বলৈ তেখেতে কোনোদিনে চেষ্টা কৰা নাছিল। অভ্যাসটো আছিল এনেকুৱা—যেতিয়াই তেখেতে এখন দুৱাৰ বা এটা ঠেক বাটেদি ওলাব বা সোমাব লগীয়া হয় তেতিয়াই তেখেতে কিবা এটা বিশেষ বিন্দুৰ পৰা অতি সাৱধানে কেইটামান নিৰ্দিষ্ট সংখ্যক খোজ দি পাৰ হৈ যায়, নতুবা এনেদৰে খোজ দিয়ে যাতে দুৱাৰখন বা বাটটোৰ ওচৰ পাওঁতে প্ৰথমতে সোঁ বা বাওঁ ভৰিটোহে—কোনটো মই এতিয়া পাহৰিছো—প্ৰথম খোজটো লয়। এইটো মোৰ অনুমান। কাৰণ মই অসংখ্যবাৰ তেখেতক হঠাৎ ৰোৱা আৰু গভীৰ মনোযোগেৰে খোজ কেইটা গণা লক্ষ্য কৰিছো। কেতিয়াবা পাহৰিলে বা খোজ গণা ভুল হ'লে মই তেওঁক ঘূৰি গৈ পুনৰ নিজক ঠিক ঠাইত স্থাপন কৰি নতুনকৈ গোটেইখিনি কৰা আৰু সেইখিনি কৰা হ'লে চিন্তিত, অন্যমনস্ক ভাৱটো দূৰ কৰি বেগা-বেগীকৈ বন্ধুসকলৰ লগ ধৰাও দেখা পাইছো।

প্ৰায় এনেকুৱাই আৰু এটা প্ৰচলিত উদাহৰণ (আনকি ঘোঁৰাৰ পিঠিত উঠি থাকোঁতেও) লোৱা হৈছিল তেখেতে স্কাই (Sky) দ্বীপত থাকোঁতে। ছাৰ যশোৱা ৰেণল্ডছে তেখেতক নীছাৰ ফিল্ড্‌ছত এটা বিশেষ গলি পাৰ হোৱাতকৈ বৰং বহুখিনি দূৰ ঘূৰি যোৱা দেখা পাইছিল। ছাৰ যশোৱাই অৱশ্যে এইটোৰ লগত কিবা অপ্ৰিয় স্মৃতি জড়িত আছে বুলি ভাবিছিল।

তেখেতৰ অভ্যাস আৰু চেষ্টাবোৰ লক্ষ্য কৰিবলগীয়া কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ বিশেষত্ব যাতে পাহৰি নেযাওঁ সেইবাবেই উল্লেখ কৰি থোৱা উচিত। তেওঁ যেতিয়া চকীত বহি কথা পাতি বা ভাবি থাকে তেতিয়া তেওঁ সাধাৰণতে মূৰটো সোঁ কান্ধৰ ফালে বেঁকা কৰি ৰাখিছিল, কঁপনি উঠাৰ দৰে লৰাইছিল, শৰীৰটো আগলৈ পিচলৈ হলাইছিল আৰু হাতৰ তলুৱাৰে বাওঁ আঁঠুটো সেইদৰেই আগলৈ পিচলৈ মোহাৰিছিল। শব্দ উচ্চাৰণ কৰাৰ মাজে মাজে তেওঁ মুখেৰে নানান প্ৰকাৰ শব্দ কৰিছিল। শব্দবোৰ আছিল কেতিয়াবা ধাঁহ পাওনাৰ দৰে, কেতিয়াবা সামান্য হুইহিৰ দৰে, কেতিয়াবা জিভাখন ওলোটাই তালুত লগাই—কুকুৰাই কুট্ কুট্ কৰাৰ দৰে আৰু

কেতিয়াবা দাঁতৰ ওপৰ পাৰিৰ আলুত জিভাৰ আগটো লগাই টু-টু-টু কৰাৰ দৰে অস্পষ্ট শব্দ কৰি। আৰু এই গোটেইবোৰ কৰিছিল, কেতিয়াবা গভীৰ চিন্তাকুল দৃষ্টিৰে আৰু বেচিৰ ভাগ মিচিকিয়া হাঁহি মাৰি মাৰি।

কেতিয়াবা তৰ্ক কৰি থাকোঁতে তেওঁ হাত-ভৰি জোকাৰি চিঞৰি ভাগৰি ভাগৰি যায় আৰু তেতিয়া তৰ্কৰ মাজতে একোটা বিৰতিত তিমি মাছৰ দৰে শব্দ কৰি উশাহ পেলায়। মোৰ বোধেৰে এইধৰণৰ তেওঁৰ হাও-ফাওক বিন্দু আৰাম দিয়ে। এইটো তেওঁৰ বেলিকা এনে আছিল। প্ৰকাশৰ ভঙ্গী যেন বোধ হৈছিল, যেন বিপক্ষৰ যুক্তিবোৰ তেওঁ বতাহৰ আগত ফুঁ মাৰি উৰুৱাই দিছে।

৪১
বন্ধুলৈ মৰম (১৭৬০)

চাৰ যশুৱা ৰেণল্ড্চ্, লীষ্টাৰ ফিল্ডচ্, লণ্ডন.

ডাঙৰীয়া, আপোনাৰ আৰোগ্য বাৰ্তাৰ নোপোৱালৈকে মই আপোনাৰ অসুখ হোৱাৰ বাতৰিও পোৱা নাছিলো। সেইবাবেই মোৰ লগত আপুনি যিমান ঘনিষ্ঠ ভাৱে পৰিচিত তেনেভাৱে আপোনাৰ লগত পৰিচিত আনসকলে। মনত যিদৰে নিশ্চয় দুখ পাইছে মই সেইদৰে দুখ পোৱাৰ হাত সাৰি গ'লো।

আপোনাৰ ঠিক কি অসুখ হৈছিল তাকেই সঠিক নজনাৰ বাবে সি নো আপোনাক কেনে অৱস্থাত এৰি থৈ গৈছে তাকো ক'ব নোৱাৰিলোঁ। মোৰ সঙ্গলাভৰ আনন্দই যদি আপোনাক খৰকৈ আৰোগ্য পথলৈ আগবঢ়াই নিব পাৰে তেন্তে মই আপোনাৰ ওচৰলৈ যোৱাত এদিনো পলম নকৰোঁ। মোৰ নিজৰ আনন্দ বঢ়াবলৈকে আপোনাৰ আনন্দ বঢ়োৱাতকৈ আন কিবা উপায় আছে যদি মই নেজানো। আপোনাক হেৰুৱালে মই হয়তো বন্ধু বুলি ক'ব পৰা একমাত্ৰ মানুহজনকে হেৰুৱাম। সেই বাবেই আপোনাক ভালে কালে ৰক্ষা কৰাৰ বাহিৰে মোৰ নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈকে কি নো কৰিম তাকো মই ভাবি নেপাওঁ।

মই অনুৰোধ কৰিছোঁ, আপোনাৰ বাস্তবি মোক নিজে নাইবা প্ৰিয় মিচ্ ৰেণল্ড্ছৰ ভৱিষ্যতে জানিবলৈ দিব। মি: মাজ্জক (Mudge) মোৰ ওনগ জনাব।

Easton Maudit, Northamptonshire

১৭ আগষ্ট, ১৭৬৪ আপোনাৰ অতিপ্ৰিয় আৰু একান্ত বাধ্য

চেমুৱেল জনছন

৪২

থ্ৰেইল পৰিয়াল (১৭৬৫)

থ্ৰেইল পৰিয়ালৰ লগত তেওঁৰ পৰিচয় হোৱাটোৱেই এই বছৰৰ উল্লেখ কৰিব লগীয়া বিষয়। মি: থ্ৰেইল আছিল সেই সময়ত ইংলণ্ডৰ আটাইতকৈ বিখ্যাত মদ তৈয়াৰী কৰোঁতা আৰু ব্যৱসায়ী, আৰু চাউথৱাৰ্ক সমষ্টিৰ পৰা পাৰ্লেমেণ্টৰ সদস্য। বিদেশীসকলে যেতিয়া শুনে যে এই দেশত চুলাইকাৰী, ভাটিৱালা আৰু আন আন তেনেকুৱা ব্যৱসায়ৰ মানুহকো উখ আসন দিয়া হয় তেতিয়া তেওঁলোক আচৰিত হয়। এই বিশাল ব্যৱসায়ী দেশত যি কামেই দেশত ধনৰ উৎপাদন বঢ়ায় সিয়েই সন্মানিত ব্যৱসায় হিচাপে গণ্য হোৱা স্বাভাৱিক। আৰু এইটোও নিসন্দেহ যে সৎ পৰিশ্ৰমে সদায় সন্মানৰ দাবী ৰাখে। কিন্তু বোধ হয় তল খাপৰ মানুহৰ অতি দ্ৰুত অগ্ৰগতিয়ে সৎ আৰু উচ্চবংশৰ প্ৰতি দেখুওৱা যি সন্মানে সমাজৰ সম্ভ্ৰম নিষ্ঠা বজাই ৰাখি আহিছে তাক নষ্ট কৰি পেলাইছে।

মি: থ্ৰেইলে ৱেলছৰ সম্ভ্ৰান্ত বংশীয়া, শিক্ষিতা আৰু গুণৱতী কুমাৰী হেষ্টাৰ লিঞ্চ ছালুছবাৰীক (Hester Lynch Salusbury) বিয়া কৰাইছিল। মানুহে সাধাৰণতে ভাবে যে জনছনৰ মি: থ্ৰেইলৰ পৰিয়ালৰ সৈতে পৰিচয়, যি পৰিচয়ে তেওঁৰ জীৱনলৈ যথেষ্ট আনন্দ আনিছিল, সম্ভৱ হৈছিল বিচেছ থ্ৰেইলৰ জনছনৰ সৈতে আলাপ কৰিবৰ আগ্ৰহৰ বাবে; কথাটো অতি সম্ভৱ কিন্তু সঁচা নহয়। মি: থ্ৰেইলৰ ঘনিষ্ঠ বন্ধু মি: মাৰ্ফিয়ে থ্ৰেইলহঁতৰ আগত জনছনৰ প্ৰশংসা কৰি বহু কথা কোৱাত মি: মাৰ্ফিক অনুৰোধ কৰা হৈছিল জনছনৰ লগত পৰিচয় কৰি দিবলৈ। জনছনক এই কথা কোৱাত তেওঁতে থ্ৰেইলহঁতৰ ঘৰত এদিন নৈশ ভোজৰ নিমন্ত্ৰণ গ্ৰহণ

কৰিলে। এই ভোজত মিঃ আৰু মিছেছ্ থ্ৰেইলৰ আদৰ-সাদৰত তেখেত ইমান সন্তুষ্ট হ'ল আৰু তেওঁলোকৰো জনছনক ইমান ভাল লাগিল যে তেওঁলোকৰ ঘৰলৈ ঘনাই নিমন্ত্ৰণ হবলৈ ধৰিলে আৰু অৱশেষত জনছন তেওঁলোকৰ পৰিয়ালৰে এজনৰ নিচিনা হৈ পৰিল। অৱশেষত তেওঁলোকৰ চাউথৱাৰ্ক আৰু ষ্ট্ৰেটহাম দুয়ো ঠাইৰে ঘৰত জনছনৰ বাবে এটা কোঠা আছুতীয়াকৈ সথা হ'বলৈ ধৰিলে।

জনছনৰ বাবে এই সম্বন্ধ অতি সন্তোষজনক হৈছিল। থ্ৰেইলহঁতৰ ঘৰত তেখেতে সকলো আৰাম আনকি বিলাসৰ বস্তুও পাইছিল। এটা মৰমীয়াল আৰু নিয়মনিষ্ঠ পৰিয়ালৰ সংসৰ্গলৈ আহি তেখেতৰ মনৰ বিষাদভাৱ দূৰ হৈছিল, মনিমনীয়া অভ্যাসবোৰো কমি আহিছিল। তেখেতক যথেষ্ট সন্মান আনকি মৰমো দেখুওৱা হৈছিল। মিছেচ থ্ৰেইলৰ সজীৱ সাহিত্যিক আলোচনাই তেখেতক প্ৰফুল্ল আৰু উৎসাহী কৰি তুলিছিল- আন কি তেওঁলোক অকলে থাকিলেও কিন্তু সেইটো বহুত সময়তে নথাকিছিল। কাৰণ এওঁলোকৰ ঘৰত তেখেতে অতি আনন্দ পোৱা বস্তু এটা অবিৰতভাৱে পাইছিল, সেইটো হৈছে—শিক্ষিত, বুদ্ধিমান আৰু সকলোপিনে জনাজাত মানুহৰ সঙ্গ। এইসকল সদায় দলে দলে গোট খাইছিল আৰু তেখেতৰ অসাধাৰণ বুদ্ধি-বৃত্তি প্ৰকাশ কৰিবৰ সুবিধা দি তেখেতক সকলোৰে প্ৰশংসাৰ পাত্ৰ কৰি তুলিছিল। আৰু প্ৰশংসা কোন মানুহেই বা ভাল নেপায়।

৪৩
কবিতা ৰচনা (১৭৬৬)

কবিতা ৰচনাৰ কথা কওঁতে তেখেতে মত প্ৰকাশ কৰিছিল, "আটাইতকৈ ডাঙৰ অসুবিধা হল কোন সময়ত যে ভাল কবিতা লিখিলা সেইটো জনাটো। মই নিজে যেতিয়া লিখোঁ, তেতিয়া কোঠাত ঘূৰি ঘূৰি খোজ কাঢ়ি থাকোঁতে হয়তো ৫০ টা লাইন একেলগে মোৰ মনলৈ আহে আৰু তাৰ পিচত যেতিয়া লিখি উলিয়াওঁ তেতিয়া প্ৰায়েই, প্ৰধানত: মোৰ এলাহৰ কাৰণে, হয়তো আধাখিনিহে লিখিব পাৰোঁ। মই এদিনত এশটা শাৰীও লিখিছোঁ। মোৰ মনত আছে *The Vanity of Human Wishes* কবিতাটোৰ এশটা শাৰী মই এদিনতে লিখিছিলোঁ। (হ'ণ্ডস্মিথৰ কাললৈ ঘূৰি) এনা ডক্তৰ। মই বৰ এলেহুৱা নহওঁ দেই। সিদিনা আকৌ মই পুৰা এটা লাইন লিখিছিলোঁ। তাৰ বেচি নহয়।"

গ'ল্ডস্মিথ, "লাইনটো আমাক শুনাই দিয়কচোন, আমি ল'ৰাতে এটা বেয়া লাইন লগাই দিম।"

জনছন "ওহোঁ। লাইনটো মই পাহৰি গলোঁ।"

মোৰ বিশ্বাস, মহান ডঃ ছেমুৱেল জনছনৰ এই ধৰণৰ সহস্ৰ খেৰে-লিয়া কথোপকথন বিলাকত যথেষ্ট গুৰুত্ব দিয়া উচিত। এই বিলাকেই আধুনিকৰ সময়ত এক বিৰাট শক্তিমন্ত মনৰ সৰু সৰু বিশেষত্ব বিলাক দেখুৱাই দি তেওঁতৰ চৰিত্ৰ আৰু চিন্তাৰ ধৰণৰ এটি পুঙ্খানুপুঙ্খ ধাৰণা দিয়ে।

৪৪

গেলিক ভাষাত বাইবেলৰ অনুবাদ সম্বন্ধে (১৭৬৬)

প্ৰকাশৰ বাবে নহলেও, এই বছৰ তেখেতে এখন চিঠি লিখিছিল যিখনত তেখেতৰ আন আন ৰচনাৰ দৰে মনোভাৱ আৰু ৰচনা শৈলীৰ বিশেষত্ব বিলাক মূৰ্ত্ত হৈ উঠিছিল। মূল চিঠিখন মোৰ হাতত আছে। সেইখন লিখা হৈছিল এডিনবৰাৰ কিতাপৰ ব্যৱসায়ী স্বৰ্গীয় উইলিয়াম ড্ৰামণ্ডলৈ। তেওঁ ভাল পৰিয়ালৰ মানুহ আছিল কিন্তু ধন-সম্পত্তি বিশেষ একো নাছিল। ১৭৪৫ চনত তেখেতে ষ্টুৱাৰ্টসকলৰ সপক্ষে যুদ্ধত অস্ত্ৰধাৰণ কৰিছিল। ৰাজহুৱা ভাবে ক্ষমাদানৰ আদেশ প্ৰচাৰ হোৱাৰ আগতে লণ্ডনত গোপনে বাস কৰোঁতেই জনছনৰ সৈতে তেওঁৰ চিনাকি হৈছিল আৰু জনছনেও তেওঁক এজন যোগ্য মানুহ বুলি গ্ৰহণ কৰিছিল। এই সময়তে স্কটলেণ্ডৰ 'খৃষ্ট-ধৰ্মৰ জ্ঞান প্ৰচাৰ সমাজ'ৰ কিছুমান সভ্যই ধৰ্মশাস্ত্ৰবিলাক Erse নাইবা Gaelic ভাষালৈ অনুবাদ কৰাৰ বিৰোধিতা কৰিছিল। উদ্দেশ্যটো কিন্তু আছিল ৰাজনৈতিক, অৰ্থাৎ হাইলেণ্ডাৰসকল আৰু উত্তৰাংশৰ অন্য অধিবাসীসকলৰ পাৰ্থক্য বজাই ৰখাৰ অসুবিধা। এই কথা—বোধ হয় ড্ৰামণ্ডৰ দ্বাৰাই—জনছনক জনোৱা হলত তেখেতে ঘৃণা মিহলি বিৰাগ প্ৰকাশ কৰি ড্ৰামণ্ডলৈ লিখিলে:—

ডাঙৰীয়া! মই কোনোদিনেই আশা কৰা নাছিলোঁ যে খৃষ্ট ধৰ্মৰ জ্ঞান প্ৰচাৰ কৰিবৰ বাবে স্থাপিত হোৱা এখন সমাজে, ধৰ্মৰ শিক্ষা নোপোৱা জাতি এটাই সেই শিক্ষা পোৱা উচিত হয় নে নহয় আৰু ধৰ্মশাস্ত্ৰৰ অনুবাদৰ দ্বাৰা যে সেই শিক্ষা দিয়া উচিত সেই সম্বন্ধে কোনো প্ৰশ্ন তুলিব পাৰে। আমাৰ কুশল, বাবে যদি ভগৱানৰ ইচ্ছা পালন কৰাটো আৱশ্যক, আৰু তাৰ বাবে যদি

ভগবানৰ ইচ্ছা সম্বন্ধে জ্ঞানৰ আৱশ্যক তেন্তে যি সকলে সেই জ্ঞান লুকুৱাই ৰাখে বা দান কৰাত পলম কৰে সেই সকলে কেনেকৈ 'নিজৰ চুবুৰীয়াক নিজৰ দৰে ভাল পায়' তাক মই কব নোৱাৰোঁ। যি জনে ইচ্ছা কৰি অজ্ঞতা দূৰ কৰাত বাধা দিয়ে তেওঁ সেই অজ্ঞতা সংঘটিত সকলো পাপৰ বাবে জগৰীয়া, ঠিক যেনেকৈ যিজনে আলোক-স্তম্ভৰ বন্তি নুমাই দিয়ে তেওঁ জাহাজ ধ্বংস হোৱাৰ দুৰ্ভাগ্যৰ বাবে জগৰীয়া। খৃষ্ট-ধৰ্মই মানৱতাৰ চৰম উৎকৰ্ষতা লাভৰ উপায়। আন হাতে যি মানুহে আনৰ ভাল নিবিচাৰে তেওঁ ভাল মানুহ নহয়, আৰু যি অইনৰ সকলোতকৈ ভালটো আশা নকৰে তেওঁ নিজে সকলোতকৈ ভাল হবই নোৱাৰে।

প্ৰত্যেকজন মানুহৰ মতামত, অন্ততঃ তেওঁৰ ইচ্ছা, কিছু পৰিমাণে তেওঁৰ পঢ়াশুনাৰ দ্বাৰা প্ৰভাৱিত হয়। হয়তো মই যি সকলৰ শুভেচ্ছা কামনা কৰোঁ তেওঁলোকেও মোৰ ভাষাৰ প্ৰতি মোহক অলপ বেছি ওপৰত বুলি ভাবিব। যি সকলৰ মনত বেপাৰ বা কূটনীতি, আজিৰ ধন বা আজিৰ ক্ষমতাৰ বাহিৰে একোৱেই নাই, তেখেতসকলৰ আগত মই মোৰ মতামত সমৰ্থন কৰিবৰ আৱশ্যক নেদেখোঁ, কিন্তু শিক্ষিত মানুহৰ লগত মই সিমান সহজে সন্ধি নকৰোঁ। বৰং মই ইচ্ছা কৰিম যাতে প্ৰত্যেকটো ভাষাতে, সি লাগে যিমানেই ঠেক পৰিসৰৰ নহওক, বা, বৰ্ত্তমানকালৰ ব্যৱহাৰৰ বাবে যিমানেই অসুবিধাজনক নহওক, এখন জনাশুনা কিতাপৰ অনুবাদ কৰি পিচত আন ভাষাৰ লগত পৰীক্ষামূলক তুলনা কৰি চাব লাগে, আৰু তাৰ পিচতহে হে ভাষাটো অনাৱশ্যক বুলি স্থিৰ কৰিব লাগে। এই কামৰ বাবে বাইবেলখনকে সকলোতকৈ আগত বাছি লোৱা উচিত। এই ব্যৱস্থাই যে হ্বাইলেও ভাষাটো শিক্ষাৰ মাধ্যম হিচাপে বা দৈনিক ব্যৱহাৰ্য্য ভাষা হিচাপে ৰক্ষা নকৰিব সেইটো সঠিককৈ কব নোৱাৰি। হ্বাইলেওবাসীসকলে যেতিয়া বাইবেল পঢ়িব তেতিয়া স্বাভাৱিকতে তেওঁলোকে তাৰ গূঢ় অৰ্থ পৰিষ্কাৰ কৰিবলৈ, তাৰ ইতিহাস জানিবলৈ আৰু আনুষঙ্গিক কথাবোৰ জানি লবলৈ ইচ্ছা কৰিব। জ্ঞানে প্ৰসাৰ বিচাৰে। ই জুইৰ নিচিনা, তাক প্ৰথমতে বাহিৰা বস্তুৰে ধৰাই দিব লাগে আৰু পিচত সি নিজেই বাঢ়ি যায়। এবাৰ যেতিয়া তেওঁলোকৰ শিকিবৰ স্পৃহা বাঢ়ি উঠিব তেতিয়া স্বাভাৱিক ভাৱেই নিচেই ওচৰত থকা যিটো ভাষাৰ সহায়ত সেই ইচ্ছা পূৰণ হ'ব পাৰে তাৰ ফালে চাল থাব, আৰু এজনে আনজনক কব যে জ্ঞান আহৰণৰ বাবে ইংৰাজী জনা আৱশ্যক।

ডাঙৰীয়া, আপুনি যেন অনুগ্ৰহ কৰি যি সজ্জন ভদ্ৰলোক এই অনু-

বাদত লিপ্ত আছে তেখেতক মোৰ শুভ ইচ্ছা জ্ঞাপন কৰে, আৰু তেখেতৰ সুবিধাৰ বাবে যদি মই ইয়াত বা অক্সফৰ্ডত কিবা এটা কৰিব পাৰোঁ। তেন্তে সেইটো মোৰ বাবে সন্মান যেন জ্ঞান কৰিম।

আপোনালৈ ইমান পলমকৈ উত্তৰ দিয়াৰ বাবে দুখিত।

জনছনচ কোর্ট, ফ্লীট ষ্ট্ৰীট — আপোনাৰ একান্ত বাধ্য
১১ আগষ্ট, ১৭৬৬ — চেমুৱেল জনছন

এই শুভ পৰিকল্পনাৰ বিৰোধিতা কৰাসকল নিজৰ কামৰ বাবে লজ্জিত হোৱাত এই সজ্জ প্ৰচেষ্টা চলি থাকিল।

৪৫
সম্ৰাট তৃতীয় জৰ্জৰ সৈতে সাক্ষাৎ (১৭৬৭)

১৭৬৭ চনৰ ফেব্ৰুৱাৰী মাহত জনছনৰ জীৱনত এটি অতি উল্লেখ-যোগ্য ঘটনা ঘটিছিল। এই ঘটনাই তেওঁৰ উগ্ৰ ৰাজভক্তিকো তুষ্ট কৰিছিল আৰু যেতিয়াই বন্ধু-বান্ধৱে অনুৰোধ কৰে তেওঁ ঘটনাটো খাঁতি-গুৰি মাৰি কবলৈকো ভাল পাইছিল। ঘটনাটো হৈছে কুইনচ হাউচ্‌ৰ পাঠাগাৰত সম্ৰাটৰ সৈতে তেখেতৰ ব্যক্তিগত কথোপকথন। এই পাঠাগাৰৰ সুন্দৰ কোঠাবোৰত থকা কিতাপ-পত্ৰৰ অপূৰ্ব সংগ্ৰহটোলৈ তেখেত মাজে মাজে গৈছিল। তেখেতৰ মতে সম্ৰাটে এই সংগ্ৰহৰ বাবে যিমানখিনি সময় খৰচ কৰিছিল সেই সময়ৰ ভিতৰত কোনো মানুহেই যে ইমান সংখ্যক আৰু ইমান বিভিন্ন প্ৰকাৰৰ এটা সংগ্ৰহ গঢ়ি তুলিব পাৰে সেইটো সম্ভৱ নাছিল। পাঠাগাৰৰ পৰিচালক মিঃ বাৰ্ণাৰ্ডে জনছনে যাতে তাত পঢ়াশুনা কৰোঁতে সকলো প্ৰকাৰৰ সুখ সুবিধা পায় তালৈ চকু ৰাখিছিল আৰু সেইবাবে জনছনেও আজৰি সময় কেৰা কটাবৰ বাবে বৰ ভাল সুবিধা এটা পাইছিল।

জনছনে মাজে মাজে তালৈ অহাৰ বাতৰি পাই সম্ৰাটে এদিন, পিচৰ বাৰ যেতিয়া জনছন পাঠাগাৰলৈ আহে তেতিয়া সম্ৰাটক জনাবলৈ আদেশ দিলে। পিচৰ বাৰ যেতিয়া জনছন আহিল আৰু কিতাপ এখন হাতত লৈ জুইৰ ওচৰত বহি পঢ়াত মগ্ন হ'ল, তেতিয়া মিঃ বাৰ্ণাৰ্ডে লাহে লাহে সম্ৰাট থকা কোঠালৈ গ'ল আৰু তেখেতৰ আদেশ অনুসৰি মিঃ জনছন পাঠা-

গাৰত আছে বুলি নিবেদন কৰিলে। সম্ৰাটে উত্তৰ দিলে যে তেখেতৰ হাতত কিছু সময় আছে আৰু তেখেত জনছনৰ ওচৰলৈ যাব। মি: বাৰ্ণাৰ্ডে সম্ৰাটৰ মেজৰ পৰা এটা মমদানি তুলি ললে আৰু সম্ৰাটৰ আগে আগে বাট দেখুৱাই এখন ভিতৰৰা দুৱাৰলৈকে লৈ গ'ল। দুৱাৰখনৰ চাবি সম্ৰাটৰ নিজৰ হাতত আছিল। ভিতৰলৈ সোমায়েই মি: বাৰ্ণাৰ্ড পৰালবিকৈ জনছনৰ ওচৰলৈ গ'ল। জনছন তেতিয়াও কিতাপখনতে বুৰ গৈ আছিল। বাৰ্ণাৰ্ডে ফুচফুচাই ক'লে "ছাৰ, এইয়া সম্ৰাট।" জনছনে উচাপ্ খাই খিয় দি স্থিৰ হৈ বৈ থাকিল। সম্ৰাট তেওঁৰ ওচৰলৈ গ'ল আৰু সহজ ভদ্ৰভাৱে কথা কবলৈ ধৰিলে।

সম্ৰাটে প্ৰথমতেই জনালে যে তেখেত ডক্টৰ মাজে মাজে পাঠাগাৰলৈ অহা কথাটো শুনিছে আৰু তেখেত অলপতে অক্সফ'ৰ্ডলৈ গৈছিল বুলিও শুনিছে। সম্ৰাটে জানিব খুজিলে তেওঁ তালৈ যাবলৈ ভাল পোৱা জানো? জনছনে উত্তৰ দিলে যে তেওঁ মাজে মাজে অক্সফ'ৰ্ডলৈ যাবলৈ ভাল পায় সঁচা কিন্তু সেইদৰেই ঘূৰি আহিবলৈকো ভাল পায়। ৰজাই তেখেতক অক্সফ'ৰ্ডত কি কৰা হৈছে বুলি সোধাত জনছনে উত্তৰ দিলে যে তেওঁলোকে (অক্সফ'ৰ্ডৰ কৰ্তাসকলে) বৰ বেছি কিবা কৰিছে বুলি তেখেতে নেভাবে, কিন্তু কিছু পৰিমাণে সংশোধিত হৈছে। কাৰণ তেওঁলোকে ছপাখানাটোৰ নিয়ম প্ৰণালী উন্নত কৰিছে আৰু সেই সময়ত পলিবিয়াচ ছপা কৰি আছে। তেখেতক সোধা হ'ল যে অক্সফ'ৰ্ডৰ গ্ৰন্থাগাৰটো ডাঙৰ নে কেম্ব্ৰিজৰ? জনছনে উত্তৰ দিলে যে কেম্ব্ৰিজৰ যি কোনো গ্ৰন্থাগাৰতকৈ অক্সফ'ৰ্ডৰ বড্লিয়ান (Bodleian) লাইব্ৰেৰী ডাঙৰ বুলি তেওঁৰ বিশ্বাস। লগতে যোগ দিলে, মোৰ বিশ্বাস কিতাপ আমাৰেই বেছি থাকক বা কেম্ব্ৰিজৰেই বেছি থাকক তেওঁলোকে তাৰ যিমান সদ্ব্যৱহাৰ কৰে আমিও তেনেকৈয়ে কৰিম। "অ'ল ছ'লছ" আৰু "ক্ৰাইষ্ট চাৰ্চ" এই দুটা কলেজৰ কোনটোৰ গ্ৰন্থাগাৰ ডাঙৰ বুলি সোধাত জনছনে উত্তৰ দিলে, "বড্লিয়ানৰ বাহিৰে 'অল ছ'লছ'ৰ গ্ৰন্থাগাৰটোৱেই সকলোতকৈ ডাঙৰ।" সম্ৰাটে উত্তৰ দিলে, 'এৰা সেইটো নাজ্জনা গ্ৰন্থাগাৰ।'

সম্ৰাটে সুধিলে তেখেতে সেই সময়ত কিবা লিখি আছে নেকি? জনছনে জনালে যে তেখেতে একো লিখি থকা নাই কাৰণ তেখেতে যিখিনি জানিছিল সেইখিনি জগতক জনোৱা হলেই আৰু এতিয়া তেখেতে আৰু জ্ঞান গোটাবলৈ অধ্যয়নহে কৰিব লাগিব। সম্ৰাটে তেতিয়া বোধ হয় মৌলিক লিখক হিচাপে নিজৰ জ্ঞান ভাণ্ডাৰৰ ওপৰত নিৰ্ভৰ কৰিবলৈ আৰু

লিখা চলাই যাবলৈ উদগণি দিবলৈকে কলে, "আপুনি অইনৰ পৰা বিশেষ ধাৰ কৰে বুলি মই নেভাবোঁ।" জনছনে কলে যে লিখক হিচাপে তেখেতে লিখিব লগীয়াখিনি লিখিলেই। সম্রাটে তেতিয়া কলে, "মরো সেইদৰেই ভাবিলোহেঁতেন যদি আপুনি ইমান সুন্দৰভাৱে নিলিখিলেহেঁতেন।" এই-সাৰিৰ কথাতে জনছনে মোক কৈছিল, "ইয়াতকৈ সুন্দৰ প্ৰশংসা কোনো মানুহে কৰিব নোৱাৰে। ই সঁচাকৈয়ে ৰাজযোগ্য। একেবাৰেই নিশ্চিত।" আন এজন বন্ধু ছাৰ যশ্বোৱা ৰেণ্‌ল্ডছে সুধিছিল, এই উচ্চ প্ৰশংসাৰ তেখেতে কিবা উত্তৰ দিছিল নে নাই? জনছনে কলে, "নাই দিয়া ডাঙৰীয়া। ৰজাই যেতিয়া কৈছে, সেইটোৱেই ঠিক। মই মোৰ সম্রাটৰ সৈতে বিনয়ৰ কথা কটাকটিলৈ যোৱাটো উচিত নহয়।" এই প্ৰসঙ্গত জনছনে যি সুন্দৰ গাম্ভীৰ্যপূৰ্ণ বিনয় দেখুৱালে ৰাজসভাত গোটেই জীৱন কটোৱা একজনেও হয়তো দেখুৱাব নোৱাৰিলেহেঁতেন।

এই স্মৰণীয় কথা-বতৰাৰ বৰ্ণনা শুনিবলৈ ছাৰ যশ্বোৱা ৰেণল্ড্‌ছৰ ঘৰত জনছনক বহুতো বন্ধুৱে উৎসুকভাৱে বেৰি ধৰিছিল। ইয়াৰ খুঁটি-নাটি বৰ্ণনা দিবলৈ যুক্তিবাদ আৰু প্ৰাণবন্ত ড: গোল্ডস্মিথক বাটিনে বৰ বেছিকৈ ধৰিছিল। "আহক তাৰ এইটো বৰ শুনিব লগীয়া বিষয়। কওকচোন আমাক।" আৰু অন্যান্য হাঁহি হাঁহি সেই অনুৰোধ ৰক্ষা কৰিছিল।

সিমান পৰে জনছনে ছাৰ যশ্বোৱা ৰেণল্ডছৰ ঘৰত বন্ধুসকলক ৰজা আৰু তেখেতৰ মাজত কি ঘটিছিল তাক বৰ্ণাই আছিল, সিমান পৰে ড: গোল্ডস্মিথ নিৰ্বিকাৰভাৱে দূৰৰ চকী এখনত বহি আছিল, যেন, উপস্থিত বন্ধুসকলৰ দৰে তেওঁৰ কোনো কৌতুহলেই নাই। তেওঁ নিজৰ দুশ্চিন্তা আৰু অমনোযোগিতাৰ কাৰণ স্বৰূপে কৈছিল যে জনছনে তেওঁৰ নাটকৰ পাতনি এখন লিখি দিম বুলি কৈছিল আৰু তেওঁ বৰ গৰ্বিত বোধ কৰিছিল আৰু তেখেতৰ সন্দেহ যে জনছনে সেই ইচ্ছা ত্যাগ কৰিছিল। কিন্তু সকলোৱে সন্দেহ কৰিছিল যে জনছনে ইমান ডাঙৰ সন্মান এটা লাভ কৰাত গোল্ডস্মিথে ক্ষোভ আৰু ঈৰ্ষাত জ্বলি পুৰি মৰিছিল। অৱশেষত তেওঁৰ স্বাভাৱিক সাধুতা আৰু সৰলতাৰেই জয় হল। এটা সময়ত তেওঁ চকীৰ পৰা জপিয়াই উঠি জনছনৰ কাষলৈ আগবাঢ়ি গ'ল আৰু সেই সময়তে জনছনে বৰ্ণাই থকা অৱস্থা এটাত নিজক পেলাই লৈ জনছনক কলে, "আপুনি এই কথোপকথন মোতকৈ বহুগুণে ভালকৈ চলাব পাৰিলে। মই হোৱা হলে গোটেইখিনি সময় মূৰ দোঁৱাই থোচা-খোজা লগাই থাকোঁতেই গ'লাহেঁতেন।"

৪৬

Woodcock আৰু Swallow (১৭৬৭)

তেখেতে প্ৰকৃতি-বিজ্ঞানৰ কথা পাতি ভাল পাইছিল যেন লাগে। তেখেতে কৈছিল "উড্‌কক্ চৰাইবোৰৰ যে উত্তৰৰ দেশবোৰলৈ উৰি গুচি যায় সেইটো ঠিক, কাৰণ সিহঁতক সাগৰৰ ওপৰেদি উৰি যোৱা দেখা গৈছে। ছুৱেলোবোৰে নিশ্চয় গোটেই শীতকাল শুই শুই কটায়। সিহঁতৰ কিছু-মানে একেলগে ঘূৰি ঘূৰি উৰি উৰি খুপ খায় আৰু শেষত গোটেইবোৰ একেলগে পানীত পৰি তলিলৈ গৈ বুকুত শুই থাকেগৈ।

৪৭

কাছকা (১৭৬৮)

তেখেত অক্সফৰ্ডত ভালেখিনি দিন থাকিল। মই লণ্ডনলৈ যাব লগীয়া হ'ল আৰু তাতে স্কটলেণ্ডৰ পৰা ঘূৰি অহা এই চিঠিখন পালোঁ:

প্ৰিয় বছৱেল! ঠিক কিয় ক'ব নোৱাৰোঁ। তোমালৈ মই বহুদিন লিখা নাই। এতিয়া ক'ব পাৰোঁ। কিয় মই লিখিব নোৱাৰোঁ। সি হ'লে বন্ধুসকলৰ চিঠিবিলাক তেওঁলোকৰ অনুমতি নোলোৱাকৈ প্ৰকাশ কৰি দিয়ে তেওঁলৈ বাৰু কোনে চিঠি লিখিব? কিন্তু সেইখিনি সতৰ্কতা সত্ত্বেও মই তোমালৈ লিখিছোঁ এইখিনিকে ক'বলৈ যে তোমাক দেখা পালে মই বৰ ভাল পাম আৰু এইখিনিকে জনাবলৈ যে, কচ্ছিকাই তোমাৰ মূৰত বহুদিন ঠাই লৈ আছে আৰু মই আশা কৰোঁ। এতিয়া তুমি তাক উলিয়াই পঠাবা। সি যি কি নহওক মই তোমাক দেখা পালে ভাল পাম, নহ'লে ভাল পাম।

অক্সফৰ্ড, ২৩ মাচ, ১৭৬৮। তোমালৈ স্নেহেৰে

চেম জনছন

মই উত্তৰ দিলোঁ

ডাঙৰীয়া! আপোনাৰ শেষ চিঠিখন পাইছোঁ। চিঠিখন চুটি আৰু তাক কেনেবাকৈ ওলগ জনোৱা বুলি ধৰিব নোৱাৰি কিন্তু তথাপি সেই-খনে মোক প্ৰকৃত আনন্দ দিব পাৰিছে। কাৰণ চিঠিখনত আছে, "মই তোমাক দেখা পালে ভাল পাম, নহ'লে ভাল পাম।" আপুনি নিশ্চয় আপোনাৰ চিঠি-

খনৰ পৰা এটা মাত্ৰ para (অনুচ্ছেদ) প্ৰকাশ কৰাৰ বাবে মোক দায় নিদিব, সেইটো কৰিবৰ লোভ যে মই সামৰিব নোৱাৰিলো। আপোনাৰ অছেদ্য বন্ধুতাৰ অনুগ্ৰহদান আৰু মোৰ কৰ্চিকাৰ্লৈ যাবৰ আগ্ৰহক "মহান আৰু বুদ্ধিসন্মত প্ৰচেষ্টা বুলি অভিহিত কৰাটো মোৰ বাবে ৰাজকীয় মান-পত্ৰতকৈয়ো মূল্যবান।

আপুনি বাৰু কৰ্চিকাক মোৰ মুখৰ পৰা উলিয়াই পঠাবলৈ কেনেকৈ ক'ব পাৰে? হে মোৰ মহান-হৃদয় বন্ধু, আপুনি বাৰু এটা অত্যাচাৰিত জাতিয়ে সাহসেৰে মুক্ত হবলৈ চেষ্টা কৰাটোক সমৰ্থনা নকৰাবনে? কথাটো ভালকৈ ভাবি চাওক। কৰ্চিকানসকলে জেনোৱাৰ (Genoa) অধিবাসী সকলৰ পৰা কোনোদিনেই দয়া পোৱা নাই। সিহঁতে কোনো দিনেই জেনুইজ (Genoese) হঁতৰ বশ্যতাও স্বীকাৰ কৰা নাই। জেনুইজ্‌হঁতৰ ওচৰত সিহঁত কোনো প্ৰকাৰে ধৰুৱা নহয়, তেন্তে, শক্তিৰ দ্বাৰা সিহঁতক দাসৰ অৱস্থাত পেলালে, সিহঁতে স্বাধীনতাৰ বাবে বিদ্ৰোহ কৰিবলৈ বা কান্ধৰ পৰা কান্ধ গেলি যোৱা যুঁৱলি দলিয়াই পেলাবৰ চেষ্টা নকৰিব কিয়? আৰু প্ৰত্যেক স্বাধীনতাকামীৰ অন্তৰ সিহঁতৰ বাবে উথলি নুঠিবনে? মোৰ মুখৰ পৰা কৰ্চিকাক উলিয়াই পঠোৱাৰ অৰ্থ হ'ল মোৰ আত্মসন্মানক উলিয়াই পঠোৱা, মনুষ্যত্বক উলিয়াই পঠোৱা, বন্ধুত্ব আৰু ধৰ্মজ্ঞান উলিয়াই পঠোৱা। ওহোঁ! মই যিমানদিন জীয়াই থাকোঁ কৰ্চিকা আৰু তাৰ সাহসী দ্বীপবাসীসকল সদায় মোৰ মনত থাকিব, চিৰকাল অতি সহানুভূতিৰে সৈতে মোৰ দৃষ্টি আকৰ্ষণ কৰিব।

৪৮

ভালুক জনছন (১৭৬৮)

গোটেই ইংলণ্ডবাসীৰ মতে প্ৰচাৰ হৈ গৈছে যে জনছনক মানুহে 'ভালুক' বুলি কয়। কথাষাৰে মানুহক জনছনৰ বিপক্ষে নানা কথা ভাবিবলৈ বাধ্য কৰে। সেইবাবেই মই মোৰ পাঠকসকলক, জনছনক ভালকৈ চিনি পোৱা আমাৰ বন্ধু গ'ল্ডস্মিথে কোৱা কথা এষাৰ জনাই থওঁ। তেখেতৰ মতে, "জনছনৰ বাত কথাত এটা বহটা ভাব নিশ্চয় আছে, কিন্তু বোধ হয় কোনো জীৱিত মানুহৰে ইমান কোমল হৃদয় এখনি নাই। তেওঁৰ ছাল-খনৰ বাহিৰে ভালুকৰ লগত বিজাৰ পৰা আৰু একেবাৰেই নাই।"

৪৯

বছৱেললৈ চিঠি (১৭৬৯)

ডঃ জনছনে থ্ৰাইটেলমষ্টোনৰ পৰা মোলৈ তলত দিয়া চিঠিখন লিখিছিল যিসকলে ভাবে যে চিঠিখন মই প্ৰকাশ কৰা উচিত নাছিল তেওঁলোকৰ অনুভূতি নিশ্চয় মই যিমান চোকা বুলি ভাবিছিলোঁ সিমান নহয়—

প্ৰিয় বছৱেল, মোক তুমি চেনেহৰ অভাৱৰ দোষ দিছা কিয়? মইতো যি তোমাৰ ভাল কৰিব বা তোমাক আনন্দ দিব তেনেকুৱা একোকেই নকৰাকৈ থকা নাই, মাত্ৰ তোমাৰ 'কৰ্চিকাৰ বিৱৰণী' সম্বন্ধে মোৰ মতামত নজনোৱাৰ বাহিৰে। মোৰ বিশ্বাস, তুমি যদি মোৰ মতামতৰ মূল্য দিয়া তেন্তে মোৰ অভিমতে তোমাক আনন্দই দিলেহেঁতেন। কিন্তু যেতিয়া মই ভাবোঁ প্ৰশংসাই মানুহৰ মনত কিমান অহমিকা আনে তেতিয়া ভাবোঁ যে সি কিজানি তোমাৰ ভাল নকৰিলেহেঁতেন। তোমাৰ বুৰঞ্জীখন আন বুৰঞ্জীবিলাকৰ নিচিনাই, কিন্তু যাত্ৰা-বিৱৰণী বহুগুণে বিশেষত্বপূৰ্ণ আৰু আনন্দ দায়ক। আনৰ পৰা ধাৰ কৰা মতামত আৰু নিজৰ অন্তৰত জাগ্ৰত হোৱা মতামতৰ যি পাৰ্থক্য বুৰঞ্জী আৰু নিজে লিখা বিৱৰণীৰ মাজতো সেই পাৰ্থক্য সদায় থাকিব। তোমাৰ বুৰঞ্জীখন আছিল কিতাপৰ পৰা নকল কৰা আৰু তোমাৰ বিৱৰণীখনে জন্ম লয়ে তোমাৰ নিজা অভিজ্ঞতা আৰু পৰিদৰ্শনৰ পৰা। তুমি, যিবিলাক ছবিয়ে তোমাৰ মনত দ-কৈ চাঁয়া পেলাইছে সেইবিলাকক তোমাৰ পাঠকৰ মনত গভীৰভাৱে সাঁচ বহুৱাব পৰাকৈ আঁকি দেখুৱাইছা। ইয়াতকৈ আনৰ মনত কৌতুহল জগাই তুলিব পৰা আৰু সেই কৌতুহল নিবৃত্ত কৰিব পৰা আন এটি বৰ্ণনাৰ উল্লেখ বোধ হয় মই কৰিব নোৱাৰিম।

তুমি বিয়া কৰাবলৈ ওলাইছা বুলি জানিব পাৰি আনন্দিত হৈছোঁ। মই যিদৰে সৰ্ব-সুৰা বিষয়াতো তোমাৰ শুভ কামনা কৰি আহিছোঁ সেই অনুপাতেই জীৱনৰ এই সন্ধিক্ষণতো মোৰ আন্তৰিক শুভ-কামনা জনালোঁ। মই তোমাৰ সুখৰ বাবে যিকেইবা অৱদান দিব পাৰোঁ। সেইকেইবা দিবাত পিছুৱাবলৈ মই অতি অনিচ্ছুক, কাৰণ মই সদায় তোমাক ভাল পাই আহিছোঁ আৰু উচ্চ মূল্যও দি আহিছোঁ আৰু তুমি বেছি নিৰবীয়া আৰু (সমাজৰ) আৱশ্যকীয় হৈ উঠাৰ লগে লগে আৰু বেছি ভাল পাম আৰু মৰ্যাদাও দি যাম। এখন সুখী বিবাহে এই ফল দিবই লাগিব।

দেখিছোঁ, ইয়াৰ পৰা মই লোনকালে মুখি যাব নোৱাৰিম। বোধ হয়

আৰু এপখমান ইয়াতে থাকিব লাগিব। একপক্ষকাল এজন প্ৰেমিকৰ বাবে প্ৰেমিকাৰ পৰা অনুপস্থিত থকা বৰ টান কথা। এক পক্ষ কাল কি শেষ নহ'ব?

ব্ৰাইটেল্‌ম্‌ষ্টোন — তোমাৰ প্ৰিয় আৰু একান্ত বাধ্য
৯ ছেপ্টেম্বৰ, ১৭৬৯ — ছেমুৱেল জনছন

৫০

গেৰিক, গ'ল্ডস্মিথ, জনছন (১৭৬৯)

১৬ অক্টোবৰৰ দিনা তেখেতে মোৰ অ'ল্ড বণ্ড ষ্ট্ৰীটৰ ঘৰত ভোজ সভাত উপস্থিত থাকি মোক সন্মানিত কৰিছিল। লগতে উপস্থিত আছিল ছাৰ যশুৱা ৰেণল্ড্‌ছ্‌, মিঃ গেৰিক, ডঃ গ'ল্ডস্মিথ, মিঃ মাৰ্ফি, মিঃ বিকাৰ-ষ্টাফ (Bickerstaff), আৰু মিঃ টমাচ ডেভিছ। গেৰিকে ৰংৰহতে জন-ছনৰ কোটৰ আগফালে খামুচি ধৰি, মুখলৈ গহীন ধেমেলিয়া দৃষ্টিৰে চাই আৰু সেই সময়ত তেখেতৰ স্বাস্থ্য ভাল থকাৰ বাবে ওলগ জনাই আনন্দ প্ৰকাশ কৰিছিল আৰু ঋষি গৰাকীয়ে মূৰ দুপিয়াই প্ৰশান্ত দৃষ্টিৰে তেওঁলৈ চাই আছিল। নিমন্ত্ৰিত সকলৰ এজনৰ পলম হোৱা দেখি মই—সচৰাচৰ এনে অৱস্থাত যিটো কৰা হয়—আহাৰ পৰিবেশন কৰিবৰ প্ৰস্তাৱ কৰিলোঁ। লগতে সুধিলোঁ 'এজনৰ বাবে ছজন মানুহক ৰখাই থোৱাটো ভাল হবনে?" জনছনে কোমল মানৱতাৰে সৈতে উত্তৰ দিলে, "হ'ব, যদিহে ছজনে বৈ থকাৰ কাৰণে যিমান কষ্টভোগ কৰে তাতকৈ এজনে তোমালোক খাই লোৱাৰ কাৰণে বেছি কষ্ট পায়।' গ'ল্ডস্মিথে আমনি লগা মুহুৰ্ত্তকেইটা কটাবলৈ তেওঁৰ নতুন পোছাকটো দেখুৱাই পায়চাৰী কৰি ফুৰিছিল। মোৰ বোধেৰে তেওঁ সঁচাকৈয়ে পোছাকটোৰ বাবে গৰ্ববোধ কৰিছিল, কাৰণ তেওঁৰ মনটো এনেবোৰ কথাত সদায় আনন্দিত হৈছিল। গেৰিকে কলে, "হৈছে, হৈছে, আৰু। তাকে আৰু কৈ থাকিব নেলাগে। তুমিয়েই মোৰ মত আটাইতকৈ বেয়া বাবে হেৰি—হেৰি—।" গ'ল্ডস্মিথে খপ্‌ কৈ বাধা দি থোৱোঁতেই গেৰিকে এটা ব্যঙ্গৰ হাঁহি মাৰি কৈ গ'ল, "না, না, তুমি তো দেখাত সদায় ভাল মানুহেই। মই কৈছিলোঁ ভালকৈ বা বেয়াকৈ কাপোৰ পিন্ধাৰ কথা।"

গ'ল্ডস্মিথে কলে, "তেন্তে মই কওঁ শুনা। দৰ্জীটোৱে দেখিলা মোক এই তেজবৰণৰ কোটটো আনি দিয়েহি তেতিয়া কৈছিল, "ছাৰ, [illegible]-

নাই পৰা অকণমান অনুগ্ৰহ বিচাৰোঁ। আপোনাক যেতিয়া মানুহে সুধিব যে আপোনাৰ পোছাক কোনে তৈয়াৰী কৰে তেতিয়া যেন অনুগ্ৰহ কৰি হেৰ'ৰ (Harrow) ৰাটাৰলেনত থকা জন ফিল্‌বিয়ে কৰা বুলি কয়।"

জনছনে কলে, "ডাঙৰীয়া, সেইদৰে ক'বৰ কাৰণ হ'ল যে সি জানে যে এনে এটা অদ্ভুত ৰঙৰ পোছাকে চাৰিওফালৰ পৰা দৰ্শকৰ দল গোটাই পেলাব আৰু সেই মানুহবোৰে তেতিয়া সেই দৰ্জীৰ কথা শুনিব আৰু দেখি ৰও যে এনে এটা অসম্ভৱ ৰঙৰ কাপোৰেৰেও সি কিমান সুন্দৰ কোট চিলাব পাৰে।"

৫১
প্ৰকৃত সমালোচনা (১৭৬৯)

কথাৰ মাজতে শ্বেক্সপীয়াৰৰ সম্বন্ধে এখন ৰচনা লিখি নাম কৰা মিছেছ মণ্টেগু নামৰ মহিলা এগৰাকীৰ উল্লেখ কৰা হৈছিল।

ৰেণল্ডছে কলে, "মোৰ বোধেৰে সেই ৰচনাখনে তেখেতৰ সম্মান বঢ়াইছে।"

জনছন, "হয় ডাঙৰীয়া, তেখেতৰ সম্মান বঢ়াইছে, কিন্তু আৰু কাৰো সম্মান নবঢ়ায়। মই গোটেইখন পঢ়া নাই, কিন্তু জালৰ এটা মুৰ হাতত লৈ মই যেতিয়া চৰীয়া সূতা দেখা পাওঁ তেতিয়া আৰু অলপ বেছিকৈ চাই কুলবছা দেখিম বুলি আশা নকৰোঁ। মই হলে ডাঙৰীয়া, সাহ কৰি কব পাৰোঁ। তেখেতৰ পুথিত প্ৰকৃত সমালোচনাৰ এটা বাক্যও নাই।"

ৰেণল্ডছে উত্তৰ দিলে, "ডাঙৰীয়া, এইখনে অন্ততঃ দেখুৱাইছে, ভলটেয়াৰে শ্বেক্সপীয়াৰক কিমান ভুল বুজিছিল। আন কোনেও কিন্তু সেইটো দেখুৱা নাই।"

জনছন, "ডাঙৰীয়া, আন কোনেও সেইটো কৰিব লগীয়া বুলি ভবাই নাই। আৰু কৰিয়েই বা লাভ কি? আপোনাৰ কথা হল পঢ়া-শুনা নকৰা লৰাক বেত দিয়াৰ বাবে শিক্ষকজনক প্ৰশংসা কৰাৰ নিচিনা। ওহোঁ। সেই-খনত প্ৰকৃত সমালোচনা একেবাৰেই নাই। মানুহৰ হৃদয়ৰ বৃত্তিবোৰৰ পৰা উদ্ভৱ হোৱা ভাবৰ সৌন্দৰ্য্য দেখুৱাবলৈ তাত একো নাই।......প্ৰকৃত সমা-লোচনাৰ এটা উদাহৰণ হ'ল বাৰ্কৰ *Essay on the Sublime and the Beautiful.* আৰু, মোৰ মনত পৰা মতে দু ব' ((Du Bos)) আৰু বৰ্হবহুৰো (Bouhours) নাম কব পাৰি, যি দেখুৱাইছে যে নকলো

সৌন্দৰ্য্য সত্যৰ ওপৰতে নিৰ্ভৰ কৰে। কেইখন নাটকত ভূত আছে আৰু এটা ভূত আন এটাতকৈ কি কাৰণে ভাল, সেইবোৰ দেখুওৱাৰ কোনো অৰ্থ নহয়। দেখুৱাব লাগিব কিদৰে মানুহৰ মনত ভয়ৰ সঞ্চাৰ কৰা হৈছে—মেকবেথৰ নিশাৰ বৰ্ণনাত গুৰকন্দা আৰু বাদুলিয়ে এজাৰৰ স্বাভাৱিক 'খাব-পাৰ পৰা মনক আঁতৰাই নিয়ে—বশীভূত অন্ধকাৰ।

৫২

মৃত্যু (১৭৬৯)

মই সুধিছিলোঁ মৃত্যুৰ আগমনৰ বিপক্ষে আমি নিজকে শক্তিশালী কৰি গঢ়ি তুলিব নোৱাৰোঁনে? তেওঁ উষ্মাৰে সৈতে উত্তৰ দিলে, "না, সেই-বোৰ বাদ দিয়া। এজন মানুহে কিদৰে মৃত্যু বৰণ কৰে সেইটো ডাঙৰ কথা নহয়, কথা হৈছে তেওঁ জীৱন কিদৰে কটায়। মৃত্যু বৰ গুৰুত্বপূৰ্ণ কথা নহয়, সি তো এক মুহূৰ্ততে ঘটি যায়।" তাৰ পিচত গহীনভাৱে চাই যোগ দিলে, "মানুহে জানে যে সেইটো ঘটিবই আৰু সেই বাবেই তাক মানি লয়। ওজৰ আপত্তি কৰি একো লাভ নাই।"

মই কথা-বতৰা চলাই যাব বুজিছিলোঁ কিন্তু তেওঁ ইমান অধৈৰ্য্য হৈ উঠিল যে "এই বিষয়ে আৰু কথা নক'বা" বুলি মোক ধমকাই দিলে। তেওঁ অতি উদ্বিগ্ন হৈ এনেদৰে কথা কবলৈ ধৰিলে যে মই ভয় খাই পৰিলোঁ, মনত দুখো পালোঁ অলপ। এনে এটা ভাব দেখুৱালে যেন মই তেওঁৰ ওচৰৰ পৰা আঁতৰি যাব লাগে। আৰু যেতিয়া মই গুচি যাব ধৰিছোঁ তেতিয়া কঠোৰ ভাৱে মাত লগাই কলে, "কাইলৈ যেন আমাৰ দেখা নহয়।"

৫৩

আপেলৰ পিঠা (১৭৭২)

ডঃ মেক্সৱেলৰ পৰা পোৱা :

তেখেতে মোক সম্ভৱ হলে এখন ভাল ফলৰ বাগিছা পাতিবলৈ কৈছিল, কৈছিল যে তেখেতে এজন কম আয় কৰা ধৰ্ম্মযাজকৰ কথা জানে যি প্ৰধানতঃ আপেলৰ পিঠা খুৱাইয়েই তেওঁৰ পৰিয়ালটোক প্ৰতিপালন কৰে।

৫৪

অনুকৰণ (১৭৭২)

মই তেখেতক স্কটলেণ্ডত পকা এজন বন্ধুৰ কথা কৈছিলোঁ। তেওঁ মাত-কথাৰ সুন্দৰ অনুকৰণ কৰিব পাৰিছিল। লগতে কলোঁ যে কিছুমানে এইটো বৰ তলখাপৰ কৃতিত্ব বুলি ভাবে।

জনছন—ওঁ, কথাটো হৈছে এইটো এজন মানুহৰ শক্তিৰ অতি তলখাপৰ ব্যৱহাৰ। কিন্তু এজন ভাল অনুকৰণকাৰী হবলৈ যথেষ্ট শক্তি লাগে। পুংখানুপুংখৰূপে লক্ষ্য কৰিবৰ শক্তি, যিখিনি লক্ষ্য কৰা হল তাক মনত ৰখা আৰু সেইখিনি পুনৰ কৰিবলৈ শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ বিলাক চলাবৰ ক্ষমতা সকলোখিনিৰে আৱশ্যক। মই চহৰৰে এগৰাকী মহিলাৰ কথা জানো, নামটো হল ..., যি এজন আচৰিত অনুকৰণকাৰী। লোক তেখেতে বহুত বাৰ বেছ হৰ্ষ্বাইছে। শুনিছোঁ তেখেত হেনো বলিয়া হৈ গল।

বছুৱেল—আচৰিত কথা যে এই অনুকৰণকাৰীহতে এজন মানুহৰ অঙ্গী-ভঙ্গী আৰু কন্ঠস্বৰ অনুকৰণ কৰিয়েই ক্ষান্ত নেথাকে, বৰং সেইজনে কোনো এটা সময়ত কোনো এটা বিষয়ে কি কব তাকো ভাবি পায়।

জনছন—কথাটো ঠিক সেইটো নহয়। ভাবি চোৱাঁ, এজন মানুহৰ কথা আৰু ভঙ্গীয়ে তোমাৰ মনত সেই মানুহজন সম্বন্ধে এটা ধাৰণা জন্মাই দিয়ে। কিন্তু অন্য এজনে যেতিয়া সেইজনাৰে ভাও লয় তেতিয়া ঠিক সেই ধৰণৰ কথাকে ক'ব বুলি তুমি নিশ্চিত হব পাৰানে?

বছুৱেল—মই মিঃ ফুটক (Foote) ভাল অনুকৰণকাৰী বুলি নেভাবোঁ।

জনছন—ঠিক কথা। তেওঁৰ অনুকৰণটো ঠিক আচলৰ প্ৰতিচ্ছবি নহয়। তেওঁ নিজৰ পৰা তোমাক বেলেগ কিবা এটা দিয়ে, যি চৰিত্ৰৰ ভাও লয়, তেওঁৰ পৰা নিদিয়ে। অৰ্থাৎ তেওঁ নিজৰ পৰা ওলাই যায় কিন্তু আইনৰ ভিতৰত নোসোমায়। তেওঁ যি মানুহৰ কোনো বিশেষত্ব নেথাকে, যেনে জৰ্জ ফ'ক্‌নাৰ (Faulkner), সেই মানুহৰ শুদ্ধ অনুকৰণ কৰিব নোৱাৰে। তেওঁ হ'ল এনেকুৱা এজন চিত্ৰকৰ যি মুখত এটা ডাঙৰ আচিলা থকা মানুহ এজনৰ ছবি আঁকিব পাৰে অৰ্থাৎ তেওঁক সহজে চিনিব পাৰি। এজন মানুহে যদি এখন তৰিৰ ওপৰত ভৰ দি জপিয়ায় ফুটেও সেইটো পাৰিব, কিন্তু তোমাৰ বন্ধুৰ যেনে সূক্ষ্ম পাৰ্থক্য চিনিবৰ বুদ্ধি আছে যেন পাইছো ফুটৰ তেনে নাই। তথাপি ফুটে বেছ আমোদ দিব পাৰে। তেওঁৰ কথাবোৰ হল বুদ্ধি আৰু বহুবাজিৰ এটা সংমিশ্ৰণ।

৫৫
অভিধান (১৭৭২)

মার্চৰ ২৩ তাৰিখ সোমবাৰে, মই জেম্‌চক অভিধান খনৰ চতুৰ্থ সংস্কৰণ সাজু কৰাত ব্যস্ত হৈ থকা দেখিবলৈ পালোঁ। জেম্‌চৰ প্ৰথম কেৰাণী-বিলাকৰ এজন, মিঃ পীটনে জেম্‌চে কৈ যোৱা মতে লিখি আছিল। মই জেম্‌চক side শব্দটোৰ এটা অৰ্থ—সম্বন্ধ, যিটো অৰ্থত আমি father's side, mother's side ব্যৱহাৰ কৰোঁ—সোমুৱাই দিলোঁ। সেই অৰ্থটো সুমুৱাই ললে। এইটো জেম্‌চে আগৰবাৰ পাহৰি গৈছিল। মই সুধিলোঁ humiliating এটা ভাল শব্দ (good word) নে? কলে যে জেম্‌চে শব্দটো বহুবাৰ ব্যৱহাৰ কৰা দেখিছে কিন্তু ঠিক উচিত মতে হোৱা ইংৰাজী শব্দ বুলি নেভাবে। জেম্‌চে আকৌ civilization শব্দটোও অভিধানত ভৰাব নোখোজে, কেৱল civilityক হে ঠাই দিয়ে। জেম্‌চৰ পাণ্ডিত্যৰ প্ৰতি কোনো কটাক্ষ নকৰাকৈ মই কিন্তু ভাবোঁ যে, to civilize ক্ৰিয়া পদৰ পৰা civilization শব্দটোহে barbarityৰ বিপৰীত শব্দ স্বৰূপে civility তকৈ ভাল হয়। জেম্‌চে ব্যৱহাৰ কৰাৰ দৰে এটা civility শব্দৰ দুটা অৰ্থ ৰখাতকৈ প্ৰত্যেক বিশেষ অৰ্থৰ বাবে একোটা বেলেগ শব্দ ৰখাটোহে মই ভাল দেখোঁ।

৫৬
স্কচ উচ্চাৰণ (১৭৭২)

স্যাৰ আ(লেকজেণ্ডাৰ মেক্‌ডনাল্ড)ই কলে—মই বহু বছৰেলৈ কেইবা-টাও স্কচ্‌ উচ্চাৰণ শুধৰালোঁ। কিন্তু কোনোবা স্কচ্‌মেনে যে কেতিয়াবা সম্পূৰ্ণ ইংৰাজী উচ্চাৰণ আয়ত্ত কৰিব পাৰিব তাত মোৰ সন্দেহ আছে।

জনচন—খুব কৰেই পাৰে। তাৰ কাৰণ হৈছে যে কিছু পৰিমাণে শিকি লোৱাৰ পিচত তেওঁলোকে আৰু চেষ্টা কৰি নেথাকে। কিন্তু তেওঁ-লোকে চেষ্টা কৰিলে যে সম্পূৰ্ণ ইংৰাজী উচ্চাৰণ আয়ত্ত কৰিব পাৰিব তাত কোনো সন্দেহ নাই। তেওঁলোক যে কিমানদূৰ কৃতকাৰ্য হ'ব পাৰে সেইটো দেখিছোঁৱেই। আৰু এইটোও ঠিক যে যিজনে কুৰি তাপৰ উপৰিহু তাৰ স্কচ্‌ উচ্চাৰণ জয় কৰিব পাৰিছে তেওঁ বিশ তাপটোও পাৰিবই। কিন্তু কথাটো হ'ল যে এজনে বেছিভা দহ তাপৰ ন তাৰ কমকৈ ক'ব পাৰিলে

তেতিয়া তেওঁ ভাগৰি পৰে আৰু পৰিশ্ৰম কমাই দিয়ে। তেওঁ দেখে, তেওঁ উচ্চাৰণ ইমানপিনি শুদ্ধ কৰি আনিছে যে মানুহে আৰু হাঁহিব নোৱাৰে, তেতিয়া তেওঁ বন্ধুসকলকো ভুল হলে শুধৰাই দিবলৈ অনুৰোধ নকৰে আৰু সেইটো নিৰিচাৰেও। মোক যেতিয়া মানুহে মনোযোগ দি লক্ষ্য কৰে আৰু মই অসাৱধান হৈ থাকোঁ তেতিয়া মানুহে মই কোন 'কাউণ্টি'ৰ পৰা আহিছোঁ ধৰিব পাৰে। সেইদৰে ডানিঙক (Dunning) ডেভন্শ্যাৰাৰ মানুহ বুলি ধৰিব পাৰি। সেইদৰেই প্ৰায় সকলো স্কচ্মেনকে চিনিব পাৰি, কিন্তু অকণ অকণ পাৰ্থক্যৰ পৰা একো সুবিধা কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে মেলেটৰ স্কচ্ উচ্চাৰণ মই ধৰা পেলাব পৰা নাই, অথচ লণ্ডনলৈ অহাৰ সময়ত মেলেটৰ বয়স বোধ হয় পঁচিছ বছৰ আছিল।

আন এসময়ত মই তেখেতৰ সৈতে এই বিষয়ে কথা পাতিছিলোঁ। তাৰ আগতে মই ড্ৰুৰি লেন থিয়েটাৰৰ মিঃ লভ্ (তেওঁ তেতিয়া এডিন-বৰাত অভিনয় কৰি আছিল) আৰু বৃদ্ধ মিঃ শ্বেৰিডানৰ সহায়ত বৰ কষ্ট কৰি মোৰ নিজৰ উচ্চাৰণ শুদ্ধ কৰিছিলোঁ। জনচনে মোক কৈছিল, "তোমাৰ উচ্চাৰণ দোষযুক্ত নহয়।

৫৭

ৰজা আৰু প্ৰজা (১৭৭২)

চাৰ আডামে (কাৰ্ণ্ডচন) বুজাব খুজিছিল যে বিলাসেই মানুহক ধ্বংস কৰে আৰু স্বাধীনতাৰ আগ্ৰহকো নষ্ট কৰে। জনচনে উত্তৰ দিলে, "সেইবোৰ হ'ল সপোন দেখা কথা। মই এবিধ গভৰ্ণমেণ্ট (শাসন নীতি) এৰি আন এবিধ গভৰ্ণমেণ্টৰ তলত বাস কৰিবলৈ আধা পিনিও খৰচ নকৰোঁ। এই কাৰ্যই (গভৰ্ণমেণ্টৰ সৰ্ম্মিনয়ে) ব্যক্তিৰ সুখৰ বেলিকা কোনো সহায় নকৰে। ক্ষমতাৰ অপব্যৱহাৰ এজন মানুহৰ ক্ষেত্ৰত একেবাৰেই নহয়। কোন ফৰাচী ভদ্ৰলোকে বাৰু নিজৰ জীৱনটো যেনেকৈ কটাব খোজে তেনেকৈ কটাব নোৱৰা হৈ আছে?"

চাৰ আডাম—কিন্তু বাইজক শক্তি দিয়া বিষয়ত বৃটিছ সংবিধান নিশ্চয় আৱশ্যকীয়, তেহে ৰজাৰ (স্বেচ্ছাচাৰিতাৰ) সৈতে সমতা ৰাখিব পাৰিব।

জনচন—ডাঙৰীয়া আপুনি দেখিছোঁ এজন বদমাছ হুইগ্। ৰজাৰ ক্ষমতাৰ বিৰুদ্ধে সৰু লৰাৰ দৰে এই খিয়লা-খিয়লিৰ কিয়? ৰজাৰ হাতত যথেষ্ট ক্ষমতাই নাই। মই যেতিয়া কওঁ যে সকলো গভৰ্ণমেণ্ট একে তেতিয়া

এইটোও নেপাহৰে। যে কোনো গৱৰ্ণমেণ্টে বেচিদিন ক্ষমতাৰ অপব্যৱহাৰ কৰিব নোৱাৰে। মানুহে সেইটো সহ্য নকৰে। এজন ৰজাই যদি তেওঁৰ প্ৰজাসকলক বেচিদিন অত্যাচাৰ কৰে সিহঁতে বিদ্ৰোহ কৰি তেওঁৰ শিৰ-চ্ছেদ কৰিব। অত্যাচাৰৰ বিৰুদ্ধে মানুহৰ প্ৰকৃতিৰ ভিতৰতে পৰিত্ৰাণৰ উপায় আছে। ফ্ৰান্সৰ মানুহে যদি চতুৰ্দশ লুইৰ দীপ্ত কাৰ্য্যাৱলীৰ দ্বাৰা নিজকে সন্মানিত বুলি নেভাবিলেহেঁতেন তেন্তে সিহঁতে তেওঁক সহ্য নকৰিলে-হেঁতেন। সেই একে কথাকে প্ৰুছিয়াৰ প্ৰজাসকলৰ সম্বন্ধেও কব পাৰি।

তাৰ আভাৱে অতীতৰ গ্ৰীক আৰু ৰোমান সকলৰ কথা উলিয়ালে।

জনছন—সিহঁতৰ সাধাৰণ ৰাইজ বৰ্ব্বৰ আছিল ডাঙৰীয়া। যি ঠাইত ছপাশাল নাই আৰু শিক্ষাৰ প্ৰচাৰ নাই তেনে ঠাইত সাধাৰণ ৰাইজ বৰ্বৰ নহৈ নোৱাৰে। মানুহৰ মাজত শিক্ষাৰ প্ৰসাৰ বাঢ়ে, বাতৰি কাকতৰ দ্বাৰা।

তাৰ আভাৱে গ্ৰীছৰ বাগ্মী, কবি আৰু শিল্পীসকলৰ কথা উলিয়ালে।

জনছন—ডাঙৰীয়া, মই সাধাৰণ ৰাইজৰ কথা কৈছোঁ। আমি জানো যে বহু প্ৰখ্যাত এথিনিয়ান সকল নো কি আছিল? ডেম'স্থিনিছৰ বক্তৃতা বিলাকেও তেওঁলোকৰ ওপৰত যি সামান্য প্ৰভাৱ পেলাইছিল সিয়ে দেখুৱাই যে সিহঁত বৰ্বৰ আছিল।

৫৮

গ'ল্ডস্মিথ (১৭৭২)

আমাৰ বন্ধু গ'ল্ডস্মিথৰ সম্পৰ্কে তেখেতে কৈছিল, "তেওঁক কোনো-বাই লক্ষ্য নকৰে বুলি তেওঁৰ ইমান ভয় আছিল যে তেওঁ দলত থকাটো কেনেবাকৈ মানুহে পাহৰি যোৱাৰ ভয়তে কথা কৈছিল।"

বছৱেল—এৰা, তেওঁ সদায় আগবাঢ়ি থাকিব খোজে।

জনছন—নিশ্চয়, নিশ্চয়! কিন্তু কোনোবাই যেতিয়া আগবাঢ়ি থিয় হয় তেতিয়া তেওঁৰ মনত ৰখা উচিত যে অশোভন ভঙ্গীৰে বা কটা কাপোৰ পিন্ধি থিয় হোৱা অনুচিত, নহলে কেৱল হাঁহিয়াতৰ পাত্ৰ হে হ'ব।

বছৱেল—মোৰ ফালৰ পৰা কবলৈ হলে মই কিন্তু সজ্জন গ'ল্ডস্মিথৰ কথা কোৱাকে শুনি থাকিবলৈ ভাল পাওঁ।

জনছন—সেইটো ঠিক। কিন্তু তেওঁ নিজে নিজৰ কথাকে শুনি ভাল পোৱা হোৱাটো অনুচিত।

৫৯
স্কচ্ মেন (১৭৭২)

তেখেতে লৰ্ড মেন্‌ছ্ফিল্ডক লৈ স্কটলেণ্ডক কোনো গৰ্ব কৰিবলৈ দিব নুখুজিছিল, কাৰণ মেন্‌ছ্‌ফিল্ডে শিক্ষা পাইছিল ইংলেণ্ডত। তেখেতৰ কথা আছিল, "কম বয়সতে যদি এজন স্কচ্‌মেনক পোৱা যায় তেন্তে বহুত-খিনিয়েই কৰিব পাৰি।"

৬০
গ'ল্ডস্মিথ (১৭৭২)

জনচ্ছন—গ'ল্ডস্মিথে কথা কোৱাৰ দুৰ্ভাগ্য হল এই যে তেওঁ কেতিয়া ৰ'ব লাগিব নেজানে। তেওঁৰ মেধা যথেষ্ট কিন্তু জ্ঞান বৰ কম। মানুহে যিদৰে এজন উদাৰ মানুহৰ সম্পৰ্কে কয়, 'দুৰ্ভাগ্য যে তেখেত ধনী নহয়' সেইদৰেই আমি গ'ল্ডস্মিথৰ সম্পৰ্কে কব পাৰোঁ, দুৰ্ভাগ্য যে তেওঁৰ জ্ঞান বৰ কম। তেওঁ নিজৰ জ্ঞান নিজৰ বাবেই ৰাখি থব নেজানে।

৬১
বছ্ৱেললৈ চিঠি (১৭৭৩)

প্ৰিয় বছ্ৱেল। মই তোমাৰ চিঠিখন লগতে পঠোৱা স্বৰ্গীয়া Pindar খনতকৈ বহুত বেচিকৈ পঢ়িলোঁ। মোক অইনে নেপাহৰা দেখিলে মোৰ সদায় ভাল লাগে, আৰু তুমি পাহৰিলে মই সঁচাকৈয়ে অস্বস্তি অনুভৱ কৰোঁ। মোৰ উত্তৰ দেশৰ বন্ধুসকল মোৰ প্ৰতি কেতিয়াও স্নেহহীন হোৱা নাই। মই তোমাৰ পৰা সময়ত এনে স্নেহৰ পৰিচয় পাইছোঁ যি স্নেহ হয়তো মই তোমাৰ মনত জাগৃত কৰিব পৰাই নাই। ড: বীটিয়েও তেখেতৰ গুণৰ মই যি প্ৰশংসা-বাদ কৰিছিলোঁ তাক মই আশা কৰাতকৈ বহুতো ওখ আসন দিছে।

মোৰ ডাঙৰ অভিধানখনৰ এটা নতুন সংস্কৰণ ছপা হৈ ওলাল। এইখন অনুৰোধত পৰি সংশোধন কৰা এটি নকলৰ পৰা ছপোৱা হল যদিও আগতে সাজু হৈ নথকাৰ বাবে খুব কম হে সংশোধন কৰিব পাৰিলোঁ। কেইটামান অনাৱশ্যক কথা বাদ দিয়া হ'ল আৰু অ'ত ত'ত কেইটামান বিক্ষিপ্ত মন্তব্য যোগ দিলোঁ। কিন্তু মূল কিতাপখন যেনে আছিল তেনেই থাকিল। লিখাৰ পৰা মই কিতাপখন খুব কমেই পঢ়ি চাইছোঁ আৰু যেতিয়াই চাওঁ দোষ যেনেকৈ দেখা পাওঁ তেনেকৈ গুণো দেখোঁ।

বেৰেটি আৰু ডেভিছৰ মাজত থকা-খুন্দা কাজিয়া এখন লাগিল। মোৰ বোধেৰে এই কাজিয়া আৰু নিমিটিব। ডঃ গ'ল্ডস্মিথে এখন নতুন 'কমেডি' লিখিছে। বোধহয় বসন্ত কালতে ওলাব। এইখনৰ এতিয়াও নাম দিয়া হোৱা নাই। মূল স্কুপ্তিটো তৈয়াৰ কৰা হৈছে। প্ৰেমিকজনে তেওঁৰ ভৱিষ্যৎ শহুৰৰ ঘৰটো অতিথিশালা বুলি ভবা কথাটো লৈ। বুজিবই পাৰিছা এইটোৱেই নাটকখন প্ৰহসনৰ শাৰীলৈ লৈ গৈছে। কথা-বতৰা খন আৰু আমোদজনক, আৰু ঘটনাবিলাক এনেদৰে সজোৱা হৈছে যে অসম্ভৱ যেন নেলাগে।

৬২
বক্তৃতা আৰু অঙ্গ সঞ্চালন (১৭৭৩)

গধূলি মিছেছ থ্ৰেইলৰ ঘৰত তেখেতে বাজহুৱা বক্তৃতাত হাত ভৰি জোকাৰি কথা কোৱাৰ বিৰুদ্ধে তেখেতৰ অসন্তুষ্ট আপত্তি পুনৰ দোহাৰিলে। তেখেতৰ কথা 'হাত-ভৰি জোকৰাটোৱে যুক্তিপূৰ্ণ মনৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে। ই চিনৰ-বাধৰ তীব্ৰ কৰিব পাৰে কিন্তু যুক্তিক শক্তিশালী কৰিব নোৱাৰে। কুকুৰ এটাক তুমি যেতিয়া কথা কোৱা তেতিয়া ইঙ্গিত ব্যৱহাৰ কৰা। তুমি হয়তো এইদৰে হাতখন দেখুওৱা। কাৰণ সি এটা জন্তু। মানুহ যি অনুপাতে জন্তুৰ পৰা দূৰত অৱস্থিত, সেই পৰিমাণে হাত ভৰিৰ আস্ফালনেও সিহঁতৰ ওপৰত কম প্ৰভাৱ পেলায়।"

মিছেছ থ্ৰেইল—তেন্তে ছাৰ। ডেমস্থিনিছৰ বাৰে বাৰে অঙ্গ সঞ্চালনৰ ওপৰত জোৰ দিয়া কথাষাৰৰ কি হ'ব।

জনছন—মেডাম, ডেমস্থিনিছে বক্তৃতা দিছিল এনে অসভ্য মানুহৰ আগত, এনে বৰ্বৰৰ সমুখত।

৬৩
লৰ্ড চেষ্টাৰফিল্ড (১৭৭৩)

লৰ্ড চেষ্টাৰফিল্ডৰ নাম উল্লেখ কৰা হলত জনছনে কলে যে সেই বিখ্যাত ভদ্ৰলোকৰ সকলো বুদ্ধিদীপ্ত কথাই হ'ল শব্দৰ অৰ্থৰ ওপৰত খেলা। অৱশ্যে তাৰে এটা বাক্য বুদ্ধিদীপ্ত বুলি প্ৰশংসা কৰিছিল। চেষ্টাৰফিল্ডে তেখেত নিজে আৰু লৰ্ড টিৰলী যেতিয়া বৃদ্ধ আৰু অক্ষম হৈ পৰিছিল তেতিয়া কৈছিল "টিৰলী আৰু মই যোৱা দুবছৰৰ আগতে মৰিলোঁ কিন্তু কথাটো আমি মানুহক জনাব নোখোজোঁ।

৬৪
কিতাপ সম্পূৰ্ণকৈ পঢ়া (১৭৭৩)

মিঃ এলফিনষ্টোনে বহুতো প্ৰশংসা কৰা এখন নতুন কিতাপৰ কথা কৈ জনছনক কিতাপখন সম্পূৰ্ণকৈ পঢ়িছে নে নাই সুধিলে। জনছনে উত্তৰ দিলে, "মোটামুটিকৈ চকু ফুৰাইছোঁ আৰু।" এলফিনষ্টোন, "মানে? আপুনি কিতাপখন সম্পূৰ্ণকৈ পঢ়া নাই?"

জনছনে এইদৰে উত্তৰৰ বাবে হেঁচি ধৰাত আৰু নিজৰ চেলেং-পেতেংকৈ পঢ়াৰ অভ্যাস স্বীকাৰ কৰিব লগীয়া হোৱাত খঙেৰে উত্তৰ দিলে, "নাই পঢ়া। আপুনি সকলো কিতাপ সম্পূৰ্ণকৈ পঢ়েনে?"

৬৫
গ'ল্ডস্মিথ (১৭৭৩)

(ক)

কেইদিনমানৰ আগতে গ'ল্ড্স্মিথে মোক কৈছিল, "মই যিদৰে মুচীৰ পৰা মোৰ জোতা লওঁ আৰু দৰ্জীৰ পৰা মোৰ কোট লওঁ সেইদৰেই পুৰোহিতৰ পৰা লওঁ মোৰ ধৰ্ম।" মই তেওঁৰ এই কথা কৰৰ অশ্ৰদ্ধাপূৰ্ণ ভঙ্গী ভাল নেপালোঁ। কথাষাৰ জনছনক কোৱাত তেখেতে কলে, "আচলতে তেওঁ একোৱেই নেজানে আৰু কোনো বিষয়তে তেওঁ মনস্থিৰ কৰিব পৰা নাই।

(খ)

তেখেতে কৈছিল, "গ'ল্ডস্মিথে সদায় কথা-বতৰাত জিলিকি উঠিবৰ চেষ্টা কৰা উচিত নহয়, তেওঁৰ মনৰ সেই দৃঢ়তাই নাই; কাৰণ, সফল নহলে তেওঁ মনত অতি কষ্ট পায়। খেমাখিৰ খেলা হল কৌশল আৰু দৈৱৰ সংমিশ্ৰণ। এই খেলাত, এজনে তেওঁৰ দহ ভাগৰ এভাগ বুদ্ধি নথকা এজনৰ হাততো হাৰি যাব পাৰে। গ'ল্ডস্মিথে যেতিয়া আনৰ লৈতে তৰ্ক কৰে তেতিয়া বাজী ৰাখে একত এশটাৰ। কিন্তু তেওঁ তো এশটা সুবিধা এৰি দিব নোৱাৰে। এইটোৱেই হ'ল তেওঁৰ অৱস্থা।"

প্ৰকৃতপক্ষে সাহিত্যিক বুদ্ধিৰ যুদ্ধত গ'ল্ডস্মিথ বৰ ভাগ্যবান আছিল, আনকি যেতিয়া স্বয়ং জনছনৰ বিপক্ষে তৰ্কত প্ৰবৃত্ত হয় তেতিয়াও। এদিন ছাঁৰ যশুৱা ৰেণল্ডছ তেওঁলোকৰ লগত থাকোঁতে গ'ল্ডস্মিথে কলে তেওঁ সহজে সাৰ কথা লিখিব পাৰে আৰু এনে সাধু ৰচনা কৰা বৰ সহজ।

এইবিলাকত বিবোৰ জন্ত আদি আমদানি কৰা হয় সেইবোৰে কেতিয়াবাহে নিজৰ চৰিত্ৰত মিলি যোৱাকৈ কথা কয়। "উদাহৰণ স্বৰূপে" তেওঁ কলে, "সেই সৰু সৰু মাছবোৰৰ সাধুটোকে লোৱা যাওক। সিহঁতে আকাশেদি কিছুমান চৰাই উৰি যোৱা দেখিলে আৰু ঈৰ্ষাত জৰ্জৰিত হৈ জুপিটাৰক প্ৰাৰ্থনা কৰিলে যাতে সিহঁতকো চৰাইলৈ পৰিবৰ্ত্তন কৰি দিয়া হয়। ইয়াত কৌশলটো হল সিহঁতক সৰু সৰু মাছৰ দৰে কথা কোৱাটো।" তেওঁ এইদৰে কল্পনাত বুৰ গৈ থাকোঁতে লক্ষ্য কৰিলে যে জনছনে পেটেত হাত দি হাঁহিব লাগিছে। তেওঁ টপ্ কৈ কৈ উঠিল, "ডঃ জনছন, এইটো বিমান সহজ বুলি ভাবিছে সিমান নহয়। আপুনি যদি সৰু সৰু মাছৰ কথা কোৱাবলৈ যায় সিহঁতে তিমি মাছৰ দৰে হে কথা কব।'

৬৬

বুৰঞ্জীবিদ (১৭৭৩)

গ'ল্ডস্মিথৰ কথা উঠিলত জনছনে কলে, "গল্ডস্মিথে যে কিমান কম জানে ভাবিলে আচৰিত হব লাগে। এনেকুৱা দলত তেওঁক খুব কমহে লগ পোৱা যায় যত তেওঁ সকলোতকৈ অজ্ঞ নহয়।"

*ছাৰ যশুৱা বেণল্ড্ছ্—কিন্তু তথাপিও এনে এজন মানুহ পোৱা নেযায় যাৰ সাহচৰ্য্য মানুহে গ'ল্ডস্মিথৰ সাহচৰ্য্যতকৈ ভাল পায়।

জনছন—নিশ্চয়। মানুহে যেতিয়া দেখে যে এজন প্ৰখ্যাত শক্তিমন্ত লিখক তেওঁলোকৰ সংসৰ্গত আহিলে নিকৃষ্ট হৈ পৰে, তেতিয়া তেওঁলোক নিশ্চয় বৰ আনন্দিত হয়। গ'ল্ডস্মিথে যেমানি কবি নিজৰ বিষয়ে বিমানি কথা কয় সেইমানি অতি সঁচা। তেওঁ অকলে যেতিয়া তৰ্ক কৰে তেতিয়া আটাইতকৈ ভাল তৰ্ক কৰে। তাৰ অৰ্থ হ'ল যে নিজৰ পঢ়া কোঠাত তেওঁ বিষয়টোত অপৰাজেয় আৰু সেই সম্পৰ্কে সুন্দৰকৈ লিখিবও পাৰে। কিন্তু সকলো মানুহৰ মাজলৈ আহিলেই যেনি-তেনি লাগি যায় আৰু কথাও কম কোৱাবে। কবি হিচাপেই এবা বাওকচোন। তেওঁৰ *Traveller* অতি সুন্দৰ কবিতা, *Deserted Village* ও তেনেকুৱাই কেৱল দোষ হ'ল যে সি বহুলাংশে *Traveller* ৰ প্ৰতিধ্বনি। আমি তেওঁক কবি হিচাপে, মেৰেলিয়া লিখক বা বুৰঞ্জীবিদ হিচাপে, যি ভাবেই বিবেচনা নকৰোঁ কিয়, তেওঁ সদায় প্ৰথম শ্ৰেণীত।

বছৱেল—বুৰঞ্জীবিদ হিচাপে? আপুনি নিশ্চয় তেওঁৰ ৰোমৰ বুৰঞ্জীৰ কথা তেওঁৰ সুন্দৰ আন আন বুৰঞ্জীবিদ ইতিহাসবে তুলনা কৰিব পাৰিছে

ঠাই দিব নোখোজে।

জনছন—কিয়, তেওঁৰ আগত কোন?

বছৱেল—হিউম্, ৰবার্টছন, লর্ড লিট্লটন।

জনছন (তেখেতৰ স্কচ্ বিৰূপতা জাগি উঠি)—হিউম মই পঢ়া নাই, কিন্তু গ'ল্ডস্মিথৰ ইতিহাস নিশ্চয় ৰবার্টছনৰ বাগ্বহুলতা কথা আৰু ডেলি-ৰিম্পলৰ বৰ বৰ কথাতকৈ বহুগুণে ভাল।

বছৱেল—ৰবার্টছন, যাৰ বুৰঞ্জীত আমি ইমান অন্তর্দৃষ্টি, ইমান সুন্দৰ চিত্রাঙ্কণ দেখা পাওঁ, তেওঁকো আপুনি শ্রেষ্ঠ বুলি নকব নে?

জনছন—কিন্তু সেই অন্তর্দৃষ্টি আৰু চিত্র আঁকিবৰ শক্তি কিদৰে ব্যৱহাৰ কৰা হৈছে? ই তো ইতিহাস নহয় ই হ'ল কল্পনা। যি কেতিয়াও নেদেখা বস্তু এটাৰ বর্ণনা কৰে তেওঁ নিশ্চয় কল্পনাৰ সহায় লয়। ৰবার্টছনে মানুহৰ মন আঁকে যিদৰে চাৰ যশ্বোৱাই এখন ঐতিহাসিক চিত্রত মুখ আঁকে। তুমি ৰবার্টছনৰ লিখাবোৰ কাল্পনিক উপন্যাস বুলি ধৰি লব লাগিব আৰু সেইদৰেই তাৰ মূল্যাঙ্কণ কৰিব লাগিব. ইতিহাস সি নহয়। তাৰ উপৰিও এখন কিতাপত যিমানখিনি আৱশ্যকীয় কথা ভৰাব পাৰি সিমান-খিনি ভৰোৱাটো লিখকৰ প্রতিভাৰ পৰিচয়। গ'ল্ডস্মিথে তেওঁৰ ইতিহাসত সেইটো কৰিছে। ৰবার্টছনে তেওঁৰ ইতিহাসত তাৰ দুগুণ কথা ভৰাব পাৰিলেহেঁতেন। তেওঁ হ'ল কপাহৰ ভিতৰত সোণ খোৱা বিধৰ মানুহ। সোণতকৈ কপাহে হে বেছি ঠাই লয়। না, না, মোৰ সদায় বিশ্বাস যে ৰবার্টছন নিজৰ ওজনতে চেপেটা লাগিব, নিজৰ অলঙ্কাৰতে পোত যাব। গ'ল্ডস্মিথে তুমি যিখিনি জানিব খোজা তাকে সংক্ষিপ্তভাৱে কৈ দিয়ে, ৰবার্টছনে আকৌ তোমাক বহুপৰ ৰখাই থয়। ৰবার্টছনৰ খুৰোৱা পকোৱা খুঁটি-নাটিৰে ভৰা বর্ণনা কোনেও দুবাৰ পঢ়িব নোখোজে, কিন্তু গ'ল্ডস্মিথৰ সৰল ৰচনাই তোমাক বাৰে বাৰে আকর্ষণ কৰিব। এজন বৃদ্ধ শিক্ষকে তেওঁৰ ছাত্র এজনক কোৱা কথাষাৰ মোৰ ৰবার্টছনক কবৰ মন যায়। শিক্ষকজনে কৈছিল, "তোমাৰ লিখাখিনি পুনৰ পঢ়ি চাবা আৰু য'তে তোমাৰ চকুত বিশেষভাৱে সুন্দৰ যেন লগা ৰকা পোৱা, কাটি পেলাবা।" গ'ল্ডস্মিথৰ সংক্ষিপ্তকৰণ লুচিয়াছ ফ্লৰাছ বা ইউট্রপিয়াছতকৈও ভাল। মই জোৰ দি ক'ব পাৰোঁ যে তুমি যদি গ'ল্ডস্মিথৰ ৰোমৰ ইতিহাস আৰু ভার্টোৰ (Vertot) ইতিহাস একে একে ঠাইখিনিত মিলাই চোৱাঁ তেন্তে দেখিবা তেওঁ ভার্টোকো চেৰাই গৈছে। তেওঁৰ সংগ্রহ কৰিবৰ কৌশল জনা আছে আৰু যিহকে কব খোজে তাকে ভাল লগাকৈ কবৰো কৌশল জনা আছে।

বৰ্তমানে তেওঁ এখন প্ৰকৃতি বিজ্ঞান লিখাত ব্যস্ত আছে আৰু চাবা, সেই-খনো তেওঁ পাৰস্য দেশৰ গল্প এটাৰ দৰে আনন্দদায়ক কৰি তুলিব।

৬৭
বছৰেল 'ক্লাব'ৰ সভ্য হ'ল (১৭৭৩)

ভোটৰ ফলাফল নোগলাবালৈকে মোক বোক্লাৰ্কৰ ঘৰত থৈ তেওঁলোক ক্লাবলৈ গুচি গ'ল। মই উদ্বিগ্ন হৈ তাতে বহি থাকিলোঁ। লেডি বোক্লাৰ্কৰ সুন্দৰ কথা-বতৰাইও মোৰ সেই উদ্বিগ্নতা সম্পূৰ্ণ দূৰ কৰিব নোৱাৰিছিল। অলপ সময়ৰ পিচতে মই নিৰ্বাচিত হোৱা সুখবৰ শুনিবলৈ পালোঁ। মই লৰালৰিকৈ সভাস্থলীলৈ গলোঁ আৰু এনে এখন সমাজৰ লগত পৰিচিত হলোঁ যাৰ তুল্য সমাজ সহজে দেখা নেযায়। তাত আছিল এডমণ্ড্ বাৰ্ক, তেখেতৰ প্ৰখৰ বুদ্ধি আৰু মেধাই মোক বহুদিনৰ পৰা চিনাকি হবলৈ প্ৰলুব্ধ কৰিছিল কিন্তু সেইদিনালৈকে দেখা নাছিলোঁ, ডঃ নুগেণ্ট, মিঃ গেৰিক, ডঃ গ'ল্ডস্মিথ, মিঃ (পিচত ছাৰ উইলিয়ম) জোনছ, আৰু মই কিছু আগতে যিসকলৰ লগত দুপৰীয়াৰ আহাৰ খাইছিলোঁ তেওঁলোক। মই সোমোৱাৰ লগে লগে জনছনে এখন চকীৰ পিচফালে থৈ থিয় হল আৰু হাঁহি হাঁহি মোৰ দায়িত্ব, অৰ্থাৎ 'ক্লাব'ৰ এজন ভাল সভ্য হিচাপে মোৰ পৰা কেনে ব্যৱহাৰ আশা কৰে তাক বুজাই দিলে।

৬৮
চৰাইৰ দেশ-সলনি (১৭৭৩)

চৰাইৰ কথা উঠিলত মই ডেইন্‌ছ্ বেৰিংটনৰ (Daines Barrington) চৰাইৰ প্ৰব্ৰজন সম্পৰ্কে সাধাৰণ প্ৰচলিত ধাৰণাৰ বিৰুদ্ধে লিখা সুন্দৰ ৰচনাখনৰ কথা উল্লেখ কৰিলো। জনছনে কলে, "মোৰ বোধেৰে উড্‌কক্ বিলাকৰ দেশ সলনি কৰাৰ সপক্ষে আমি যেনে প্ৰমাণ বিচাৰে তাক পাইছোঁ। আমি দেখিছোঁ সিহঁত বছৰৰ এটা সময়ত নাইকিয়া হয় আৰু আন এটা সময়ত ওলায়হি। সিহঁতৰে কিছুমান আকৌ উৰি উৰি ভাগৰ লাগিলে সুদূৰ সাগৰত জাহাজৰ বৰ্চীৰ ওপৰত উৰি বহাৰো প্ৰমাণ আছে।"

উপস্থিত একেনে কলে যে, গ্ৰীষ্মকালত সিহঁতৰ কিছুমানক 'ইংলেণ্ড'ত দেখা পোৱাৰো উদাহৰণ আছে।

জনছন, "ডাঙৰীয়া, সেইটোৱে আমাৰ যুক্তি বলবান হে কৰি তোলে। Exceptio probat regulam. (ব্যতিক্ৰমেই নিয়মৰ প্ৰমাণ)। কিছুমান দেখা পোৱা যায় মানেই হৈছে, যদি আটাইবোৰ ইয়াতে থাকিলহেঁতেন তেন্তে বহুতো দেখা গ'লহেঁতেন। কেইটামান কোৰী বা খোঁৰা হয়তো দেখা যাব পাৰে।"

গ'ল্ডস্মিথ, "ছোৰেলো (Swallow) বিলাকৰো আংশিক প্ৰব্ৰজন দেখা যায়। বল থকা বিলাক আঁতৰি যায় বাকীবোৰ নেযায়।'

৬৯

"গ'ল্ডি" (Goldy) (১৭৭৩)

যোৱা ৰাতি ক্লাবলৈ যোৱা বাটত মই আক্ষেপ কৰি কলোঁ যে গ'ল্ডস্মিথে প্ৰত্যেকটো সুযোগতে নিজক জাহিৰ কৰিবৰ ইচ্ছা কৰে আৰু তাকে কৰি বহুত সময়ত হাঁহিয়াতৰ পাত্ৰ হয়। মিঃ লেংটনে কলে যে তেওঁ (গ'ল্ডস্মিথ) এডিছনৰ নিচিনা নহয়। এডিছনে নিজৰ লিখাৰ প্ৰশংসা লৈয়েই ক্ষান্ত থাকিছিল, কথা-বতৰাতো বিখ্যাত হবৰ চেষ্টা তেওঁৰ নাছিল কাৰণ তেওঁ জানিছিল যে তেওঁ তাৰ বাবে অনুপযুক্ত। এগৰাকী মহিলাই এবাৰ তেখেতক সমাজৰ মাজত কম কথা কোৱাৰ নামে অনুযোগ কৰাত কৈছিল, 'মেডাম। নগদ যদি বিচাৰে তেন্তে মোৰ হাতত মাত্ৰ চাৰে ন পেনি আছে, কিন্তু মই হাজাৰ পাউণ্ডৰ হুণ্ডী লিখিব পাৰোঁ।' মই কলোঁ যে গ'ল্ডস্মিথৰ বাকছত এগাল সোণ আছে, কিন্তু তাক্তে সন্তুষ্ট নেথাকি তেখেতে কথাই কথাই জেপৰ পৰা পইচাৰ মোনাটো উলিয়ায়।

জনছন—এৰা! আৰু বহুত সময়ত খালি মোনা।

লক্ষ্য কৰিব লগীয়া যে বহুত সময়তে গ'ল্ডস্মিথে তেওঁক অন্তৰঙ্গ হিচাপে ব্যৱহাৰ কৰিলে ভাল পাইছিল, কিন্তু সময়ে সময়ে বৰ আত্মসচেতন আৰু গৰ্বী হৈ পৰিছিল। এটা সৰু ঘটনাত ইয়াৰ এটা উদাহৰণ পোৱা গৈছিল, জনছনৰ এটা অভ্যাস আছিল তেওঁৰ বন্ধু সকলৰ নাম চুটি কৰি কওঁ। বোক্লাৰ্কক বো; বফ্লেলক বন্ধি, লেংটনক লেঙ্কি, মাৰ্ফিক মাৰ; শ্বেৰিডানক শ্বেৰী ইত্যাদি। মোৰ মনত আছে, টম ডেভিছে কোৱা, যে, ডঃ জনছনে হেনো কৈছিল, "আমি সকলোৱেই 'গল্ডি'ৰ নাটকখনৰ নাম এটা দিবৰ বাবে চিন্তিত।" গ'ল্ডস্মিথে তেওঁৰ নামটো লৈ ইমানখিনি স্বাধীনতা লোৱাটো ভাল নেপালে যেন লাগিল। তেওঁ কলে, "মই কেইবাবাৰো তোক গ'ল্ডি নুবুলিবলৈ কৈছোঁ।"

টমে জনছনৰ অতি সৰু সৰু কথাকো বৰ মনোযোগেৰে শুনিছিল। এবাৰ মই লণ্ডনলৈ আহোঁতে তেওঁ শোক কৈছিল, "আমাৰ মহান বন্ধুৱে বুঢ়া মিঃ শ্বেৰিডানৰ নামটো আৰু উন্নত কৰিলে। আজিকালি তেখেতে তেওঁক 'শ্বেৰী ডেৰী' বুলি মাতে।"

৭০
ছপাৰৰ অধিকাৰ (১৭৭৩)

৮ মে'ই দেওবাৰৰ দিনা মই জনছন, ডঃ বীটি আৰু অন্য কেইজনমানৰ সৈতে মিঃ লেংটনৰ ঘৰত খোৱা-বোৱা কৰিছিলোঁ। তেখেতে আলোচনা কৰিছিল 'সাহিত্যিক সম্পত্তি'ৰ বিষয়ে।

তেখেতে কৈছিল, "দেখা যায়, সাহিত্যিক সকলৰ (নিজৰ লেখাৰ ওপৰত) দখলী স্বত্বতকৈও অলপ বেছি অধিকাৰ আছে, এটা যেন আধি-ভৌতিক অধিকাৰ, সৃষ্টিৰ অধিকাৰ। এই অধিকাৰ সেইবাবেই চিৰদিনলৈ থকাও উচিত। কিন্তু সকলো জাতিৰে সন্মতি ইয়াৰ বিপক্ষে আৰু শিক্ষাৰ স্বাৰ্থও ইয়াৰ বিপক্ষে। কাৰণ সেই অধিকাৰ যদি চিৰকলীয়া হয়, তেন্তে যি কোনো কিতাপ, লাগে সি যিমানেই আৱশ্যকীয় নহওক, মানৱ জাতিৰ মাজত উচিতৰূপে বিতৰণ কৰিব পৰা নহব, যদিহে অধিকাৰীয়ে তাৰ প্ৰচাৰ নিষেধ কৰাটো ইচ্ছা কৰে। অধিকাৰীৰ যদি নিষেধ কৰিবৰ দুৰ্মতি হয় তেন্তে কোনো কিতাপেই টীকা আদি দি সম্পাদনা কৰিব পৰা নেযাব, লাগে সি কিতাপখন বুজিবৰ বাবে যিমানেই আৱশ্যকীয় নহওক। জগতৰ কল্যাণৰ বাবে এজন লিখকে যদি ভাল কথা লিখি প্ৰচাৰ কৰে তেন্তে সেই লেখা তেওঁৰ সম্পত্তি বুলি গণ্য নকৰি ৰাইজৰ সম্পত্তি বুলিহে গণ্য কৰা উচিত, কিন্তু তাৰ লগতে লিখকেও তেখেতৰ যোগ্য মূল্য পোৱা উচিত, আৰু এইটো তেখেতে পোৱা উচিত তেখেতৰ লিখিত বস্তুৰ ওপৰত বহু বছৰলৈকে সৰ্ব্বতোভাৱে তেখেতৰ অধিকাৰ স্বীকাৰ কৰি।

৭১
পশ্চিম দ্বীপপুঞ্জলৈ যাত্ৰা (১৭৭৩)

১৮ আগষ্টত আহি পোৱাৰ দিনাৰ পৰা ২২ নৱেম্বৰত পুনৰ লণ্ডনলৈ যাত্ৰা কৰাৰ দিনলৈকে তেখেত স্কটলেণ্ডত আছিল; আৰু মোৰ বিশ্বাস, ইয়াৰ কৰ্ষ্মমুখৰ চৌৱাল্লিটা দিন কোনো, শাস্তুৰে কটোৱা নাই।

তেখেতে ট্ৰুইডৰ পাৰত থকা বাৰউইক নগৰেদি এডিন বৰালৈ আহি তাত কেইদিনমান কটালে আৰু তাৰ পিছত চেণ্ট এনড্ৰুজ, এবাৰ-ডীন, ইনভাৰনেছ আৰু ফ'ৰ্ট অগষ্টাছেদি হেব্ৰাইডিজ্ দ্বীপপুঞ্জলৈ গ'ল। এইবিলাক চোৱাটোৱেই তেখেতৰ প্ৰধান উদ্দেশ্য আছিল। তেখেতে স্কাই, ৰেছে, কল, মাল, ইঞ্চকেনেথ আৰু ইকম্কিল দ্বীপত ভ্ৰমণ কৰিলে। ইন-ভেৰাৰীয়েদি আৰ্জিলশ্যায়াৰলৈ গ'ল, তাৰ পৰা লক্ লমণ্ড্ আৰু ডানবাৰ্টন হৈ গ্লাছগোলৈ আৰু তাৰ পিচত লাইডনেদি এয়াৰশ্যায়াৰত থকা আমাৰ পৰিয়ালৰ বাসস্থান এফ্লেকলৈ। তাৰ পিচত হেমিল্টনেদি এডিনবৰালৈ গৈ আকৌ কেইদিনমান থাকিল। এইদৰে তেখেতে স্কটলেণ্ডৰ চাৰিটা বিশ্ব-বিদ্যালয়, তিনিখন প্ৰধান নগৰ আৰু হাইলেণ্ডছৰ পৰিবেষ্টিত জীৱনৰ যিমানখিনি তেখেতৰ দাৰ্শনিক চিন্তাৰ বাবে প্ৰাসংগীক সেইখিনি দেখিলে। এই গোটেই ভ্ৰমণতে মোৰ তেখেতৰ লগৰীয়া হবৰ সৌভাগ্য হৈছিল। তেখেতে য'লৈকে গৈছিল, শিক্ষিত সম্ভ্ৰান্ত লোকসকলে তেখেতক সসন্মানে আদৰ-সাদৰ কৰিছিল আৰু দুখীয়া সকলৰ পৰা পোৱা অতিথ্যাইও তেখে-তক কম আনন্দিত কৰা নাছিল।

এই যাত্ৰাত ঘটা ঘটনাবোৰ আৰু এই ভ্ৰমণ কালত দেখুওৱা তেখেতৰ মনৰ শক্তি আৰু সজীৱতাৰ বহুতো কথা মোৰ *Journal of a Tour to the Hebrides* নামৰ কিতাপখনত মোৰ দ্বাৰা যিমানখিনি সম্ভৱ যথা-যথভাৱে লিপিবদ্ধ কৰি থোৱা হৈছে। কিতাপখন ৰাইজে আদৰেৰে গ্ৰহণ কৰিছে এতেকে জনছনৰ জীৱনীৰ এটা বেলেগ আৰু লক্ষ্য কৰিব লগীয়া অংশৰূপে সেইখনলৈকে আঙুলিয়াই থলোঁ। তাত সকলোবিলাকৰে বিশদ বৰ্ণনা আছে আৰু সেইখনে, তেখেতৰ কিতাপবিলাকে যিদৰে তেখেতৰ সুন্দৰ ৰচনা শক্তিৰ পৰিচয় দিয়ে সেইদৰে তেখেতৰ কথা কোৱা শক্তিৰ এটি চমৎকাৰ ধাৰণা দিব।

৭২

মিছেছ বছৱেল সম্বন্ধে (১৭৭৩)

বছৱেললৈ লিখা চিঠিৰ পৰাঃ

(১)

মই যোৱা ৰাতি, কোনো অসুবিধা, কোনো বিপদ, কোনো ক্লান্তি নোহোৱাকৈ ঘৰ পালোঁহি আৰু নতুন এটি যাত্ৰাৰ বাবে সাজু হৈছোঁ। মই

সোমবাৰে অক্সফ'ৰ্ডলৈ যাম। মই জানো মিছেছ থ্ৰেলে মই বিদায় লোৱা-টোকে বিচাৰিছিল, তেখেতৰ ইচ্ছা অপূৰ্ণ হৈ থাকিল.......

২৭ নৱেম্বৰ, ১৭৭৩।

মৰমেৰে, ছেম জনছন

(২)

........মিছেছ থ্ৰেলক মোৰ শুভেচ্ছা জনাবা, আৰু কওঁ যে, তেখেতে শোক দূৰ কৰিবৰ (যৰৰ পৰা) ইচ্ছা কৰা বাবে তেখেতলৈ মোৰ ভালপোৱা কম হৈ নেযায়। মই তেখেতক যথেষ্ট কষ্ট দিলোঁ আৰু তাৰ সলনি কিবা আনন্দ দিবলৈ পালে ভাল পাম।

মই হেব্ৰাইডিজলৈ কিছু পাৰ্টাৰ (মদ) পঠাব খোজোঁ, কিন্তু ক'ব নোৱাৰোঁ কি ভাবে সেইখিনি তাত থকা মৰমীয়াল বন্ধুসকলে পাব পাৰিব বা-বাতৰি লৈ জনাবাচোন।

২৯ জানুৱাৰী, ১৭৭৪।

ছেম জনছন

৭৩

কল্পনা আৰু ভক্তি (১৭৭৩)

থ্ৰেললৈ লিখা চিঠিৰ অংশ:

ধৰ্মীয় অনুষ্ঠানত যে কল্পনাৰ অংশ কোনখিনিত সেইটো স্থিৰ কৰিবলৈ বহু চিন্তা কৰিব লাগিব। মই এইবিষয়াকৰ পৰা কল্পনা সম্পূৰ্ণৰূপে দূৰ কৰাৰ বিৰোধী। কল্পনা সৃষ্টিকৰ্তাই আমাক দান কৰা এটা শক্তি আৰু তেখেতৰ সকলো দানকে তেওঁৰ মহিমা প্ৰচাৰ কৰাত ব্যৱহাৰ কৰা উচিত। আমাৰ সকলো শক্তিয়েই তেওঁৰ পূজাত গোট খাই সহায় কৰা উচিত। কিন্তু গোট খাব লাগিব যি এই শক্তি দান কৰিছিল তেখেতৰ ইচ্ছা মতেহে আৰু তেখেতে যি ক্ৰম বান্ধি দিছে সেই মতেহে। বান্ধি দিয়া আদেশতকৈ ইচ্ছা-মতে বা সুবিধামতে কৰা প্ৰাৰ্থনা কম বাধ্যতামূলক আৰু শাৰীৰিক অনু-ষ্ঠানবোৰ যিহেতু আমাৰ বা আনৰ পক্ষে মানসিক পূজাৰ পৰিচয়ৰ চিন সেইমৰেই কল্পনাৰ কামো হ'ল যুক্তিতকৈ তলখাপৰ। কল্পনাক আমি সঙ্গী হিচাপে ল'ব পাৰোঁ। কিন্তু যুক্তি আমাৰ পথ প্ৰদৰ্শক। আমি সময়ে সময়ে কোনো কোনো ঠাইত কল্পনাক কিছু কিছু ধাৰণা দিবলৈ অনুমতি

দিব পাৰোঁ, কিন্তু যুক্তিয়ে যেতিয়া কয় যে সেই ঠাইত সেই ধাৰণাৰ কোনো স্বাভাৱিক বা আৱশ্যকীয় সম্বন্ধ নাই তেতিয়া যুক্তিকেই মানিব লাগিব। আমি যেতিয়াই গীৰ্জাত সোমাওঁ তেতিয়াই অভ্যাসবশতঃ উপাসনাৰ কথা আমাৰ মনলৈ আহে, কিন্তু মন্দিৰ এটাৰ অভাৱতে উপাসনাৰ কথা পাহৰিলেতো নচলিব, কাৰণ আমি জানো আৰু মনত ৰখা উচিত যে সৰ্বব্যাপী ভগৱান সকলো ঠাইতে উপস্থিত আছে। সেইবাবেই জনা (Jona) সাইৰা জেৰুজালেমলৈ যোৱাটো সুফলদায়ক হ'ব পাৰে কিন্তু প্ৰয়োজনীয় নহয়।

তোমাৰ চিঠিৰ উত্তৰ এইদৰেই দিলোঁ কিন্তু অৱহেলাৰে নহয়। মই তোমাক ইমান ভাল পাওঁ যে তুমি যেতিয়া সঁচাকৈ চিন্তাকুল মই তেতিয়া আওকাণ কৰিবই নোৱাৰোঁ।

৭৪

গ'ল্ডস্মিথৰ মৃত্যু সম্পৰ্কে দুখন চিঠি (১৭৭৪)

বচ্ছৱেললৈ :

বেচেৰা গ'ল্ডস্মিথৰ সম্পৰ্কে বাতৰি কাকতত যিখিনি প্ৰকাশ হৈছে তাতোকৈ বেছি আৰু বিশেষ কবলগীয়া নাই। মোৰ বিশ্বাস যি জ্বৰত তেওঁৰ মৃত্যু হ'ল মনৰ অস্থিৰ অৱস্থাই সেই জ্বৰ বেছি ভয়ঙ্কৰ কৰি তুলিছিল। তেওঁৰ ধাৰ বৰ বাঢ়ি গৈছিল আৰু আঁজনৰ পন্থাও শেষ হৈ গৈছিল। ছাৰ যশ্যোৱাৰ মত যে তেওঁৰ ঋণৰ পৰিমাণ দুহেজাৰ পাউণ্ডতকৈ কম নহব। এজন কবিক ইয়াৰ আগতে কোনোবাই ইমানকৈ বিশ্বাস কৰিছিলনে বাৰু?

লেংটনলৈ :

ডাঙৰীয়া! আপোনাৰ আগৰ চিঠিখন ইমান দিন উত্তৰ নিদিয়াকৈ পেলাই থোৱা বাবে মোকে গালি পাৰিবৰ কাৰণ আপোনাৰ নিশ্চয় আছে, কিন্তু মোৰ বিশেষ একো ক'ব লগীয়া নাছিল। চেম্বাৰ্চ বহু দূৰলৈ গ'ল, কিন্তু বেচেৰা গ'ল্ডস্মিথ আৰু বেছি দূৰলৈ গুচি গ'ল। তেওঁৰ মৃত্যু হল জ্বৰত আৰু এই জ্বৰ বাঢ়ি গৈছিল দুৰৱস্থাৰ চিন্তাত। তেওঁ উপাৰ্জন কৰিবৰ প্ৰত্যেক কৌশলেৰে ধন গোটাইছিল আৰু খৰচ কৰাৰ প্ৰত্যেক মূৰ্খামিৰে তাক নষ্ট কৰিছিল। কিন্তু আমি যেন তেওঁৰ দুৰ্বলতাবোৰ মনত নেৰাখোঁ। কাৰণ তেওঁ সঁচাকৈয়ে বৰ ডাঙৰ মানুহ আছিল।

৭৫

মেকফাৰ্ছনৰ 'অছিয়ান' (১৭৭৫)

বছৱেলৰ পত্ৰ জনছনলৈ এডিনবৰা, ফেব্ৰুৱাৰী ২,১৭৭৫

মেক্‌ফাৰ্ছন সম্বন্ধে আপোনাৰ আৰু তেওঁৰ মাজত কি লিখালিখি হৈছিল তাৰ এটা সম্পূৰ্ণ আৰু সঠিক বৰ্ণনা আপোনাৰ পত্ৰ পাবলৈ মই উদ্‌গ্ৰীৱ হৈ আছোঁ। ইয়াত মানুহৰ মাজত প্ৰচলিত হৈছে যে আপোনাৰ কিতাপখন ওলোৱাৰ আগতে মেক্‌ফাৰ্ছনে আপোনাক লিখি জনাইছিল যে মূল কবিতা-বিলাক তেওঁৰ হাতত আছে আৰু আপুনি সেইবোৰ পৰীক্ষাও কৰিব পাৰে। আৰু Erse ভাষাৰ বিশেষজ্ঞসকলৰ সাক্ষ্যও গ্ৰহণ কৰিব পাৰে। আৰু এই সকলো প্ৰচেষ্টাৰ পিচত, তেওঁ শেষত আশা কৰিছিল যে আপুনি এনেদৰে সত্যৰ অপলাপ নকৰিব যে তেওঁ (মেক্‌ফাৰ্ছনে) উপযুক্ত প্ৰমাণ আগবঢ়া-বলৈ অস্বীকাৰ কৰিছে বুলি ক'ব। আৰু প্ৰচলিত হৈছে যে আপুনি তেওঁৰ বাতৰিত কোনো গুৰুত্ব নিদি তেওঁৰ ওপৰত আপোনাৰ তীব্ৰ আক্ৰমণ প্ৰকাশ কৰিলে। তাৰ পিচত তেওঁ সত্যৰ অপলাপ কৰোঁতা এজনক যি ভাষাত লিখা উচিত তেনে ভাষাত এখন চিঠি লিখিছে। আপুনি বিশ্বাস কৰিব পাৰে যে আপোনাৰ ব্যৱহাৰৰ এনে অপযশ শুনি মই দুখ পাওঁ। এইবিলাক কথা মই আপোনাৰ স্বভাৱ-বিৰুদ্ধ বুলি কৈ অস্বীকাৰ কৰিব পাৰোঁ। কিন্তু সেইবোৰৰ বিৰোধিতা কৰিবৰ কোনো সম্বল মোৰ হাতত নাই। সেইবাবেই মই অনুৰোধ কৰিছোঁ এই সম্বন্ধে যি কোনো বদনামৰ উত্তৰ দিবলৈ মোক যথেষ্ট সম্বল দি পঠাব।

জনছনৰ পত্ৰ বছৱেললৈ

প্ৰিয় বছৱেল! মই দেখি আচৰিত হৈছোঁ যে তোমাৰ দেশৰ মানুহ-বোৰৰ ইজনে সিজনৰ সপক্ষে মিছা কথা কোৱা অভ্যাসৰ কথা জানিও সিহঁতৰ মাজত প্ৰচলিত কথাত বিচলিত হৈছা। মেক্‌ফাৰ্ছনে কোনো মূল কবিতা বা কোনো ধৰণৰ কোনো প্ৰমাণ মোক জীৱনত দেখুৱা নাই। মোৰ শেষ চিঠিখন নোপোৱালৈকে কেৱল মাত্ৰ বৰ বৰ কথা আৰু ভীতি প্ৰদৰ্শনৰ দ্বাৰা মোক হেঁপেটা লগাবৰ চেষ্টা কৰিছিল। আৰু শেষৰ চিঠিত মই তেতিয়া লিখিলো যে এটা ডকাইতৰ ভয় খুৱালেই, মই তাক ঠগবাজ বুলি ভাবোঁ তাৰ বধা পেলাই দিবলৈ কুণ্ঠিত নহওঁ, তেতিয়া লিখা-পঢ়াৰ শেষ পৰিল।

কথাটো হল এনেকুৱা। তেওঁ আৰু ডঃ ব্লেয়াৰে (এওঁকো মই ঠগ খাইছে বুলি কম) কয় যে তেওঁ পুৰণি হাতেলিখা পুথিৰ পৰা সেইবোৰ নকল কৰিছে। তেওঁৰ নকলবোৰৰ—যদি মূল আছিলেই, আৰু মোৰ বিশ্বাস নাছিল—কোনো মূল্য নাই। মূল পুথিবোৰ গ'ল ক'ত? থাকিলে তো সেই-বোৰ দেখুৱাব পাৰিলেহেঁতেন, কিন্তু সেইবোৰ কোনোদিনে দেখুৱা নাই। আমাৰ আইনে কয় De non existentibus et non apparentius (যিটো দেখুৱাব নোৱাৰি তাৰ অস্তিত্ব নাই)। কোনো মানুহেই তেওঁৰ নিজৰ কথা আইনে বিশ্বাস কৰক বুলি দাবী কৰিব নোৱাৰে যদিহে তাতোকৈ ভাল প্ৰমাণ (তেওঁৰ হাতত যদি থাকে) সহজে দাখিল কৰিব পাৰি। কিন্তু আমি যিমান দূৰ দেখিছোঁ অলপতে ধৰ্মৰ খাতিৰত লিখাৰ বাহিৰে Erse ভাষা কেতিয়াও লিখাই হোৱা নাছিল। যি জাতিয়ে লিখিব নোৱাৰে আৰু যি ভাষা কেতিয়াও লিখাই হোৱা নাছিল (সেই জাতি বা সেই ভাষাৰ) হাতেলিখা পুথি থাকিবই নোৱাৰে।

মূঠৰ ওপৰত তেওঁৰ হাতত যিয়েই নেথাকক লাগে, তেওঁ কেতিয়াও দেখুৱাব খোজা নাই। এতিয়া যদি হাতেলিখা পুথিৰ কথা উলিয়ায় তেন্তে মই সহজে পোৱা প্ৰমাণতকৈ অলপ বেচি প্ৰমাণ নেপালে তাকো স্কচ্ চক্ৰান্ত আৰু জাতীয় মিথ্যাচাৰ বুলিহে কম।

কথাবাৰত খং নুঠিবা, তুমি জানা যে এইটো সঁচা।

বৰ্ত্তমানে মই ব্যস্ত আছোঁ। কিন্তু সোনকালেই তুমি যেনেকৈ বিচাৰা তেনেকৈ সকলোখিনি কৰিবৰ আশা ৰাখোঁ। মেডাম আৰু ভেৰ'নিকাক মোৰ ওলগ জনাবা।

ফেব্ৰুৱাৰী ৭, ১৭৭৫। তোমাৰ একান্ত বাধ্য, ছেম জনছন

মেক্ ফাৰ্ছনে সেই সন্মানিত ঋষিৰ প্ৰতি চিঠিত কি ভাষা প্ৰয়োগ কৰিছিল তাক মই কেতিয়াও শুনা নাই কিন্তু সৰ্বসাধাৰণৰ মতে সেই ভাষা সাহিত্যিক তৰ্ক-বিতৰ্কত ব্যৱহাৰ কৰা ভাষাতকৈ বহুত বেলেগ। ডঃ জন-ছনৰ উত্তৰ সেই সময়ৰ বাতৰি কাকত বিলাকত ওলাইছিল আৰু তাৰ পিচতো বহুবাৰ প্ৰকাশিত হৈছে কিন্তু সম্পূৰ্ণ শুদ্ধভাৱে নহয়। মই, তেখেতে নিজে কৈ যোৱা, তেখেতৰ সন্মুখতে লিখা আৰু তেখেতৰ স্বহস্তে "মোৰ বিশ্বাস এইটো শুদ্ধ প্ৰতিলিপি" বুলি লিখা পাঠ এটা তলত দিলোঁ:

মিঃ জেমছ মেকফাৰ্ছন। মই আপোনাৰ মূৰ্খামিৰে ভৰা গণ্ডপ ধৰা চিঠিখন পালোঁ। মোৰ প্ৰতি যদি হিংসামূলক ব্যৱহাৰ কৰা হয় তেন্তে মই

তাৰ প্ৰতিবোধ কৰিম, আৰু মই যিখিনি কৰিব লোৱাৰোঁ আইনে সেইখিনি মোৰ বাবে কৰিব। মই আশা কৰোঁ এটা ওভাই ভয় দেখুৱালেই মই যাক ঠগবাজ বুলি ভাবোঁ তাক ধৰা পেলাই দিবলৈ কুণ্ঠিত নহওঁ।

আপুনি মোক কি অস্বীকাৰ কৰিবলৈ কব খোজে? মই ভাবোঁ যে আপোনাৰ কিতাপখন ভাল। মই তাক এতিয়াও ভাল বুলি ভাবোঁ। মোৰ এই মতৰ সপক্ষে কাৰণবোৰ ৰাইজক জনাই দিছোঁ আৰু এই লগতে সেই-বোৰৰ প্ৰত্যুত্তৰ দিবলৈ আহ্বান জনাওঁ। আপোনাৰ খণ্ডক মই তুচ্ছ জ্ঞান কৰোঁ। আপোনাৰ ক্ষমতা হোমাৰ প্ৰকাশৰ পিচৰ পৰা সীমাৰ পৰাক্ৰান্ত নহয় আৰু নৈতিকতাৰ ফালৰ পৰাও, মই যি শুনিছোঁ, আপোনাৰ কোনো কথাত মই সিমান মূল্য নিদিওঁ যিমান দিম প্ৰমাণত। ইচ্ছা কৰিলে এইখন আপুনি ছপা (প্ৰকাশ) কৰিব পাৰে।

চেমুৱেল জনছন

৭৬

স্কচ্ আৰু আইৰীশ্ মানুহ (১৭৭৫)

জনছনৰ স্কচ্ মানুহৰ প্ৰতি বিৰূপতা যে বৰ তীব্ৰ নাছিল সেইটো প্ৰমাণ হয় তেখেতৰ বহু স্কচ্ ভদ্ৰলোকৰ সৈতে অন্তৰঙ্গতা আৰু নিজৰ লিখা কামত বহুতো স্কচ্ মানুহক কেৰাণী হিচাপে ৰখাৰ পৰা। মই বৃটিছ মিউজিয়ামত তেখেতৰ আন লেখাৰ সৈতে মোলৈ লিখা জনত দিয়া শাৰীকেইটাও জমা কৰি দৈছোঁ। মই তেখেতলৈ সুধি পঠিয়াইছিলোঁ যে তেখেতে 'মাইটাৰ' (Mitre) হোটেলত মোৰে সৈতে ভোজত যোগ দিবনে? অৱশ্যে মোৰ লগত এজন স্কচ্ বন্ধুও থাকিব। তেখেতে উত্তৰ দিলে,

"মিঃ জনছনে বুজি নেপালে যে মিঃ বছৱেলে কিয় এজন স্কচ্ লেনক আন মানুহতকৈ কম গ্ৰহণীয় হব বুলি ভয় কৰিছে। তেওঁ 'মাইটাৰ'ত উপস্থিত থাকিব।"

মোৰ প্ৰিয় সুহৃদ ডঃ বাৰ্ণাৰ্ডে (এতিয়া তেওঁ কিলালোৰ বিশপ) এবাৰ তেখেতক সন্দেহ প্ৰকাশ কৰি কৈছিল যে তেখেতে যদি আয়াৰ্লেণ্ডলৈ যায় তেন্তে তেখেতে হয়তো তাৰ মানুহবিলাকক স্কচ্ সকলতকৈয়ো বেয়া বুলি ভাবিব। জনছনে চোকা দুইধাৰ যুক্ত বুদ্ধিৰে উত্তৰ দিলে, "ডাঙৰীয়া আপো-নাৰ তেনে ভয় কৰিবৰ কাৰণ নাই। আইৰীশ্সকলে নিজৰ দেশৰ মানুহৰ প্ৰতিভাক লৈ মিছা গৰ্ব কৰি জগতক ঠগিবৰ চক্ৰান্ত নকৰে। আইৰীশ্-সকল ন্যায় পৰায়ণ। তেওঁলোকে কেতিয়াও পৰস্পৰক প্ৰশংসা নকৰে।"

৭৭
টমাছ গ্ৰে (১৭৭৫)

পিচদিনা আমি মিছেছ থ্ৰেইলৰ ঘৰত ভোজত বহিছিলোঁ। তেওঁ গ্ৰে'ক আক্ৰমণ কৰি ভোদা মানুহ বুলি ঠাট্টা কৰিছিল।

বছৱেল—মই জানো তেখেত অলপ গহীন ধৰণৰ মানুহ আছিল, আৰু হয়তো সমাজৰ মাজত অলপ ভোদা যেনো লাগিব পাৰে, কিন্তু কবিতাৰ বেলিকা তেওঁ নিশ্চয় ভোদা নাছিল।

জনছন—ডাঙৰীয়া, তেওঁ সমাজত ভোদা, নিজৰ পঢ়া কোঠাত ভোদা, সকলোতে ভোদা আছিল। তেওঁ ভোদা আছিল এক নতুন ধৰণে, সেই কাৰণেই বহুতে তেওঁক ডাঙৰ বুলি ভাবিছিল। তেওঁ আছিল এজন যান্ত্ৰিক কবি।

তাৰ পিচত তেখেতে কেইটামান হাস্যকৰ কবিতাৰ শাৰী গাই গ'ল, সেই কেইটা মোৰ মনত নাই। আৰু কলে, "এইবোৰ মহান শাৰী নহয়নে? তেওঁৰ ode বিলাকৰ দৰে?" মিছেছ থ্ৰেইলে কলে যে তেওঁৰ ode বিলাক সঙ্গীতৰ দৰে। তেখেতে তেতিয়া গালে,

"Weave the warp and weave the woof"

মই গহীনভাৱে যোগ দিলোঁ, The winding sheet of Edward's race.

তেখেতে কলে, "সেইটো এটা ভাল শাৰী। এৰা, তাৰ পিচৰ শাৰীটো আকৌ আৰু ভাল। (আঙ্গিলোৱে উচ্চাৰণ কৰি): Give ample verge and room enough. নহয় ডাঙৰীয়া, গ্ৰে'ৰ কবিতাত মাত্ৰ দুটা ভাল শ্লোক আছে আৰু দুয়োটা তেওঁৰ *Elegy in a country churchyard* ত।" তেওঁ গাই গ'ল For who to dumb forgetfulness a pray ইত্যাদি। কেৱল এটা শব্দ ভুল কৰিলে। Precincts অৰ ঠাইত কলে confines তাৰ পিচত কলে, "আনটো শ্লোক মই পাহৰি গৈছোঁ।"

৭৮
মদকৰ ভেটি সন্নিকটে তৈয়াৰী (১৭৭৫)

তেখেতে মোক অনুগ্ৰহ কৰি কৈছিল, "তুমি যদি ইয়াতে কনবাস কৰি-থকো লোৱা তেন্তে সপ্তাহত একোটাকৈ দিন আমি নিজৰ ভিতৰত দেখা

দেখি হৰলৈ পাৰ পাৰোঁ, য'ত প্ৰতিযোগিতা নাই, অহমিকা নাই, কেৱল মীৰ গহীন ভাৱৰ সলনা-সলনি মাত্ৰ আছে। সেয়ে সকলোতকৈ আনন্দৰ কথা-বতৰা।"

তেখেতৰ ব্যক্তিগত টোকাত সেই সন্ধিয়াৰ কথা এনেদৰে লিখা আছে, বহুৰেলৈ ৰাতিলৈকে মোৰ লগত বহি কটাইছিল। আমি কিছু চিন্তাপূৰ্ণ কথা-বতৰা পাতিলোঁ।" সেইখনতে আৰু আছে যে মই গুচি অহাৰ পিচত তেখেতে ধৰ্মীয় কৰ্তব্যত মগ্ন হৈছিল। তেখেতে নিজৰ চাকৰ ফ্ৰান্সিছক ঈশ্বৰৰ লগতে যোগাযোগ স্থাপন কৰিবৰ আৰু সৎ জীৱন যাপন কৰাৰ বিষয়ে উপদেশ দিছিল। এনেকুৱা সময়ত তেখেতৰ ভিতৰত যি বিনয় আৰু ধৰ্মপৰায়ণতা দেখা গৈছিল সি সঁচাকৈয়ে মানুহক বহু ওপৰলৈ তুলি নিয়ে। কিন্তু সৎ অভিপ্ৰায় আৰু সদিচ্ছা দুৰ্ভাগ্যক্ৰমে কিমান যে অকৃতকাৰ্য্য হয় সেই সম্পৰ্কে জনছনতকৈ কোনো সাধু মহাপুৰুষো বেচি সচেতন নাছিল। এদিন তেখেতে এজন পৰিচিত মানুহৰ লগত এই বিষয়ে কথা হওঁতে কৈছিল, "ডাঙৰীয়া, নৰকৰ মজিয়া সৎ অভিপ্ৰায়ৰ দ্বাৰাই বচোৱা।"

৭৯
পাঠ কৰাৰ উপকাৰিতা (১৭৭৫)

তাৰ পিচত তেখেতে পঢ়াশুনা কৰাৰ সুবিধাৰ কথা বহলাই কলে আৰু কেৱল আলোচনাৰ দ্বাৰাই যে যথেষ্ট জ্ঞান লাভ কৰিব পাৰি এই অসাৰ যুক্তিহীন ধাৰণাটোৰ প্ৰতিবাদ কৰিলে। তেখেতে কৈছিল, "অধ্যয়নৰ দ্বাৰাহে ভেটি স্থাপন কৰিব লাগিব। সাধাৰণ নীতিবিলাকো কিতাপৰ পৰাই গোটাব লাগিব। অৱশ্যে বাস্তৱ জীৱনত তাক পৰীক্ষা কৰিও লব লাগিব। আলোচনাৰ তো কোনো নিৰ্দিষ্ট ধাৰা নাই। কোনো এটা বিষয়ে কি কথা কোৱা হৈছে তাক এশজনৰ মুখৰ পৰা গোটাব লগীয়া হয়। এইদৰে এজন মানুহে সত্যৰ যি টুকুৰাবিলাক গোটায়, সেইবিলাক ইটোৰ পৰা সিটো ইমান আঁতৰত থাকে যে মানুহজনে পূৰ্ণভাৱে তাক দেখিয়েই নেপায়।"

৮০
মূৰ্খিবাৰ বাকলি (১৭৭৫)

পিচদিনা পুৱা মই লেডি ডায়েনা বোক্লাৰ্কৰ লগত বাজী এটা জিকিলোঁ। বাজীটো আছিল স্বয়ং জনছনকে তেখেতৰ এটা বিশেষৰ সম্বন্ধে প্ৰশ্ন কৰা। লেডি বোক্লাৰ্কে ভাবিছিল মোৰ সুবিধা নহব; মই কিন্তু জিকিলোঁ।

কথাটো হ'ল, আমি লক্ষ্য কৰিছিলোঁ জনছনে ক্লাবত তেখেতৰ মদৰ লগত ছেভিলৰ সুমথিৰা বোৰৰ (Saville oranges) ৰসখিনি চেপি লোৱাৰ পিচত সিতাখিনি বাকলিৰে সৈতে জেপত ভৰাই থয়। গেৰিক আৰু বোক্লাৰ্কে কথাষাৰ মোক কৈছিল আৰু লগতে কৈছিল জনছনে যেন এই কামত ধৰা পৰাত অতি অনিচ্ছুক। তেওঁনো সেইবোৰ লৈ কি কৰিছিল আমি ভাবি নেপাইছিলোঁ, আৰু এইটোৱেই আছিল তেওঁক কৰিব লগীয়া কঠিন প্ৰশ্ন।

মই তেখেতৰ মেজত আগবাতি সংগ্ৰহ কৰি অনা বস্তুখিনি দেখা পালোঁ। সেইবোৰ হ'ল সুমথিৰাৰ বাকলিবোৰ বঢ়িয়াকৈ চুঁচি-মেলি পৰিষ্কাৰ কৰি ধুনীয়াকৈ টুকুৰা-টুকুৰ কৰি থোৱা। মই কলোঁ, "এৰা ডাঙৰীয়া! এতিয়াহে মই আপুনি ক্লাবৰ পৰা চেপা সুমথিৰাবোৰ জেপত লৈ আহি কি কৰে তাক আংশিকভাৱে দেখিলোঁ!"

জনছন—মই এইবোৰ বৰ ভাল পাওঁ।

বছুৱেল—আৰু সেইবোৰেৰে আপুনি কৰে কি? ধুনীয়াকৈ চুঁচি পৰিষ্কাৰ কৰি থয় সেইটো দেখিলোঁ। তাৰ পিচত?

জনছন—সেইবোৰ শুকাবলৈ দিওঁ।

বছুৱেল—তাৰ পিচত?

জনছন—না, না। তাৰ পিচত সিহঁতৰ ভাগ্যত কি হয় সেইটো তুমি জানিব নেলাগে।

বছুৱেল—তেন্তে জগত অন্ধকাৰতেই থাকিব লাগিব। (কপট গাম্ভীৰ্য্যেৰে) কোৱা হব যে তেখেতে সেইবোৰ চুঁচি পৰিষ্কাৰ কৰে আৰু তাৰ পিচত শুকুৱায়, কিন্তু তাৰ পিচত কি কৰে সেইটো হে তেখেতৰ পৰা উলিয়াব পৰা নগ'ল।

জনছন—না, কথাষাৰ তুমি আৰু জোৰ দি কব লাগিব। কবা যে তেওঁৰ অতি অন্তৰঙ্গ বন্ধু বিলাকেও উলিয়াব নোৱাৰিলে।

৮১

ডক্টৰ জনছন (১৭৭৫)

তেখেতে আজি পুৰা অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা তেখেতৰ 'ডক্টৰ অৱ ল'জ' ডিগ্ৰীৰ চনদখন পালে। নতুন ডিগ্ৰী পাই তেখেত মৰণো ওলমি পৰা নাছিল, কিন্তু মই জানো যে তেখেত অতি আনন্দিত হৈছিল। এইখিনিতে মই তেখেতে সেই উচ্চ উপাধি কেনেকৈ লাভ কৰিলে তাকো জনাই থওঁ।

তলত দিয়া চিঠিখন বিভাগীয় মুৰব্বীসকলক দিবলৈ আৰু সমাবৰ্ত্তনত প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰি অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ চেন্সেলৰ লৰ্ড নৰ্থৰ দ্বাৰা ভাইছ চেন্সেলৰ বেতা, ডঃ ফন্দাৰগিললৈ লিখা হৈছিল।

মিঃ ভাইছ চেন্সেলৰ আৰু ভদ্ৰমহোদয়সকল,

মিঃ ছেমুৱেল জনছনক আগতে চনদৰ সহায়েৰে এম এ ডিগ্ৰীৰ সন্মান প্ৰদান কৰা হৈছিল। এইদৰে সন্মান দেখুৱাৰ কাৰণ আছিল তেখেতে এনেনি প্ৰবন্ধ লিখি নিজকে প্ৰখ্যাত কৰি তোলা। এই প্ৰবন্ধ সমূহত মানুহৰ সদ্ব্যৱ-হাৰ আৰু সদ্‌অভ্যাস গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছিল আৰু অতি জোৰাল যুক্তি আৰু লালিত্যময় ভাষাৰে ধৰ্ম আৰু নৈতিকতাক সমৰ্থন কৰা হৈছিল, আৰু এই প্ৰবন্ধসমূহে বিশ্ববিদ্যালয়কো কিছু পৰিমাণে জিলিকাই তুলিছিল।

এই সময়ৰ পিচৰ পৰা এই মহান পুৰুষে যিবিলাক পাণ্ডিত্যপূৰ্ণ কাৰ্য্যত মনোনিবেশ কৰি লিপ্ত হৈ আছে আৰু লগতে বাইবলৰ আৰু সাহিত্যৰ উপকাৰ কৰি আহিছে তাৰ বাবে তেখেতে শিক্ষিত সমাজত আৰু বেছি সন্মান লাভ কৰা উচিত। মোৰ বিশ্বাস মই যদি তেখেতক অহা সমাবৰ্ত্তনত Doctor of Civil Laws উপাধি চনদৰ দ্বাৰা দিবলৈ প্ৰস্তাৱ জনাওঁ তেন্তে মই গোটেই বিশ্ববিদ্যালয়ৰ ইচ্ছা আৰু অনুভূতি অনুসৰিহে কাম কৰা হ'ব। আৰু সেইটো মই আনন্দেৰেহে কৰিছোঁ।

ডাউনিং ষ্ট্ৰীট, মাৰ্চ, ২৩ ১৭৭৫।   আপোনালোকৰ বন্ধু আৰু একান্তবাধ্য

"নৰ্থ"

৮২

সু-প্ৰচেষ্টা (১৭৭৫)

পধুলি মই পূৰ্বৰ বন্দোবস্ত অনুযায়ী তেখেতৰ তালৈ গৈছিলোঁ। আমি মিষ্টেছ উইলিয়ামছৰ সৈতে চাহ-জহ খালোঁ। তেখেতে মোক কলে যে তেখেতে এজন ভদ্ৰলোকৰ সৈতে কথা-বতৰা হৈছিল আৰু সেই কথা-বতৰা বেছিৰ ভাগেই হৈছিল ভদ্ৰলোকজনৰ নানান আচৰিত ভ্ৰমণ সম্পৰ্কে। মই দেখিলোঁ তেখেতে যেন সেই ভদ্ৰলোকৰ কথা পূৰ্ণ মনোযোগ দি শুনা নাছিল। সেইদৰে নুতনিলে পৰ্য্যটক সকলৰ লগত কথা পাতি বিশেষ ফুৰ্ত্তি পোৱা নেযায়। জনছনৰ দৰে এজন সফল চৰিত্ৰ বিচাৰকে তেখেতৰ সম্বন্ধে কি ধাৰণা কৰিছিল জানিবলৈ মই উৎসুক হলোঁ। বুজিলোঁ মানুহজন বিচাৰ-বুদ্ধি সম্পন্ন নাছিলনে?

জনছন—কথাটো হ'ল যে তেওঁ স্পষ্ট, বৰ্ণনা দিব নেজানে। মোৰ বোধেৰে তেওঁৰ বিচাৰ-বুদ্ধি কমো নহয়, বেচিও নহয়।

বছৱেল—কিন্তু তেওঁ যে দূৰ দেশবিলাকত ভ্ৰমণ কৰি ফুৰিছিল সেই-বাবে আপুনি তেওঁক অন্ততঃ স্ব-প্ৰচেষ্টাৰ গৌৰৱ কেৰাও নিদিবনে?

জনছন—এইটো এটা বেলেগ কথা হ'ল। আমি তো বিচাৰ-বুদ্ধিৰ কথাহে কৈছোঁ। এটা খুঁজাৰু কুকুৰাবো দেখোন স্ব-প্ৰচেষ্টা এটা থাকে!

৮৩

ভ্ৰমণ কাহিনী (১৭৭৫)

এপ্ৰিলৰ ৭ তাৰিখ শুকুৰবাৰৰ দিনা মই তেখেতৰ সৈতে এটা ভোজনা-লয়ত আন বহুতো মানুহৰ লগত খোৱা-বোৱা কৰিছিলোঁ। জনছনে কৈছিল, "মই টুইছৰ (Twiss) অলপতে ওলোৱা *Travels in Spain* খন চকু ফুৰাই চাইছিলোঁ। কিতাপখন আন যিকোনো ভ্ৰমণ কাহিনীৰ নিচিনাই; মানে কীজলাৰ (Keysler) বা ব্লেনভিল (Blainville), আনকি এডিছনৰ পাণ্ডিত্যখিনি যদি বাদ দিয়া তেন্তে তেখেতৰ কিতাপৰ লগতো বিজাব পাৰি। ব্ৰিড'নৰ (Brydone) কিতাপৰ সমান ভাল নহয় কিন্তু প'কক্‌ৰ (Pococke) খনতকৈ ভাল। মই অৱশ্যে এতিয়াও পাতবিলাক কটা নাই, কিন্তু মোৰ বোধেৰে বন্ধ পৃষ্ঠাবিলাকত যিখিনি আছে, সেইখিনি খোলা পৃষ্ঠাত থকাখিনিতকৈ বেয়া নহয়।"

৮৪

স্কটলেণ্ডৰ শিক্ষা (১৭৭৫)

তেখেতে স্কটলেণ্ডত শিক্ষাৰ অভাৱ সম্পৰ্কে তেখেতৰ নিজা মত সমৰ্থন কৰিলে আৰু সেই বিষয়ে তেখেতৰ বুদ্ধিদীপ্ত মতটোৰে পুনৰুক্তি কৰিলে, "তেওঁলোকৰ শিক্ষা হৈছে এখন অৱৰুদ্ধ চহৰত কটিৰ নিচিনা; প্ৰত্যেকে অকণ অকণ পায়, কিন্তু কোনেও পেট ভৰাই খাবলৈ নেপায়।" তেখেতে আৰু কৈছিল, "স্কটলেণ্ডত শিক্ষাৰ প্ৰসাৰ যথেষ্ট। পিছে অকণমান শিক্ষা বহুত আৰু পাতলকৈ মেলি দিয়া হৈছে। সেই দেশত দোকানী এজনে আমাৰ তেনেকুৱা বিজনখিনি শিক্ষা পায়, গীৰ্জাৰ পুৰোহিত এজনেও সিমানেই পায়।

৮৫
স্কচ পিঠা (১৭৭৫)

বহুৰেললৈ চিঠি—

বিছেছ বহুৰেলক মোৰ ওলগ জনাবা, যদিও তেখেতে মোক ভাল নেপায়। মহিলাসকলে কি দৰে ইচ্ছা কৰি ভুল কৰে সেইটো তুমি দেখিছাই! তেওঁলোকক দায়িত্ব দিয়াও টান। তেখেতে যেতিয়া নিজকে শুধৰাব আৰু মোকো ভাল পাব তেতিয়াহে তেখেতৰ ছোৱালী কেজনীৰ বাবে কিছু বেছি আশা হ'ব।

মই বন্ধুসকলক নাম ধৰি ধৰি ওলগ নজনাওঁ বুলি ভাবিছোঁ কাৰণ তেওঁবিলাকৰ মাজত কোনোবা এৰাই গ'লে মই দুখ পাম। তেওঁলোকক লগ পালে তুমি বুজাই কবা মই স্কচ বিনয়, স্কচ আতিথ্য, স্কচ সৌন্দৰ্য্য আদি কৰি সকলো স্কচ বস্তুৰেই কিমান প্ৰশংসা কৰোঁ, কেৱল স্কচ ওটৰ পিঠা আৰু স্কচ কুসংস্কাৰৰ বাহিৰে।

৮৬
এয়েই জীৱন (১৭৭৫)

বহুৰেললৈ চিঠি :

প্ৰিয় বহুৰেল, মই মধ্য কাউন্টিবোৰলৈ মোৰ বছেৰেকীয়া ভ্ৰমণৰ পৰা ঘূৰি আহিলোঁ। আগতে নেদেখা নতুন একো নেদেখিলোঁৱেই, এতেকে কবলৈকো একো নাই। আমাৰ দ্বীপটোৰ সেই অংশটোত সময়ে অতীতৰ চিন খুব কমেই এৰি থৈ গৈছে, আৰু ব্যৱসায় বাণিজ্যই মানুহৰ মাজতো বিশেষৰ নাইকিয়া কৰি পেলাইছে। মই ওলাই যাবলৈকো ভাল পাইছিলোঁ আৰু ঘৰলৈ ঘূৰি আহিও ভাল লাগিল; আন কথাৰে কবলৈ হলে, মোৰ ভয় হয় যে, মই ঘৰত থাকিও ভাগৰি গৈছিলোঁ আৰু বাহিৰত থাকিও ভাগৰি গৈছিলোঁ। এয়েই জীৱন নহয় নে? কিন্তু এই ভাগৰ আমি স্বীকাৰ হে কৰিব লাগে, তাৰ বাবে আক্ষেপ কৰিব নেলাগে। কাৰণ সকলো জ্ঞানী মানুহ আৰু সকলো ভাল মানুহে কয়, আমি তাক নোয়োৱা কৰিব পাৰোঁ।

৮৭
উদ্বেগ আৰু চিন্তাকুলতা (১৭৭৬)

মানুহৰ মনত থকা স্বাভাৱিক উদ্বেগ সম্পৰ্কে তেখেতে কৈছিল, "যি মানুহৰ এই ৰোগ আছে তেওঁ সদায় দুশ্চিন্তাক দূৰ কৰিয়ে ৰাখিব লাগে, সেইবোৰৰ লগত যুঁজ কৰিব নেলাগে।"

বছৱেল—তেওঁ সেইবিলাক চিন্তাৰ সহায়ত দূৰ কৰিব নোৱাৰেনে বাৰু ?

জনছন—নহয় ডাঙৰীয়া। সেই চেষ্টা কৰাটো বলিয়ালি। তেওঁ গোটা কোঠাত গোটেই ৰাতি এটা লেম্প জ্বলাই ৰখা উচিত। যদি চিন্তাত গাৰ পাই উঠে, তেন্তে কিতাপ এখন লৈ পঢ়ি পঢ়ি নিজক শান্ত কৰি জিৰণি লব। মনক সংযত কৰি চলাব পৰাটো এটা ডাঙৰ কলা, অভিজ্ঞতা আৰু অভ্যাসৰ দ্বাৰা ইয়াক বহুল পৰিমাণে আয়ত্ত কৰিব পাৰি।

বছৱেল—তেওঁ নিজৰ বাবে কিছু আমোদৰ ব্যৱস্থা কৰিলে বেয়া হবনে? ধৰক (ইচ্ছা কৰে যদি) কেমিষ্ট্ৰী (ৰসায়ন শাস্ত্ৰ) পঢ়িবলৈ ধৰিলে অন্যায় হব জানো ?

জনছন—পঢ়িব পাৰে। কেমিষ্ট্ৰীয়েই পঢ়ক বা ৰছীৰ নাচেই শিকক নাইবা সেই সময়ত আন যি কৰিব খোজে তাকেই কৰিব পাৰে। মনৰ জিৰণিৰ বাবে যিমান আশ্ৰমধৰ্মীৰ ব্যৱস্থা কৰিব পাৰে, যিমান বেলেগ বেলেগ ঠাইত মনটোৰে নিজৰ পৰা আঁতৰি থাকিব পাৰে তাক কৰা উচিত। বাৰ্টনৰ *Anatomy of Melancholy* এখন মূল্যবান পুথি। উৰ্দ্ধৃতি বোধ হয় অলপ বেছি আছে, কিন্তু বাৰ্টনে নিজৰ মনৰ পৰা যিখিনি লিখিছে সেইখিনি অতি তেজী আৰু শক্তিশালী।

৮৮

জ্ঞান বঢ়োৱা (১৭৭৬)

মি: বাৰ্টন কামত ব্যস্ত হৈ থকাৰ বাবে ভোজনালয়ত আমাৰ লগত নিশাৰ আহাৰ খাবলৈ আহিব নোৱাৰিলে, এতেকে আমি আৰু এটা সন্ধ্যা একেলগে কটাবলৈ পালোঁ। মই জনছনক সুধিলোঁ, এজন মানুহে যদি নিজকে ডাঙৰ ডাঙৰ মানুহৰ লগত পৰিচিত কৰিবৰ বাবে আগ বাঢ়ি বাঢ়ি যায়, জীৱনৰ সকলোকালৰ পৰাই দেখে, আৰু যিমানখিনি সম্ভৱ জ্ঞান আৰু বা-বাতৰিও আহৰণ কৰে, তেনেস্থলতো তেওঁ সেই অভ্যাসৰ দ্বাৰাই নিজক সভ্য কৰি লেপেলাবনে? জনছনে উত্তৰ দিলে, "নহয় ডাঙৰীয়া, মানুহে যিমানেই জ্ঞান আহৰণ কৰে সিমানেই নিজক ডাঙৰ যে কৰে।"

৮৯

বিবাহ (১৭৭৬)

বছৱেল—বাৰু ডাঙৰীয়া, এজন মানুহে এজনী বিশেষ মানুহৰ লগত যিমান সুখী হ'ব পাৰে ঠিক তেনেকুৱাকৈয়ে তেখেতক সুখী কৰিব পাৰি

তিবোতা পৃথিবীখনত অন্ততঃ পঞ্চাছ গৰাকী নোলাবনে ?

জনছন—ওলাব। পঞ্চাছ হেজাৰ ওলাব।

বছৱেল—তেন্তে ডাঙৰীয়া, কিছুমান মানুহে যে কয় একোজন পুৰুষ আৰু একোগৰাকী তিবোতা ইজন সিজনৰ বাবে বিশেষভাৱে সৃষ্ট হয় আৰু ইজনে সিজনক নেপালে সুখী হ'ব নোৱাৰে, আপুনি সেই মতত বিশ্বাস নকৰে।

জনছন—নিশ্চয় নকৰোঁ। মোৰ বিশ্বাস, এতিয়া বিয়াবিলাক যিমান সফল হয়, সিমানেই, বৰং তাতোকৈ বেছি—সফল হ'ব পাৰে, যদি চৰিত্র আৰু অৱস্থাৰ ফাললৈ দৃষ্টি ৰাখি লর্ড চেন্সেলাৰে বিয়াবোৰ পাতি দিয়ে আৰু বিবাহ-বন্ধনত আৱদ্ধ হোৱা সকলক কোনো মাত মাতিবলৈ সুবিধা নিদিয়ে।

৯০
সৈনিকৰ চৰিত্র (১৭৭৬)

জনছন—সৈনিকৰ চৰিত্র অতি ওখ থাপৰ। যিসকলে বিপদৰ সময়ত বাইজৰ সপক্ষে সন্মুখত থিয় হয় তেওঁলোক সকলোৰে সন্মানাৰ্হ। এজন সৈনিক বিষয়াক তেওঁৰ সমানে ধনী আৰু এজন লোকতকৈ মানুহে বেছি সন্মান কৰে। ব্যৱসায়ী দেশ এখনত টকাই সদায় সন্মান কিনে, কিন্তু তুমি দেখিবা যে এজন সেনাবাহিনীৰ বিষয়াক, যদিও প্ৰকৃতপক্ষে তেওঁৰ টকা-পইচা নায়েই, সকলো ঠাইত স্বাগত কৰা হয় আৰু সম্ভ্ৰমেৰে ব্যৱহাৰ কৰা হয়। সৈনিকৰ চৰিত্ৰই তেওঁক সদায় সাহায্য কৰে।

বছৱেল—কিন্তু ডাঙৰীয়া, সাধাৰণ সৈনিক সকলক একে শাৰীৰ আন মানুহতকৈ, ধৰক সাধাৰণ মজদুৰ বোৰতকৈ, বেয়া বুলিহে ভবা হয়।

জনছন—কথাটো হল যে সাধাৰণ সৈনিক বিলাক আচলতে অতি জঘন্য মানুহ। সিহঁতৰ সন্মান আনিব পৰা সদ্‌গুণবোৰো জঘন্যতাই ঢাকি পেলায়। এজন শিক্ষিত মানুহো এনে বিক্ৰপযোগ্য হ'ব পাৰে যে তুমি তেওঁক সন্মান কৰিব নোৱাৰা। তদুপৰি এজন সাধাৰণ সৈনিকে যিমান পইচা দিব পাৰে তাতকৈ বেছিকৈ খায়। তথাপি এজন সাধাৰণ সৈনিক যেতিয়া নিজৰ ঠাইত ভৰা-পৰা হৈ থাকে তেতিয়া তেওঁৰ ৰঙা কোটটোৱে কিছু পৰিমাণে সন্মান আনে।

৯১
জীৱনো শিখা (১৭৭৬)

আৰু পিচত আমি ট্ৰিনিটি কলেজলৈ গলোঁ। তেখেতে আত লোক মিঃ টমাছ ৱাৰ্টনৰ সৈতে চিনাকি কৰি দিলে আৰু সন্ধিয়াৰ এটা অংশ আমি

তেওঁৰ লগতে কটালোঁ। আমি জীৱনী লিখাৰ কথা পাতিছিলোঁ। জনছনে কলে, "এইবোৰ কেতিয়াবাহে সুলিখিত হয়। যিসকলে এজন মানুহৰ লগত সদায় বাস কৰে, প্ৰকৃততে তেওঁলোকেহে শুদ্ধকৈ আৰু সমুচিত বিচাৰ কৰি মানুহজনৰ জীৱনী লিখিব পাৰে, আকৌ এজন মানুহৰ লগত বাস কৰা খুব কম মানুহে হে সেইজনৰ সম্বন্ধে কি কব লাগে তাক জানে। এজন স্বৰ্গীয় বিশ্বপৰ লগত কাম কৰা পালি পুৰোহিত এজনক মই সেই বিশ্বপৰ স্মৃতি-কথা লিখাত সহায় কৰিব লগীয়া হৈছিল, কিন্তু তেওঁ বিশ্বপৰ সম্বন্ধে মোক আৱশ্যকীয় একো কথাই কব নোৱাৰিলে।"

৯২

ভোজনালয় (১৭৭৬)

ছাৰ জন হকিন্সে তেওঁৰ 'সৌৰৱণ' খনিত জনছন সম্বন্ধে অতি কম কথাহে লিখি থৈ গৈছে। কিন্তু তেখেতৰ বৃহৎ কিতাপখনৰ ৮৭ পৃষ্ঠাত এই বিষয়ে এটা ধুনীয়া কথা পোৱা যায়। তেখেতে কৈছে—

যি সকলে নৰা-তিৰোতা লৈ আনন্দেৰে সাংসাৰিক জীৱন উপভোগ কৰে জনছনক মই তেওঁলোকৰ মতৰ বিপৰীতে ভোজনালয়বোৰৰ আনন্দ শ্ৰেষ্ঠতৰ বুলি মত প্ৰকাশ কৰা শুনিছোঁ। তেখেতক কোৱা শুনিছোঁ যে ভোজনালয়ৰ চকী একোখন মানৱীয় আনন্দৰ সিংহাসন। তেখেতে কৈছিল, "যেতিয়াই মই এটা ভোজনালয়ৰ ভিতৰ সোমাওঁ তেতিয়াই চিন্তা ভাৱনা নাইকিয়া হোৱা আৰু মানুহৰ আমনিৰ পৰা মুক্ত হোৱা যেন অনুভৱ কৰোঁ। যেতিয়া যহঁৰৈগে তেতিয়া দেখা পাওঁ দোকানৰ মালিকজন অতি ভদ্ৰ আৰু চাকৰবোৰো মোৰ আদেশ পালিবলৈ উদ্‌গ্ৰীৱ। সিহঁতে মোৰ কি আৱশ্যক জানিবলৈ আৰু লগা বস্তু আনি দিবলৈ ব্যগ্ৰ হৈ থাকে। এনে ঠাইত মদ খালে মোৰ মনত স্ফূৰ্ত্তি আহে আৰু মই যিসকলক ভাল পাওঁ তেওঁলোকৰ লগত কথা পাতিবলৈ বা আলোচনা কৰিবলৈ ইচ্ছা জাগে। মই কুতৰ্ক কৰোঁ আৰু মানুহে মোৰ কথাৰ বিৰোধিতা কৰে, আৰু এই ভাৱ আৰু মতামতৰ সংঘাতত মই আনন্দ পাওঁ।

৯৩

বিবাহ (১৭৭৬)

খেদ-বিবাহৰ সম্বন্ধে তেখেতে কৈছিল, "কিছুমান মানুহৰ মতে, আৰু মই চিন্তাশীল মানুহৰ কথাই কৈছোঁ, এনেকুৱা চিন্তাবোৰ মনলৈ নাহেই।

ছাৰ যশ্বোৱা ৰেণল্ডছ্‌ গোটেই বছৰ একেই থাকে, যোজ্ঞাৰ্কো যেনাৰ আজাৰ নহলে তেনেকুৱাই। কিন্তু বেছিৰ ভাগ মানুহৰ মনলৈকে এইবোৰ চিন্তা আহে, তেওঁলোকে যিমানখিনি সহ্য কৰিব পাৰে সিমানখিনিলৈকে। মই যদি গাঁৱত থাকিলোঁহেঁতেন আৰু এই চিন্তাৰ অন্তৰত ভুগিলোঁহেঁতেন তেন্তে মই নিজকে কিতাপ এখন পঢ়িবলৈ বাধ্য কৰিলোঁহেঁতেন আৰু যেতিয়াই সেইটো কৰোঁ। মোৰ মনৰ বিষাদ পাতলিলহেঁতেন। মনৰ খেদ আৰু বিষাদ, কেৱল মদ খোৱাৰ বাহিৰে আন সকলো উপায়ে দূৰ কৰা উচিত।"

৯৪
ওমাই (১৭৭৬)

ওমাই (Omai) আছিল এজন দক্ষিণ সাগৰীয় দ্বীপপুঞ্জৰ (South Sea Islands) মানুহ। তেওঁ কিছুদিন এই দেশত থকাৰ পিচত জনছনৰ লগত সাক্ষাৎ হয়। জনছনে তেওঁৰ ব্যৱহাৰৰ ভদ্ৰতা দেখি আচৰিত হৈছিল আৰু তাৰ কাৰণটো দিছিল এনেদৰে: "তেওঁ ইংলেণ্ডত নিশ্চয় অতি ভদ্ৰ-সমাজত সময় কটাইছে। সেই বাবেই তেওঁ আমাৰ ব্যৱহাৰৰ সৰ্বোত্তমখিনি ভদ্ৰতা গ্ৰহণ কৰিব পাৰিছে। তাৰ প্ৰমাণ স্বৰূপে কওঁ, তেওঁ আৰু মালগ্ৰেভে এদিন ষ্ট্ৰীটহামত খোৱা-বোৱা কৰিছিল। তেওঁলোকে পোহৰৰ ফালে পিঠি দি মোৰ সন্মুখত বহিছিল, এতেকে মই কাকো পৰিষ্কাৰকৈ দেখা নাছিলোঁ। সেই সময়ত ওমাইক আৰু অসভ্য (savage) বুলি চিনা নগৈছিল, আনকি, মই ইজনক সিজন বুলি ভুল কৰাৰ ভয়ত কথাই কবলৈ সাহ কৰিব পৰা নাছিলোঁ।"

৯৫
খণ্ডিত সংস্কৰণ (১৭৭৬)

মিঃ মেকিয়ে উল্লেখ কৰিছে যে ডঃ জনছনৰ Cowley ৰ কবিতাৰ এটি সংস্কৰণ উলিওৱাৰ এটি পৰিকল্পনা আছিল। জনছনে কৈছিল যে প্ৰকাশ কৰিব যে নকৰে সেইটো তেখেতে ঠিক কৰ নোৱাৰে। ডঃ হাৰ্ডে Select Works of Abraham Cowley নামে এটা খণ্ডিত সংস্কৰণ প্ৰকাশ কৰাটোও তেখেতে পছন্দ কৰা নাছিল। মিঃ মাকিয়ে এইটো এটা বেয়া আৰ্হি বুলি ভাবিছিল আৰু কৈছিল যে তেতিয়া হলে মানুহে যি কোনো লিখকক এইদৰে ব্যৱহাৰ কৰিব। তদুপৰি এজন লিখকৰ বিভিন্ন সময়ৰ

বিভিন্ন প্ৰকাৰৰ লেখা দেখিবলৈ পোৱাটো আনন্দজনক।

আমি Flatman অৰ কবিতা আলোচনা কৰিলোঁ। মিছেছ্ থ্ৰেইলে কলে যে পোপে তেখেতৰ *The Dying Christian to his Soul* কবিতাত ফ্লেটমেনৰ পৰা ধাৰ কৰিছে। জনছনে Rochester এ ফ্লেটমেনৰ ওপৰত লিখা কবিতা কেইশাৰীমান আবৃত্তি কৰিলে।

Nor that slow drudge in swift Pindaric strains,
Flatman, who Cowley imitates with pains,
And rides a jaded Muse, whipt with loose reins

মই হলে কবিতা কেইফাঁকি বৰ বেচি চোকা যেন পালোঁ।

মই জনছনে নুখৰ গোৱা কবিতাবোৰ শুনিবলৈ ভাল পাওঁ। তেখেতে গাইছে বুলিয়েই যেন সেইবোৰত এটা বিশেষ মূল্য আৰোপ কৰা হয়।

৯৬
ভূমধ্য সাগৰ (১৭৭৬)

তেখেতৰ মনত সদায় ইটালি ভ্ৰমণ কৰিবৰ এটা ইচ্ছা আছিল। তেখেতে কৈছিল, "যি এবাৰ ইটালিলৈ যোৱা নাই তেওঁ, এজন মানুহে সাধাৰণতে কিখিনি দেখিছে বুলি আশা কৰা হয় সেইখিনি নেদেখাৰ বাবে সদায় মনত এটা সংকোচৰ ভাৱ লৈ থাকিবলগীয়া হয়। এই ভ্ৰমণৰ সুন্দৰ উদ্দেশ্য হ'ল ভূমধ্যসাগৰৰ পাৰবিলাক দেখা। এই পাৰবিলাকতে জগতৰ চাৰিখন শ্ৰেষ্ঠ সাম্ৰাজ্য আছিল, এছিৰীয়, পাৰ্চীয়, গ্ৰীক আৰু ৰোমান সাম্ৰাজ্য। আমাৰ এটাইবিলাক ধৰ্ম আৰু প্ৰায় সকলোবোৰ আইন, আমাৰ সকলো সুকুমাৰ কলা, আনকি যিবোৰে আমাক অসভ্যসকলৰ পৰা বেলেগাই ৰাখিছে সেই সকলোবোৰেই ভূমধ্য সাগৰৰ পাৰৰ পৰা আমাৰ ওচৰলৈ আহিছে। জেনেৰেলে (পাওলি) কৈছিল যে The Mediterranean কবিতাৰ এটি সুন্দৰ বিষয় হ'ব।"

৯৭
অনুবাদ (১৭৭৬)

আমি অনুবাদৰ বিষয়ে কথা পাতিছিলোঁ। মই কলোঁ, 'মই ঠিক বৰ্ণনা দিব নোৱাৰোঁ। আৰু বুজাবৰ বাবে খাপ খাই যোৱা উদাহৰণো দিব নোৱাৰোঁ। কিন্তু মোৰ এনেহে লাগে যেন কবিতাৰ অনুবাদ ঠিক অনুবাদ নহয়, অনুকৰণ।'

জনছন—তুমি বিজ্ঞানৰ কিতাপ সঠিকভাৱে অনুবাদ কৰিব পাৰা, আনকি বুৰঞ্জীও কৰিব পাৰা, যিমানলৈকে সি বাংমীতাৰে অলঙ্কৃত অৰ্থাৎ কবিতা-ময় নহয়। কবিতা বাস্তৱিকতে অনুবাদ কৰিব নোৱাৰি। সেইবাবেই কবি সকলেহে ভাষা প্ৰকৃততে ৰক্ষা কৰে। কাৰণ এটা ভাষাত লিখা সকলো-খিনি কথা যদি আমি অনুবাদতে পঢ়িবলৈ পাওঁ তেন্তে ভাষাটো শিকিবৰ কষ্টকেৰা আমি স্বীকাৰ নকৰোঁ। কিন্তু যিহেতু কবিতাৰ সৌন্দৰ্য্য প্ৰথমে যি ভাষাত তাক লিখা হৈছিল তাৰ বাহিৰে অন্য ভাষাত ৰক্ষা কৰিব নোৱাৰি সেইবাবে আমি (মূলৰ) ভাষাটো শিকোঁ।

৯৮
কবিতা (১৭৭৬)

মই ১৭৬২ চনৰ পৰা এটা কওঁ। সেই বছৰ এদিন ৰবাৰ্ট ডড্‌ছলী, গ'ল্ডস্মিথ আৰু মই টম ডেভিচৰ ভোজনালয়ত খোৱাবোৱা কৰি আছিলোঁ। গ'ল্ডস্মিথে ন-দি কলে যে এই যুগত কবিতা (প্ৰকৃত অখণ্ড) ওলোৱাই নাই। ডড্‌ছলীয়ে তেওঁৰ নিজৰ সংগ্ৰহটোলৈ দৃষ্টি আকৰ্ষণ কৰিলে আৰু কলে যে গ'ল্ডস্মিথে ড্ৰাইডেনৰ *Ode on St. Cecilio's Day* ৰ নিচিনা ৰাজ কাৰেং এটা হয়তো নেপাব পাৰে, কিন্তু ধুনীয়া সৰু সৰু ঘৰেৰে সজোৱা গাওঁ নিশ্চয় পাব। উদাহৰণ স্বৰূপে তেখেতে *Spleen* অলৈ দৃষ্টি আক-ৰ্ষণ কৰিলে।

গল্পটো শুনি জনছনে কলে, "মোৰ বোধেৰে ডড্‌ছলীয়ে প্ৰশ্নটোৰ উত্তৰ নিদি এৰিহে দিলে। গ'ল্ডস্মিথ আৰু তেওঁ একেটা কথাকে কৈছিল, কেৱল তেওঁ গ'ল্ডস্মিথতকৈ অলপ কোমল ভাষাত কৈছিল, কাৰণ তেওঁ স্বীকাৰ কৰিছিল যে কবিতা (অৰ্থাৎ সাধাৰণতকৈ ওখ খাপৰ কবিতা) নাছিল। তুমি কবিতাত বুদ্ধি আৰু ধেমালিৰ খেলা দেখিব পাবা কিন্তু কবিতা নেদেখিবও পাৰা। *Hudibras* ত তুমি সেইবোৰ বহুতো পাবা কিন্তু তথাপি তাক কবিতা বুলিব নোৱাৰি। ডড্‌ছলীৰ সংগ্ৰহত *The Spleen* (যিটোৰ ওপৰত তেওঁ জোৰ দিছিল বুলি কৈছা সেইটো) কবিতাই নহয়।"

বছৱেল—ডাক্তৰীয়া! শ্ৰেষ্ঠ কবিতা সাধাৰণতকৈ ওখ খাপৰ নহয় জানো?

জনছন—হয়! কিন্তু সাধাৰণ মানুহে যিটো কৰিব বুলিলেও কৰিব নোৱাৰে আৰু যিটো সকলো মানুহেই ইচ্ছা কৰিলেই কৰিব পাৰে এই দুটাৰ মাজত আমি এটা পাৰ্থক্য ৰাখিবই লাগিব। Sixteen-string Jack

সাধাৰণতঃকৈ ওপৰ খাপৰ মানুহ আছিল।

বছ্‌বেল—তেন্তে ডাঙৰীয়া, কবিতা নো কি?

জনছন—কবিতা যে কি নহয় সেইটো কোৱা হে বেছি সহজ। আমি সকলোৱে জানো পোহৰ কি, কিন্তু সিনো কি তাক বুজাই কোৱা সহজ নহয়।

৯৯

ৰুচি অনুসৰি পঢ়া (১৭৭৬)

তেখেতে আমাক কৈছিল যে তেখেতৰ *Rambler* অৰ প্ৰায় সকলো-খিনি লেখা ছপাখানাৰ প্ৰয়োজন অনুসৰি লিখি লিখি দি থাকিছিল। এখন ৰচনাৰ এডোখৰ হয়তো দি পঠাগ আৰু সেইখিনি ছপা হৈ থাকোঁতেই বাকীখিনি লিখে। আৱশ্যক যেতিয়া হয়, আৰু তেখেতে স্থিৰ মনে লিখিবলৈ বহি যায়, তেতিয়া কামটো যে হবই সেই সম্পৰ্কে তেখেত নিশ্চিত আছিল।

তেখেতে কৈছিল যে সাধাৰণ মানসিক উৎকৰ্ষতাৰ কাৰণে মানুহে যিহকে পঢ়িবলৈ মন যায় তাকে পঢ়িব লাগে, অৱশ্যে বিজ্ঞান শিকিবলৈ হলে তেওঁ ধীৰ স্থিৰ ভাৱে আৰু নিয়মীয়াকৈ আগবাঢ়ি যাব লাগিব। তেখেতে লগতে যোগ দিছিল, যিবিলাক কথা আমি পঢ়িবলৈ মন যোৱা কাৰণেই পঢ়ো সেইবিলাক কথাই আমাৰ মনত গভীৰ ভাৱে সাঁচ কাটি যায়। ইচ্ছা নথকাকৈ পঢ়িবলৈ গ'লে আধাখিনি মন পঢ়াত ধ্যান আনিবলৈ চেষ্টা কৰোঁতেই যায় আৰু বাকী আধাখিনিহে যি পঢ়ো তাক বুজাত লগাব পাৰি। তেখেতে কৈছিল যে তেখেতে ফিল্‌ডিঙৰ *Amelia* খন অকণো নোৰোৱাকৈ পঢ়ি শেষ কৰিছিল। তেখেতৰ মতে কোনোবাই যদি কিতাপ এখন মাজ ভাগৰ পৰা পঢ়িবলৈ আৰম্ভ কৰে আৰু পঢ়িয়েই যাবৰ ইচ্ছা কৰে তেন্তে তেওঁক পঢ়া বন্ধ কৰি পুনৰ আগফালৰ পৰা আৰম্ভ কৰিবলৈ কোৱা অনুচিত। হয়তো তেওঁৰ পুনৰ সেই আগৰ পঢ়িবৰ ইচ্ছা নাহিবও পাৰে।

১০০

চেটাৰটন (১৭৭৬)

এপ্ৰিলৰ ২৯ তাৰিখ, সোমবাৰে তেখেত আৰু মই ব্ৰিষ্টলৈ ফুৰিবলৈ গৈছিলোঁ। মই আনন্দ পালোঁ, তেখেতক Rowley কবিতাসমূহৰ লিখকৰ

সত্যতা সম্বন্ধে অকুস্থানত অনুসন্ধান কৰা দেখি। এইদৰেই তেখেতক অকুস্থানত অ'ছিয়ানৰ কবিতা সম্বন্ধে অনুসন্ধান কৰা দেখিছিলোঁ। অছিয়ানৰ বেলিকা ডঃ হিউ ব্লেয়াৰ যেনে উৎসাহী আছিল Rowley কবিতাসমূহৰ বেলিকা পিউটাৰৰ সাজ-বাচনৰ ব্যৱসায়ী জৰ্জ কেট্‌কটো তেনেকুৱাই আছিল (আশা কৰোঁ মোৰ ধৰ্মযাজক বন্ধুৱে তুলনাটো ক্ষমা কৰিব)। কেট্‌কট্ (Catcot) আমাৰ অতিথিশালালৈ আহি সবল প্ৰাণৱন্ত ভাষাৰে কৈ উঠিল, "ডঃ জনছনক মই বিশ্বাস কৰাবেই।" কেট্‌কটৰ অনুৰোধমতে ডঃ জনছনে চেটাৰটনৰ কবিতা কিছুমান ডাঙৰ মাতেৰে পঢ়িবলৈ ধৰিলে। কেট্‌কটে নিজৰ চকীখনৰ পিচফালে থিয় হৈ মুখটো যথাৰ পেণ্ডুলামৰ নিচিনাকৈ লৰাই, ভৰিৰে তাল দিয়ে, আৰু মাজে মাজে ডঃ জনছনৰ মুখলৈ চাই ভাবে, ইয়াৰ পৰে মানুহজনৰ বিশ্বাস হোৱা নাই কিয়? আমি ছাৰ্জন ডাঃ বেৰেটৰ তালৈ গৈ কিছুমান তথাকথিত "মূল কবিতা"ও পৰীক্ষা কৰিছিলোঁ, কিন্তু সেইবোৰো অতি কেঁচা হাতৰ তৈয়াৰী। সেইবিলাক ভালকৈ পৰীক্ষা কৰি থাকি যি অৱস্থাত সেইবোৰ পোৱা গৈছিল সেইবিলাক বিবেচনা কৰি জুৱাচুৰি সম্বন্ধে আমি সম্পূৰ্ণ নিশ্চিত হলোঁ। প্ৰকৃততে তিতাকৰা পৰীক্ষাৰ পৰা কেইজনো বিশেষজ্ঞইও ভাল কৰা সম্বন্ধে নিসন্দেহ।

জনছনে চেটাৰটনৰ বিষয়ে কৈছিল, "এইটো তো এটা অদ্ভুত ডেকা দেখিলোঁ মই। এইটোৱে যে কেনেকৈ এইবোৰ লিখিব পাৰিছিল ভাবি আচৰিত হ'ব লাগে।"

১০১
জনজন আৰু উইলকিছ (১৭৭৬)

এতিয়া মই ডঃ জনছনৰ জীৱনৰ এটা বিশেষ ঘটনাৰ উল্লেখ কৰিম। ঘটনাটোত মোৰো এটা ডাঙৰ অংশ আছিল আৰু মোৰ বিশ্বাস, উদাৰ মনা সকলৰ চকুত ই নিশ্চয় জনছনৰ গৌৰৱ বঢ়াব।

সকলো প্ৰকাৰৰ বিখ্যাত মানুহৰ লগত চিনাকি হোৱাটো মোৰ এটা নিছা আছিল আৰু ইয়াৰ বশৱৰ্তী হৈ মই প্ৰায় একে সময়তে ডঃ জনছন আৰু জন উইলকিছৰ (Wilkes) লগতে পৰিচিত হবৰ বাবে চিঠি যোগাৰ কৰিছিলোঁ। এনেকুৱা দুজন বিভিন্ন চৰিত্ৰৰ মানুহ যোৰ কৰা কিমান টানিজা কঠিন। তেওঁলোকে নিজৰ নিজৰ কেইজন ইজনে সিজনক তীব্ৰভাৱে আক্ৰমণো কৰিছিল, কিন্তু মই হলে দুয়োজনৰ কাষত থেকে বন্ধুত্বকেই

কাল কটাইছিলোঁ। মই দুয়োজনৰে সদ্‌গুণ বিলাকত আনন্দ লাভ কৰিবলৈ সক্ষম হৈছিলো, কাৰণ মানুহে যি মানসিক শক্তিৰে এজন মানুহৰ বদ্‌গুণ-বিলাক সদ্‌গুণবিলাকৰ পৰা বেলেগাই চাবলৈ সমৰ্থ হয় তেনেকুৱা মানসিক শক্তি মোৰ আছিল।

ছাৰ জন প্ৰিঙ্গ্‌ল্ (Pringle) মোৰ আৰু মোৰ দেউতা দুয়োজনাৰে বন্ধু আছিল। মই বহুত দিন চেষ্টা কৰিছিলোঁ প্ৰিঙ্গ্‌ল্ আৰু ডঃ জনছনৰ মাজত বন্ধুতা পাতি দিবলৈ কাৰণ মই দুয়োকে সন্মান কৰিছিলোঁ আৰু দুয়োৰে লগত বন্ধুভাৱেই কাল কটাইছিলো। কিন্তু মিছা হল। ছাৰ জনে এদিন মোক বৰ সুন্দৰ যুক্তি এটা দেখুৱাই কৈছিল বন্ধুত্ব অঙ্কৰ নিচিনা নহয় যে দুটা বস্তু বেলেগে বেলেগে আন এটা বস্তুৰ সমান হলে বস্তু দুটা পৰস্পৰ সমান হ'ব। তুমি সাধাৰণভাৱে ডঃ জনছনৰ লগত মিলিব পাৰা আৰু সাধাৰণভাৱে মোৰ লগতো মিলিব পাৰা কিন্তু জনছন আৰু মোৰ মিলিবৰ যুক্তি ক'ত? ছাৰ জন বিশেষ কোমল হোৱা ধৰণৰ মানুহ নাছিল, আনহাতে জনছনো তেওঁৰ প্ৰতি সমানে বিৰূপ বুলি জানিছিলোঁ, এতেকে মই চেষ্টা এৰি দিলোঁ। নাজানো জনছনে—ছাৰ জন স্কচ্‌মেন হোৱা বাবেই যদি নহয় তেন্তে—তেওঁৰ সম্বন্ধে এনে এটা ভুল ধাৰণা গঢ়ি লৈছিল কিয়? কিন্তু মই মনতে এটা দৃঢ় ধাৰণা গঢ়ি লৈছিলোঁ সম্ভৱ হলে ডঃ জনছন আৰু মিঃ উইলকিছক একেলগ কৰিবলৈ। পিছে সেইটো কেনেকৈ কৰা যায় সেইটোহে হল বেছ কঠিন বিষয়।

মোৰ বন্ধু আৰু সুযোগ্য কিতাপৰ ব্যৱসায়ী, প'ল্‌ট্ৰিৰ (Poultry) মেছাৰ্ছ ডিলীয়ে মেই মাহৰ ১৫ তাৰিখৰ দিনা মোক মিঃ উইলকিছ আৰু আন কেইজনমান ভদ্ৰলোকৰ সৈতে দেখা কৰিবলৈ নিমন্ত্ৰণ কৰিছিল। এখেত সকলবেই আতিথ্যপূৰ্ণ আৰু খাদ্য-সম্ভাৰেৰে ভৰা মেজত মই, ছাৰ যশোৱা ৰেণল্ডছ্‌ৰ ঘৰৰ বাহিৰে, সকলোতকৈ বেছি সাহিত্যিক আৰু সাহিত্য ব্যৱসায়ীক লগ পাইছিলোঁ। মই কলোঁ, "ডঃ জনছনকো মতা যাওক।" এড্‌-ৱাৰ্ড্ ডিলীয়ে কলে, "কি? মিঃ উইলকিছ থকা সত্ত্বেও? অসম্ভৱ! ডঃ জনছনে মোক কেতিয়াও ক্ষমা নকৰে।"

মই—বেছ! মোক যদি কামটোৰ ভাৰ দিয়া তেন্তে মই সকলোখিনি ভালে ভালে কাটি যাব বুলি গাত ল'ব পাৰোঁ।

ডিলী—ঠিক আছে, তুমি যদি গাত লোৱা মই তেওঁলোক দুয়োকে ইয়াত দেখিলে বৰ ভাল পাম।

ডঃ জনছনৰ প্ৰতি যথেষ্ট শ্ৰদ্ধা থাকিলেও মোৰ জনা আছিল যে তেখেতে সময়ে সময়ে বিৰোধিতা কৰিবৰ বাবেই কোনো কোনো কাম কৰিছিল আৰু মই তেখেতৰ এই স্বভাৱটোকে কামত লগাই মোৰ কাৰ্য্য উদ্ধাৰ কৰিবলৈ মনতে পাঙিলোঁ। মই জানিছিলোঁ যে মই যদি পোনে পোনে তেওঁক প্ৰস্তাৱ দিওঁ, "ছাৰ, জেক উইলকিছৰ লগতে লগ হোৱা কৰিবনে?" তেওঁ হয়তো খঙত জলি-পকি উত্তৰ দিব, "কি? জেক উইলকিছৰ লগতে খানা? তাৰ সলনি মই জেক কেচৰ লগত একেলগে খাম।" সেই বাবেই মই এদিন গধূলি তেওঁৰে লগতে বহি থাকোঁতে এইদৰে কথা আৰম্ভ কৰিলোঁ, "ছাৰ, মিঃ ডিলীয়ে আপোনালৈ ওলগ জনাইছে আৰু মই যিহেতু স্কটলেণ্ডলৈ সোনকালেই যাব লাগিব সেইবাবে অহা বুধবাৰৰ দিনা নিশা মোৰ লগতে তেখেতৰ ঘৰত এসাঁজ খালে বৰ সুখী হ'ব।"

জনছন—মিঃ ডিলীৰ অনুগ্ৰহ। যাম বাৰু।

বছৱেল—বোধ হয় তেখেতৰ নিমন্ত্ৰিত সকল আপোনাৰ মনৰ জোখাৰে হলেহে, নহয় জানো?

জনছন—তুমি কৈছা কি? কি বুলি ভাবিছা তুমি মোক? তুমি মোক ইমান সামাজিক নিয়ম কানুন নজনা বুলি ভাবিছা নে যে, মই এজন ভদ্ৰলোকক কবলৈ যাম তেখেতে নিজৰ ঘৰত এসাঁজ খাবলৈ কাক মাতিব আৰু কাক নেমাতিব?

বছৱেল—ক্ষমা কৰিব, মই আকৌ আপুনি ভাল নোপোৱা মানুহৰ লগতে দেখাদেখি হ'ব নুখুজিব বুলি ভাবিহে সেইবাৰ কৈছিলোঁ। ডিলীয়ে আকৌ তেওঁৰ স্বদেশ-প্ৰেমিক বন্ধু কেইজনমানকো মাতিব পাৰে।

জনছন—মাতিলেই বাৰু, তাত নো কি হ'ল। মই তেওঁৰ 'স্বদেশ-প্ৰেমিক বন্ধু' সকলক গ্ৰাহ্য কৰোঁনেকি? হুঃ।

বছৱেল—তাত মই জেক উইলকিছক দেখিলেও আচৰিত নহওঁ।

জনছন—জেক উইলকিছ যদিবা তাত থাকিলেই, মোৰ কি হ'ব [illegible]? চোৱা মোৰ বন্ধু, এইবোৰ আৰু আলোচনা কৰিব নেলাগে। তোমাৰ [illegible] বাবে মই বুজিছো, কিন্তু মই যে কিবোকোনো মানুহৰ সমাজত দেখিলোৱা হলেও দেখা কৰিব নোৱাৰো। সেইকাৰণে অভ্যাসটোও মোৰ মানুহৰ সমাজ বৰ্জিত কৰা যেন লাগে।

বছৱেল—ক্ষমা কৰিব আৰু চাৰ, মই ভাল ভাবিহে কৈছিলোঁ। আপুনি [illegible] বুজিলে মই বেলেগ আৰু তেওঁকে নিমন্ত্ৰণ গ্ৰহণ কৰিব।

এইদৰেই তেওঁক বাজী কৰিলোঁ আৰু ডিলীক কলোঁগৈ, তুমি শুনি নিশ্চয় সন্তোষ পাবা যে জনছনে সেইদিনা সন্ধিয়া তোমাৰ আলহী হবলৈ আনন্দেৰে ৰাজী হৈছে।

সেই বহু আকাঙ্ক্ষিত বুধবাৰৰ সন্ধিয়া ভোজৰ আধা ঘন্টামান আগতে তেখেতৰ ঘৰ ওলালোঁগৈ। এইটো, আমি দুয়ো একেলগে বাহিৰত থাব লগীয়া থাকিলে মই প্ৰায়ে কৰিছিলোঁ যাতে তেওঁ সময়মতে সাজু হ'ব পাৰে আৰু যাতে দুয়ো একেলগে যাব পাৰোঁ। গৈ দেখোঁ তেওঁৰ বাহিৰলৈ ওলাই যোৱাৰ উম-খামেই নাই, বৰং ধুপ্ ধাপ্ কৈ আগতে এবাৰ দেখাৰ দৰে কিতাপ চপৰিয়াইছে আৰু গোটেই মানুহটো ধূলি-ধূসৰিত। মই সুধিলোঁ, "এইবোৰ আকৌ কি কৰিছে? মিঃ ডিলীৰ তাত যে নিমন্ত্ৰণ আছে আপোনাৰ মনত নাই?"

জনছন—মই ডিলীৰ তাতে খোৱাৰ কথা ভাবিবলৈকে নহল ! কথাটো মই সম্পূৰ্ণ পাহৰি গৈছিলোঁ। মই ঘৰতে মিচেছ্ উইলিয়ামছৰ লগত খাম বুলি ভাবিছোঁ।

বছৱেল—কিন্তু ছাৰ, মিঃ ডিলীক কথা দিয়া হৈ গৈছে, আৰু মঞেই খবৰটো ডিলীক দিছোঁ। তেওঁ আপোনাক আশা কৰি থাকিব আৰু আপুনি নগলে তেওঁ বৰ দুখ পাব।

জনছন—তুমি মিচেছ্ উইলিয়ামছক কথাষাৰ কব লাগিব।

এই এটা আক্ষেপজনক গোলমাল আৰম্ভ হ'ল। মোৰ ভয় হবলৈ ধৰিলে যে ইমান নিশ্চিত হৈ থকা কথা এটা যায় এতিয়া ঘট হৈ। মিচেছ্ উই-লিয়ামছক তেখেতে মানৱতাৰ খাতিৰতে ইমান অনুগ্ৰহ দেখুৱাইছিল যে সময়ে সময়ে তাৰ বাবে তেখেতৰ অসুবিধাও হৈছিল। আৰু মোৰো জনা আছিল যে মিচেছ্ উইলিয়ামছে আঁকোৰ-গোজালি তাৰ লগে তেখেতে লৰ-চৰ কৰিব নুখুজিব। মই লৰালৰিকৈ তলৰ মহলাত অন্ধ বুঢ়ীৰ ওচৰলৈ গৈ তেখেতক কলোঁগৈ যে মই বৰ মস্কিলত পৰিলোঁ। আজি নিশা, ডঃ জনছন আৰু মই একেলগে মিঃ ডিলীৰ ঘৰত খোৱা-বোৱাৰ কথা আছিল, কিন্তু তেখেতে মোক কৈছে যে তেখেতে যেনো সেইটো বন্দোবস্ত পাহৰি ঘৰতে খোৱাৰ নিছা কৰিছে। বুঢ়ীয়ে বেছ খঙুৱাকৈয়ে কলে, "এবা, ডঃ জনছনে ঘৰতে খাব।" মই কলোঁ, "মেডাম' তেখেতে আপোনাক ইমান সন্মান কৰে যে আপুনি নিজে ইচ্ছা নকৰিলে তেখেতে আপোনাক এৰি নৈ কেতিয়াও নেযায়। কিন্তু আপুনি তো তেখেতক সদায় লগ পায়েই থাকে, এতেকে অন্ততঃ এদিনৰ বাবে তেখেতক এৰি দিয়ক। মিঃ ডিলী এজন সন্মানিত

মানুহ, আৰু সময়ে সময়ে ডঃ জনছনৰ বাবে তেখেতে নিজৰ ঘৰত ভোজ ভাত পাতিয়েই থাকে, এতেকে ডক্টৰে আজি তেখেতৰ আওহেলা কৰিলে বৰ ক্ষুণ্ন হ'ব। তদুপৰি মোৰ অৱস্থাটো ভাবি চক খেডাম। মই নিমন্ত্ৰণটো পৌছাই দিছিলোঁ আৰু মই মিঃ ডিলীক জনাইছিলোঁগে যে ডঃ জনছন তালৈ যাব। আৰু তেখেতে যে সুন্দৰ ভোজৰ দিহা কৰিছে আৰু মানুহো মাতিছে আৰু তেওঁলোকৰ আগত ডঃ জনছনেও ভোজত যোগ দিয়াৰ কথা কৈ গৰ্ব অনুভৱ কৰিছে তাত কোনো সন্দেহ নাই। ডক্টৰ তালৈ নগলে মই বৰ লাজত পৰিম।" কোনো এজন মহিলাক যি কোনো উপলক্ষ্যতে হওক অনুৰোধ উপৰোধ কৰোঁতে যিমানখিনি বিনাৰ লগীয়া হয় মোৰ কাকুতি মিনতি তাতকৈ কম নাছিল। তেখেত লাহে লাহে কুমলি আহিল আৰু অৱশেষত অনুগ্ৰহ কৰি মোক জনছনক কৰলৈ অধিকাৰ দিলে যে সকলো-পিনৰ পৰা চাই তেখেত, মিষ্টেছ উইলিয়ামছে ভাবে যে জনছন যোৱাই উচিত। মই প্ৰায় উৰা মাৰি জনছনৰ ওচৰলৈ গলোঁ। তেখেত তেতিয়াও ধূলিৰে চাক খোৱা অৱস্থাত, মোৰ কথাৰ নো কি ফল হ'ব পাৰে তালৈকো চিন্তা নাই আৰু যাব নে নেযাব সেইপিনেও নিৰ্বিকাৰ। কিন্তু যেইমাত্ৰ মই মিষ্টেছ উইলিয়ামছৰ সন্মতি তেখেতক জনালোঁ তেখেতে চিঞৰি উঠিল, "ফ্ৰেঙ্ক, এটা পৰিষ্কাৰ শ্বাৰ্ট!" আৰু তৎক্ষণাৎ কাপোৰ পিন্ধি সাজু হল। মই যেতিয়া তেখেতক লগত লৈ এখন ঘোঁৰা-গাড়ীত ভালকৈ বহি ললোঁগে তেতিয়া মোৰ ঠিক তেনেকুৱা লাগিছিল, এটা সম্পত্তি থকুৱা মানুহে এগৰাকী ঐশ্বৰ্য্যশালিনী ছোৱালীক ডাক গাড়ীত বহুৱাই "গ্ৰেটনা গ্ৰীণ"লৈ লৈ যাবলৈ সমৰ্থ হলে যেনেকুৱা লাগে।

আমি মিঃ ডিলীৰ ঘৰৰ কোঠাত সোমোৱাৰ লগে লগে জনছন এটা অচিনাকি দলত সোমাই পৰিল। মই আৰামেৰে বহি মনে মনে তেখেতে নো কি কৰে তাকে চাই থাকিলোঁ। তেখেতে ডিলীক ফুচ্‌ফুচাই সোধা শুনিলোঁ, "সৌ ভদ্ৰলোক কোন?" "মিঃ আৰ্থাৰ লী।" জনছনে অভ্যাস অনু-সৰি মুখৰ ভিতৰতে তু-তু-তুকৈ ভোৰভোৰালে। আৰ্থাৰ লী নিশ্চয় জনছনৰ বাবে অতি আপত্তিজনক লোক আছিল, কাৰণ তেওঁ কেৱল 'স্বদেশপ্ৰেমিকেই' নহয় 'আমেৰিকানো' আছিল। পিছত তেখেত মাদ্ৰিদৰ ৰাজসভাত ইউ-নাইটেড্ ষ্টেট্‌ছৰ 'মিনিষ্টাৰো' (ৰাজদূত) আছিল। 'আৰু সেই জেহ পিন্ধা ভদ্ৰলোকজন কোন?' 'মিঃ উইলকিছ্ ভাঙৰীয়া।' এই খাতিৰিয়ে তেখেতক আৰু লোৰোৰবোৰত পেলালে। তেখেতে অতি কষ্টেৰে নিজক সংযত কৰি

কিতাপ এখন লৈ খিৰিকীৰ ওচৰৰ চকী এখনত বহি পঢ়িবলৈ ধৰিলে, মানে, অন্ততঃ কিছু সময়ৰ বাবে কিতাপৰ ওপৰত চকু থিৰ কৰি নিজকে সংযত কৰি ললে। মোৰ সন্দেহ, যে তেখেতে মনে মনে বৰ অস্বস্তি ভোগ কৰিছিল, কিন্তু নিঃসন্দেহে, মোক যে তেখেতে যি কোনো মানুহৰ দলত পৰিলে ঠোটাখোজা খাই যাব বুলি ভবাৰ কাৰণে ভাবি দিছিল, সেইটোও মনত নপৰাকৈ থকা নাছিল। সেইবাবেই তেখেতে, যেন একোৱেই হোৱা নাই আৰু তেখেতে যি মানুহকে লগ পায়, তেওঁবেই স্বভাৱ আৰু ব্যৱহাৰৰ লৈতে মিলি যোৱাকৈ থাকিব পাৰে, এনে এটা ভঙ্গী ললে।

"খানা মেজত দিয়া হ'ল" এই প্ৰফুল্ল কৰি তোলা শব্দ কেইটা কাণত পৰাৰ লগে লগে তেখেতৰ চিন্তাৰ অন্ত পৰিল আৰু আমি কোনো দুৰ্ভাবনা নোহোৱাকৈ খোৱা ঠাইত বহিলোঁগৈ। এডিনবৰাত ডাক্তৰী পঢ়ি থাকোঁতেই মোৰ লগৰীয়া হোৱা মিঃ আৰ্থাৰ লী আৰু উইলকিছৰ বাহিৰেও তাত মিঃ (এতিয়া ছাৰ জন) মিলাৰ, ডাঃ লেটছম আৰু ঔষধ ব্যৱসায়ী মিঃ ষ্ট্ৰেচাৰ উপস্থিত আছিল। মিঃ উইলকিছে, জনছনৰ ওচৰতে বহি ললেগৈ আৰু তেখেতৰ লগত ইমান নম্ৰভাৱে আৰু বিনয়েৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে যে গম ধৰিব নোৱৰাকৈয়ে তেওঁ জনছনক বিন্দু বিন্দুকৈ জয় কৰি আনিবলৈ ধৰিলে। জনছন খোৱাত কোনো মানুহতকৈ কম নাছিল আৰু জুতি লগা সোৱাদ বস্তু পালে পিচ নোহোৱাকৈছিল। মিঃ উইলকিছে বৰ সুন্দৰকৈ বঢ়া দময়া গৰুৰ মাংস যাচি যাচি খুৱাবলৈ ধৰিলে।—"মই বাছি দিওঁ ছাৰ—এই ডোখৰ ভাল হব ছাৰ—এই বাদামী ৰঙৰ ডোখৰ ছাৰ—অলপমান জেল—অকণমান stuffing—অলপ গেৰেবী—অকণমান কমলাৰ ৰস চেপি দিয়নে, নাইবা নেমু, জুতিটো অকণমান বাঢ়িব।" ইত্যাদি

জনছনে তেওঁৰ ফাললৈ চাই মূৰটো দোঁৱাই অলপ সময় যেন বাধ্য হৈ ভদ্ৰতা কৰিছে এনেদৰে চাই কলে, "ডাঙৰীয়া, আপোনাৰ বৰ অনুগ্ৰহ।" অলপ পৰৰ পিচতে সেই দৃষ্টি তৃপ্তিৰ দৃষ্টিলৈ পৰিণত হ'ল।

১০২
জীৱনীৰ সম্বল (১৭৭৬)

জীৱনী লিখিবৰ বাবে সঁচা বা-বাতৰি গোটোৱা যে কিমান কঠিন তাকে বুজাবলৈ জনছনে এদিন আমাক কৈছিল:

মই যেতিয়া ডেকা আছিলোঁ তেতিয়া মই ড্ৰাইডেনৰ জীৱনী এখন লিখিব খুজিছিলোঁ। এই কামৰ বাবে সম্বল গোটাবলৈ মই ড্ৰেকেতক জীৱন

কালত দেখা যি দুজন মানুহ তেতিয়াও জীয়াই আছিল তেওঁলোকলৈ লিখিলোঁ। তেওঁলোকৰ এজন হল বুঢ়া ছুইনি (Old Swinney) আৰু আনজন বুঢ়া চিবাৰ (Cibber)। ছুইনিৰ পৰা মাত্র জানিবলৈ পালোঁ —Will's Coffee House অত ড্রাইডেনৰ বাবে এখন চকী আচু-তীয়াকৈ ৰখা হৈছিল। জাৰকালি সেইখন জুইৰ ওচৰ চপাই পতা হৈছিল আৰু তেতিয়া সেইখনক তেখেতৰ শীতৰ আসন বোলা হৈছিল আৰু জহ-কালি সেইখন উলিয়াই নি বাৰান্দাত পতা হৈছিল আৰু তেতিয়া কোৱা হৈছিল গ্রীষ্মৰ আসন। চিবাৰেও তাতকৈ বেচি একো কব নোৱাৰিলে, মাত্র কলে যে ড্রাইডেনক তেখেতে এজন সুন্দৰ বুঢ়া মানুহ হিচাপে জানি-ছিল আৰু Will's Coffee Houseঅত ড্রাইডেনে সাহিত্যিক আলো-চনাবোৰৰ জোঁট ভাঙিছিল। শুনিলে তোমাৰ এনেহে লাগিব যেন চিবাৰ সেই সময়ত ড্রাইডেনৰ পৰা ভালেখিনি দূৰত আছিল, যেনিবা এটা ডবি কোঁঠাৰ ভিতৰত আৰু আনটো ভিতৰলৈ নিবৰ সাহসেই হোৱা নাই।

১০৩

গ'ল্ডস্মিথৰ স্মৃতিফলক (১৭৭৬)

মোৰ বিশ্বাস এই বছৰ মই লণ্ডন এৰাৰ পিচতে এইখন লৈ (জনছনে গ'ল্ডস্মিথৰ স্মৃতিফলকত কাটি থবলৈ লিখা কথাখিনি লৈ) সেই সাহিত্য-সম্রাটৰ ওচৰত আপত্তি জনাবৰ ঘটনা এটা ঘটিছিল। এই ঘটনাৰ বিৱৰ-ণীৰ বাবে মই পিট্‌চ্‌লিগোৰ (Pitsligo) ছাৰ উইলিয়ম ফৰ্বেছ্‌ৰ ওচৰত ধৰুৱা।

পাঠক সকলে কথাটো সম্পূর্ণকৈ আৰু বেচি পৰিষ্কাৰভাৱে বুজিবৰ বাবে মই প্রথমে জনছনৰ লেখাটোক তুলি দিওঁ:

অলিভাৰ গ'ল্ডস্মিথলৈ
কবি, প্রকৃতিবিজ্ঞানী আৰু বুৰঞ্জীবিদ
যি, কোনো বিষয় লিখাকে নুচুৱাকৈ
থকা নাছিল
আৰু যিহকে চুইছিল অলঙ্কৃত নকৰাকৈ, যেখাকিছিল
হাঁহি তুলিবলৈকে হওক নাইবা
চকুলো বোৱাবলৈ
আবাৰ অনুভূতি পৰিচালনা কৰিছিল, কিন্তু নম্র প্রভু হিচাপে

মহতী মেধাৰ, জীৱন্ত আৰু বহুমুখী
গভীৰ, পৰিষ্কাৰ, আনন্দদায়ক শৈলীৰে।
এই স্মৃতিৰ ফলকত গৌৰৱণী ধৰি ৰখা হ'ল
নগৰীয়াসকলৰ ভক্তিৰে
আৰু বন্ধুসকলৰ মৰমেৰে
পাঠক সকলৰ শ্ৰদ্ধাৰে।
জন্ম হৈছিল আয়াৰলেণ্ডত
পালাচ নামে এডাখৰ ঠাইত
ল'ংফৰ্ড জিলাৰ ফাণি নামে গাঁৱত
১৭৩১ চনৰ ২৯ নৱেম্বৰৰ দিনা
শিক্ষা পাইছিল ডাবলিনত
মৃত্যু হ'ল লণ্ডনত
৪ এপ্ৰিল ১৭৭৪ চনত

ছাৰ উইলিয়ম ফৰ্বেছে মোলৈ লিখিছিল: ,'মই চক্ৰ-চিঠিখন লগতে পঠালোঁ। এই মজাৰ প্ৰসঙ্গটোৰ অৱতাৰণা হৈছিল এদিন আমাৰ বন্ধু ছাৰ যশ্যোৱা ৰেণল্ডছৰ ঘৰত নৈশ ভোজৰ সময়ত। মোৰ বাহিৰে তাত উপস্থিত থকা কেউজনেই আছিল গ'ল্ডস্মিথৰ নগৰীয়া আৰু বন্ধু। গ'ল্ডস্মিথৰ বাবে জনছনে লিখা এই স্মৃতিৰ বাণীটোৰেই আলোচনা হৈছিল। আৰু জনছনৰ ওচৰলৈ পঠাবৰ বাবে কেইবাটাও শুধৰণীৰো প্ৰস্তাৱ কৰা হৈছিল। কিন্তু কথা হ'ল যে সেই প্ৰস্তাৱ লৈ তেওঁৰ ওচৰলৈ যাবৰ সাহস হ'ব কাৰ? অৱশেষত কোনোবাই ইংগিত কৰিলে যে নাবিকবিলাকে লোৱা Round Robin প্ৰথাটোৱেই ভাল হব। প্ৰথাটো হল নাবিকহঁতে যেতিয়া কিবা চক্ৰান্তৰ কথা লিখি ৰাখে তেতিয়া চক্ৰান্তকাৰীহঁতে তলত এটা বৃত্তৰ আকাৰত চহীবোৰ কৰে, যাতে কোনে প্ৰথম চহীটো দিলে ধৰিব নোৱাৰি। এই প্ৰস্তাৱ তৎক্ষণাৎ গ্ৰহণ কৰা হ'ল। ডেৰীৰ (Derry) ধৰ্মযাজক, এতিয়া কিলালোৰ বিশ্বপ ড: বাৰ্ণাৰ্ডে জনছনলৈ হাঁহি আৰু বুদ্ধিৰে গোটিত্ত এখনি আবেদনো লিখি পেলালে। কিন্তু পিচত ভৰা হ'ল যে জনছনে বিষয়টো লৈ ধৰ বেচি ধেমালি কৰিছোঁ বুলি ভাবিব পাৰে। তৰ পিচত ছিঃ বাৰ্কে আবেদনখন নতুনকৈ লিখিলে। সেইখনেই এই চক্ৰ চিঠিত আছে। এইখন লিখি উলিয়াবৰ সৌভাগ্য হৈছিল মোৰ।

"ছাৰ যশ্যোৱাই সেইখন জনছনৰ ওচৰলৈ লৈ যাবলৈ ৰাজী হ'ল।

জনছনে সেইখন বেছ প্ৰসন্নমনেই গ্ৰহণ কৰিলে আৰু ছাৰ যশুৱাক ভদ্ৰলোক কেইজনক জনাবলৈ দিলে যে তেখেতে স্মৃতিফলকৰ বাণীটো তেওঁলোকৰ যেনে ইচ্ছা তেনেভাবেই সলাবলৈ ৰাজী আছে কিন্তু অৰ্থৰ ফলৰ পৰা হে, ভাষাৰ বেলিকা ৱেষ্ট মিনিষ্টাৰ এবীৰ দেৱাল ইংৰাজী লিখাৰে কলুষিত কৰিবলৈ তেখেত কেতিয়াও সন্মত নহয়।

"মই ভাবোঁ এই Round Robin খন সাহিত্যৰ অপূৰ্ব্বণীয়া বস্তু হিচাপে ৰক্ষা কৰা উচিত। কাৰণ ই জনছনৰ চৰিত্ৰৰ এটা দিশত পোহৰ পেলায় . ... ।"

ছাৰ উইলিয়ম ফৰ্বেছৰ কথাষাৰ অতি সঁচা। ওপৰত বৰ্ণনা কৰা ঘটনাটোৰ পৰাই সুন্দৰভাৱে বুজা যায় তেখেতৰ সমসাময়িক নানান কাৰ্য্যত লিপ্ত থকা বিখ্যাত লোক সকলেও, আনকি বেছি ভাগ তেখেতৰ লগতে থকা সকলেও জনছনক কিমান ভয় আৰু শ্ৰদ্ধা মিহলি চকুৰে চাইছিল। লগতে এই ঘটনাই মই বাৰে বাৰে উল্লেখ কৰা কথা এটাও প্ৰমাণ কৰে। সেইটো হ'ল মানুহে অজ্ঞতাবশতঃ তেখেতক যেনে খঙাল আৰু উদ্ধত চৰিত্ৰৰ মানুহ বুলি ভাবি লৈছিল, প্ৰকৃততে তেখেত তেনে নাছিল।

আকৌ মিঃ বাৰ্কৰ অসাধাৰণ ক্ষিপ্ৰতাৰ হাজাৰ হাজাৰ উদাহৰণৰ ভিতৰত এই চিঠিখনো এটা উদাহৰণ। তেখেতে বৰ ডাঙৰ কাম যিদৰে কৰিব পাৰিছিল, অতি ক্ষুদ্ৰ কামো সেইদৰেই কৰিব পাৰিছিল। তেখেতে সমান যোগ্যতাৰে ৰাজনীতিৰ কঠিন সমস্যাবোৰ আৰু সাহিত্যৰ কল্পনা প্ৰধান সমস্যাবোৰো সামৰি লব পাৰিছিল।

১০৪

কিতাপৰ প্ৰভাৱ (১৭৭৭)

গ্ৰেইনফিল্ড, ফেব্ৰুৱাৰী,১৭, ১৭৭৭

ডাঙৰীয়া। কালি আমাৰ উভয়ৰে বন্ধু একুকৰ বছৱেলৰ হাতেদি আপুনি অনুগ্ৰহ কৰি পঠোৱা আপোনাৰ *Journey to the Western Islands* নামৰ কিতাপখনি পাই সন্মানিত বোধ কৰিছোঁ। মোৰ মনৰ ধন্যবাদ গ্ৰহণ কৰিব। কিতাপখন আৰু এবাৰ ভালকৈ পঢ়াৰ পিছত মই সেইখন মোৰ নিৰ্বাচিত কিতাপৰ সংগ্ৰহৰ মাজত আমাৰ যোগ্য বন্ধুৰ *Journey to Corsica* ৰ কাষতে ঠাই দিম। দুয়োখনতে উপভোগ কৰিব লগীয়া বহুতো কথাই আছে। মই বহুত সময়তে ভাবোঁ যে যদি সভ্য থকা আৰু বিভিন্ন দেশত ভ্ৰমণ কৰা হয় সেই বিলাকৰ পৰিস্থিতি, সামাজিক ব্যৱস্থা

আৰু আচাৰ ব্যৱহাৰ ভালকৈ বুজি উপযুক্ত ভাষাৰে যথাযথভাৱে বৰ্ণনা কৰিবৰ ক্ষমতা থকা মানুহৰ দ্বাৰা লিখা নহয়, তেন্তে এনে কাহিনী প্ৰকাশ নকৰাই ভাল। সঁচা কথা কবলৈ গ'লে আমাৰ স্কটলেণ্ডৰ 'ৰাজমুকুটৰ যোগাযোগ সত্ত্বেও এতিয়াও বহু ঠাইতে নাঙঠ হৈয়ে আছে কোনো গছ-গছনি, বা-বাগিছা নাইবা বেৰা আদিৰ আবৰণ নাই। আপুনি এই কথালৈ পাঠকসকলৰ দৃষ্টি আকৰ্ষণ কৰি উচিত কামেই কৰিছে। আপোনাৰ *Journey* খন আটায়ে পঢ়িছে, সেইবাবে আপুনি যি সত্য উদ্ঘাটন কৰি দেখুৱাইছে আৰু যি সুন্দৰ ভাষাৰে তাক প্ৰকাশ কৰিছে তাৰ এটা সুফল এতিয়াই দেখা গৈছে যেন লাগে। মোৰ চিনাকি এজন মানুহৰ গছৰ পুলি আৰু বেৰা দিয়া গছৰ গুটিৰ এখন বাগিছা আছে। তেখেতে মোক কৈছিল যে সদ্যহতে এই বস্তুবিলাকৰ চাহিদা দুগুণ আৰু কোনো কোনো ঠাইত তিনিগুণকৈ বাঢ়ি গৈছে। সেইবাবে মই প্ৰধান প্ৰধান বাগিছা আৰু গছৰ বেৰা তৈয়াৰী কৰাৰ পৃষ্ঠপোষকসকলৰ তালিকাত ডঃ জনছনৰ নামটোও ৰাখিছোঁ, নামকৰণ কৰিছোঁ গ্ৰীক শব্দ এটা সাজি—পাপাডেনড্ৰিয়ন। এই তালিকাত লৰ্ড অকিনলেকৰ লগতে 'আৰু কেইজনমানৰ নাম আছে। মই শুনিছোঁ যে এবাৰডীনশ্বায়াৰৰ ছাৰ আৰ্কিবল্ড গ্ৰান্ট নামে এজন ভদ্ৰলোকে মণিমাস্ক (Monimusk) এডোখৰ বৰ টকলা ঠাইত ৫০ নিযুতৰো বেছি গছ-পুলি পুতিছে। তেখেতৰ নামটো মোৰ তালিকাত ভৰোৱাৰ আগতে খবৰ লব লাগিব তেখেতে সেইবোৰ ভালকৈ বেৰা দি ৰাখিছেনে নাই। কাৰণ সেইটোৱেই হৈছে ৰক্ষা কৰাৰ মূল কথা। আমাৰ নিজৰ মাটি বেচি মূল্যবান যাৰে বেছি ভাগ ঠাই গছেৰে ঢাকি ৰাখিব নোৱাৰি, কিন্তু তাতো মই কিছু গছ পুলি লগাইছিলোঁ, সিও আজি আঠৈ কুৰি বছৰৰ কথা। আজি ৭৪ বছৰ বয়সত মই সেই গছবোৰ শ্ৰদ্ধাৰে সৈতে চাওঁ আৰু মোৰ পোন্ধৰ বছৰীয়া ভাওৰ নবাটোক দেখুৱাওঁ। গছবোৰ মোৰ ইমাৰ গাৰ'ৰ যবটোৰ সমানে ওখ। এই বাবতে মোৰ আপোনাক সম্বৰ্ধনা কৰিবৰ আনন্দ লাভ হৈছিল, আৰু আমাৰ উভয়ৰে বহু বছৰলৈ সৈতে পুনৰ সেই তৃপ্তি লাভ কৰিবৰ আশা ৰাখোঁ।

প্ৰিয় ডক্তৰ। মই সদায়েই শ্ৰদ্ধাৰে সৈতে আপোনাৰ ভক্ত হৈ থাকিব খোজোঁ।

আপোনাৰ একান্ত বাধ্য

(ছাৰ) আলেকজেণ্ডাৰ ডিক

১০৫

বছৱেললৈ চিঠি (১৭৭৭)

প্ৰিয় বছৱেল। তোমাৰ শেষ চিঠিখন মোৰ বৰ ভাল লাগিছে। মোৰ পুৰণি শত্ৰু মিঃছ্‌ছ্‌ বছৱেলে অৱশেষত অনুশোচনা বোধ কৰিছে শুনি শুনি আৰু ভাল লাগিছে। মিছ্ ডেৱ'নিকাৰ ৰুচ্ উচ্চাৰণ সম্বন্ধে মোৰ হয় একো কৰিব লগীয়া নাই। ইংৰাজ লিগিৰী এজনী হয়তো সহজতে পাৰ পাৰি, কিন্তু তেৱেঁ। চাৰিওফালৰ বেছি সংখ্যক মানুহকে অনুকৰণ কৰিব, আৰু যি সকলক তেওঁ সন্মান দেখুৱাব লাগে, সেই সকলক অনুকৰণ কৰাটো তেওঁৰ উচিতো। ডেৱ'নিকাৰ মাকৰ উচ্চাৰণ বেছি ৰুচ্ নহয় আৰু তোমাৰো অতি কম। মই আশা কৰো তেওঁ মোৰ নাম জানে আৰু মোক 'জনচন নোবোলে।

এই চিঠিখন লিখিবৰ প্ৰধান কাৰণটো হ'ল—শ্ব (shaw) নামে এজন মানুহে, দেখাত বেচ্‌ বিশ্বাসী আৰু ভদ্ৰ, Erse ভাষাৰ এখন ব্যাকৰণ লিখিছে। সেইখন মোৰ অনুৰোধত মেক্‌বীন (Macbean) নামে এজন বিদগ্ধ হাইলেণ্ডাৰ পণ্ডিতে পৰীক্ষা কৰি ভাল বুলিছে। কিতাপখন নিচেই সৰু, কিন্তু মিঃ শ্বক তেওঁৰ বন্ধুসকলে সেইখনৰ দাম আধা গিনি কৰিবলৈ সন্মত কৰিছে, যদিও মই এক ক্ৰাউন কৰিবলৈ কৈছিলো আৰু তেতিয়াও বেছি দাম হব বুলিয়েই ভাবিছিলোঁ। লিখকজনে তোমাক শিক্ষিত সকলৰ ডাঙৰ বন্ধু বুলি ভাবে আৰু তুমি তেওঁৰ প্ৰস্তাৱ আৰু পোৱা ধনৰ ৰচিদৰ টোপোলা এটা সোনকালেই পাবা। মই তোমাক এই সম্বন্ধে জনাম বুলি গাত লৈছিলোঁ আৰু তোমাৰ সমৰ্থনো আশা কৰোঁ। দুখীয়া মানুহক এই সম্বন্ধে অনুৰোধ নকৰিবা কাৰণ দামটো গঁচাকৈয়ে বেছি।

আমাৰ ক্লাবৰ সভ্য সংখ্যা কুৰিৰ পৰা ত্ৰিছলৈ বঢ়াবৰ প্ৰস্তাৱ কৰা হৈছে। মই ভাল পাইছোঁ। কাৰণ বৰ্ত্তমানে থকা কেইবাজনৰো লগত মই হৰিল-পৰিল কৰাটো ভাল নেপাওঁ। মই এই ক্লাবটো কিছুমান কোনো বিশেষ ধৰণৰ দৃষ্টি-ভঙ্গী নথকা কিন্তু জনাজাত মানুহৰ সান-মিহলি সমাজলৈ ৰূপান্তৰিত কৰিব খোজোঁ। ৰবৰেৰে,

তোমাৰ

মাৰ্চ, ১১, ১৭৭৭। চেম জনচন

১০৬
কবিসকলৰ জীৱনী, *Lives of the Poets* (১৭৭৭)

বছৱেললৈ চিঠি,   চাউথ হিল, চেপ্টেম্বৰ ২৬, ১৭৭৭

প্ৰিয় ডাঙৰীয়া, চিঠিখনৰ পৰাই বুজিব পাৰিব, মই লণ্ডনৰ হাই উৰুমিৰ পৰা আঁতৰত, আগৰ চিঠিখন যʼৰপৰা লিখিছিলোঁ, সেই শান্ত পৰিৱেশতে আছোঁ। আপোনাৰ পুৰণি বন্ধু ডঃ জনছনৰ সৈতে হোৱা সুন্দৰ আলোচনাৰ কথা জানিবলৈ পাই বৰ বং পাইছোঁ। মোৰ বিশ্বাস তেখেতৰ সৈতে কথা-বতৰা হৈ আপোনাৰ যথেষ্ট লাভ হৈছে। অতি কম মানুহৰ, কʼবলৈ গʼলে কাচিৎহে কোনোবা এজনৰ, কথা-বতৰাত ডঃ জনছনৰ সমান জ্ঞানৰ সম্ভাৰ আৰু আনন্দ লুকাই থাকে। তেখেতে যেতিয়া মুকলি মনেৰে কথা কয় সকলোৱে তাক একান্ত মনেৰে শুনে আৰু আনন্দ আৰু উৎকৰ্ষতা লাভ নকৰাকৈ নেথাকে।

বৰ্ত্তমানে ছপা হৈ থকা কবিতা সংগ্ৰহৰ নতুন সংস্কৰণে ইংৰাজী ছপাশালৰ সন্মান আনিব, আৰু ডঃ জনছনে লিখা প্ৰত্যেকজন কবিৰ চমু জীৱনী হব তাৰ এটি মূল্যবান সংযোজনা। সিয়েই এই সংস্কৰণটোক ইয়াৰ আগৰ যি কোনো সংস্কৰণতকৈ বেছি সুন্দৰ কৰি তুলিব। মোৰ বিশ্বাস এই কামটো হাতত লবৰ প্ৰধান কাৰণ হল এডিনবৰাৰ মাৰ্টিনে ছপা কৰা আৰু লণ্ডনত ʻবেলʼএ (Bell) বিক্ৰী কৰা কবিসকলৰ অতি সাধাৰণ সংস্কৰণটো যি কেইটা খণ্ড ছপা হৈছিল সেই কেইটা পৰীক্ষা কৰি দেখা গʼল, যে তাৰ আখৰবিলাক ইমান সৰু যে বহুতে তাক পঢ়িবই নোৱাৰে। এই অসুবিধাৰ বাহিৰেও ছপাশালৰ ভুল বৰ বেছি চকুত পৰে। এই কাৰণবিলাক, আৰু আমি যিটো ʻসাহিত্যিক সম্পত্তিʼ বুলি কওঁ তাৰ ওপৰত হস্তক্ষেপ কৰাৰ বাবে লণ্ডনৰ প্ৰকাশক সকলে চʼছাৰৰ (Chaucer) পৰা বৰ্ত্তমানলৈকে সকলো বিখ্যাত ইংৰাজ কবিৰ এটি সুন্দৰ আৰু সংস্কৰণ ছপা কৰিবলৈ স্থিৰ কৰে।

এই সিদ্ধান্ত অনুসৰি কিছুমান প্ৰকাশক একেলগে গোট খালেহিক। আলোচনাত স্থিৰ হʼল যে বেলেগ বেলেগ কবিৰ প্ৰকাশস্বত্ব থকা সকলো প্ৰকাশককে একেলগে মত্ত হওক আৰু তেখেতসকলৰ মতামত লৈ লগে লগে কামত লাগি যোৱা হওক। সেইমতেই প্ৰায় আঁঠচল্লিছজন সন্মানিত প্ৰকাশক এখন মেলত গোট খালে। তাত স্থিৰ কৰা হʼল যে ইংৰাজ কবিসকলৰ কবিতাৰ এটি সুন্দৰ মাৰ্জিত সংস্কৰণ সোনকালে প্ৰকাশ কৰা হওক।

তাত ডঃ জনচনৰ যাৰা লিখা প্ৰত্যেকজন কবিৰ সংক্ষিপ্ত জীৱনীও থাকিব। লগতে স্থিৰ হ'ল যে তিনিজন মানুহ, টি ডেভিচ, ষ্ট্ৰাহান আৰু কেডেল (Cadell) জীৱনীবিলাক লিখিবলৈ অনুৰোধ কৰিবৰ বাবে ডঃ জনচনৰ ওচৰলৈ যাব। ডক্টৰে অতি বিনয় সহকাৰে কামটো কৰিবলৈ গাত ললে আৰু প্ৰস্তাৱটিত অতি আনন্দিত হৈছে যেনো বোধ হ'ল। টকা পইচা কিমান দিব লাগিব সেইটো সম্পূৰ্ণ ডঃ জনচনৰ ওপৰতে এৰি দিয়া হৈছিল। তেখেতে দুশ গিনি দাবী কৰিলে আৰু তাত তৎক্ষণাৎ সন্মতি জনোৱা হ'ল, আৰু মোৰ ধাৰণা আৰু কিছু অধিক মাননি তেখেতক দিয়া হ'ব। সেইদৰেই ব্লক তৈয়াৰী কৰিবলৈ শ্ৰেষ্ঠ খোদাইকাৰ, যেনে বাৰ্টলজী, শ্বাৰবিন, হল, ইত্যাদিক নিযুক্ত কৰিবলৈ এখন সমিতি গঠন কৰি দিয়া হ'ল। আন এখন শাখা-সমিতি গঠন কৰি দিয়া হ'ল, কাগজ ছপা ইত্যাদি সম্বন্ধে নিৰ্দেশ দিবলৈ। সকলোবোৰৰ উদ্দেশ্য হ'ল যাতে গোটেই কামটোৰ ৰচনা, সম্পাদনা আৰু খোদাই ইত্যাদি কাম সৰ্বাঙ্গসুন্দৰভাৱে আৰু সুন্দৰ যোগাযোগত সম্পন্ন হয়। মোৰ ভায়ে আপোনাক আমি গ্ৰহণ কৰা কবিসকলৰ তালিকা দিব। এওঁলোকৰ তালেকেইজন সম্ৰাজ্ঞী এনৰ (Anne) আইনৰ সময়ৰ ভিতৰত পৰে আৰু মাৰ্টিন আৰু বেলৰ সেইবোৰৰ ওপৰত অধিকাৰ নথকাৰ বাবে দিব নোৱাৰে। অধিকাৰ থকা প্ৰায় এটাইবিলাকেই লণ্ডনৰ প্ৰসিদ্ধ প্ৰকাশক।

আপোনাৰ একান্ত বন্ধু
এডৱাৰ্ড ডিলী

১০৭
বন্ধুবৰ্গলৈ চিঠি (১৭৭৭)

"যত গছ নাই তাত মই গছ দেখি নোপোৱাৰ বাবে খং উঠা নাই তেনেকুৱা একমাত্ৰ স্কচ্‌ মেন হ'ল ছাৰ আলেকজেণ্ডাৰ ডিক্। মই তেখেতৰ চিঠিখন পাই বৰ আনন্দ পাইছিলোঁ......।"

"অলপতে মই ৰেচেৰা——ৰ লগত ডিনাৰ খাইছিলোঁ। মোৰ বোধেৰে তেওঁৰ দিন কেইটা ভালেৰে যোৱা নাই। খোৱা-বোৱাৰ ব্যৱস্থা বৰ মোটা-মুটি ধৰণৰ, আৰু লৰা-ছোৱালীবোৰে তেওঁক বৰ আগুৰি থাকে। কিন্তু মানুহজন বৰ ভাল।"

[illegible]

১০৮
ডাক-গাৰীত ভ্ৰমণ (১৭৭৭)

বাটত জনছনে ডাক-গাৰীত খৰকৈ চেকুৰি বোৱাটো ভাল পোৱাৰ কথা কলে। তেখেতে কৈছিল, "মোৰ যদি আন কাম নেথাকিলহেতেন আৰু ভৱিষ্যতৰ চিন্তাও নেথাকিলহেতেন তেন্তে মই ধুনীয়া নগৰী এজনী লৈ ডাক গাৰীত উঠি ন'ৰি নৰি দেশ ভ্ৰমণ কৰি ফুৰিলোঁহেতেন। অৱশ্যে নগৰী গৰাকী এনেকুৱা হ'ব লাগিলহেতেন যি মোক বুজি পায় আৰু আমাৰ কথা-বতৰাতো কিছু বৰঙণি যোগাব পাৰে।"

১০৯
পুৱা সোনকালে উঠা (১৭৭৭)

মই ৰাতিপুৱা সোনকালে উঠাৰ অসুবিধাৰ কথা কৈছিলোঁ। ডঃ জনছনে কলে, "বিদুষী মিছেছ কাৰ্টাৰে যেতিয়া পঢ়া-শুনা কৰিবৰ খুব ইচ্ছা কৰিছিল, সেই সময়ত পুৱা যিমান সোনকালে উঠিবৰ ইচ্ছা কৰে সিমান সোনকালে উঠিব নোৱৰাত এটা কৌশল অৱলম্বন কৰিছিল। তেখেতৰ শোৱা কোঠাত এডাল ৰছীৰে এটা গধুৰ বস্তু ওলোমাই থৈছিল আৰু এনে এটা বন্দোবস্ত ৰাখিছিল যাতে নিশাৰ এটা সময়ত তেওঁৰ শোৱা কোঠাৰ চাকিটোৱে ৰছীডাল পুৰি পেলায় আৰু সেই গধুৰ বস্তুটো হঠাৎ এটা প্ৰচণ্ড শব্দ কৰি তলত পৰি যায়। এই শব্দই তেখেতৰ টোপনি ভাঙি দিয়ে আৰু তেতিয়া তেখেতৰ উঠাত একো অসুবিধা নহয়।"

মই কলোঁ যে মোৰ অসুবিধা হল সেইখিনিতে। কোনোবাই যদি এনে এটা দৰৱ আৱিষ্কাৰ কৰিলেহেঁতেন যাতে বিনা কষ্টে শোৱাৰ পৰা উঠিব পাৰি। মইতো বহুপৰ বিছনাত শুই থাকিবলৈ নেপালে কষ্ট নকৰাকৈ উঠিবই নোৱাৰোঁ। হয়তো প্ৰকৃতিৰ ভঁৰালত কিবা এটা আছে যিহৰ দ্বাৰা এইটো সম্ভৱ হ'ব পাৰে।

১১০
জনছনৰ ৰচনা শৈলীৰ সমালোচনা (১৭৭৭)

মই তেখেতক কৈছিলোঁ যে এডিনবৰাত মই যেতিয়া ডঃ হিউ ব্লেয়াৰে অলঙ্কাৰ শাস্ত্ৰ আৰু সাহিত্যিক প্ৰবন্ধ সম্বন্ধে বক্তৃতা দিয়া শুনিছিলোঁ তেতিয়া তেখেতে জনছনৰ লিখাৰ ভঙ্গী অতি শব্দ বাংকাৰময় বুলি ব্যক্ত কৰা শুনি-

ছিলো। তেওঁ এডিচনৰ ৪১১ নং *Spectator* অৰপৰা এটা বাক্য তুলি জনচনৰ ভঙ্গী অনুকৰণ কৰিও দেখুৱাইছিল। এডিচনে সেই ঠাইত কল্পনাৰ আনন্দই কেনেকৈ আমাক পাপৰ পৰা ৰক্ষা কৰে সেই প্ৰসঙ্গত যি সকল লোকে নিষ্কৰ্মা আৰু নিৰীহ হ'ব নোৱাৰে তেওঁলোকৰ সম্বন্ধে কৈছে,"Their very first step out of business is into vice or folly.' ডঃ ব্ৰেয়াৰে কৈছিল যে এই কথাখিনি যদি *Rambler* অত প্ৰকাশ হ'লহেঁতেন তেন্তে এনেকুৱা হ'লহেঁতেন: Their very first step out of the regions of business is into the perturbation of vice, or the vacuity of folly.

জনচন—ডাঙৰীয়া, এই কেইটা শব্দ মই ব্যৱহাৰেই নকৰিলোঁহেঁতেন। না। মোৰ অনুকৰণকাৰীহঁতে কৌশলটো পোৱাই নাই। মোৰ অনুকৰণ আটাইতকৈ ভালকৈ কৰিছে মিচ্ এইকিনে (Aikin)। তেওঁ ভাব আৰু শব্দসমূহ দুয়োটা অনুকৰণ কৰিছে।

মই তেওঁতক লৰ্ড মন্‌বড'ই (Monboddo) মোলৈ লিখা চিঠি এখন পঢ়ি শুনালোঁ। এই চিঠিত জনচনৰ *Journey to the Western Islands of Scotland* নামৰ কিতাপ খনৰ প্ৰকাশ ভঙ্গীৰ সূক্ষ্ম সমালোচনা আছিল। লৰ্ড মনবড'ই এই পুথিত ইকমকিল (Icolmkill) দ্বীপত নমাৰ পিচতে বৰ্ণনা কৰা স্থলৰ অংশটোৰ প্ৰশংসা কৰিছিল কিন্তু তেওঁতক নিজা ভাষা অতি কঠিন আৰু নীৰস হোৱা বাবে তেওঁতে জনচনৰ ভাষাৰ ঐশ্বৰ্য্য আৰু উপযানুক্ত লেখা ভাল পোৱা নাছিল।

জনচন—ডাঙৰীয়া, এই সমালোচনা সঁচা হ'লহেঁতেন যদি মোৰ লেখাত অনাৱশ্যক শব্দ নাইবা ভাব প্ৰকাশৰ বাবে অনাৱশ্যক ডাঙৰ ডাঙৰ শব্দ ব্যৱহাৰ কৰা হৈছে বুলি আঙুলিয়াই দেখুৱাব পৰা গ'লহেঁতেন। কিন্তু মোৰ বিশ্বাস তেনে কৰা অসম্ভৱ। উদাহৰণ স্বৰূপে লৰ্ড মনবড'ই ভালপোৱা দুষাৰিকে লোৱা। 'We were now treading that illustrious region'. এই illustrious শব্দটোৱে কেৱল বৰ্ণনাৰ মানৰ পৰা চালে একো সহায় কৰা নাই। শব্দটো নোহোৱাকৈয়ো ঠিক একে বৰ্ণনাকে কৰিব পাৰি। কিন্তু সেইবাবেই সি অনাৱশ্যক নহয়। কাৰণ ই মনটোক বিশেষভাৱে টানি নিয়ে, কয় যে সচৰাচৰতকৈ কিবা বেছি দেখুৱাব খুজিছে। Illustrious (সুবিদিত) কিহৰ বাবে? আৰু তাৰ পিচতে বাক্যটিয়ে Iona ৰ সমস্ত সম্বন্ধ থকা কথাবিলাক কিবাকি কৈছে। আৰু উপযানুক্ত কথা? লৌকিক তো অতি উত্তম ৰচনাশৈলীৰ পৰিচায়ক, অৱশ্যে যদি তক্ষণতে

ব্যৱহৃত হয়। এই কৌশলে এটাৰ ঠাইত দুটা ভাৱ বা ধাৰণা দান কৰে, অৰ্থটো উজ্জ্বলকৈ তুলি ধৰে আৰু তাকো বেছিৰ ভাগ আনন্দেৰে সৈতে।

১১১
জনছনৰ চকুত লণ্ডন (১৭৭৭)

মই জনছনৰ আগত এটা সন্দেহ প্ৰকাশ কৰিছিলোঁ যে মই যদি লণ্ডনতে সদায় থাকিবলৈ লওঁ তেন্তে চহৰখনলৈ মাজে মাজে আহি যি অনিৰ্বচনীয় আনন্দ পাওঁ সেইটো হয়তো নাইকিয়া হৈ যাব পাৰে।

জনছন—কি কোৱাঁ হে? তুমি এনেকুৱা এজনো বুদ্ধিমান মানুহ বিচাৰি নোপোৱাঁ যি লণ্ডন এৰি যাবলৈ ৰাজী হ'ব। ওহোঁ! কোনোবাই যদি লণ্ডনক লৈ ভাগৰি যায়, তেন্তে তেওঁ জীৱনক লৈয়ো ভাগৰি পৰিছে। কাৰণ জীৱনে মানুহক যিখিনি দিব পাৰে সেই সকলোখিনি লণ্ডনত আছে।

১১২
হাৰ্ডৰ কাউলী (১৭৭৮)

তেখেতে কৈছিল, "হাৰ্ডে (Hurd) কাউলীৰ কবিতাবোৰৰ এটা সংক্ষিপ্ত সংস্কৰণ মাথোন প্ৰকাশ কৰাৰ বাবে মই তেওঁক খং কৰিছিলোঁ, কিন্তু দ-কৈ ভাবি দেখিলোঁ যে এজন মানুহে যি কোনো লিখকৰ লেখাৰ পৰা যিমানখিনি ইচ্ছা প্ৰকাশ কৰিব পাৰে যদিহে তেওঁ বাকীখিনি অনাগতীয়াল বুলি মত প্ৰকাশ নকৰে। উদাহৰণস্বৰূপে এজনে Horace ৰ কেৱল Odes বিলাককে ছপা কৰিব পাৰে।"

দেখা গ'ল এইদিনা তেখেত মাকিৰ লগত আলোচনা হোৱাৰ দিনতকৈ বেচি সহনশীল মনৰ অৱস্থাত আছিল।

১১৩
শিল্পকলাৰ মূল্য (১৭৭৮)

এপ্ৰিল মাহৰ ৩ তাৰিখ শুকুৰবাৰে মই তেখেতৰ সৈতে লণ্ডনত নৈশ ভোজন কৰিছিলোঁ। দলটোত কেইবাজনো বিখ্যাত মানুহ আছিল। মই তেখেতসকলৰ নাম নলৈ কথা-বতৰাত তেওঁলোকৰ অংশ চিহ্নিত কৰিবলৈ কেৱল একোটা আখৰেৰে উল্লেখ কৰি যাম।

F—মই মিঃ জেনিংছে লজা এই বিখ্যাত পুৰণি মাৰ্বল পাথৰৰ কুকুৰটোকে চাই আহোঁ। ইয়াৰ মূল্য হেনো এহেজাৰ গিনি। মানুহে কয় যে এইটো আল্‌চিবিএডিছৰ কুকুৰ।

জনছন—তেন্তে তাৰ নেজডাল ধৰা হ'ব লাগিব, সেইটোৱেই আছিল আল্‌চিবিএডিছৰ (Alcibiades) কুকুৰৰ চিন।

E—এক হেজাৰ গিনি! কোনো জন্তুৰে মূৰ্ত্তিৰ দাম ইমান হ'ব নোৱাৰে। এইদৰে দেখোন এটা মৰা কুকুৰ এটা জীৱন্ত সিংহতকৈয়ো মূল্যবান হৈ উঠে!

জনছন—ডাঙৰীয়া, সেইটো বস্তুটোৰ দাম নহয়। বস্তুটো সাজোঁতে যি শিল্প কৌশলৰ আৱশ্যক হৈছে তাৰহে সেই উচ্চ মূল্য। মানুহৰ শক্তিৰ পৰিসৰ যিহে বঢ়াব পাৰে, যি দেখুৱায় যে মানুহে যিটো কৰিব নোৱাৰে বুলি ভাবিছিল সেইটো কৰিব পাৰে, সেইটোৱেই মূল্যবান। প্ৰথম যিজন মানুহে নাকৰ ওপৰত খেৰ এডাল থিয় কৰি ৰাখিব পাৰিছিল বা জনছন, যি একেলগে তিনিটা ঘোঁৰাত উঠিব পাৰিছিল, বা তেনেকুৱা আন কোনোবা, এই সকলোৱেই মানৱ জাতিৰ প্ৰশংসা পাবৰ দাবী ৰাখে, আৰু সেইটো তেওঁবিলাকে যি কৰিলে তাৰ ব্যৱহাৰিক মূল্যৰ বাবে নহয়, বৰং যি কৰ্ম-কুশলতা দেখুৱালে তাৰ বাবেহে।

বছৱেল—সেইবুলি সময় আৰু পাৰ্গতালিৰ অপ-ব্যৱহাৰকো গুৰুত্ব দিব নোৱাৰি। এডিছনে তেওঁৰ কোনোবা এখন Spectator ত এজন মজাৰ বিচাৰ বুদ্ধিৰ প্ৰশংসা কৰিছে। এজন মানুহে বহুদিন অভ্যাস কৰি এটি বালি শয্যাৰ দানা এটা বেজীৰ জলঙাইদি গলিয়াই পাৰ কৰি দিবৰ কৌশল আয়ত্ব কৰিছিল। মজাই মানুহজনক বঁটা দিছিল এক বুশ্বেল (প্ৰায় ২৫ কিলো) বালি।

জনছন—মজাজন কটলেওৰ আছিল হবলা। তাত বালি পোৱা বৰ টান।

F—অতীতৰ এটা বিখ্যাত জন্তুৰ মূৰ্ত্তি হৈছে ফ্ল'ৰেন্সত থকা গাহৰিৰ মূৰ্ত্তিটো।

জনছন—মাৰ্বল পাথৰেৰে ভালকৈ সজা প্ৰথম গাহৰিৰ মূৰ্ত্তিটো এটা আশ্চৰ্য্যজনক বস্তু হিচাপে ৰক্ষা কৰা উচিত। মানুহে যেতিয়া সুন্দৰ গাহৰিৰ মূৰ্ত্তি তৈয়াৰী কৰিব পাৰিব তেতিয়া সেই সৃষ্টিটো সিমান মূল্যবান হৈ নেথাকে, কিন্তু তথাপিও সেইবোৰ ৰক্ষা কৰিব লাগিব এই বাবে যে মানুহে যদি সেই শিল্পকলা হেৰুৱাই পেলায় তেন্তে তাক পুনৰ জীয়াবলৈ সি প্ৰেৰণা দিব।

১১৪

আমাৰ প্ৰকৃতি (১৭৭৮)

B—মোৰ অভিজ্ঞতাৰ পৰা—আৰু অভিজ্ঞতাও কম হোৱা নাই—মই মানৱজাতিক ভাল চকুৰে চাবলৈ শিকিছোঁ।

জনছন—মোৰ অভিজ্ঞতাৰ পৰা মই মানুহক ব্যৱসায়িক ব্যৱহাৰৰ বেলিকা বেয়াহে দেখিবলৈ ধৰিছোঁ। তেওঁলোকে মই বিমানখিনি ধাৰণা কৰিছিলোঁ তাতোকৈ বেছিহে ঠগাবলৈ ইচ্ছুক আৰু ইজনে সিজনৰ ভাল কৰিবলৈ মই কল্পনা কৰাতকৈ বেছি আগ্ৰহী।

J—কম ন্যায়, বেছি উদাৰতা।

জনছন—সঁচাকৈয়ে আচৰিত হব লগীয়া। মানুহে নিজৰ যতন লব-লৈকে বা চাৰিওফালৰ পৰা হেঁচি থকা অসুবিধাবোৰ দূৰ কৰিবলৈকে যিমান-খিনি সাৱধান লব লগীয়া হয় তালৈ চাই সিহঁতে যে আনৰ বাবে সিমান-খিনি কৰিব পাৰে সেইটো সঁচাকৈয়ে আচৰিত হব লগীয়া। মানুহে কয় যে অতি দুৰ্ঘোৰ মিথ্যাবাদীয়েও মিছাতকৈ সঁচা বেছি কয়, সেইদৰেই কব পাৰি যে অতি বেয়া মানুহজনেও বেয়াতকৈ ভাল হে বেছি কৰে।

বছুৱেল—হয়তো মানুহৰ বিষয়ে অভিজ্ঞতা বেছি হলে আমি মানুহক নিজে ভবাতকৈ বেছি সুখী বুলি বুজিব পাৰিম।

জনছন—না। আমি যিমানেই অনুসন্ধান কৰোঁ। সিমানেই বেছি অসুখী দেখিম।

১১৫
স্কটলেণ্ড (১৭৭৮)

খাবৰ সময়ত মিছেছ থ্ৰেইলে স্কটলেণ্ড চাবলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰাত জনছনে কলে, "মেডাম। স্কটলেণ্ড চোৱা মানে এখন বেয়া ইংলেণ্ড চোৱা, এপাহ ফুল মাহে মাহে শুকাই গৈ বৈ থকা ঠাইডাল চোৱা। অৱশ্যে হেব্ৰাইডিজ চোৱাটো এটা সম্পূৰ্ণ বেলেগ দৃশ্য দৰ্শন কৰা।"

১১৬
মনৰ প্ৰসাৰ (১৭৭৮)

মই তেখেতক কৈছিলোঁ যে মই কিছুমান মানুহৰ দল এটাত সঁচাকৈয়ে অতি হতাশ হৈছিলোঁ। সেই দলত মই এটা মাত্ৰ বুদ্ধিযুক্ত বাক্য শুনি-ছিলোঁ, সেইটো হৈছে, "এজন মানুহ দহ বছৰ মিনৰ্কা দ্বীপত বাস কৰাৰ পিচত তেওঁ লণ্ডনত যেনে আছিল তাতকৈ বহু তলখাপৰ মানুহ হৈ গ'ল, কাৰণ ঠেক ঠাইত মানুহৰ মনো সংকীৰ্ণ হৈ যায়।"

জনছন—কথাটো হ'ল যে যাৰ মন ডাঙৰ ঠাইত বাস কৰাৰ বাবেহে ডাঙৰ তেওঁৰ হে মন ঠেক ঠাইত থাকিলে ঠেক হৈ যায়। কিন্তু কিছুমান

আৰু চিন্তাৰ ধাৰা যিখিনি পোৱা যায় সেইখিনি তাঙৰ ঠাইতো হেনে থাকে সৰু ঠাইতো তেনেই। মিনৰ্কাৰ নিচিনা এখন ঠাইত এজন মানুহে হয়তো জীৱন ধাৰণৰ বিভিন্ন প্ৰণালীৰ কথা লণ্ডনত থকাৰ দৰে জানিব নোৱাৰে কিন্তু অঙ্ক-শাস্ত্ৰ দুয়ো ঠাইতে ঠিক একেদৰেই অধ্যয়ন কৰিব পাৰে।

বছৱেল—সেইটো ঠিক কৰ নোৱাৰিলোঁ। আপুনি যদি দহ বছৰ কল (Col) দ্বীপত থাকিলেহেঁতেন তেন্তে এতিয়া আপুনি যি মানুহ তেনেজন বোধ হয় নহলহেঁতেন।

জনছন—নহলোঁহেঁতেন যদি তাত মই পোন্ধৰ বছৰৰ পৰা পঁচিছ বছৰ বয়সলৈ থাকিলোঁহেঁতেন, কিন্তু পঁচিছৰ পৰা পঁয়ত্ৰিছলৈ থাকিলে নহয়।

বছৱেল—মই হলে জানো লণ্ডনত মই যি উদ্যম পাওঁ তাৰ সহায়ত প্ৰত্যেকটো কামকে বেছি আগ্ৰহ আৰু শক্তিৰে কৰিব পাৰোঁ। আন ঠাইত মই যিমান কথা কওঁ লণ্ডনত তাৰ দুগুণ কৰ পাৰোঁ।

১১৭

সন্তুষ্টি আৰু সৈনিক (১৭৭৮)

বিশ্বপ (চেণ্ট আচাফৰ)—Horace অৰ লেখাবোৰৰ পৰা দেখা যায় যে তেওঁ এজন প্ৰফুল্ল সন্তুষ্টচিত্ত মানুহ আছিল।

জনছন—সেইটো ভাবিবৰ আমাৰ কোনো কাৰণ নাই মাই লৰ্ড। পোপক আমি সুখী বুলিব পাৰোঁনে যিহেতু তেওঁ নিজৰ লেখাত সেইদৰে কৈছে? আমি তেওঁৰ লেখাত মাত্ৰ দেখা পাওঁ তেওঁ নিজৰ মনৰ অৱস্থাটো কেনে দেখুৱাব বিচাৰিছিল। ডঃ য়ঙ্গে (Young) সদায় উচ্চ বাজকৰ পদলৈ উন্নীত হবলৈ বিচাৰি ফুৰিছিল, কিন্তু তেওঁ নিজৰ লেখাত সেই অভ্যাসক অতিক্ৰম কৰি দেখুৱাইছে আৰু ঠিক যিটো মনকে অৱহেলা নকৰে তাকে অৱহেলা কৰাৰ ভাও ধৰিছে।

বিশ্বপ—তেওঁ আছিল আন ধৰ্মযাজকবোৰৰ দৰে। সদায় কওঁ কাৰ খালি হয় তাকে বিচাৰি ফুৰিছিল। কিন্তু সেইটো অকল যাজক বিলাকৰে বিশেষত্ব নহয়। মই যেতিয়া সৈন্যবাহিনীৰ লগত আছিলোঁ, মোৰ মনত আছে লাফেল্টৰ (Lafeldt) যুদ্ধৰ পিছত অফিচাৰ সকলে দীঘলকৈ আক্ষেপ কৰিছিল যে এজনো জেনাৰেল মৰা নপৰিল।

১১৮

লেহেম গতি (১৭৭৮)

গ'ল্ডস্মিথৰ কথা উঠিলত জনছনে কলে যে গ'ল্ডস্মিথৰ নাম জনাজাত হবলৈ বহুত সময় লাগিছিল। তেওঁ বোলে এবাৰ জনছনৰ ওচৰত হাঁহি উঠা আক্ষেপেৰে অভিযোগ কৰিছিল, "যেতিয়াই মই কিবা এটা লিখোঁ, তেতিয়াই নাইজে সেই সম্বন্ধে একোটোকে নজনাৰ ভাও ধৰে।" কিন্তু তেওঁৰ *Traveller* কবিতাটোৱে তেওঁক প্ৰচুৰ যশস্যা আনি দিলে।

লেংটন—সেই কবিতাটোত এটাও বেয়া শাৰী নাই। ড্ৰাইডেনৰ দৰে হঠাতে চেলেং পেতেংকৈ লিখা কবিতা এটা শাৰীও নাই।

ছাৰ যশ্লোৱা—চাৰ্লছ্ ফক্সে কবিতাটো ইংৰাজী ভাষাৰ এটি উত্তম কবিতা বুলি কোৱা শুনি মই বৰ আনন্দ পাইছিলোঁ।

জনছন—না! *Traveller* অৰ উৎকৰ্ষতা ইমানেই বেচি যে তাক মি: ফক্সৰ প্ৰশংসাইও ডাঙৰ কৰিব নোৱাৰে আৰু তেওঁৰ অপছন্দইও সৰু কৰিব নোৱাৰে।

ছাৰ যশ্লোৱা—কিন্তু তেওঁৰ বন্ধুসকলে হয়তো সন্দেহ কৰিব পাৰে যে গ'ল্ডস্মিথৰ প্ৰতি তেওঁলোকৰ নিজৰেই বেছি পক্ষপাতিতা দেখুওৱা হ'ল।

জনছন—নহয় ডাঙৰীয়া। তেওঁৰ বন্ধুসকলৰ 'পক্ষপাতিতা' সদায় তেওঁৰ বিপক্ষেহে আছিল। আমি অতি কষ্টেৰেহে তেওঁৰ কথা বুজিব পাৰিছিলোঁ। গ'ল্ডস্মিথৰ কোনো বিষয়ৰে কোনো স্থিৰ ধাৰণা নাছিল, গতিকে তেওঁ সদায় অসংলগ্ন ভাৱে কথা কৈছিল। যেনিবা তেওঁ ভাবি লৈছিল যে যিহকে মনত আহে তাকে কৈ পেলাব আৰু চাব যে ফলাফল নো কি হয়। যেতিয়া এটা অসম্ভৱ কথা কৈ ধৰা পৰে তেতিয়া খঙো উঠিছিল, কিন্তু সেই বুলি পিচ মুহূৰ্ত্ততে আৰু এটা অসম্ভৱ কথা নোকোৱাকৈ নেথাকিছিল। মোৰ মনত আছে চেমিয়াৰে (Chamier) এবাৰ তেওঁৰ লগত অলপ পৰ কথা পতাৰ পিচত কৈছিল, 'বুজিছানে, কবিতাটো তেওঁ নিজে লিখিছে বুলিয়েই বিশ্বাস হয় আৰু এইটোও কওঁ যে সেইটো কষ্টেৰেহে বিশ্বাস কৰা যায়।" আৰু এবাৰ চেমিয়াৰে তেওঁক সুধিছিল, *Traveller* অৰ প্ৰথম শাৰীৰ শেষ শব্দটো— slow মানে কি?

Remote, unfriended, melancholy, slow.

ইয়াত তেওঁ আকৌ লেখকৰ গতিৰ কথা বুজাইছে? গ'ল্ডস্মিথৰ তো একো নতুন নিচিন্তাকৈয়ে কথা কোৱাৰ অভ্যাস, কৈ দিলে, "হয়।" মই ওচৰতে বহি আছিলোঁ। মই কলোঁ, নহয় ডাঙৰীয়া, আপুনি তো লেখকৰ গতিৰ কথা কোৱা নাই। আপুনি কৈছে অকলশৰে থকা মানুহ এজনৰ মনতে যি ধীৰ ক্লান্তিৰ ভাব আছে তাৰ কথা। লগে লগে চেম্বাৰে কলে ধীৰ সেই শাৰীটো মইয়েই লিখিছোঁ বুলি, যেনিবা তেওঁ নিজেই মোক শাৰীটো লিখি দেখিছে। পিছে গ'ল্ডস্মিথ এনে এজন মানুহ আছিল যি, যিহকে লিখক তাকে অইন যি কোনো মানুহতকৈ ভালকৈ লিখিব পাৰে।* 'বেষ্ট মিনিষ্টাৰ এবীঁত তেওঁ স্থান পাবৰ উপযুক্ত আছিল আৰু সীমাই থাকিলে বছৰি বছৰি সেই উপযুক্ততা আৰু বাঢ়ি গ'লহেতেন। প্ৰকৃতপক্ষে তেওঁ নিজৰ মূৰটো জ্ঞানেৰে ভৰপূৰ কৰিবৰ চেষ্টা কৰা নাছিল। তেওঁ জ্ঞানক এঠাইৰ পৰা তুলি নি আন এঠাইত থাপিছিল, বস্তুটো তেওঁৰ মগজুত থিতাপি নলৈছিল। সেই বাবেই তেওঁ ক'ব নোৱাৰিছিল নিজৰ কিতাপত কি আছে।

১১৯

বুঢ়া বয়স (১৭৭৮)

আমি বুঢ়া বয়সৰ আলোচনা কৰিছিলোঁ। জনচনে (তেতিয়া ৭০ বছৰ) কলে, "বুঢ়া বয়সত যদি এজন মানুহৰ মগজু গোট মাৰি যায় তেন্তে সেইটো ঘটে ব্যৱহাৰৰ অভাৱৰ পৰা, আৰু সেইটো মানুহজনৰ নিজৰেই দোষ।" বিচপ অৱ চেণ্ট আছাফে সুধিলে, "বুঢ়া মানুহে যিমান খৰকৈ পায় তাতোকৈ খৰকৈ নেহেৰুৱায় নে?

জনচন—মোৰ বিশ্বাস নেহেৰুৱায় মাই লৰ্ড, যদিহে তেওঁ অকণমান চেষ্টা কৰে।

লগৰ এজনে নভবাকৈয়ে কৈ পেলালে যে তেওঁ ভাবে বৃদ্ধ এজনৰ কপাল ভাল যে তেওঁৰ মনৰ অসাৰতা ধ'ৰ নোপোৱাকৈ থাকে।

জনচন (মহিমাময় গাম্ভীৰ্য্যেৰে সৈতে)—নহয় ডাঙৰীয়া মই হলে বৰ জ্ঞানী হৈ কেতিয়াও সুখী নহওঁ।

বিচপ—তেন্তে আপোনাৰ ইচ্ছা হ'ল, 'বুঢ়া হবা আৰু শিকি থাকা।'

জনচন—হয় মাই লৰ্ড।

১২০
চীনৰ প্ৰাচীৰ (১৭৭৮)

দূৰ দেশত ভ্ৰমণ কৰাৰ কথা জনছনে অসাধাৰণ উদ্দীপনাৰে সৈতে কৈছিল। তেখেতৰ মতে এনে ভ্ৰমণে মনটো উদাৰ কৰে, চৰিত্ৰয়ো এটি গহীন শ্ৰেষ্ঠত্ব লাভ কৰে। তেখেতে বৰ আগ্ৰহেৰে সৈতে চীনৰ দেৱাল চাবলৈ যোৱাৰ কথা কৈছিল। তেখেতৰ উত্তেজনাই মোকো সোঁচৰিছিল। মই কৈছিলোঁ, মই সঁচাকৈয়ে চীনৰ বিখ্যাত প্ৰাচীৰ চাবলৈ গলোঁহেঁতেন কিন্তু মোৰ লৰা-ছোৱালী আছে আৰু সিহঁত্‌, যতন লোৱাটো মোৰ কৰ্ত্তব্য। তেখেতে কলে, 'তুমি যদি সঁচাকৈ যোৱাঁ। তেন্তে এনে এটা কাম কৰিবা যিটোৱে তোমাৰ লৰা-ছোৱালীকো প্ৰখ্যাত কৰিবলৈ সহায় কৰিব। তোমাৰ উদ্যম আৰু অনুসন্ধিৎসাই সিহঁতৰ ওপৰতো এটা পোহৰ পেলাব। মানুহে সকলো সময়তে কব এই লৰা-ছোৱালীহঁতৰ দেউতাকে চীনৰ দেৱাল চাবলৈ গৈছিল। এৰা, মই ধেমালি কৰি কোৱা নাই।'

১২১
উদ্দাম আগ্ৰহেৰে পঢ়া (১৭৭৮)

মিঃ ডিলীৰ ঘৰত আজিৰ নৈশ ভোজনত মিলিত হৈছিল, বুদ্ধিমতী কুৱেকাৰ মহিলা মিছেছ্ নৌল্‌ছ্ (Knowles), লিচ্‌ফিল্ডৰ মহিলা কবি কুমাৰী চিৱাৰ্ড্‌ (Seward), ৰেভা, ডঃ মেয়' আৰু ডিউক অৱ বেছ্-ফৰ্ডৰ ঘৰুৱা শিক্ষক ৰেভা. মিঃ বেৰেচ্‌ফৰ্ড। ভোজৰ আগতে ডঃ জনছনে চাৰ্লছ্‌ শ্বেৰিডানৰ *Account of the Late Revolution in Sweden* নামৰ কিতাপখন লৈ উদ্দাম আগ্ৰহেৰে পঢ়িবলৈ ধৰিছিল। তেওঁৰ পঢ়াৰ ধৰণটো এনেহে লাগিছিল যেন তেওঁ কিতাপখন চোবাইহে খাইছে। মিছেছ্ নৌল্‌ছে কৈছিল, "তেওঁ আন যি কোনো মানুহতকৈ ভালকৈ পঢ়িব পাৰে। তেওঁ পোনে পোনে কিতাপ এখনৰ সংক্ষিপ্ত সাৰ সংগ্ৰহ কৰিব পাৰে যেন তাৰ অন্তৰখনহে টানি উলিয়াই লৈছে।"

জনছনে খাবৰ সময়ত কিতাপখন নিজৰ কোলাত মেজৰ কাপোৰ খনেৰে ঢাকি লৈ আছিল। আগ্ৰহটো এনেকুৱা, যেন এটা আনন্দ ভোগ শেষ হোৱাৰ লগে লগে আন এটাৰ বাবে সাজু হৈ আছে। তুলনা কৰিবলৈ হলে (যদি মই এনে এটা নিকৃষ্ট উপমা ব্যৱহাৰ কৰিব পাৰোঁ।) ঠিক যেনেকৈ এটা কুকুৰে তালৈ দলিয়াই দিয়া বস্তুবোৰ খাই শেষ কৰে মানে হাড় এডোখৰ ভৰিৰ তলত চেপা মাৰি ধৰি থাকে।

১২২

খোচামুদ (১৭৭৮)

কুমাৰী—এগৰাকী সাহিত্যপ্ৰেমী মহিলাৰ সম্পৰ্কে জনছনে কলে, "মই মিছ ৰেণল্ডছক কবলৈ বাধ্য হৈছিলোঁ যে তেওঁ যেন এই মহিলাক মোক ইমানকৈ প্ৰশংসা কৰিবলৈ মানা কৰেগৈ।" কোনোবা এজনে ক'লে, "তেওঁ তো গেৰিককো প্ৰশংসা কৰে।"

জনছন—গেৰিকক প্ৰশংসা কৰাটো তেওঁৰ উচিত। তাৰ কাৰণ দুটা। প্ৰথম, কামটোত গোটেই জগতৰে সমৰ্থন আছে। যোৱা ত্ৰিছ বছৰে সকলোৱে গেৰিকক প্ৰশংসা কৰিয়েই আহিছে। দ্বিতীয়, এই প্ৰশংসাৰ বাবে গেৰিকে তেওঁক পুৰস্কাৰো দিয়ে। কিন্তু মোক প্ৰশংসা কৰিবৰ কাৰণ কি? মই তো তেওঁক একো কৰি দিব নোৱাৰোঁ। তেওঁৰ প্ৰশংসা আন বজাৰলৈ নিয়ক। (মিছেছ নৌল্‌ছৰ ফাললৈ ঘূৰি) আৰু আপুনি মেডাম, আজি গোটেই সন্ধিয়াটো মোক প্ৰশংসা কৰিয়েই আছে। মই আশা কৰোঁ। এতিয়া বছৱেলকে কিছু প্ৰশংসা কৰক। আপুনি যদি তেওঁৰ গুণবিলাক মই যেনেকৈ জানো তেনেকৈ জানিলেহেতেন, তেন্তে বহুত কথাই কলেহেতেন। তেওঁ পৃথিৱীৰ ভিতৰতে সকলোতকৈ ভাল সহযাত্ৰী।

১২৩

ভ্ৰমণ কাহিনী (১৭৭৮)

মই ইউৰোপৰ ভূখণ্ডত ভ্ৰমণ কৰাৰ কাহিনী প্ৰকাশ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিলোঁ। ইয়াৰ বাবে মোৰ নানা প্ৰকাৰৰ মাল-মছলাও গোট খাই আছিল।

জনছন—মই নকওঁ যে তোমাৰ ভ্ৰমণ কাহিনী প্ৰকাশ নকৰিবা, কিন্তু মোৰ মত হৈছে তুমি তাৰ বাবা নিজক সকহে কৰিবা। ইউৰোপৰ বিখ্যাত প্ৰখ্যাত দেশত তুমি ঘূৰিলা সেই বোৰৰ সম্বন্ধে তুমি বাৰু কি ক'ব পাৰিবা?

বছৱেল—মই অন্ততঃ মুখ-পাঠ্য বৰ্ণনা এটা দিব পাৰিম। নানান প্ৰকাৰৰ ঘটনা, শব্দ, হাঁহি উঠা কথাৰে সেই বৰ্ণনা আনন্দদায়ক হ'ব বুলিয়েই ভাবোঁ।

জনছন—পিছে আজিকালি ইউৰোপ ঘূৰি আহি ভ্ৰমণ কাহিনী প্ৰকাশ কৰা বেছিৰ ভাগ পৰ্যটকেই হাঁহিয়াতৰ পাত্ৰ হৈছে। মই নিবিচাৰোঁ যে তুমিও নিৰ্বোধৰ দলত ভৰ্তি হোৱা। আজি আৰু জগতত এনে ভ্ৰমণকাৰীৰ

বৰ্ণনা পঢ়ি আনন্দ লাভ কৰিয়েই সন্তুষ্ট নহয়, তেওঁলোকে কিবা শিকিবও বিচাৰে। মোৰ কোনো কোনো বন্ধুৱে প্ৰশ্ন কৰিছিল মই কিয় মোৰ ফ্ৰান্স ভ্ৰমণৰ বৰ্ণনা এটা নিলিখোঁ। কাৰণটো ওলাই আছে। মই ফ্ৰান্সৰ যিমান-খিনি দেখিছোঁ বহু বুদ্ধিমান পৰ্যটকে তাতোকৈ বেচি দেখিছে। তুমি হয়তো মোৰ ফ্ৰান্সৰ ভ্ৰমণ কাহিনী পঢ়ি ভাল পালাহেতেন, আমাৰ ক্লাবেও হয়তো ভাল পালেহেতেন, কিন্তু মোটৰ ওপৰত সেই কাহিনী ভালতকৈ বেচিৰ ভাগ ঠাট্টাৰ হে কাৰণ হলহেঁতেন।

বছৱেল—মই ডাঙৰীয়া, আপোনাৰে সৈতে একেমত হ'ব নোৱাৰিলোঁ। আপুনি যি কোনো বিষয়ে যি কোনো কথাকে নকওক লাগে বাইজে পঢ়িব খুজিবই। ধৰক, এখনি মুখ আগতে পঞ্চাছবাৰ চিত্ৰকৰে আঁকি গৈছে, তথাপিও আমি ছাৰ যশুৱাৰাই সেইখন কেনেকৈ আঁকে চাব খুজিম।

জনছন—সঁচা, কিন্তু ছাৰ যশুৱাৰাই যিখনি মুখ চাবলৈ আজৰি পোৱা নাই (has not time to look on) সেই মুখখনি তো আঁকিব নোৱাৰে।

বছৱেল—ডাঙৰীয়া, তেওঁ অঁকা যি কোনো আঁচনি-চিত্ৰ এখনো মূল্যবান। আৰু (মাতটো অলপ ডাঙৰ কৰি) আপোনাৰ ভাষাত কবলৈ গলে আপুনি আমাক আপোনাৰ 'ফ্ৰান্স ভ্ৰমণ'' দিব লাগিছিল। মই জানো মোৰ কথাই ঠিক, আৰু এই প্ৰসঙ্গৰ ইয়াতে শেষ।

মই আৰু কলোঁ, যে বন্ধু ডেম্পষ্টাৰে মোলৈ এই বিষয়ে চিঠিত লিখি-ছিল যে আপোনাৰ *Journey to the Western Islands of Scotland* অত লিখা বহুখিনি কথাই আপুনি লণ্ডন এৰাৰ আগতেই আপোনাৰ মগজুত আছিল। মযো ভাবোঁ, কথাষাৰ সঁচা।

জনছন—ওঁ, বিষয় বিলাক আছিল। দৰাচলতে যাত্ৰাৰ আগতে মনত যি থাকে সেই অনুপাতেই ভ্ৰমণ কাহিনী ভাল বা বেয়া হয়। মানে মই কৈছোঁ কি চাব লাগিব সেইটো জনা আৰু ভ্ৰমণকাৰীয়ে একপ্ৰকাৰৰ জীৱন যাত্ৰাৰ প্ৰণালী আন এক প্ৰকাৰৰ সৈতে তুলনা কৰিবৰ শক্তিৰ কথা। স্পেইন দেশত এটা ফকৰা আছে, 'যি ইণ্ডিজৰ (Indies) ধন আনিব খোজে তেওঁ ইণ্ডিজৰ ধন নিজৰ লগত নিব লাগিব।' ভ্ৰমণৰ বেলিকাও সেয়ে, কোনোবাই যদি জ্ঞান ঘুৰাই আনিব খোজে তেন্তে জ্ঞান লগত লৈ যাব লাগিব।

বছৱেল—মোৰ বোধেৰে ফকৰাটোৰ অৰ্থ হৈছে তেওঁ বিনিময় কৰিবৰ বাবে লগত প্ৰচুৰ বস্তু লৈ যাব লাগিব।

জনছন—ঠিক কথা।

১২৪
জনছন আৰু এড্‌বাৰ্ডছ (১৭৭৮)

এড্‌বাৰ্ডছ—ছাৰ আপুনি থাকে কেনেকৈ? মোৰ তো সময়মতে খোৱা আৰু এগিলাছ মদৰ আৱশ্যক। এইটো মোক লাগেই।

জনছন—আগ বয়সত মই মদ খাইছিলোঁ, আজিকালি নেখাওঁ। বহুত বছৰ খোৱা নাছিলোঁ, তাৰ পিচত আকৌ কেইবছৰমান ভালকৈয়ে খাইছিলোঁ।

এড্‌বাৰ্ডছ—নিশ্চয় পিপা ভৰি ভৰি।

জনছন—তাৰ পিচত বেমাৰ পৰিলোঁ আৰু মদ খোৱা বাদ দিলোঁ। এতিয়ালৈকে পুনৰ আৰম্ভ কৰা নাই। এটা বস্তু নেখাই আন এটা বস্তু খোৱাত আৰু এটা ব্ৰতৰ্‌তকৈ আন এটা ব্ৰতৰ্‌ত মই কোনো পাৰ্থক্যই নেপাওঁ। কিছুমান মানুহে এটা পাৰ্থক্য অনুভৱ কৰে বুলি মোৰ বিশ্বাস, কিন্তু মই সেই দলত নহয়। আৰু নিয়মীয়া খোৱা-বোৱাৰ কথা কৈছে, মই দেওবাৰৰ নিশাৰ পৰা মঙ্গলবাৰৰ নিশালৈকে লঘোণ দিও কোনো অসুবিধা পোৱা নাই। মোৰ বিশ্বাস মানুহৰ যেতিয়া ভোক লাগে তেতিয়া খোৱাটোৱেই আটাইতকৈ ভাল। কিন্তু যি মানুহৰ ব্যৱসায় আছে, নতুবা পো-পৰিয়াল লৈ বাস কৰে তেওঁৰ নিয়মমতে খোৱা-বোৱা কৰা উচিত। মই তো দলৰ বাহিৰৰ মানুহ। মই এই চহৰ এৰি কায়বোলৈ গুচি গলেও ইয়াতো কোনেও মোৰ অভাৱ বোধ নকৰে, তাতো কোনেও খুঁজি নেচায়।

এড্‌বাৰ্ডছ—খোৱাৰ আগতে একো নেখায় নে?

জনছন—নেখাওঁ।

এড্‌বাৰ্ডছ—মোৰ বেলিকা হলে এই খোৱাটো বিছনালৈ যোৱাৰ বাটত এখন পাৰ হব লগীয়া জপনা।

১২৫
বছৱেলক তিৰস্কাৰ (১৭৭৮)

ডঃ পাৰ্টীৰ ঘৰত আমাৰ লগত একেলগে ভোজ খোৱা ভদ্ৰলোকজন গোৱাই আছিল। জনছনে আমেৰিকান সকলক এনে ভাবাৱে আক্ৰমণ কৰিছিল যে সি শালীনতাৰ সীমা পাৰ হৈ গৈছিল। মই আমেৰিকানসকলৰ সমৰ্থনত কিবা এটা কৈ লগতে যোগ দিলোঁ যে জেকেতে যেতিয়াই এই বিষয়ে কথা কয় মই বৰ দুখ পাওঁ। এইকাৰণেই দেখা গ'ল জেকেতৰ বং আৰু ফুলিলেহে, যদিও সেই সময়ত একো নকলে। মোৰ যেনিবা গৰুকৰ বাপেৰে

ভৰি গৈ পিচত বজ্রপাত হবৰ সূচনা হৈ থাকিল। আমি আন এজন ভদ্র-লোকৰ বিষয়ে কথা পাতিবলৈ ধৰিলোঁ। এওঁ আকৌ নিজৰ ধন-সম্পত্তি লণ্ডনত উৰুৱাই দিবলৈ ধৰিছিল। মই কলোঁ যে তেওঁক আমি ৰক্ষা কৰিব লাগিব। আমি অর্থাৎ তেওঁৰ সকলো বন্ধুৱেই তেওঁৰ লগত কাজিয়া কৰিব লাগিব। তেতিয়া তেওঁ সোনকালে লণ্ডনৰ পৰা পলাই যাব।

জনছন—নহয়, আমি তোমাক তেওঁৰ ওচৰলৈ পঠাই দিম। তোমাৰ সাহচর্যই যদি এটা মানুহক ঘৰৰপৰা উলিয়াই পঠাব নোৱাৰে, তেন্তে একোৱেই নোৱাৰে।

এইটো এটা বৰ দুর্ভাগ্যজনক কথা হ'ল, অথচ দেখাত তাৰ কোনো কাৰণে নাছিল। মই পিচত তেওঁক সুধিছিলোঁ তেওঁ এনে এটা নিষ্ঠুৰ কথা মোক কিয় কলে।

জনছন—কাৰণ তুমি আমেৰিকান বিদ্রোহৰ সম্বন্ধে মোৰ খং তুলি লৈছিলা।

বছৱেল—তেন্তে তৎক্ষণাৎ তাৰ শোধ নুতুলিলে কিয়?

জনছন (অলপ হাঁহি)—কাৰণ তেতিয়া মোৰ হাতত একো সাজু নাছিল হাতত অস্ত্র নথকাকৈ কোনেও আঘাত কৰিব নোৱাৰে।

এই এটা সুন্দৰ আৰু মুকলি স্বীকাৰোক্তি আছিল।

১২৬

অমিতব্যয়িতা (১৭৭৮)

২০ এপ্রিল সোমবাৰৰ দিনা মই তেখেতক ঘৰতে লগ পালোঁগৈ। আমি এনে এজন মানুহৰ সম্বন্ধে কথা পাতিছিলোঁ যাক আমি ব্যৱসায়ৰ সু-বন্দোবস্তৰ অভাৱত ধীৰে ধীৰে দুৰৱস্থাত পৰিবলৈ ধৰিছে বুলি সন্দেহ কৰিছিলোঁ।

জনছনে কলে, "সম্পত্তি নষ্ট কৰা কামটো হ'ল হেঙ্গাৰটা অদৃশ্য বাটেৰে বাষ্প হৈ উৰি যোৱাৰ নিচিনা। পানীৰ সোঁতৰ দৰে হলে তাক বাধা দিব পাৰি। তুমি তেওঁৰ লগত কথা হব লাগিব। কথাটো বৰ আক্ষেপ-জনক। তেওঁ যদি জুৱাৰী হলহেঁতেন তেন্তে এদিন জিকিব বুলি ভাবিব পৰা গ'লহেঁতেন, বেপাৰত লেউলিয়া হলে এদিন ধনী হব বুলি ভাবিব পাৰিলোঁহেঁতেন, কিন্তু তেওঁৰ খৰচ কৰিবৰো সাহস নাই আৰু সাঁচি থবলৈও মনৰ দৃঢ়তা নাই। খৰচ কৰি আনন্দ লাভ কৰিবৰ জোখাৰে খৰচ তেওঁ

খৰচ নকৰে। তেওঁৰ আছে কেৱল বেহিচাবীৰ অপৰাধ আৰু কৃপণৰ দুৰ্ভাগ্য। এজন মানুহ বহু মুহূৰ্তৰ মৰিলে কব পাৰি যে আন বছৰতেও তেনেকৈ মৰিছে কিন্তু ভুই ভুই মৰাটো অথবা ধা-টো বাদ্ধি থকৰ বা জখমটো খচিলাই কৰি নবৰ জোখাৰে মনৰ দৃঢ়তা নথকাটো বৰ আক্ষেপৰ কথা।"

এই প্ৰসঙ্গত—আন প্ৰায় সকলো প্ৰসঙ্গৰ দৰেই—ৰৈ গৈছে ছি, কল্পনাৰ উৰ্বৰতা আৰু ভাষাৰ সুন্দৰ নিৰ্বাচন দেখুৱালে তাৰ প্ৰশংসা কৰিবলৈ বাবে মই এক মুহূৰ্ত নৰৈ নোৱাৰিলোঁ। ডঃ পাৰ্চীয়ে (এডিভ্ৰা বিশপ অৱ ড্ৰুমৰ'ৰ) ঠিক কথাই কৈছিল—"জনছনৰ কথা-বতৰা পৰিষ্কাৰ আৰু শক্তিযুক্ত, তাৰ প্ৰতিটি শিৰা আৰু মাংসপেশী দেখা যোৱা অতীতৰ এটি মূৰ্তিৰে সৈতে বিজাব পাৰি। সাধাৰণ কথা-বতৰা অলপ নিকৃষ্ট ভাস্কৰ্যৰ সজা।

১২৭

ডেমষ্টিনিছ টেইলৰ (১৭৭৮)

জনছনে কৈছিল "ডেমষ্টিনিছ টেইলৰ (Taylor), অৰ্থাৎ ডেমষ্টি-নিছৰ সম্পাদক, নামে জনাজাত মানুহজন অতি নিৰ্বাক ধৰণৰ মানুহ আছিল। মই দেখা সকলো মানুহৰ মাজত তেওঁ যেন এটা মূৰ্তিহে। এবাৰ মই তেওঁৰ লগত ডিনাৰ খাইছিলোঁ আৰু গোটেইখিনি সময়ৰ ভিতৰত তেওঁ মাত্ৰ এটা শব্দ কৈছিল—ৰিচাৰ্ড। এজন মানুহে কেনেকৈ মাত্ৰ 'ৰিচাৰ্ড' শব্দটো যে ক'ব পাৰে ভাবি পোৱা টান। ঘটনাটো ঘটিছিল এইদৰে—ডঃ ডগ্লাছে ডঃ জাকাৰি (Zachary) গ্ৰেৰ কথা কৈ আছিল আৰু ভুলতে ডঃ ৰিচাৰ্ড গ্ৰেই (Grey) লিখা কিবা এটা জাকাৰিয়ে লিখা বুলি কৈছিল। গতিকেই টেইলৰে শুধৰাবৰ বাবে কলে (টেইলৰৰ ডিক্ত জোৰ দিয়া আৰু মুখ ফোওঁৱা ভঙ্গী অনুকৰণ কৰি) "ৰিচাৰ্ড।"

১২৮

সুৰাপান (১৭৭৮)

আমি সুৰাপানৰ বিষয়ে কথা পাতিছিলোঁ। জনছনে কলে, "মোক মদ লাগে মই যেতিয়া অকলশৰে থাকোঁ। তেনেকুৱা সময়ত মই মদ পিচাবেঁ আৰু অনেক সময়ত খাইছোঁও।"

স্পটিছউড্ (Spottiswoode)—আনে? কাৰবাৰীয়া হিচাপে দেখি ছাৰ?

জনছন—নিজৰ পৰা মুক্তি পাবলৈ। নিজকে দূৰলৈ বেছি পঠিয়াবলৈ। মদে প্ৰভূত আনন্দ দিয়ে আৰু প্ৰত্যেকটো আনন্দই স্বয়ং উত্তম। ই ভালেই, যদিহে যেয়াই তাক সমান ওজনৰ বেয়ালৈ নিনিয়ে। এজন মানুহৰ মদ নেখাবৰ যথেষ্ট যুক্তিপূৰ্ণ কাৰণ থাকিব পাৰে আৰু সেই কাৰণটোৰেই সুৰা-পানৰ আনন্দতকৈ ডাঙৰ হ'ব পাৰে। মদ খালে মানুহে নিজে বৰ উৎফুল্ল বোধ কৰে। মই কোনো নাই যে তেওঁ অইনকো উৎফুল্ল কৰি তোলে। কেতিয়াবা কৰে অৱশ্যে। কিন্তু বিপদটো হল যে এজন মানুহে নিজে বেছি উৎফুল্ল হৈ উঠিলেও অইনৰ বাবে বেছি অপ্ৰিয় হৈ উঠিব পাৰে। মদে মানুহক একো নিদিয়ে, জ্ঞানো নিদিয়ে আৰু বুদ্ধিও নিদিয়ে, ই মাত্ৰ মানুহক সজীৱ কৰি তোলে আৰু সমাজৰ আগত যিবিলাক কথা তেওঁ ভয়তে লুকুৱাই থব খোজে সেইবোৰ বাহিৰলৈ উলিয়াই আনিবলৈ উদগণি দিয়ে। অৰ্থাৎ আগতে যিবোৰ বৰফত বন্দী হৈ আছিল সেইবোৰক চলা-ফুৰা কৰিবলৈ সহায় কৰে। সেইটো ভালো হব পাৰে আৰু বেয়াও হব পাৰে।

স্পটিছউড্—তেনেহলে ছাৰ, মদ হল বাকচ খুলিবৰ চাবি, কিন্তু বাকচটো ভৰাও থাকিব পাৰে আৰু খালিও হব পাৰে।

জনছন—নহয়, চাবি হল কথা বতৰা। মদ হল তলা-ভঙা যন্ত্ৰ, সি বাকচটো বলেৰে খুলে আৰু নষ্ট কৰে। সেই বাবেই মানুহে মদে যি আত্ম প্ৰত্যয় আৰু তৎপৰতা দিয়ে সেইটো বিনামদেই পাবলৈ নিজকে শিক্ষিত কৰিব লাগিব।

১২৯

জনছনৰ ভক্তসকল (১৭৭৮)

এপ্ৰিলৰ ২৯ তাৰিখ বুধবাৰে মই তেখেতৰ লগত এলান ৰামজেৰ (Allan Ramsay) ঘৰত নিশাৰ ভোজত যোগ দিছিলোঁ। তাত লৰ্ড বিনিং (Binning), ঐতিহাসিক ডঃ ৰবাৰ্টছন আৰু ছাৰ যশুৱা ৰেণল্ডছো আছিল। আৰু আছিল এড্মিৰেল ব'স্কেনৰ (Boscawen) বিধবা বৰ্ত্তমানৰ ফলমাউথৰ ভাইকাউণ্টৰ মাক অনাৰেবল মিছেছ ব'স্কেন। তেখেতৰ প্ৰশংসা কৰিবলৈ যোৱাটো যদি মোৰ পক্ষে ধৃষ্টতা নহয়, তেন্তে কব যে তেখেতৰ চাল-চলন অতি মধুৰ, আৰু কথা-বতৰাও, মই বিসকল মহিলাৰে সৈতে কথা পাতি ধন্য হৈছোঁ, তেওঁলোকৰ সকলোতকৈ ভাল।

জনছন আহি পোৱাৰ আগতে আমি তেখেতৰ সম্বন্ধে বহুখিনি কথা বতৰা হৈছিলোঁ। ৰামজেই কৈছিল যে তেওঁ জনছনক সদায় বৰ ৰিলয়ীৰূপে

দেখি আহিছে আৰু তেওঁ। জনছনৰ লগত অতি নিষ্ঠাৰে সৈতে সসন্মানে ব্যৱহাৰ কৰি আহিছে। মই কওঁ যে মই তেখেতক পূজা কৰোঁ।

ৰবার্টছন—কিন্তু তোমালোকৰ কিছুমানে তেওঁক নষ্ট কৰিছা। তেওঁক পূজা কৰা উচিত নহয়, কোনো মানুহকেই পূজা কৰা উচিত নহয়।

বছৱেল—মই তেখেতক পূজা নকৰাকৈ থাকিব নোৱাৰোঁ। তেখেত আন মানুহতকৈ বহুগুণে শ্ৰেষ্ঠ।

ৰবার্টছন—সমালোচনাত, বুদ্ধিদীপ্ত কথা-বতৰাত তেওঁ নিসন্দেহে শ্ৰেষ্ঠ, কিন্তু আন আন বিষয়ত তেওঁ আন আন মানুহৰ দৰেই। তেওঁ যিহকে কোৱা যায় তাকে বিশ্বাস কৰে আৰু 'চাৰ্চ অব ইংলেণ্ড'ৰ সম্বন্ধে অতি ক্ষুদ্ৰ কথাকো অতি তীব্ৰভাৱে সমৰ্থন কৰে।

বছৱেল—ডক্টৰ বিশ্বাস কৰক এইটো আপোনাৰ ভুল। আপুনি ব্যক্তিগতভাৱে তেখেতৰ লগত কথা পাতি চাব, তেখেত বৰ উদাৰ মনোভাৱৰ মানুহ।

ৰবার্টছন—তেখেত আৰু মোৰ মাজত সদায়েই সম্ভাৱ। মই তেখেতক প্ৰথমবাৰ লগ পাওঁ এদিন সন্ধিয়া ষ্ট্ৰাহানৰ ঘৰত। তেখেতে সেই সময়ত আডাম স্মিথৰ লগত থকাপুন্দা তৰ্কাতৰ্কি কৰি উঠিছিল মাথোন। স্মিথক তেখেতে এনে উগ্ৰভাৱে আক্ৰমণ কৰিছিল যে স্মিথ যোৱাৰ পিছত ষ্ট্ৰাহানে তেওঁক বুজনি দি কৈছিল যে মই (ৰবার্টছন) তেতিয়াই আহি পাব লগীয়া আছে আৰু তেওঁৰ চিন্তা হৈছে যে তেখেতে মোৰ লগতো তেনে ব্যৱহাৰ কৰিব। জনছনে কৈছিল, 'না, না, ৰবার্টছন আৰু মই বেছ চলি যাম, আপোনাক কথা দিলোঁ।' তেখেতৰ কথামতেই গোটেই সন্ধিয়াটো মোৰ লগত ভদ্ৰ শান্ত-শিষ্ট ব্যৱহাৰ কৰিছিল। আৰু তেতিয়াৰ পৰা মোৰ লগত যিমানবাৰ দেখা হৈছে ঠিক তেনেকুৱা ব্যৱহাৰেই কৰিছে। মই ষ্ট্ৰাহানক কৈছোঁ (হাঁহি হাঁহি) যে মোক ভদ্ৰভাৱে লোৱাৰ বাবে মই স্মিথৰ ওচৰত ধৰুৱা।

বছৱেল—তেখেতৰ অনুধাৱন কৰিবৰ শক্তি অতি তীব্ৰ আৰু চৰিত্ৰ অঙ্কণৰ এনে এটা বিশেষ শক্তি আছে যেন ছবিহে আঁকি যাব ধৰিছে।

ছাৰ যশ্চোৱা ৰেণল্ডছ—এৰা সেই কামটো তেখেতে ভালেই কৰে কিন্তু তেখেতে আঁকা চৰিত্ৰত নাই আকৰ্ষণ কৰিবৰ বাবে যেছিকৈ মঙ্গলে আৰু চৰিত্ৰবোৰৰ ভালটোৱেই হওক বা বেয়াটোৱেই হওক যিহকে দেখুৱাব খোজে তাকে আচলতকৈ বেছিকৈ দেখুৱায়।

আমি এইদৰে পাতলভাবে যিজনৰ কথা আলোচনা কৰি আছিলোঁ তেখেত অহাৰ লগে লগে সকলোৱে নিতাল মাৰিলোঁ, যেনিবা স্কুলৰ হেড মাষ্টৰ হে আহি সোমালহি, অলপ পিচতে এনে সুন্দৰ সুন্দৰ বস্তুৰে সজোৱা খোৱা মেজত আমাক বহুৱা হল যে সেইবোৰেই তেখেতৰ আনন্দ বঢ়াবলৈ কম বৰঙণি নোযোগালে।

১৩০
দৃষ্টিকোণ (১৭৭৮)

জনছনে সুৰাপানৰ বিপক্ষে কৈ আছিল। তেখেতে কৈছিল, "এজন মানুহে সুৰাবৰ্জন আৰু স্নান নাইবা ক্লেৰেট আৰু অজ্ঞতা দুটাৰ মাজত এটা বাছি ল'ব পাৰে।" সৰবৰহী ডঃ ৰবাটছনে ক্লেৰেট নিষেধ কৰাৰ বিপক্ষে ক'ব খুজিছিল, ডঃ জনছনে গহীন হাঁহি এটা মাৰি মাত লগালে, "নহয় ডাঙৰীয়া, আপুনি মোৰ লগত একমত নহব। মই কৈছোঁৱেই যে যিজনে সকলোতকৈ বেছি বিধৰ গ্ৰহণ কৰিব পাৰে তেৱেঁই সকলোতকৈ বেছি গুণী।"

ৰবাৰ্টছন (হাতত ক্লেৰেটেৰে ভৰা এটা ডাঙৰ গিলাছ লৈ)—ছাৰ, মই মাত্ৰ আপোনাৰ স্বাস্থ্য-পান কৰিব পাৰোঁ।।

জনছন—ডাঙৰীয়া, আপুনি যদি তাতকৈ আৰু একো কৰিব নোৱৰা অৱস্থা পায় তেন্তে মই দুখিত হ'ম।

ৰবাৰ্টছন—ডঃ জনছন। স্বীকাৰ কৰিব লাগিব যে অন্ততঃ এটা বিষয়ত মই আপোনাতকৈ ওপৰত। আপুনি যেতিয়া স্কটলেণ্ডত আছিল তেতিয়া আপুনি আমাৰ পাদ্ৰীসকলৰ বক্তৃতা শুনিবলৈ নগৈছিল, কিন্তু মই যেতিয়া ইয়াত থাকোঁ তেতিয়া আপোনালোকৰ ৰাজহুৱা ধৰ্মসভাত অকুণ্ঠিত ভাৱে যোগ দিওঁ, আনকি তাৰ পৰা সন্তোষ লাভো কৰিব পাৰোঁ।।

জনছন—ডাঙৰীয়া, সেইটো একো আচৰিত হবলগীয়া কথা নহয়। শ্যামদেশৰ ৰজাই চতুৰ্দ্দশ লুইৰ ৰাজসভালৈ ৰাজদূত পঠিয়াইছিল কিন্তু লুইয়ে শ্যামৰ ৰজালৈ কাকো পঠোৱা নাছিল।

১৩১
সিহঁতে runt ৰ কথাহে কয় (১৭৭৮)

জনছনে কৈছিল, "মিছেছ থ্ৰেইলৰ মাকৰ এটা কথাই মোক বৰ প্ৰশংসা কৰিলে। এজন ধৰ্মযাজকে তেখেতে থকা ঠাইডোখৰত সমাজৰ অন্যান্য

বুলি আক্ষেপ কৰিছিল। তেওঁ হেনো কৈছিল, "সিইতে আকৌ runt অৰ (দামুৰী) কথাহে কয়!' মিছেছ চালুছবাৰীয়ে ((Salusbury) কলে, 'ভাগ্যৰীয়া, মিঃ জনছন থকা হলে runt অৰ কথাকে কৰলৈ শিকিলে হেতেন অৰ্থটো হ'ল, যে মই য'তে থাকোঁ ত'তে নিজক ভাল দৰে খাপ খুৱাই লব পাৰোঁ।।"

তাৰ পিচত তেখেতে যোগ দিলে—মই নিজকে বিনয়ী মানুহ বুলি ভাবোঁ।

১৩২

কাজিয়া আৰু মিল (১৭৭৮)

২ মেই শনিবাৰে মই তেখেতৰ সৈতে ছাৰ যশুৱা ৰেণল্ডছৰ ঘৰত খোৱা-বোৱা কৰিছিলোঁ। ভোজৰ মেলত বহুতো মানুহ উপস্থিত আছিল আৰু আলোচনা বিলোচনাও হৈছিল যথেষ্ট। কিন্তু কিবা এটা কাৰণে, কাৰণটো এতিয়া মোৰ মনত নাই, সেই মানুহবিলাকৰ নাম লিখি থোৱা নহ'ল। কেৱল মনত আছে, তাত কিছুমান ভদ্ৰলোক আছিল বিসকলক কোনোমতেই জনছনৰ দলৰ বুলিব নোৱাৰি। ইয়াৰ ফল হল যে সাধাৰণতে এইবোৰ মেলত জনছনলৈ বিমানখিনি মন-কাণ দিয়া হয় সিমানখিনি দিয়া হোৱা নাছিল। ইয়াতে ওফোন্দ্ লাগি তেওঁ কিবা এটা কাল্পনিক দোষ ধৰি মোক এনে অভব্যভাৱে আক্ৰমণ কৰিলে যে মই বেয়াও পালোঁ আৰু খোৰ খঙো উঠিল। খং উঠিল এই বাবে যে তেওঁৰ এই ব্যৱহাৰে সেই ভদ্ৰলোকসকলক তেওঁৰ তথাকথিত কোপন-স্বভাৱ আৰু বন্ধুসকলক দুৰ্ব্যৱহাৰ কৰাৰ বদনামটো সমৰ্থন কৰিবলৈ সুবিধা দিলে। মই ইমান দুখ পাইছিলোঁ আৰু মোৰ আত্ম-সন্মানত ইমান আঘাত লাগিছিল যে মই এসপ্তাহমান তেওঁৰ ওচৰলৈ যোৱাই নাছিলোঁ হয়তো আৰু কিছু দিন নোযোৱাকৈ থাকিলোঁহেতেন, আনকি হয়তো তেওঁক দেখা নকৰাকৈয়ে স্কটলেণ্ডলৈ গুচি গলোঁহেতেন যদিহে সৌভাগ্যক্ৰমে পুনৰ দেখাদেখি হৈ সন্মিল-মিল নহলহেঁতেন, মানুহৰ বন্ধুত্ব এনেকুৱা আকস্মিক ঘটনাবেই অধীন।

মেই মাহৰ ৮ তাৰিখ শুকুৰবাৰৰ দিনা দুয়ো মিঃ লেংটনৰ ঘৰত খোৱা-বোৱা কৰিছিলোঁ। মই গহীন আৰু নিমাত হৈ আছিলোঁ। তেখেতে বোধ হয় সেইটো লক্ষ্য কৰিছিল আৰু কাৰণটোও বোধ হয় মনত পৰিছিল। খোৱা-বোৱাৰ শেষত মিঃ লেংটনক কোনোবাই মাতিবলৈ যাতি নিয়াত আমি

দুজনহে কোঠাত থাকিলোঁ। তেখেতে চকীখন মোৰ ওচৰলৈ টানি আনি মিল বিচৰা ভদ্ৰতাৰ সুৰত ক'লে, "পিছে কেনে আছা তুমি?" মই কলোঁ, "ডাঙৰীয়া আমি শেষৰ বাৰ ছাৰ যশোৱা ৰেণল্ডছৰ ঘৰত লগ খাওঁতে আপুনি কৰা ব্যৱহাৰে মোক অতি দুখিত কৰিছে। আপুনি জানে আপোনাক মোতকৈ বেছি কোনো মানুহেই সন্মান আৰু স্নেহ নকৰে আৰু আপোনাৰ বাবে যদি পৃথিবীৰ সিমুৰলৈকে যাব লগীয়া হয় তেতিয়াও মোতকৈ আগেয়ে কোনো মানুহেই ৰাজী নহব। কিন্তু এইদৰে ব্যৱহাৰ কৰিলে—" তেখেতে মাজতে কৈ উঠিল যে মই তেওঁৰ কথাত বাধা জন্মাইছিলোঁ। মই কলোঁ যে সেইটো হবই নোৱাৰে আৰু প্ৰশ্ন কৰিলো যে যিবিলাকে তেওঁকো ভাল নেপায় আৰু মোকো ভাল নেপায় সিহঁতৰ আগত মোক এনে ব্যৱহাৰ কৰাৰ কাৰণ কি?

জনছন—বেছ মই তাৰ বাবে দুখিত। যদি ইচ্ছা কৰা তেন্তে মই কুৰি ৰকমে তাক পূৰাই দিবলৈ ৰাজী আছোঁ।

বছৱেল—মই ছাৰ যশোৱাক আজি কৈছিলোঁ যে মি: জনছনে মোক যেতিয়া সময়ে সময়ে দলিযাই পেলায় তেতিয়া কিমান বাৰ দলিয়ায় বা কিমান ওপৰলৈ দলিয়ায় সেইটো গ্ৰাহ্য নকৰোঁ যেতিয়ালৈকে আমি বন্ধুসকলৰ মাজত থাকোঁ। কাৰণ তেতিয়া পৰোঁহি কোমল মাটিত, কিন্তু শিলৰ ওপৰত পৰিবলৈ মই ভাল নেপাও আৰু শত্ৰুৰ মাজত থাকিলে সেইটোৱেই হয়। মই ভাবোঁ এইটো এটা যথেষ্ট ভাল উপমা।

জনছন—মোৰ বোধেৰে মই শুনা উপমাবোৰৰ ভিতৰতে এটা ৰজিতা খাই যোৱা উপমা।

১৩৩

যাক সকলোৱে ভাল পায় (১৭৭৮, ১৭৭৯)

জনছনৰপৰা বছৱেললৈ (১৭৭৮)

তুমি এতিয়া সুখী। মিছেছ বছৱেলেও আৰোগ্য লাভ কৰিছে। তেখেতৰ দীৰ্ঘ জীৱনৰ সম্ভাৱনাৰ বাবে মই তোমাক ওলগ জনাইছোঁ। ৰাইজৰ সাদৰ ৰাণীয়ে যদি তোমাৰ আনন্দ বঢ়াব পাৰে তেন্তে জনাওঁ যে মানুহে তোমাক 'এনে এজন মানুহ যাক সকলোৱে ভাল পায়' বুলি কৰ্ণোৱা শুনিছোঁ। জীৱনে মানুহক ইয়াতকৈ বেছি অতি অলপ হে দিব পাৰে।

বছৱেলৰপৰা জনছনলৈ (১৭৭৯)

তেওঁলোকে মোক পুৰণি বন্ধুৰ দৰে আদৰ-সাদৰ কৰি গ্ৰহণ কৰিলে আৰু আটায়ে সমস্বৰে আপোনাৰ প্ৰশংসা কৰাৰ পিচত মিছেছ্ কবে (Cobb) মোক অতি আনন্দ দিলে এই বুলি যে তেখেতে হেনো আপোনাক মোৰ কথা কোৱা শুনিছিল, বছৱেল এনে এজন মানুহ, যি' কোনো এটা ঘৰৰপৰা বিদায় ললে গৃহস্থৰ মনত পুনৰ ঘূৰি আহিবৰ আশা এটা এৰি নোযোৱাকৈ নেথায়।

১৩৪

লণ্ডন (১৭৭৯)

এটা কথা দেখি মই বৰ ৰস পাইছিলোঁ। জনছনে নিজে লণ্ডনক পৃথিবীৰ বুকুত স্বৰ্গ বুলি ভাবিছিল, অথচ নিজৰ কোনোবা বন্ধুৰ লগত কথা পাতোঁতে বা তেওঁলোককৈ চিঠিত অতি হেলাৰঙে উপদেশ দিছিল যে লণ্ডনৰ বাহিৰে আন ঠাইত সুখ আৰু আনন্দ পোৱা নেযায় বুলি ভবাটো ভুল। প্ৰকৃততে কথাটো হৈছে যে যি সকলে বুদ্ধি, একাগ্ৰতা নাইবা অভিজ্ঞতাৰ সহায়েৰে লণ্ডনৰ সকলোবোৰ সুখ সুবিধা বুজি পাইছে সেই সকলে আন সকলো ঠাইৰ তুলনাত, কেৱল নানান প্ৰকাৰৰ আনন্দ উপভোগৰ সুবিধাৰ বাবেই নহয় বৰং আৰাম দিবৰ বেলিকাও, লণ্ডনৰ শ্ৰেষ্ঠত্বৰ বাবে এক প্ৰকাৰ দাৰ্শনিক প্ৰফুল্লতা অনুভৱ কৰিব। যিজনৰ এটা ঠেক পৰিসৰৰ মাজত বাস কৰা মানুহৰ বু-বু বা-বাই চেপা মাৰি ধৰাৰ কথা জনা আছে, তেওঁ লণ্ডনৰ কুৎসা ৰটনাৰ পৰা মুক্ত হৈ থাকিব পৰা জীৱন নিশ্চয় বৰ ভাল পাব। আন মানুহতকৈ মিঃ বাৰ্কৰ সুনিৰ্দিষ্ট আৰু সবল মৰুৱা জীৱন প্ৰণালীয়ে দেখোঁতাৰ কটু দৃষ্টি ভোটা কৰি তেওঁৰ জীৱনটো সহনীয় কৰি তুলিছিল। কিন্তু তেখেতকো মই এবাৰ বেছ প্ৰফুল্লভাৱেই কোৱা শুনিছিলোঁ, "যদিও মই ব্ৰিটেনৰ প্ৰতিনিধিৰূপে সম্মানিত তথাপি মই তাত সদায় থাকিব নোখোজোঁ, কাৰণ তাত মই সদায় সজ জীৱন যাপনৰ বাবে বাধ্য হৈ থাকিব লাগে।" লণ্ডনত এজন মানুহে এটা সময়ত অতি উচ্চ সমাজত বাস কৰি আন এটা সময়ত কোনো সমালোচনাৰ সন্মুখীন নোহোৱাকৈ অতি নিৰ্জীৱ ঘৰচত অকলশৰীয়া জীৱন যাপন কৰিব পাৰে। ইয়াত, আৰু মাত্ৰ ইয়াতেই এজন মানুহৰ ঘৰ সঁচাকৈ তেওঁৰ দুৰ্গ। ইয়াত তেওঁ যেতিয়াই ইচ্ছা আইনৰ অনভিপ্ৰেত প্ৰৱেশৰ পৰা মুক্ত। এই কথাষাৰকে মিঃ মেইনেলে (Meynell) এনে সুন্দৰকৈ কৈছিল যে মই তাক কেতিয়াও পাহৰিব নোৱাৰিম। তেখেতে

কৈছিল: "লণ্ডনৰ প্ৰধান সুবিধা হল যে মানুহে সদায় তেওঁৰ গন্তব্যৰ ওচৰতে থাকে।"

১৩৫

পাঠ নিৰ্বাচন (১৭৭৯)

"মই সদায় লৰা এজনক পঢ়াত আগবঢ়াই নিয়াটো সমৰ্থন কৰোঁ। কাৰণ সেইটো নিশ্চিতভাৱে ভাল কথা। মই প্ৰথমে প্ৰথমে তাক যি কোনো ইংৰাজী কিতাপ ভাল লাগে তাকে পঢ়িবলৈ দিম কাৰণ কিতাপ এখনৰ পৰা আনন্দ সংগ্ৰহ কৰিবৰ অৱস্থালৈ আনিব পৰাটোৱেই এটা ডাঙৰ কাম কৰা হয়। ভাল কিতাপ সি পিচতো পাব।"

১৩৬

গেৰিক (১৭৭৯)

এপ্ৰিলৰ ২৪ তাৰিখ শনিবাৰৰ দিনা মই তেখেতৰে সৈতে বোক্লাৰ্কৰ ঘৰত খোৱা-বোৱা কৰিছিলোঁ। তাত উপস্থিত আছিল ছাৰ যশুৱা ৰেণল্ডচ্, মিঃ জোন্‌চ্ (পিচত ছাৰ উইলিয়ম), মিঃ লেংটন, মিঃ ষ্টীভেন্‌চ্, মিঃ পেৰেডাইজ আৰু ডঃ হিগিন্স। মই উল্লেখ কৰিছিলোঁ যে মিঃ উইলকিচে মোৰ আগত গেৰিকক বন্ধুহীন মানুহ বুলি কৈ বদ্‌নাম কৰিছিল। জনছনে কলে, "তেওঁ ঠিকেই কৈছে। তেওঁৰ বন্ধু আছিল কিন্তু এতিয়া নাই। গেৰিক এনে খেলখেলিয়া ধৰণৰ আছিল যে অন্তৰৰ কথা কবলৈ মানুহ এজন তেওঁৰ নাছিলেই। তেওঁ তেওঁক প্ৰশংসা কৰিবৰ মানুহ সদায় পাইছিল, আৰু সিও একেটা কাৰণ (অভিনয়) বাবেই। গতিকেই তেওঁ জীৱনটো একেবাৰে গৰান যেন পাইছিল, যেন তাত গলা-বনা নায়েই।

মই জীৱনত অন্ততঃ এবাৰ তীৱৰ গদাৰে যুদ্ধ কৰিবলৈ আৰু কুৰ্দ্দ কৰিবলৈ সাজু হলোঁ। মই কলোঁ, গেৰিকৰ বন্ধুৰ আৱশ্যকেই নাছিল, কাৰণ তেওঁ আটাইবে পৰা যি বিচাৰে তাকে পাইছিল। বন্ধু কি? যি আপোনাক সমৰ্থন কৰে আৰু সান্ত্বনা দিয়ে, যেতিয়া আন সকলে নিন্দিয়ে। বন্ধুত্ব, আপুনি তো জানেই, জীৱনৰ তিতা মদ ডিঙিৰ তললৈ নিবলৈ সদায় কৰা হলোৰ মদ। জীৱন যেতিয়া সুন্দৰ আৰু আনন্দদায়ক তেতিয়া তাৰ আৱশ্যকো নাই।

জনছন—সেইদৰে জীৱন কটাই বহুতেই সন্তুষ্ট নহয়। মই জানো মই অন্ততঃ নহয়। মানুহে এজন একান্ত বন্ধু বিচাৰে যাৰ লগত তেওঁ মনৰ তুলনা কৰিব পাৰে আৰু ব্যক্তিগত মতামতো আলোচনা কৰিব পাৰে।

উপস্থিত এজনে কলে যে লৰ্ড চেষ্টাৰফিল্ডৰ বন্ধু নাছিল।

জনছন—বন্ধুত্ব পাতিবলৈ গেৰিকৰ জীৱনত বহুত সময়েই আছিল, কিন্তু তেওঁৰ বেলবেলিয়া স্বভাৱৰ বাবেই সেইটো হৈ নুঠিল।

বছৱেল—গেৰিক আছিল খাঁটি সোণ, কিন্তু পিটি বৰ পাতল কৰা। লৰ্ড চেষ্টাৰফিল্ড আছিল টিনৰ পাত।

জনছন—গেৰিক বৰ ভাল মানুহ আছিল। তেওঁৰ যুগৰ সকলোতকৈ প্ৰকৃত মানুহ আছিল বুলিব পাৰি। মানুহে সাধাৰণতে যি ব্যৱসায়ৰ মানুহক অসদ্ জীৱন যাপন কৰা বুলি ভাবে তেনে এটি ব্যৱসায়ত থাকিও তেওঁ সৎ জীৱন যাপন কৰিছিল। তেওঁ নিজে উপাৰ্জন কৰা ধন মুকলি মনেৰে বিলাই দিছিল। তেওঁ ধনৰ প্ৰতি এটা ক্ষুধা লৈ জীৱন আৰম্ভ কৰিছিল। আছিল এজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ পৰা, যাৰ ঘৰত চাৰি পেন্সেৰে চাৰে চাৰি পেন্সৰ কাম কৰিবলৈ সদায় চেষ্টা চলিছিল। কিন্তু নিজৰ সাফল্যত যেতিয়া ধন আহিল তেতিয়া অতি উদাৰ হৈ উঠিছিল।

মই জনছনৰ *Lives of the Poets* অত গেৰিকৰ উদ্দেশ্যে লিখা প্ৰশংসা বাণী তকৰ ভিতৰত সুমুৱাবৰ চেষ্টা কৰি কলোঁ—আপুনি তো কৈছে যে তেওঁৰ মৃত্যুৱে জাতি সমূহৰ আনন্দত গ্ৰহণ লগালে।

জনছন—মই তাতকৈ বেছি কব নোৱাৰোঁ। আৰু কমো কব নোৱাৰি-লোঁহেতেন। মই ঠিকেই কৈছোঁ। গ্ৰহণ হে লাগিছিল, নাইকিয়া হৈ যোৱা নাই। আৰু তেওঁৰ মৃত্যুৱে সঁচাকৈয়ে গ্ৰহণ লগাৰ দৰে ঢাকি ধৰিছিল, সেইটো যেন আছিল এটা ধুমুহা।

বছৱেল—কিন্তু 'জাতিবিলাক' কিয়? তেওঁৰ আনন্দই কি তেওঁৰ নিজৰ জাতিৰ সীমা চেৰাই গৈছিল?

জনছন—কিছু পৰিমাণে অত্যুক্তি তো থাকিবই। তদুপৰি 'জাতিবিলাক' বুলি কব পাৰি যদি আমি স্কচ্ সকলকো এটা জাতি বুলি কওঁ আৰু আনন্দ উপভোগ কৰাৰ শক্তি আছে বুলি ভাবোঁ (যিটো তেওঁলোকৰ নাই)। অৱশ্যে তুমি এটা ব্যতিক্ৰম। আহক ভদ্ৰমহোদয়সকল, আমি মুক্তকণ্ঠে স্বীকাৰ কৰোঁ যে এজন প্ৰফুল্লমনা স্কচ্ মেন আছে।

বোক্লাৰ্ক—তেওঁ এজন অস্বাভাৱিক স্কচ্ মেন।

১৩৭
বোক্লাৰ্ক (১৭৭৯)

বোক্লাৰ্ক সেইদিনা আমোদ আৰু ফুৰ্ত্তিৰে ভৰা আছিল। তেওঁ আমাক উচ্ছল প্ৰাণৱন্ত ভাষাৰে কেইবাটাও গল্প শুনালে। গল্পবোৰ কোৱাৰ ভঙ্গীতো, মই ঠিক কব নোৱাৰোঁ, কিবা এটা যেন বিশেষ প্ৰভাৱ লুকাই আছিল, যেন যিমান কোৱা হৈছে তাতোকৈ বেছি কিবা আমি বুজিব নোৱৰাকৈয়ে থাকি গ'ল। জনচন আৰু মই ছাৰ যশ্বোৱা ৰেণল্ডচৰ গাৰীত বহি উভতি আহোঁতে জনচনে কলে, "বোক্লাৰ্কৰ তেওঁৰ নগৰীয়া সকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা এটা শক্তি আছে, যিটো মানুহে ভাল নেপায়। কিন্তু তেওঁৰ সাংসাৰিক অভিজ্ঞতা ইমান বেছি যে প্ৰত্যেক বিষয়তে তেওঁ একোটা গল্প কব পাৰে। তেও সদায় কথা কবৰ সাজু আৰু কথাৰ ভৰালো কেতিয়াও উদং হৈ নেযায়।

১৩৮
নিবনুৱা সমস্যা (১৭৭৯)

কথা হৈছিল লণ্ডনৰ দৰিদ্ৰসকলৰ বিষয়ে।

জনচন—ছণ্ডাৰ্চ বেলচ্ ((Saunders Welch)) বৰ্ত্তমানৰ এজন বিচাৰক, এসময়ত হলবৰ্ণৰ (High Constable) আছিল আৰু তেতিয়া দুখীয়াবিলাকৰ অৱস্থা জানিবৰ সুন্দৰ সুবিধাও পাইছিল। মই লণ্ডনত খাদ্যাভাৱত মৰা, মানে ঠিক ভোকত মৰা নহয়, খাদ্যৰ অভাৱত হোৱা ক্ষয়ৰোগ আৰু আন আন বেমাৰত মৰা, মানুহৰ সংখ্যা বছৰি কুৰিজন অৰ্থাৎ মোটামুটি বছৰি এহেজাৰমান বুলি কওঁতে তেওঁ কৈছিল যে মই সংখ্যাটো কমাই হে ধৰিছোঁ। এইটো ঘটে লণ্ডনৰ মিচিনা ডাঙৰ ঠাইবোৰতহে, য'ত মানুহে মানুহক চিনি নেপায়। ভিক্ষা কৰি বহু ধন আজে বুলি আমি যি কথা শুনো, সিও সঁচা নহয় কাৰণ ব্যৱসায়টোত মানুহ বহুত। আৰু বিশ্বাস কৰিব পাৰা যে বহুতে সঁচাকৈয়ে কাম নেপায়। ধৰা, এটা বিশেষ ৰকমৰ কাৰখানা বন্ধ হ'লে। যিবিলাকে তাত কাম কৰিছিল তেওঁলোকে অন্ততঃ কিছুদিনৰ বাবে আন একো কাম কৰিব নোৱাৰে। তুমি এটা ভিক্ষা কৰা মানুহ লগ পালা আৰু তাক এলেহুৱা বুলি গালিও পাৰিলা। সি কলে "মোৰ কাম কৰিবলৈ আগ্ৰহ আছে, আপুনি মোক কাম দিবনে?" তুমি কলা "নোৱাৰোঁ।" সি ক'ব, "তেন্তে মোক এলেহুৱা বুলি গালি পাৰিবৰ আপোনাৰ কোনো অধিকাৰ নাই।"

১৩৯
বোজ্ৱার্কৰ মৃত্যুত বছুৱেলৰ (১৭৮০)

'বেচেৰা বোক্লার্ক! *nec, ut soles, dabis joca* (তোমাৰ খেমেলিয়া গল্প আমি আৰু শুনিবলৈ নেপাওঁ)। তেওঁৰ স্ফুৰ্তি, তেওঁৰ খেমালি, তেওঁৰ তীক্ষবুদ্ধি আৰু ঈৰ্ষা, তেওঁৰ আমোদ আৰু যুক্তি সকলোখিনি এতিয়া শেষ। মানৱ মাজত আৰু এজন এনেকুৱা মানুহ পোৱা নেযাব। তেওঁ কৈ গৈছিল তেওঁক যাতে মাকৰ ওচৰত কবৰ দিয়া হয়, এনে এটা অস্তৰৰ কোমলতা মই তেওঁৰ পৰা আশা কৰা নাছিলোঁ। তেওঁ লৰা-ছোৱালীকেইটা লেডি 'ডাইনা (Diana) তত্ত্বাৱধানত এৰি থৈ গৈছে আৰু তেওঁৰ যদি আগতে মৃত্যু হয় তেন্তে মি: লেংটন আৰু তেওঁৰ লগা-ভগা আৰু সচ্চৰিত্ৰ মি: নিষ্টাৰৰ তত্ত্বাৱধানত। তেওঁৰ কিতাপৰ সংগ্ৰহটো কছ্ মাহ্মদুতক বেচি দিবলৈ আগবঢ়োৱা হৈছে।"

১৪০
জনছন আৰু বোক্লার্ক (১৭৮০)

ইয়াৰ (বোক্লাকৰ মৃত্যুৰ) অলপ পিচতে মই মি: লেংটনৰ পৰা এখন চিঠি পাইছিলোঁ। সেইখনৰ পৰা বোক্লার্ক আৰু ড: জনছন দুয়োৰে সম্বন্ধ পৰা এভাগৰ তুলি দিলোঁ:

বোক্লাকৰ মৃত্যু সম্বন্ধে আপুনি যি শোকলগা বাতৰি পাইছে সেইটো সঁচা। মোৰ এটা বিশ্বাস আছিল যে তেখেতৰ প্ৰতিভা যদি ঠিকমতে যথেষ্ট পৰিমাণে চাল খুৱাই নিব পৰা গ'লহেঁতেন তেন্তে এজন বিখ্যাত মানুহৰ সৃষ্টি হল'হেতেন। মোৰ সেই মত আংশিকভাবে গঠিত হৈছিল ড: জনছনৰ অভিমতৰ ওপৰত, আৰু সি আৰু দৃঢ় হৈছে তেওঁৰ মৃত্যুৰ পিচত ড: জনছনে সেই প্ৰতিভা সম্বন্ধে যি কৈছে তাক শুনি। কেইদিনমান আগতে মইয়ো তেখেত মি: ভেছীৰ (Vesey) ঘৰত উপস্থিত আছিল। তাত উপস্থিত থকা বহুতো মানুহৰ ভিতৰত লৰ্ড অলথৰ্পো (Althorpe) আছিল এজন। তেখেতে বোক্লাৰ্কৰ মৃত্যুৰ কথা সুঁৱৰি জনছনক কৈছিল, "আমি যোৱাবাৰ দেখা হোৱাৰ পিচত আমাৰ 'ক্লাব'ৰ এটা ডাঙৰ ক্ষতি হ'ল।" জনছনে উত্তৰ দিলে, "এনে এটা ক্ষতি যে আমাৰ গোটেই জাতিটোৱেও হয়তো তাক পূৰণ কৰিব নোৱাৰিব।" তাৰ পিচত ডক্টৰে তেওঁৰ গুণাৱলী কীৰ্ত্তন কৰিবলৈ ধৰিলে, বিশেষকৈ কি অদ্ভুত সহজ ভাৱে তেওঁ অতি সুন্দৰ কথা

ক'ব পাৰিছিল। জনছনে কৈছিল যে, "ভাল কথা এটা কৰৰ আগ মুহূৰ্তত তেওঁৰ যি দৃষ্টি (ক'ব যে খুজিছে তাক বুজাবলৈ), তাৰ পৰা কৈ উঠাৰ পিচ মুহূৰ্তৰ দৃষ্টিলৈকে (কোৱা যে হৈ গ'ল তাকে বুজাবলৈ) তেওঁৰ ভঙ্গী ইমান সহজ আৰু জড়তাশূন্য আছিল যে আন কোনো মানুহৰে মই সেইটো দেখা নাই।"

কেইদিনমান আগতে মি: থ্ৰেইলৰ ঘৰত আমি এই বিষয়ে কথা পাতি থাকোঁতে তেখেতে আকৌ বোৰ্কাৰ্কৰ সহজ সাৱলীল ভঙ্গীৰ উল্লেখ কৰি কয় যে তেখেতে যদি খিয়াল কৰিলেহেঁতেন তেন্তে আন যিকোনো মানুহৰ প্ৰতিভাতকৈ বোৰ্কাৰ্কৰ প্ৰতিভাকহে কৰিলেহেঁতেন।

১৪১
শিক্ষাৰ তুলনা (১৭৮০)

শিক্ষাত কোনে কিমানখিনি পাইছেগৈ তাক জুখিবলৈ দুটা সময়ত এনেদৰে দেখুৱাইছিল 'ৰাণী এলিজাবেথৰ যিমানখিনি শিক্ষা আছিল সেইখিনিলৈ এজন বিশ্বপে গৌৰৱ কৰিব পাৰে।" আৰু নিমাচ ডেভিডৰ বিষয়ে কৈছিল, "ডেভিডৰ এজন ধৰ্মযাজকে গৌৰৱ কৰিব পৰাৰ জোখাৰে শিক্ষা আছে।" (লেংটনৰ পৰা)।

১৪২
বাৰ্ক (১৭৮০)

তেখেতে প্ৰায়েই কৈছিল যে, মানুহ নিজৰ ব্যৱসায়ত অতি শ্ৰেষ্ঠস্থানীয় হ'ব পাৰে, কিন্তু কথা-বতৰাত হয়তো আমি তেওঁলোকৰ মনৰ বিশেষ কোনো ক্ষমতাৰ পৰিচয় নেপাওঁ। তেখেতে কৈছিল, বিজন মানুহে গৌকালে ইমান দুৰলৈকে দেখা পায়, সেইজনে যে বাৰ্ডিফালে ইমান কম দূৰলৈ দেখে সেইটো মৰ আচৰিত কথা। জগতত তেৰেতৰ যি যশস্যা আছে তাৰে সৈতে সাধাৰণ কথা-বতৰাতো খাপ খোৱা একমাত্ৰ মানুহ হল বাৰ্ক। যি কোনো বিষয়কে লোৱাঁ তেওঁ সেই বিষয়ে তোমাৰে সৈতে সমানে কথা পাতিবলৈ সাজু। (লেংটনৰ পৰা)।

১৪৩
গ'ল্ডস্মিথ (১৭৮০)

গ'ল্ডস্মিথৰ বিষয়ে তেখেতে কৈছিল, "হাতত কলম নেথাকিলে তেওঁৰ নিচিনা কোনো মূৰ্খ নাই, আৰু থাকিলে তেওঁৰ নিচিনা কোনো জ্ঞানী নাই।"

১৪৪
লেংটনৰ পৰা পোৱা (১৭৮০)
এলাহ

তেখেতে এলাহত কাল কটোৱাটোৰ নীতিগতভাৱে বিৰোধিতা কৰিছিল। আৰু কোনোবাই এই বিষয়ে কিবা চেলু উলিয়াব খুজিলেও সদায় তাৰ প্ৰতিবাদ কৰিছিল। এদিন এজন বন্ধুৱে ইঙ্গিত কৰিছিল যে দুপৰীয়াৰ আহাৰৰ ঠিক পিচতে পঢ়াশুনা কৰা স্বাস্থ্যৰ বাবে ভাল নহয়। জনচনে উত্তৰ দিলে, "ডাঙৰীয়া, কয়নাত ভোল নেযাব। জীৱনৰ এটা সময়ত মোৰো মগজুত সোমাইছিল যে পুৱাৰ আহাৰ আৰু দুপৰীয়াৰ আহাৰৰ মাজৰ ভোগ-বস্ত পানাশুনা কৰা উচিত নহয়।"

পোপ

বোস্লাৰ্কে এদিন জনচনক পোপৰ তলত দিয়া শাৰীকেইটা গাই শুনালে :

Let modest Foster, if he will, excel
Ten metropolitans in preaching well

তাৰ পিচত সুধিলে, "পোপে বাৰু এইদৰে কিয় কৈছিল ?" জনচনে উত্তৰ দিলে, "তেখেতে হয়তো আশা কৰিছিল যে ই কাৰোবাৰ খং তুলিব।"

১৪৫
কবি সকলৰ জীৱনী (১৭৮১)

অৱশেষত ১৭৮১ চনত জনচনে তেখেতৰ *Lives of the Poets* খন সম্পূৰ্ণ কৰিলে। তেখেতে এই বিষয়ে কৈছে, "মাৰ্চ মাহৰ এটা সময়ত মই মোৰ *Lives of the Poets* খন শেষ কৰিলোঁ। লিখিলোঁ, মোৰ নিচিনা সাধাৰণ ধৰণ, লেহেমকৈ, খৰকৈ, কেতিয়াবা কাম কৰিবৰ অনিচ্ছাত, কেতিয়াবা আকৌ বেছ তেজেৰে আৰু খৰকৈ।" ইয়াৰ আগতে এটা ঠাইত তেখেতে এই জীৱনীবোৰৰ বিষয়ে কৈছিল, "আশা কৰোঁ এনে ধৰণে লিখা হৈছে যে এইবোৰে মনত এটা ভক্তি ভাৱৰ উদ্ৰেক কৰিব।"

বোধ হয় জনচনৰ সকলো লেখাৰ ভিতৰত এইখনেই সৰ্বসাধাৰণৰ মাজত বহলভাৱে আৰু অতি আনন্দেৰে টোতে পঢ়া হয়। জীৱনী আৰু ভাষাতত্ত্ব তেখেতৰ প্ৰিয় বিষয় আছিল। যি সকল তেখেতৰ নিচেই ওচৰৰ বন্ধু আছিল তেওঁলোকে সকলো সময়তে যেতিয়াই সুবিধা উপস্থিত হয়

তেখেতৰ মুখৰপৰা ইংৰাজ কবিসকলৰ প্ৰশস্তি শুনিছে, শুনিছে তেখেতসকলৰ চৰিত্ৰৰ বিশেষত্বৰ কথা আৰু যি জগতক সেই সকলে উজ্জ্বল কৰি তুলিছিল সেই জগতত তেখেতসকলে নানান ঘটনাৰ মাজেদি কেনেকৈ আগবাঢ়ি গৈছিল তাৰ বৰ্ণনা। তেখেতৰ মনটো এনে ধৰণৰ বাতৰিৰে ইমান পৰিপূৰ্ণ আছিল আৰু সেইবিলাক তেখেতৰ স্মৃতিত এনে সুন্দৰ ভাৱে সজোৱা আছিল যে জীৱনীখন লিখোঁতে তেখেতে মাত্ৰ নিজৰ ভাববোৰ কাকতত লিপিবদ্ধ কৰাৰ বাহিৰে বিশেষ একো কৰিব লগীয়া নাইছিল। তেখেতে প্ৰথমতে প্ৰত্যেকজন কবিৰ জীৱনী বিশ্লেষণ কৰি তাৰ পিচত তেখেতৰ প্ৰতিভা আৰু কবিতাৰ এটি সূক্ষ্ম সমালোচনা যোগ দিছিল। কিন্তু যেতিয়া তেখেতে লিখিবলৈ আৰম্ভ কৰে তেতিয়া বিষয়টো নিজে নিজে এনেভাৱে ফুলি উঠিল যে প্ৰত্যেকজন কবিৰ কেইপিঠিমান জোৰা পাতনিৰ সলনি—যিটো তেওঁৰ প্ৰথম উদ্দেশ্য আছিল—প্ৰত্যেকজনৰে একোটা বিস্তৃত তথ্যবহুল আৰু সকলো দিশৰ পৰাই সুখপাঠ্য বৰ্ণনা লিখি উলিয়াইছিল।

১৪৬

মিলটনৰ জীৱনী (১৭৮১)

তেখেতৰ মিলটনৰ জীৱনীৰ বিপক্ষে Whig চিকাৰী কুকুৰইতে দল বান্ধি আক্ৰমণ চলাইছিল। কিন্তু মিলটনৰ অনবদ্য কবিত্বৰ সৌন্দৰ্য্যৰ প্ৰশংসা তুলিবৰ বাবে জনচনৰ বাহিৰে আন এখন হাত ক'ত? মই মাত্ৰ *Paradise Lost* অৰ সম্বন্ধে তলত দুটামান কথা তুলি দিলোঁ:

"মিলটনে যে কি মনোভাবেৰে ধীৰে ধীৰে তেওঁৰ কাম আগবাঢ়ি নিছিল আৰু তেওঁৰ ৰচনাৰ সোঁত লাহে লাহে অন্তঃসলিলা নদীৰ দৰে বৈ যোৱা নিঃশব্দ শক্তিৰে চাই আছিল তাক কল্পনা নকৰাকৈ থকাটো অসম্ভৱ। মই তেওঁক কল্পনা কৰোঁ, ধীৰ আত্মনিৰ্ভৰশীল হিচাপে থকামান হয়তো উৎসাহৰ অভাৱ কিন্তু হতাশভাৱে নহয়, নিজৰ প্ৰতিভাৰ উপৰত সচেতনভাৱে বিশ্বাস, মানুহৰ বিভিন্ন মতামতৰ বাবে ধৈৰ্য্যৰে সৈতে অপেক্ষা, আৰু ভৱিষ্যতৰ মানুহৰ পক্ষপাতশূন্যতাত বিশ্বাস ৰাখি আগবাঢ়ি যোৱা।"..

জনচনৰ দৰে গীৰ্জা আৰু সম্ৰাটত অচলা ভক্তি থকা এজনে যে মিলটনক এজন ৰাজনীতিক হিচাপে বা শুদ্ধ ৰাজনীতিৰ শত্ৰু হিচাপে প্ৰকৃত অৱজ্ঞাৰে গণিত কৰিব সেইটো সহজেই বুজিব পাৰি। কিয়নো জনচনৰ কটু সমালোচনা কৰে তেওঁলোকক যই মিলটনৰ নিজৰ অৱস্থা সম্বন্ধে সেই

জনাজাত খেদোক্তিৰ ওপৰত জনছনৰ মতামত আৰু সম্ৰাট দ্বিতীয় চাৰ্লছৰ দাক্ষিণ্যৰ কথা পঢ়ি চাবলৈ কওঁ। জনছনে অতি সুন্দৰভাৱে কৈছে, "এই কৰুণাৰ উদাহৰণ জগতত বিচাৰি পোৱা নেযায়। এই Act of Oblivion ৰ অনুগ্ৰহতে যিজনে নিজৰ সম্ৰাটৰ হত্যাকো সমৰ্থন কৰি লিখিছিল তেওঁ। নিৰাপদে থাকিল।"

"নিৰাপদ হোৱাৰ লগে লগে তেওঁ নিজকে বিপদত পৰা দেখা পালে— দেখিলে দুৰ্দিনত পৰা, দুষ্ট জিভাৰ কবলত পৰা আৰু বিপদ আৰু অন্ধকাৰে ঘেৰি ধৰা। তেওঁৰ চকুকেইটা যদি সদ্ব্যৱহাৰত লগালেহেঁতেন তেন্তে এই অন্ধকাৰে নিশ্চয় সহানুভূতি জগালে হেঁতেন। কিন্তু বিপদৰ উল্লেখ কৰাটো অকৃতজ্ঞতা আৰু অন্যায় আছিল। তেওঁ দুৰ্দিনত পৰিছিল ঠিকেই, কাৰণ ৰাজহত্যাকাৰীসকলে সিহঁতৰ কুকৰ্মৰ বাবে গৰ্ব কৰাৰ সময় উকলি গৈছিল। কিন্তু দুষ্ট জিভাৰ অপযশ দি বিলাপ কৰা? সেইটো মিলটনৰ যাৰ আন শক্তিবোৰ যিমানেই প্ৰবল আছিল সিমানেই নিৰ্লজ্জ নহলে কেতিয়াও কৰিব নোৱাৰিলেহেঁতেন। মিলটনৰ অতি উগ্ৰ সমৰ্থককবিলাকেও স্বীকাৰ কৰিব যে গালি-শপনি পৰাৰ নিষ্ঠুৰতা আৰু তাচ্ছিল্য কৰাৰ অমানুষিকতাত তেওঁ কেতিয়াও সংযমেৰে চলা বিধৰ নাছিল।"

১৪৭

জনছনৰ অনুকৰণ (১৭৮১)

তলত তুলি দিয়া মিঃ জন নিকল্ছলে লিখা টোকাটোৰ পৰা বুজিব পাৰি যে মিঃ ক্ৰফ্টৰ (Croft) কিতাপখন জনছনে চাই দিছিল।

"ডঃ ইয়ঙৰ জীৱনীখন তেখেতৰ পুত্ৰেকৰ এজন বন্ধুৱে লিখা। কলা চিৰাইটে কটাবিনি লিখকৰ গুখৰণি আৰু বগা চিৰাইটে কটাবিনি মোৰ। আপুনি যদি তাত আৰু কিবা বাদ দিব লগীয়া কথা দেখা পায়, মই কিতাপখন আৰু চুটি হলে দুখ নেপাওঁ।"

কিতাপখন মই সদায় যথেষ্ট সুন্দৰভাৱে লিখা বুলি ভাবি আহিছোঁ। জনছনৰ ৰচনা শৈলীৰ সকলো অনুকৰণ তাত দেখা যায়। এই কথাষাৰ মই এজন বিখ্যাত সাহিত্যিকক কওঁতে তেখেতে কিন্তু প্ৰবলভাৱে মোৰ বিৰোধিতা কৰি কলে, "না, না, এইখন জনছনৰ ভাল অনুকৰণ নহয়। ইয়াত তেখেতৰ শব্দৰ ধজাৰ আছে কিন্তু শক্তি নাই। যেনিবা ওক গছৰ গাঁঠিবোৰ আছে কিন্তু তাৰ বলবিনি নাই।" উপমাটো এনে সুন্দৰ যে মই

ভাবিছিলোঁ। তেওঁ ইয়াকে কৈ সন্তুষ্ট হৈ ক্ষান্ত থাকিব, কিন্তু তেওঁ পুনৰ অলপ গমি চুটই অতি সুন্দৰভাৱে যোগ দিলে, "চাইবিলৰ (Sybil) অঙ্গ সঞ্চালন আছে কিন্তু সেই স্বৰ্গীয় অনুপ্ৰেৰণা নাই।"

১৪৮

ৱাৰেন হেষ্টিংছলৈ চিঠি (১৭৮১)

ছাৰ, আপোনাৰ উচ্চ পদে আপোনাক যি অত্যাৱশ্যকীয় আৰু বহুমুখী কাৰ্য্যাৱলীত ব্যাপৃত ৰাখিছে তাৰ মাজতে মই কণ্টেকৰ বাবে সাহিত্যলৈ আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিবৰ ধৃষ্টতা প্ৰকাশ কৰিলোঁ। এই বাধাদানৰ বাবে ক্ষমা খুজি মই সময় নষ্ট নকৰোঁ, কাৰণ আপোনাৰ স্বভাৱেই মোক বুজাই দিছে যে ক্ষমা খোজা অনাৱশ্যক।

'ইণ্ডিয়া-হাউছ'ত বহুদিনৰ পৰা জনাশুনা আৰু আদৰ পাই থকা মিঃ হুলে (Hoole) টাছোৰ (Tasso) অনুবাদ সম্পূৰ্ণ কৰি এতিয়া এৰিয়ষ্ট'ত (Ariosto) ধৰিছে। এই কামৰ বাবে তেওঁ যে কিমান উপযুক্ত তাক তেওঁ ইতিমধ্যে প্ৰমাণ কৰিছে। ছাৰ, তেওঁ আশা কৰিছে আপুনি অনুগ্ৰহ কৰি তেওঁৰ প্ৰচেষ্টা সফল কৰাত সহায় কৰিব, আৰু মোৰ কালৰ পৰা তেওঁৰ সপক্ষে দুআষাৰ কথাই তেওঁৰ উদ্দেশ্য সাধনত আগবঢ়াই দিব বুলি ধৰি লৈ মোকো সন্মানিত কৰিছে।

'ইণ্ডিয়া হাউছ'ৰ কেৰাণী এজনে কবিসকলৰ অনুবাদ কৰাটো এটা নতুন কথা আৰু বঙ্গদেশৰ গভৰ্ণৰ এজনে শিক্ষাৰ পৰিপোষকতা কৰাটোও এটা নতুন কথা। মোৰ কেৱল মাত্ৰ ইচ্ছা যে তেওঁৰ পৰিশ্ৰম সফল হওক আৰু আপোনাৰ অনুগ্ৰহত শিক্ষাৰ প্ৰসাৰ হওক।

আপোনাৰ একান্ত বাধ্য

ছেম জনছন

১৪৯

ৰ্ঁক (১৭৮১)

তেওঁৰ চৰিত্ৰ আৰু অভ্যাস সকলোবোৰ আছিল শক্তিমন্ত আৰু কামবোৰ আছিল অতিচাৰ। মিতাচাৰ বুলিবলৈ তাত একেবাৰেই নাছিল। সময়ত তেওঁ দুষ্ট এদিন মৰোণেও আছিল; সময়ত কেইবাবছৰো মদ স্পৰ্শ নকৰিছিল। যেতিয়া খাইছিল বাঘসৰ দৰে খাইছিল আৰু যেতিয়া মদ পিছিল

ছিল পিপাৰ দৰে গিলিছিল। তেওঁ ত্যাগ কৰিব পাৰিছিল কিন্তু মিতাচাৰী হ'ব নেজানিছিল।

১৫০
চান্দাৰ সহায়েৰে প্ৰকাশন (১৭৮১)

প্ৰত্যেক দিনৰ ব্যৱস্থা কৰোঁতে তেওঁৰ অভ্যাসটো যে কিমান বেহিচাৰী আছিল মি: জন নিকল্‌ছে যোৱে লিখা তলৰ ঘটনাটোৱেই তাৰ প্ৰমাণ ১৭৬৩ চনত মি: হুইষ্টনৰ ((Whiston)) কৰ্মচাৰী এজন ডেকা কিতাপৰ ব্যৱসায়ীয়ে তেখেতৰ 'শ্বেক্সপীয়াৰ'ৰ বাবে কিছু আগধন লৈ তেখেতৰ লৈতে দেখা কৰিছিল। ডক্টৰে কোনো বহী বা কাকতত গ্ৰাহকৰ নাম লিখি নোপোৱা দেখি তেওঁ সংকোচেৰে লৈতে জানিব খুজিলে যে আগধন দি থোৱা গ্ৰাহকৰ তালিকা ছপা কৰিবলৈ ঠিক ঠাইত বক্তব্যৰ বাবে গ্ৰাহক জনৰ সম্পূৰ্ণ নাম ঠিকনা লাগিব নেকি? জনছনে খাওকতে কৈ থলে, "মই আগধন দিয়া গ্ৰাহকৰ তালিকা নছপাওঁ।" লগে লগেই নিজক সংযত কৰি ধীৰ ভাৱে কলে, "ডাঙৰীয়া, গ্ৰাহকৰ তালিকা নছপোৱাৰ মোৰ দুটা সুন্দৰ কাৰণ আছে। প্ৰথম, মই নামবিলাক হেৰুৱালোঁ, আৰু দ্বিতীয়, পইচাখিনিও মই খাই শেষ কৰি থৈছোঁ।"

১৫১
চেটাৰটন (১৭৮২)

এড্‌মণ্ড মেল'নলৈ লিখা চিঠি:

প্ৰিয় মহাশয়, মই ভাল পাই আহিছোঁ বুলিয়েই আশা কৰিছোঁ আৰু বোধ হয় সোনকালেই মোৰ বন্ধুসকলৰ আতিথ্য উপভোগ কৰিব পৰা হম। মই চেটাৰটনৰ প্ৰতি এই উগ্ৰ আসক্তি *Ossian* ৰ জেদী সমৰ্থনতকৈও অৰ্থহীন বুলি পাইছোঁ। *Ossian* ৰ বেলিকা জাতীয় গৌৰৱৰ প্ৰশ্ন এটা আছিল; সেইটো ক্ষমা কৰিব পাৰি, যদিও উদাহৰণ দিব নোৱাৰি। কিন্তু চেটাৰটনৰ বেলিকা আগতে যিখিনি কোৱা হৈছে তাকে পুনৰুক্তি কৰিবৰ ইচ্ছাৰ বাহিৰে আন একোৱেই নাই।

আপোনাৰ একান্ত বাধ্য

৭ মাৰ্চ, ১৭৮২। স্যেম জনছন

১৫২

মিতব্যয়িতা,—বন্ধুবৰলৈ চিঠি (১৭৮২)

বন্ধুবৰ, দৰিদ্ৰতা এনে এটা অভিশাপ, ইয়াৰ প্ৰলোভনেৰে পূৰ্ণ আৰু দুখভোগৰ কাৰণ যে মই তাক বৰ্জন কৰিবলৈ সনিৰ্বন্ধ অনুৰোধ নকৰি নোৱাৰোঁ। তোমাৰ যি আছে তাৰেই জীৱন কটাবা, বৰং তাতকৈ কম খৰচ কৰিবা, কিন্তু বৰমানুহ হোৱাবলৈ বা কেৱল আনন্দৰ বাবেই ধাৰ কৰি খৰচ নকৰিবা। বৰ মানুহ হোৱাটো শেষ হয় লাঞ্ছনাত আৰু আনন্দ শেষ হয় আক্ষেপত। ধাৰ কেৱল অসুবিধা বুলি ভাবিবৰ অভ্যাস নকৰিবা ভাবিবা সি এটা দুৰ্ভাগ্য। দাৰিদ্ৰ্যই ভাল কৰিবৰ উপায়বিলাক একেবাৰে নষ্ট কৰে আৰু স্বাভাৱিক আৰু মানসিক কু-প্ৰভাৱ „ „ কৰিবৰ সুবিধা ইয়ানকৈ নাইকিয়া কৰে যে তাক সকলো সৎ উপায়েৰে এৰি চলা উচিত। আৰ্থিক অৱস্থা চিনাকিয়াল নোহোৱা এজন মানুহৰ কথা ভাবি চোৱা, তেওঁৰ জন্ম যিমানেই উচ্চ বংশত নহওক বা মানসিক বুদ্ধি-বৃত্তিৰ তেওঁ যিমানেই খ্যাত নহওক তেওঁ কি ভাল কাম কৰিব পাৰে? কি বিপদ দূৰ কৰিব পাৰে? তেওঁ যে দুখীয়াক সহায় কৰিব নোৱাৰে সেইটো ওলাই থকা কথা, কাৰণ তেওঁৰ বাহী ধন নাই। তেওঁৰ উপদেশ বা শাসন হয়তো কামত আহিব পাৰে, কিন্তু দাৰিদ্ৰ্যই তেওঁৰ প্ৰভাৱ নষ্ট কৰি পেলাব। বহুতেই দেখিব যে তেওঁ যিমান জ্ঞানী তাতোকৈ বেছি দুখীয়া। আৰু যি জ্ঞানে তাৰ গৰাকীকেই কোনো সুবিধা কৰি দিব পৰা নাই সেই জ্ঞানক মূল্য দিব কোনে? ধৰুৱাৰ দুৰৱস্থা তো প্ৰবাদ বাক্যত পৰিণত হৈছে আৰু সেই বিষয়ে মই একো কোৱাই নাই। ধনৰ প্ৰশংসা কৰিবলৈকো আৱশ্যক নাই, কেৱল এইখিনি মনত ৰাখিলেই চলিব যে যাৰ উপৰঞ্চি ধন থাকে তেওঁৰ সদায় আনৰ উপকাৰ কৰিবৰ ক্ষমতা থাকে আৰু সকলো ভাল মানুহেই এই ক্ষমতা বিচৰা উচিত।

মোৰ বিশ্বাস, তোমাৰ নিজৰ আয়ব্যয়ে এতিয়া এটা নিৰ্দ্ধাৰিত ৰূপ লৈছে, তোমাৰ খৰচো আয়ৰ লগত সমতা ৰাখি চলিছে আৰু তোমাৰ সকলো জন-পৰিজনে নিজ নিজ স্থান বিচাৰি পাইছে। দুখীয়া নহবলৈ প্ৰতিজ্ঞা কৰিবা, তোমাৰ যিখিনি আছে তাতকৈ কম খৰচ কৰিবা। দাৰিদ্ৰ্য সুখী জীৱনৰ ঘোৰ শত্ৰু, ই ব্যক্তি-স্বাধীনতা ধ্বংস কৰে, কিছুমান সৎকাৰ্য্য অসাধ্য কৰে আৰু আন কিছুমান দুঃসাধ্য কৰি তোলে।

১৫৩
কথোপকথন (১৭৮৩)

কথোপকথনৰ বিষয়ে তেওঁতে কৈছিল, 'এই বাবে প্ৰথমে আৱশ্যক জ্ঞান বা কথা-পতাৰ মাল-মছলা; দ্বিতীয়তে, ভাষাৰ ওপৰত দখল; তৃতীয়তে, সেই কথাবিলাক সাধাৰণতে দেখা নোপোৱা পৰিবেশত যথাযথভাৱে প্ৰকাশ কৰিবৰ জোখাৰে কল্পনা-শক্তি, চতুৰ্থতে থাকিব লাগিব প্ৰত্যুৎপন্নমতিত্ব আৰু অকুতকাষাতাই দমাব নোৱৰা মনোবৃত্তি ; এই শেষৰটো এটা আৱশ্যকীয় বস্তু, কাৰণ ইয়াৰ অভাৱতে বহুতো মানুহে কথা-বতৰাত পাকৈত হ'ব নোৱাৰে। বৰ্ত্তমানে মোৰো সেইটো আৱশ্যক হৈছে, কাৰণ ময়ো আজিকালি এটা দান হাৰিলেই খেলা এৰি দিওঁ।"

তেওঁতক নিজৰ বিষয়ে এইদৰে কথা কোৱা দেখি মই আচৰিত হলোঁ আৰু কলোঁ, "ছাৰ এইটো কেনেকৈ হয় কব নোৱাৰোঁ ; মই তো দেখিছোঁ আপুনি অইনক হে তাছৰ পাত পেলাই দিবলৈ বাধ্য কৰে।"

মোৰ এই মতামতটো তেওঁতে যে শুনিলে সেইটো সন্দেহজনক। তেওঁতে উচ্ছ্বাসেৰে কৈ যাবলৈ ধৰিলে আৰু মই ব'লাগি শুনি থাকিলোঁ। মিছেচ থ্ৰেইলক কলোঁ, "যদি সাঙ্কেতিক লিপিত এইখিনি লিখি ৰাখিব পাৰিলোঁহেঁতেন!" তেওঁ উত্তৰ দিলে, "মই জানো তুমি এই গোটেইখিনি তোমাৰ মূৰৰ ভিতৰতে কঢ়িয়াব পাৰিবা। চুটি লিখাৰ ধৰণতকৈ ধীষণ মূৰ বেচি ভাল।

১৫৪
সত্য আৰু কল্পনা (১৭৮৩)

আমি আমাৰ এজন পৰিচিত মানুহৰ বিষয়ে কথা পাতিছিলোঁ। এওঁৰ লেখাবিলাক কৌতুহলোদ্দীপক আৰু অদ্ভুত ধৰণৰ কথাৰে ভৰা, কিন্তু আক্ষেপৰ বিষয় সেইবোৰ কাল্পনিক। মই কলোঁ লৰ্ড মেন্সফিল্ডে লোক কৈছিল—"ধৰি লোৱা আমি যদি তেওঁৰ কথাৰ আধাখিনি বিশ্বাস কৰোঁ।" জনছনে উত্তৰ দিলে, "এৰা, কিন্তু আমি তো নেজানো কোন আধা বিশ্বাস কৰিব লাগিব। তেওঁৰ মিথ্যাভাষণৰ দ্বাৰা আমি যে কেৱল তেওঁৰ প্ৰতি শ্ৰদ্ধাহে হেৰুৱাওঁ সেয়ে নহয় তেওঁৰ কথা-বতৰাৰ আনন্দও হেৰুৱাওঁ।

বছৱেল—আমি বাৰু সেইবোৰ আমোদজনক কল্পনা হিচাপে লব নোৱাৰোঁনে?

জনচন—পাৰোঁ ; কিন্তু দুৰ্ভাগ্য হল যে তুমি মনৰ অজান্তে যিখানখিনি বিশ্বাস কৰিব খোজা সিখানখিনি বিশ্বাস কৰি পেলোৱা ।

১৫৫

প্ৰত্যুত্তৰত পাৰ্গতালি (১৭৮৩)

জনচনক যেতিয়া প্ৰতিপক্ষই এটা কোণত হেঁচা মাৰি ধৰে তেতিয়া তেখেতৰ প্ৰত্যুত্তৰ দিবৰ পাৰ্গতালি লক্ষ্য কৰিব লগীয়া আছিল। আমাৰ উভয়ৰে বন্ধু নৰ্থ্ক'ৰ মি: উইণ্ডহামে তেখেতৰ এই ধৰণৰ ক্ষমতাৰ এটা অতি সুন্দৰ উদাহৰণ যোক দিছিল। জনচনে, যিমানেই স্কটলেণ্ডৰ বিৰোধি মতাবলম্বী নহওক, সকলো সময়তে নিপক হিচাপে জৰ্জ বুকাননক (Buchanon) উদাৰভাৱে প্ৰশংসা কৰিছিল। এই দুই দেশৰ সাহিত্যিক প্ৰতিভাৰ তুলনামূলক আলোচনা এটাত এজন স্কচ্‌মেনে, এই বিষয়ত নিজকে সুদৃঢ় ভিত্তিৰ ওপৰত আছে বুলি কল্পনা কৰি ভাবিলে যে তেওঁ জনচনক নিশ্চয় পৰাজিত কৰিব পাৰিব। তেওঁ কলে, "আহা, ড: জনচন, যদি বুকানন ইংৰাজ হ'লহেঁতেন তেন্তে আপুনি তেওঁৰ বিষয়ে নেজানো কি কলেহেঁতেন।" জনচনে অকপ্মান বৈ উত্তৰ দিলে, "ডাঙৰীয়া, বুকানন যদি ইংৰাজ হলহেঁতেন তেন্তে মই স্কচ্‌মেন হিচাপে তেওঁৰ বিষয়ে যিখাৰ কম সেইখাৰ নকলোহেঁতেন আৰু সেইখাৰ হৈছে যে তেওঁৰ দেশে জন্ম দিয়া তেৱেঁই একমাত্ৰ মেধাবী লোক।'

১৫৬

মৰিছ মৰগেন (১৭৮৩)

ফল্‌ষ্টাফৰ চৰিত্ৰ সম্বন্ধে অতি বুদ্ধিদীপ্ত ৰচনা লিখোঁতা মৰিছ মৰগেন (Maurice Morgann) লৰ্ড উইকহামৰ এজন বিশেষ বন্ধু আছিল। এবাৰ লৰ্ড উইকহাম নিজৰ বাসভৱনত অনুপস্থিত থকা সময়ত তেওঁ জনচনক তাত এদিন নে দুদিন আলহী হিচাপে ৰাখিছিল। তলত দিয়া গল্প দুটা তেখেতৰ অনুগ্ৰহতে পোৱা :

প্ৰথমটো জনচনৰ সত্য স্বীকাৰ কৰিবৰ সাহসৰ সুন্দৰ পৰিচয়। তেখেত আৰু মি: মৰগেনে নিশা বহুত পৰলৈকে কিবা এটা তৰ্ক চলাই আছিল। নিজে ভুল পক্ষে থকা সত্ত্বেও জনচনে তৰ্ক কৰিবলৈ নেৰে, আৰু দুয়োকে কবলৈ পালে দুয়ো নিজৰ নিজৰ মতত লাগিয়েই থাকিল। পিচদিনা পুৱা

প্ৰাতৰ্ভোজনৰ কোঠাত জনছনে মৰগেনক কলে, "ডাঙৰীয়া, মই যোৱা ৰাতি আমাৰ তৰ্কটোৰ বিষয়ে চিন্তা কৰিছিলোঁ। আপুনিয়েই ঠিক কৈছিল।"

আনটো হল এনেকুৱা। জনছনে হয় ধেমালি কৰি নতুবা কেৱল ওলোটা তৰ্ক কৰিবৰ লোভত কবলৈ ধৰিলে যে লিখক হিচাপে ডেৰিকৰ (Derrick) মেধা আছে। মৰগেনে পোনে পোনে তেখেতৰ লগত তৰ্ক কৰিবলৈ ধৰিলে, কিন্তু মিছা। অৱশেষত তেওঁ এটা কৌশল খটালে। তেওঁ জনছনক সুধিলে, "বাৰু ছাৰ, আপুনি ডেৰিকক ভাল কবি বুলি ভাবে নে স্মাটক?" জনছন দাং খাই উঠিল। উত্তৰ দিলে, "ডাঙৰীয়া, এটা উকণি আৰু এটা কুকুৰ-মাখিৰ ভিতৰত কোনটো ভাল স্থিৰ কৰিব নোৱাৰি।"

১৫৭

জনছনৰ মৰম (১৭৮৩)

জনছনক সকলো সময়তে সৰু সৰু ল'ৰা-ছোৱালীহঁতক মৰম কৰা, সিহঁতক 'মইনাকণ' আদি নামেৰে মতা, খাবলৈ মিঠাই ইত্যাদি দিয়া দেখা গৈছিল। এইবিলাকেই হল তেওঁৰ প্ৰকৃত মনুষ্যত্ব আৰু চৰিত্ৰৰ কোমলতাৰ প্ৰমাণ।

তেখেতৰ লগত ঘনিষ্ঠভাৱে পৰিচিত সকলোৱে জানিছিল, নিজৰ চাকৰ নাকৰৰ প্ৰতি তেখেতৰ অসাধাৰণ মৰম আৰু সিহঁতৰ কেৱল এই জগতৰ সুখৰ নহয় সিখন জগতৰ কল্যাণৰ বাবেও তেখেতৰ কিমান চিন্তা। ইও তেখেতৰ মৰমীয়াল অন্তৰৰ পৰিচয়।

এই প্ৰসঙ্গতে তেখেতে নিজৰ আশ্ৰয়ত থকা জন্তুবিলাকৰ প্ৰতিও কি মৰম দেখুৱাইছিল তাক উল্লেখ নকৰা অন্যায় হ'ব। তেখেতৰ 'হজ' নামৰ মেকুৰীটোক যে তেখেতে কিমান মৰম কৰিছিল তাক মই কেতিয়াও নেপাহৰোঁ। এই মেকুৰীটোৰ বাবে শামুক আদি কিনিবলৈ তেখেতে নিজে বজাৰলৈ গৈছিল, কিজানি চাকৰবোৰে এই কেৰা কষ্ট কৰিব লগীয়া হলে সিহঁতে মেকুৰীটোক অনাদৰ কৰে! দুৰ্ভাগ্যক্ৰমে মেকুৰী ভাল নোপোৱা মানুহৰ মাজত মযো এজন, আৰু কোনো এটা কোঠাত মেকুৰী থাকিলে মই বৰ অস্বস্তি অনুভৱ কৰোঁ। এই 'হজ'ৰ উপস্থিতিৰ পৰাও মই কমখিনি ভোগা নাই। এদিনাৰ কথা মোৰ মনত আছে, মেকুৰীটোৱে জনছনৰ বুকুৰ ওপৰলৈ মহা ফুৰ্তিৰে বগাই উঠিছিল আৰু জনছনেও হাঁহি হাঁহি অকণ অকণ মুহাৰি

মাৰি তাৰ পিঠিত হাত বুলাই দিছিল আৰু নেজত ধৰি টানি টানি দিছিল। মই সেইটো 'বঢ়িয়া মেকুৰী' বুলি কোৱাত জনছনে কৈছিল, "সঁচা কিন্তু মোৰ ইয়াতকৈও ময়ম লগা মেকুৰী আছিল।" তাৰ পিচত যেনিবা এই কথাত 'হজে' লাজ পাইছে যেন দেখা পালে এনেভাৱে কৈ উঠিল, "কিন্তু ইও বৰ ভাল মেকুৰী। সঁচাকৈয়ে ভাল মেকুৰী।"

১৫৮

ৰাজহুৱা কাম (১৭৮৩)

বছৱেল—ডাঙৰীয়া মই পাৰ্লেমেণ্টত সোমাব খোজোঁ.

জনছন—কিয় তুমি যদি যিকোনো চৰ্কাৰকে সমৰ্থন কৰিবলৈ স্থিৰ কৰি নোলোৱা তেন্তে দেখোন বিপদতহে পৰিবা। কাৰণ তোমাৰ খৰচ বহুত বাঢ়ি যাব।

বছৱেল—সম্ভৱতঃ ডাঙৰীয়া, মই পাৰ্লেমেণ্টলৈ যোৱাৰ বাবে কম সুখী হম, কাৰণ মই মোৰ ভোট কেতিয়াও নেবেচো, কিবা এটা বেয়া কাণ্ড হলেও বৰ বেয়া পাম।

জনছন—সেইটো এটা কথাৰ কথা। পাৰ্লেমেণ্টৰ ভিতৰত থাকি তুমি যিমান বেয়া পাবা বাহিৰত থাকি তাতকৈ কম বেয়া নোপোৱা। ৰাজহুৱা কামত কোনেও বেজাৰ নকৰে।

বছৱেল—বাৰু আপোনাৰ মনত সেইবোৰে অকণো দুখ দিয়া নাইনে? এই ৰাজ্যৰ গোলমালবিলাকে আপোনাৰ মনত দুখ লগোৱা নাইনে? আৰু হাউচ অব কমন্সত সেই অসম্ভৱ ভোট—ৰজাৰ ক্ষমতা বাঢ়ি গৈছে, বাঢ়িয়েই আছে, তাক কমোৱা উচিত।

জনছন—হেৰা! মই একঘণ্টা কম শোৱা নাই আৰু এডোখৰ মঙহো কমকৈ খোৱা নাই। মই সেই কাজিয়াবাজ কুকুৰকেইটাৰ নিশ্চয় মূৰত চিঙনিবালো হেতেন, কিন্তু বেজাৰ কৰি আছোঁ বুলি ক'ব নোৱাৰোঁ।

বছৱেল—এৰা! মই হলে শপত খাই কব পাৰোঁ মই বেয়া পাইছিলোঁ বুলি ধৰিয়েই লৈছিলোঁ আৰু সেইবাবে গৰ্বও বোধ কৰিছিলোঁ। প্ৰকৃততে মযো কম খোৱাও নাই, আৰু কম শোৱাও নাই। ই সঁচাকৈয়ে গতানুগতিক কথা মাত্ৰ আছিল।

জনছন—হেৰা বন্ধু! তোমাৰ মনটোৰ এই গতানুগতিকতা দূৰ কৰা। তুমি আন মানুহে যিদৰে কথা কয় সেইদৰে কব পাৰা। এজন মানুহক

কব পাৰা ''আপোনাৰ একান্ত বাধ্য ভৃত্য' কিন্তু তুমি তেওঁৰ একান্ত বাধ্য ভৃত্য নোহোৱাঁ'। ক'ব পাৰা, 'আজিকালি দিনকাল বৰ বেয়া হৈছে, এনে-দিনত জীয়াই থকাটোও দুৰ্ভাগ্য।' কিন্তু প্ৰকৃততে সেই দিন কালক তুমি গ্ৰাহ্য নকৰা। তুমি এজনক কবা, 'আপোনাৰ ভ্ৰমণৰ শেষ দিন কেইটাত বতৰ বেয়া হোৱা বাবে মই বৰ দুখিত। আপুনি ইমান তিতিব লগীয়া হল।' কিন্তু তেওঁ তিতিলে নে শুকালে তাৰ বাবে তোমাৰ দুই পইচাৰ খেদ নাই। এৰা! তুমি কথা এইদৰে কব পাৰা, এইটো সমাজত কথা-পতাৰ নিয়ম; কিন্তু মুখৰ দৰে চিন্তা নকৰিবা।

১৫৯

মিছেছ ছিডন্‌ছ (১৭৮৩)

এই বছৰ শৰৎ কালত মিছেছ ছিডন্‌ছে তেখেতৰ লগত দেখা কৰিবলৈ আহিছিল। এই সাক্ষাতত কি ঘটিছিল তাৰে টোকা এটা মিঃ কেম্‌লে (Kemble) যোগে পঠাইছে।

মিছেছ ছিডন্‌ছ কোঠালৈ সোমাই আহোঁতে তেখেতৰ বহিবলৈ কোনো চকী সজাই থোৱা নাছিল। তাকে দেখি জনছনে মাত লগালে, "মেডাম, আপুনি তো বহুত মানুহক বহা আসনৰ অভাৱত পেলাইছে, এতিয়া নিজৰ আসনৰ অভাৱ হয়তো সহজতে ক্ষমা কৰিব পাৰিব।"

তাৰ পিছত তেখেতৰ ওচৰত বহি লৈ জনছনে প্ৰফুল্ল মনেৰে ইংৰাজী নাটকৰ আলোচনাত ব্যস্ত হ'ল। আন আন কথাৰ মাজতে বিশেষকৈ সুধিলে শ্বেক্সপীয়াৰৰ কোন চৰিত্ৰটো তেখেতে আটাইতকৈ ভাল পায়? মিছেছ ছিডনছে কলে যে তেখেতৰ *Henry the Eighth* ৰ ৰাণী কেথেৰীণৰ চৰিত্ৰটি আটাইতকৈ স্বাভাৱিক যেন লাগে। জনছনে কলে, "ময়ো তাকে ভাবোঁ, মেডাম! আৰু আপুনি যেতিয়া সেই ভাগত অভিনয় কৰিব, মই পুনৰ খোঁৰাই খোঁৰাই প্ৰেক্ষাগৃহলৈ যাম।' মিছেছ ছিডন্‌ছে কথা দিলে তেখেতে জনছনৰ ভালপোৱা চৰিত্ৰটিত অভিনয় কৰিবৰ সন্মান গ্ৰহণ কৰিব। কিন্তু জনছনৰ জীৱন কালত *Henry the Eighth* ৰ অভিনয় আৰু সম্ভৱ নহল নানান ঘটনাৰ বাবে।

১৬০

বাৰ্কৰ কথা বতৰা (১৭৮১)

বছৱেল—মিঃ বাৰ্কে সকলো সময়তে ভালকৈ কথা কব পাৰে।

জনছন—এৰা! এজন মানুহে যদি বৰষুণৰ হাত সাৰিবৰ বাবে আশ্ৰ-

ক্ৰমে বাৰ্কৰে সৈতে একেখন ছালিৰ তলত আশ্ৰয় লয়, তেওঁ ক'ব "এইজন এজন অসাধাৰণ মানুহ।" আকৌ বাৰ্কে যদি আস্তাবললৈ তেওঁৰ ঘোঁৰাটো কেনেকৈ সজোৱা হৈছে চাবলৈ যায়, তেন্তে ছহিছটোৱেও ক'ব, "ইয়াত এইজন এজন অসাধাৰণ মানুহ।"

১৬১
পুথি-সংগ্ৰহ (১৭৮৪)

তেখেতে কৈছিল যে এখন কিতাপৰ কেইবাটাও সংস্কৰণ—যদি কাগজ আৰু ছপাৰ বাহিৰে বাকীখিনি একে হয়—সংগ্ৰহ কৰা অনাৱশ্যক। তেখেতৰ মতে সংগ্ৰহ কৰা উচিত, প্ৰথম সংস্কৰণটো, সকলো প্ৰকাশৰ অনুবাদবোৰ, আৰু যিবিলাক সংস্কৰণত প্ৰথমটোৰে সৈতে পাৰ্থক্য আছে সেইবোৰ। তেখেতে ডগলাছে কৰা হোৰেছৰ বেলেগ বেলেগ সংস্কৰণৰ সংগ্ৰহটো ভাল বুলিছিল। পোপে ইয়াৰ উল্লেখ কৰিছে। এই সংগ্ৰহটো বোলে ডগলাছৰ ঘৰত এটা সৰু আলমাৰী ভৰি আছিল। জনছনে লগতে কৈছিল যে প্ৰত্যেকজন মানুহে অন্ততঃ এখন কিতাপ এইদৰে সংগ্ৰহ কৰিবৰ চেষ্টা কৰিব লাগে আৰু শেষত এটা ৰাজহুৱা পুথি ভঁৰালত দান দিব লাগে।

১৬২
মুক্ত বিবেক (১৭৮৪)

তেখেতে এবাৰ মিঃ লেংটনক এক ৰহস্যময় ঘটনাত সঠিক বিচাৰ শক্তিৰ অভাৱৰ বাবে দোষাৰোপ কৰিছিল।

তেখেতে কৈছিল, "মই বেমাৰ পৰি থাকোঁতে লেংটনক কৈছিলোঁ যে মোৰ জীৱনত তেওঁ কি দোষ দেখিছে সেইটো যেন মোক নিসংকোচভাৱে কয়। ভাওবীয়া। তেওঁ দেখোন মোক বাইবেলৰ কিছুমান শাৰী লিখা এখন কাগজ আনি দিলেহি। সেই উপদেশবোৰত খৃষ্টীয় উদাৰতা দেখুওৱাৰ কথা লিখা আছিল। আৰু মই বেতিয়া সুধিলোঁ যে মই কেতিয়া এনে ধৰণৰ দোষ লগালোঁ তেতিয়া তেওঁ যিখিনি কলে তাৰ অৰ্থ হ'ল যে মই সময়ে সময়ে কথা বতৰাত মানুহৰ বিৰোধিতা কৰোঁ। তুমি কব পাৰানে কথাৰ বিৰোধিতা কৰিলে কি দোষটো লাগে?"

বছৱেল—মোৰ বোধেৰে তেখেতে তেনে কথাৰ ধৰণটোৰ কথাহে কৈছিল, —ৰুক্ষ ভাৱে কঠোৰ মাতেৰে।

জনচন—আৰু তাৰ পৰা কাৰ লোকচানটো হয়?

বৰ্ক্‌ৱেল—সি দুৰ্বল-চিত্তৰ মানুহক কষ্ট দিয়ে।

জনচন—মই তেনেকুৱা দুৰ্বলচিত্তীয়া মানুহ চিনিয়েই নেপাওঁ।

এই আলোচনাৰ কথা মিঃ বাৰ্কক কওঁতে তেখেতে কৈছিল, 'বৰ আনন্দৰ কথা যে যেতিয়া এজন মানুহৰ মৃত্যু ওচৰ চাপি আহে তেতিয়া তেওঁ বিবেকৰ ওপৰত কেৱল কথা বতৰাত অলপ কঠোৰ হোৱাৰ বাহিৰে আন বোজা লৈ যাব নেলাগে।"

১৬৩

লৰ্ড থাৰ্লোলৈ আবেদন (১৭৮৪)

তেখেতৰ বন্ধুসকলৰ মনৰ উদ্বেগে এনে এটি মূল্যবান জীৱন ৰক্ষা কৰিবলৈ মানুহৰ শক্তিৰ দ্বাৰা যিমানখিনি সম্ভৱ চেষ্টা কৰিবৰ প্ৰেৰণা যোগালে। স্থিৰ কৰা হ'ল ইংলেণ্ডৰ কঠোৰ শীতকালৰ পৰা উদ্ধাৰ কৰি তেখেতক ইটালিৰ কোমল আবহাৱাত ৰাখিব লাগিব।

অৱশেষত জেনাৰেল পাওলিৰ (Paoli) ঘৰত, য'ত মই এই বিষয়ে বহুবাৰ আলোচনা কৰিছিলোঁ, এই বিষয়ে এটি প্ৰস্তাৱ লোৱা হল। যি হওক, মই বুজামতে এটি প্ৰাথমিক ব্যৱস্থা এতিয়াও কৰিব লগীয়া থাকিল। সেইটো হৈছে তেখেতৰ উপাৰ্জনৰ লগতে এনে এটা পৰিমাণৰ ধন যোগ কৰা যাতে তেখেতে এটা জাতিৰ প্ৰধান সাহিত্যিক হিচাপে আৰু আন সকলো গুণ বাদ দি কেৱল ইংৰাজী ভাষাৰ অভিধানৰ লিখক হিচাপে শোভন ভাৱে সকলো খৰচ বহন কৰিব পাৰে। এই ব্যৱস্থা কৰিবৰ বাবে মোৰ সকলোতকৈ আগতে যিজন মানুহলৈ আবেদন কৰাৰ কথা মনত পৰিল, তেওঁ হ'ল আমাৰ লৰ্ড চেন্সেলৰ (Edward, Lord Thurlow)। মই জানিছিলোঁ যে তেখেতে জনচনক বৰ উচ্চ মূল্য দিছিল আৰু জনচনেও তেখেতক দিছিল ওখ সন্মান। এতেকে তেখেতৰ ওচৰত হাত পতাটো মোৰ বিখ্যাত বন্ধুৰ বাবে কোনো অপমানৰ কথা নহয়।

এই বিষয়ে মই প্ৰথমে ছাৰ যশুৱা ৰেণল্ড্‌ছৰ লগত আলোচনা কৰিলোঁ আৰু তেখেতেও মোৰে সৈতে সম্পূৰ্ণ একমত হ'ল। এতেকে মই, যদিও মোৰ তেখেতৰ লগত ভাল জনা শুনা আছিল তথাপিও, তেখেতলৈ পোনটেই অৱস্থাটো জনাই জনচনৰ বাবে কিবা এটা কৰিবলৈ অনুৰোধ জনালোঁ। লগতে উল্লেখ কৰিলোঁ যে পিচৰ সপ্তাহৰ আৰম্ভণিতে মই স্কট-

লেণ্ডলৈ যাত্ৰা কৰিব লাগিব, সেই বাবে যদি সন্মানিত লৰ্ডে এই সৎ প্ৰচেষ্টা সম্বন্ধে মোক কিবা আদেশ দান কৰিব খোজে তেন্তে সেই সময়ৰ আগতে যেন মোক জনায়, নহলে ছাৰ যশোৱা ৰেণল্ড্ছেই সকলোখিনি কৰিব।

১৬৪
থাৰ্লোৰ উত্তৰ (১৭৮৪)

জুন মাহৰ ২৮ তাৰিখে সোমবাৰে মই লৰ্ড চেঞ্চেলৰৰ পৰা ডাকত দিয়া চিঠিখন পালোঁ।

ডাঙৰীয়া, মই আপোনাৰ চিঠিৰ উত্তৰ লগে লগেই দিব লাগিছিলোঁ, কিন্তু সেইখন পাবৰ সময়ত মই বৰ ব্যস্ত থকাত জেপতে ভৰাই থলোঁ আৰু আজি পুৱাহে সেইখন খুলিবলৈ মনত পৰিল।

আপোনাৰ প্ৰস্তাৱটিৰ বাবে ধন্যবাদ। মই সেইটো গ্ৰহণ কৰি বিমান-দূৰ সম্ভৱ চেষ্টা কৰিম। মোৰ দৃঢ় বিশ্বাস ইয়াৰ সপক্ষে সকলোতকৈ প্ৰবল যুক্তি হব ড: জনছনৰ গুণাৱলী, আৰু মোৰ বিশ্বাস সেই যুক্তি কৃতকাৰ্য্য নহৈ নোৱাৰে। কিন্তু দুৰ্ভাগ্যক্ৰমে আপোনাৰ লগত যদি মোৰ দেখা নহয় তেন্তে, কিমান টকা খোজা উচিত হব সেই সম্বন্ধে বা চলুকৈ কবলৈ গলে তেখেতক পঠোৱাৰ উপায় সম্বন্ধে ছাৰ যশোৱাৰে লগতে আলোচনা কৰা আৱ-শ্যক হ'ব। এনে এজন মানুহ যদি স্বাস্থ্যৰ যতন লবৰ কাৰণে ধনৰ অভাৱত দুৰ্ভাবনা কৰিবলগীয়া হয় তেন্তে মানুহে আমাক ক'ব কি?

আপোনাৰ

থাৰ্লো.

চিঠিখনে মোক বৰ তৃপ্তি দিলে। পিচদিনা মই সেইখন নি ছাৰ যশোৱা ৰেণল্ড্ছক দেখুৱালোঁ আৰু তেখেতো বৰ আনন্দিত হ'ল। তেখেতৰ মত হল যে এতিয়া মই ড: জনছনক এইবিলাক ব্যৱস্থাৰ কথা জনোৱা উচিত। নতুবা, তেখেতক বিধিনি সন্মান দেখুৱা হৈছে সেইখিনি বৰ বেছি দিন তেওঁৰ পৰা লুকুৱাই ৰখা হৈছে বুলি বেয়া পাব পাৰে। মই পিচদিনা ষ্টেফ-লেণ্ডলৈ যাত্ৰা কৰিম বুলি স্থিৰ কৰিছিলোঁ, কিন্তু ছাৰ যশোৱাই সবিনয়ে অনুৰোধ কৰিলে যে "মই আৰু এটা দিন থাকি যাব লাগে আৰু জনছন আৰু মই তেখেতৰ তাত লিখা এখাঁজ খাব লাগে যাতে আমি তিনিও তেখেতৰ ইটালি ভ্ৰমণৰ কথা আলোচনা কৰিব পাৰোঁ। বা ছাৰ যশোৱাৰ ভাষাত 'সকলো ভেদ ভাঙি পেলাব পাৰোঁ'। মই লৰালৰিকৈ জনছনৰ ওচৰলৈ গলোঁ। তেখেতে কলে যে সেইদিনা তেখেতে অলপ ভাল পাইছে।

মই—আপোনাৰ বাবে বৰ চিন্তাত আছোঁ আৰু ভাবিছোঁ যে শীত-কালটো আপুনি ইটালিতে কটোৱা ভাল হ'ব।

জনছন—এৰা।

মই—তেন্তে আৱশ্যকীয় ধনখিনিৰ বাহিৰে আপোনাৰ আপত্তিৰ কোনো কাৰণ নাই!

জনছন—না, নাই।

তেতিয়া মই সেই সম্বন্ধে কি কৰা হৈছিল তাৰ এটা বিতং বৰ্ণনা দিলোঁ আৰু লৰ্ড চেন্সেলৰৰ চিঠিখন তেখেতক পঢ়ি শুনালোঁ। তেখেতে অতি মনোযোগেৰে সেইখন শুনিলে, তাৰ পিচত আনন্দত আপ্লুত ভাবে কলে, "এজন মানুহৰ বাবে এইবিলাক বহুত কষ্ট কৰা হৈছে।"

মই পৰম স্নেহেৰে অনুযোগ কৰিলোঁ, "ডাঙৰীয়া, আপোনাৰ বন্ধু-সকলে আপোনাৰ বাবে সকলোখিনি কৰিব। তেখেত ক'ল আৰু অলপ নিস্তব্ধ হৈ পৰিল। লাহে লাহে তেওঁৰ চকুপানী ওলাই আহিল, আৰু উচ্ছ্বাস-পূৰ্ণ ভাষাৰে কৰুণে কবিলে, "যীশুৰ দোহাই দি কৈছোঁ, ভগৱানে তোমা-লোক সকলোৰে মঙ্গল কৰক।" আমি দুয়ো কিছুপৰ নিমাত হৈ বহি থাকিলোঁ। হঠাৎ তেখেতে যেন আমাৰ স্নেহতে বিগলিত হৈ কোঠাৰ পৰা ওলাই গ'ল। সুস্থিৰ হবলৈ অলপ সময় লৈ তেখেত পুনৰ কোঠালৈ ঘূৰি আহিল আৰু অলপ পৰৰ পিচতে পিচদিনা ছাৰ যশুৱাৰ ঘৰত খাবৰ নিমন্ত্ৰণ জনাই মই উভতি আহিলোঁ। মই অ'ত দিনে শ্ৰদ্ধা কৰি অহা সেই ঘৰটিৰ ভিতৰত আৰু মই সোমোৱা নাই।

জুন মাহৰ ৩০ তাৰিখে বুধবাৰৰ দিনা ছাৰ যশুৱা ৰেণল্ডছৰ ঘৰত আমাৰ সেই 'বকৰা ভোজ' হৈছিল। তালৈ আৰু আন কোনো মানুহ অহা নাছিল। তেতিয়া যদি জানিলোঁ হেতেন যে যি বন্ধুক ইমান সন্মান কৰি-ছিলোঁ তেখেতৰ কথোপকথন ইহ জগতত ভোগ কৰাটো এয়ে শেষ, আৰু যি কথা বক্তাৰ পৰা ইমান শিক্ষা আৰু আনন্দ লাভ কৰিছিলোঁ তাৰে। এইখিনিতে মই তেন্তে হয়তো মই অতি অভিভূত হৈ পৰিলোঁ-হেতেন। আজি যেতিয়া সেই কাললৈ ঘূৰি চাওঁ তেতিয়া সেই সময়ৰ এটা শব্দও পাহৰিছোঁ যেন লাগিলে আক্ষেপ হয়।

ছাৰ যশুৱা আৰু মই আমাৰ আশা পূৰ্ণ হোৱা সম্বন্ধে ইমান নিশ্চিত আছিলোঁ যে তেখেতৰ বাবে কি উপায় ব্যৱস্থা কৰা হব সেই সম্বন্ধে বহুপৰ আলোচনা কৰিবলৈ আৰু সেই দান এটা ডাঙৰ এককালীন দান হব যে

জেখেতৰ পেঞ্চনটোকে যথেষ্ট পৰিমাণে বঢ়াই দিয়া হব সেই সম্বন্ধে জল্পনা-কল্পনা কৰিবলৈ ধৰিলোঁ। আমাৰ উত্তেজনাই জেখেতকো ইমানখিনি ছুলেগৈ যে জেখেতেও ধৰি ললে আমাৰ আশা এক প্ৰকাৰে নহয় অন্য এক প্ৰকাৰে ফলৱতী হবই। জেখেতে কলে যে একেলগে হেজাৰ পাউণ্ড দিয়াতকৈ পেঞ্চনটো দুগুণ কৰি দিলে জেখেতে বেছি ভাল পাব। "কাৰণ, যদিও মই এহেজাৰ পাউণ্ড খাবলৈ জীয়াই নেথাকিবও পাৰোঁ, নিজৰ বাকী দিন কেইটা যাতে জাক-জমকেৰে কটাই যাব পাৰে সেইটো সকলো মানুহেই বিচাৰে, সিফালে সেইদিনকেইটা যিমানেই কম বা বেছি নহওক।" এই দেশৰ অসংখ্য ধনী মানুহৰ মাজত বছৰি ছশ পাউণ্ডৰ আয় এটা যে কিমান নগণ্য তালৈ চাই লক্ষ্য কৰিব লগীয়া এজন প্ৰকৃত ডাঙৰ মানুহে ইয়াকো জাক-জমকৰ যোগ্য বুলি ভাবিব পাৰে।

১৬৫

শেষ সাক্ষাৎ (১৭৮৪)

মই ছাৰ যশ্যোৱা ৰেণল্ড্‌ছৰ গাৰীত Bolt Court অৰ পদূলিলৈকে জেখেতৰ লগত গলোঁ। জেখেতে মোক সুধিলে মই জেখেতৰ লগত ঘৰলৈকে আগবাঢ়ি যাম নেকি? মই কিন্তু অভিভূত হৈ পৰাৰ ভয়ত সেই প্ৰস্তাৱত অস্বীকৃত হলোঁ। আমি গাৰীতে পৰস্পৰক সাদৰেৰে বিদায় সম্ভাষণ জনালোঁ। গাৰীৰ পৰা নামি বোল্ট কোৰ্ট বাটত থিয় হৈ জেখেতে কলে, "বিদায়"। তাৰ পিচত পিচলৈ ঘূৰি নেচাই এটি বিষাদময় ক্ষিপ্ৰতাৰে (কথাষাৰ যদি মই ব্যৱহাৰ কৰিব পাৰোঁ।) জপিয়াই ভাঁতৰি গ'ল, যেনিবা মনৰ অস্বস্তি হে লুকুৱাব খুজিছে। মোৰ মনতো যেন আমাৰ সুদীৰ্ঘ বিচ্ছেদৰ এটা আগজাননী দি গ'ল।

১৬৬

শেষ দিন কেইটা (১৭৮৪)

জেখেতৰ শেষ অসুখৰ সময়ত জনছনে তেওঁৰ অসংখ্য বন্ধুৰ মৰম চেনেহ পাই আছিল বিৰামহীন ভাৱে। সেই সময়খিনিত—১০ নৱেম্বৰৰ পৰা জেখেতৰ মৃত্যুৰ তাৰিখ ১৩ ডিচেম্বৰলৈকে—জেখেতৰ বন্ধুসকলৰ সাক্ষাৎকাৰত কি কি ঘটিছিল মিঃ হুলে তাৰ এটা বৰ্ণনা লিখি থৈ গৈছে। জেখেতে মোক সেইখন পঢ়িবলৈ দি তাৰপৰা উদ্ধৃত কৰিবৰ অনুমতি দিয়াত মই তাকে কৰিছোঁ।

তেখেতৰ আনটো পুৰণা বন্ধুৰ সকলোতকৈ আপোন আছিল মিঃ লেংটন। তেখেতে লেংটনক কৈছিল, '*Te teneam moriens deficiente manu.*' (মোৰ মৃত্যুৰ সময়ত যেন মোৰ দুৰ্বল হাতখনেৰে তোমাৰ হাতখন ধৰি থাকিব পাৰো। মিঃ উইণ্ডহামৰ বাবেও গৌৰৱৰ কথা, যে ৰাজনৈতিক হিচাপে তেখেতৰ নানান আৱশ্যকীয় কাম থকা সত্ত্বেও তেখেতে তেখেতৰ সন্মানিত সেই মৃতকল্প ৰোগীক চাবলৈ আহিবৰ সময় উলিয়াব পাৰিছিল। মিঃ লেংটনে কয় যে এদিন তেখেতে মিঃ বাৰ্কক চাৰি পাঁচজন বন্ধুৰে সৈতে জনছনৰ ওচৰত বহি থকা দেখিছিল। বাৰ্কে তেখেতক কলে, "ডাঙৰীয়া, আমি ইমানবোৰ মানুহ একেলগে থকাত আপোনাৰ বোধ হয় বৰ কষ্ট হৈছে।" জনছনে উত্তৰ দিলে, "না, না, সেইটো নহয়। যিদিনা আপোনালোকৰ সঙ্গই মোক আনন্দ দিব নোৱৰা হব, সেইদিনা বুজিব যে মোৰ অৱস্থা বৰ দুৰ্ভাগ্যজনক।" বাৰ্কে তেখেতৰ মৰমৰ অনুৰোধত অভিভূত হৈ কঁপা কঁপা মাতেৰে উত্তৰ দিলে। "ডাঙৰীয়া, আপুনি মোক সদায় অতি মৰম কৰি আহিছে।" ইয়াৰ পিচতে বাৰ্ক ওলাই গ'ল। এই দুজন বিখ্যাত মানুহৰ পৰিচয়ৰ অধ্যায়টোত এয়ে শেষ ঘটনা।

১৬৭

স্মৃতি ফলক (১৭৮৪)

ছাৰ জন হকিন্স তেখেতৰ উইল কাৰ্যকৰী কৰিবলৈ নিযুক্ত কৰা সকলৰ এজন আছিল। মৃত্যুৰ কেইদিনমান আগতে জনছনে তেখেতক সুধিছিল, তেখেতক ক'ত সমাধিস্থ কৰা হ'ব? হকিন্সে "নিশ্চয় ৱেষ্ট মিনিষ্টাৰ এবীত" বুলি উত্তৰ দিয়াত তেখেতক বেছ সন্তুষ্ট দেখা গ'ল। এজন কবিৰ পক্ষে, আনকি মোৰ মতে যি কোনো কল্পনা থকা মানুহৰ পক্ষেই—যদি তেওঁৰ পিতৃপুৰুষসকলৰ লগত সমাহিত কৰিবৰ বাবে পাৰিবাৰিক সমাধিক্ষেত্ৰ নেথাকে—এই তৃপ্তি পোৱাটো স্বাভাৱিক। এই অনুসৰিয়েই ২০ ডিচেম্বৰ সোমবাৰে তেখেতৰ শেষ অৱশিষ্ট সেই বিখ্যাত সুন্দৰ কবৰ-খানাত সমাধিস্থ কৰা হ'ল। তেখেতৰ কবৰৰ ওপৰত এচটা ডাঙৰ শিলত লিখা থাকিল।

ছেমুৱেল জনছন এল্ এল্ ডি
মৃত্যু, ডিচেম্বৰৰ ত্ৰয়োদশ দিন
আমাৰ প্ৰভুৰ শক
১৭৮৪
বয়স হৈছিল ৭৫ বছৰ।

১৬৮

জনছনৰ মৃত্যু হল (১৭৮৪)

মই যদি এজন 'পথ প্ৰদৰ্শক, দাৰ্শনিক আৰু বন্ধু'ক হেৰুৱাই মোৰ কেনেকুৱা লাগিছিল সেই সকলোখিনি প্ৰকাশ কৰিবলৈ অসমৰ্থ বুলি কওঁ, তেন্তে, আশা কৰোঁ। মোক কেনেও ভাও ধৰা বুলি অভিযুক্ত নকৰিব। সেই বাবেই মই নিজৰ পৰা এটি শব্দও নকৈ এজন বিখ্যাত বন্ধুৰ কথাকে তুলি দিম। ভাবি ভাবি লিখা ৰচনাতকৈ তেখেতৰ হঠাৎ কোৱা উচ্ছ্বাসপূৰ্ণ কথা বহু পৰিমাণে শ্ৰেষ্ঠ। তেখেতে কৈছিল, "তেখেতে এনে এডোখৰ ঠাই খালি কৰি থৈ গৈছে যে তাক একো ভৰাব যে নোৱাৰিবই, ভৰাবলৈ চেষ্টাও কৰিব নোৱাৰে। —জনছন নাই—তেওঁৰ পিছতে যিজন আটাইতকৈ যোগ্য তেওঁৰ ওচৰলৈ যোৱা যাওক—না, কোনোৱেই নাই। কোনো মানুহকে দেখি তোমাৰ জনছনলৈ মনত নপৰে।'

১৬৯

শেষ কথা (১৭৮৪)

এয়েই আছিল ছেমুৱেল জনছন, যাৰ জ্ঞান আৰু গুণ এনে অসাধাৰণ আছিল যে যিমানেই তেখেতৰ চৰিত্ৰ অধ্যয়ন কৰা যায় সিমানেই বৰ্ত্তমান যুগত আৰু ভৱিষ্যতেও মানুহে তেখেতক প্ৰশংসা আৰু শ্ৰদ্ধাৰ দৃষ্টিৰে গ্ৰহণ কৰিব।

টীকা

টীকাসমূহৰ বাওঁফালে দিয়া সংখ্যা বিলাক হ'ল উদ্ধৃতি বিলাকৰ। এটা উদ্ধৃতিৰ দুই-তিনিটা টীকা থাকিলেও বেলেগ বেলেগ নং নিদি একে উদ্ধৃতি নম্বৰৰ তলতে বেলেগে বেলেগে দিয়া হৈছে। লেখাৰ মাজত উদ্ধৃতি সূচাবলৈ সংখ্যাটো লিখি দিয়া হৈছে, যেনে, (উ: ১০) অৰ্থাৎ ১০ নং উদ্ধৃতি।

১। ছাৰ যশ্যোৱা ৰেণল্ডছ, Sir Joshua Reynolds (১৭২৩-৯২) জনচনৰ বন্ধু আৰু সেই সময়ৰ সকলোতকৈ বিখ্যাত চিত্ৰকৰ। তেখেত ইংলেণ্ডৰ Royal Academyৰ প্ৰেছিডেণ্ট আছিল। তেখেতে চিত্ৰ-কলা সম্বন্ধে ৰয়েল একাডেমীত দিয়া বক্তৃতাবিলাক *Discourses* নাম দি কিতাপৰ আকাৰে প্ৰকাশ কৰা হৈছিল। এইখনি এতিয়াও চিত্ৰকলাৰ সমালোচনা সম্বন্ধে এখনি শ্ৰেষ্ঠ পুথি (C)

২। অডিছী (*Odyssey*)-গ্ৰীকসকলৰ আদি কবি হোমাৰৰ মহাকাব্য। বীৰ অ'ডিছিয়াছ তথা ইউলিছিছে ট্ৰয়ৰ যুদ্ধৰ পৰা ঘূৰি আহোঁতে বাটত ঘটা নানান ঘটনা, যুদ্ধ আদিৰ বৰ্ণনা। ঘটনাবোৰ বিক্ষিপ্ত হলেও সকলোৰে নায়ক অডিছিয়াছ।

এক্লেক—— ইংৰাজী বানানটো Auchinleck হলেও বছৱেলে নিজে কৈ গৈছে যে তাৰ উচ্চাৰণ 'এক্লেক' হয়। আজিৰ ইংৰাজে কিন্তু 'অকিনলেক' বুলিহে কয়।

'জনচনীয়া' কবি পেলাইট্ৰো—— বছৱেলৰ বহু পিচত কাৰ্লাইলে জনচনৰ এই জীৱনীখনকে Johnsoniad বুলিহে কৈছিল। (C)

৩। আইনৰ জীৱনী লিখাত .... ইত্যাদি——জনচনৰ *Lives of the Poets* ৰ প্ৰতি ইংগিত।

জনচনৰ মত আছিল.... ..ইত্যাদি——এই মত জনচনৰ আলোচনী *Idler* ৰ ১৪ তম সংখ্যাত আছে। (C)

কুৰি বছৰো বেছিকাল——বছৱেলৰ জনচনৰ লগত প্ৰথম সাক্ষাৎ হয় ১৬ মেই ১৭৬৩ চনত (উ: ২১) আৰু শেষ সাক্ষাৎ ১৭৮৪ চনৰ ৩০ জুনত (উ: ১৬৪-৬৫)।

মি: মেছনে গ্ৰেৰ স্মৃতিকথা----উইলিয়ম মেছন (১৭২৪-১৭৯৭)। জনছনে বিদ্দৰে সাহিত্যৰ ভালবেয়া পৰিকাৰকৈ বুজিব পাৰিছিল। বছৱেলে সেইদৰে নোৱাৰিছিল অ.কা মেছনৰ নিকৃষ্ট সাহিত্যাৰো ডাঙৰ ভক্ত আছিল। এই মেছনৰে *Life of Gray* ৰ (১৭৭৪) উল্লেখ কৰা হৈছে।

মিৰোৰে তেওঁৰ চৰিত্ৰ .পাৰিব—বছৱেলৰ এই দাবী সকলোৱেই সঁচা বুলি মানি আহিছে। এনেকুৱা তথ্য-পূৰ্ণ জীৱনী আজিলৈকে পাবলৈ নাই। এইবাৰেই অসৰ সাহিত্য সভাই ইয়াৰ এটা ধাৰণা অসমীয়া সাহিত্যত ৰাখিব খুজিছে।

৪। কিতাপ আৰু মনোহাৰী বস্তুৰ দোকান—সেই সময়ত কিতাপৰ দোকান বিলাকেই সাহিত্যসেৱী সকলৰ আলোচনাৰ স্থান আছিল। আকৌ ভোজন-শালা, কফি-হাউচ ইত্যাদিতো সাহিত্যিক সকলে সান্ধ্য-ভোজত মিলিত হৈ আলোচনা চক্ৰ পাতিছিল।

৫। ড: টেইলৰ —Rev. Dr. Taylor জনছনৰ স্কুলীয়া বন্ধু আছিল। ধৰ্মযাজক হৈ তেখেতে ডাৰ্বিশ্বায়াৰৰ Ashbourne নামে ঠাইত বাস কৰিছিল। ১৭৭৬ আৰু ১৭৭৭ চনত জনছন আৰু বছৱেল তেখেতৰ আলহী হৈ Ashbourne ত আছিল (C)

মি: জৰ্ডেন —জৰ্ডেন সেই সময়ত অক্সফৰ্ডৰ এজন তৃনখাপৰ শিক্ষক আছিল।

মেক্ৰবিয়াছ (Macrobius))—লেটিন ভাষাৰ কবি। (C)

৬। বেণ্ট্‌লী (Richard Bentley) (১৬৬২-১৭৪২)—কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু তেখেতৰ সময়লৈকে গ্ৰীক ভাষাৰ ইংৰাজ পণ্ডিত সকলৰ মাজত আটাইতকৈ নামথকা। (C)

ড: আডাম স্মিথ, Adam Smith (১৭২৩-৯০)—গ্লাছগো বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল। বিখ্যাত *Wealth of Nations* নামে অৰ্থনীতিৰ কিতাপৰ ৰচোতা। (C) এওঁ ১৭৫১ চনৰ পৰা গ্লাছগোত আৰু পিছত অক্সফৰ্ড বিশ্ববিদ্যালয়তো ছবছৰ শিক্ষকতা কৰিছিল।

অতি সুন্দৰ লিখাবিলাকো .—জনছনে ড: বাৰ্নিক (Burney) কৈছিল যে তেখেতে নিজৰ ছপা হোৱা কিতাপবিলাকো কেতিয়াও ভালকৈ পঢ়া নাই। কথাষাৰ উঠিছিল ড: বাৰ্নিয়ে জনছনৰ *Lives of*

the Poets খনৰ কেইবাটাও ছাপতলিখা পৃষ্ঠা অকণো কটাকটি নকৰা অৱস্থাত দেখি আচৰিত হোৱাত। (C)

৭। *Gentleman's Magazine* —(উ: ১০) আৰু টীকা।

'লণ্ডন'——কবিতাটিৰ সম্পূৰ্ণ নাম হল, ***LONDON A poem in imitation of the Third Satire of Juvenal*** কবিতাটি ১৭৩৮ চনৰ মে' মাহত প্ৰকাশিত হৈছিল, কিন্তু লিখক হিচাপে জনচনৰ নাম নাছিল।

ৰেম্বলাৰ-- *Rambler* জনচনৰ নিজা আলোচনী। এইখনৰ বেছিৰ ভাগ লেখাই জনচনৰ নিজা আছিল, কাৰণ লিখকৰ বৰ অভাৱ আছিল। ১৭৫০ চনৰ ২০ মাৰ্চ তাৰিখে ওলায় আৰু সপ্তাহৰ প্ৰত্যেক মঙ্গলবাৰে আৰু শনিবাৰে ওলাই ২ বছৰৰ পিচত ১৭৫২ চনৰ ১৪ মাৰ্চত বন্ধ হৈ যায়। মঠতে ২০৮ টা সংখ্যা ওলাইছিল।

১০। মি: কেভ. Edward Cave—১৭৩১ চনত *Gentleman's Magazine* নামে আলোচনীখন প্ৰতিষ্ঠা কৰে। ইয়াতে জনচনৰ প্ৰথম প্ৰবন্ধ ওলায় ১৭৩৮ চনৰ মাৰ্চ মাহত। পিচলৈ জনচন ইয়াৰ পৰিচালক মণ্ডলীৰ প্ৰধান সহায়ক হৈছিলগৈ।

'Senate of Lilliput'—বছৱেলে নামটো এনেকৈ লিখিছে। প্ৰকৃততে জনচনৰ প্ৰবন্ধৰ শিৰোনামা আছিল *Senate of **Magna** Lilliputia.*

এই বিশেষ প্ৰবন্ধটো কেইবা বছৰ ধৰি——১৭৪১ চনৰ জুলাই মাহৰ পৰা ১৭৪৪ চনৰ মাৰ্চলৈকে।

১১। ছক (Plan) এটা বাহিৰলৈ আগবঢ়োৱা হয়——এই নিয়ম আজিও সকলো দেশতে চলি আছে। আমাৰ দেশত কোনো কোনো কম টকা থকা প্ৰতিষ্ঠানে কেতিয়াবা একোখন ডাঙৰ কিতাপ প্ৰকাশ কৰিবলৈ লয়, যেনে, মূল মহাভাৰতৰ অনুবাদ, বিশ্বকোষ ইত্যাদি। এনেবিলাক কামত প্ৰথমৰ পৰাই বহুতো খৰচ হয় কাৰণে তেওঁলোকে আগতে বিজ্ঞাপন দি বাহিৰৰ পৰা টকা সংগ্ৰহ কৰে আৰু কিতাপ প্ৰকাশ হলে অলপ কম দামতে যোগান ধৰে। ইংলেণ্ডত জনচনৰ দিনৰো আগৰে পৰা এই প্ৰথা চলিছিল। জনচনে নিজে 'অভিধান' আৰু 'শেক্সপীয়ৰ'ৰ বেলিকা এই প্ৰথাৰ শৰণ লৈছিল। সাধাৰণতাৰে কবলৈ গলে জনচনে বাহিৰৰ মাজত প্ৰচাৰ-পত্ৰ বিলি কৰি জনাই দিছিল——এই এনে এখন অভিধান লিখি উলিয়াব খুজিছো। ইয়াত

এই এই বিষয় থাকিব আৰু অৰ্থ, উৎপত্তি আদি এনে ধৰণে সন্নিবিষ্ট হব। ছপা কিতাপৰ মূল্য বনে ইমান হব বুলি ভাবিছোঁ। (এইটোৱেই ছক বা (Plan). এই কিতাপ লিখি উলিয়াবলৈ সময় লাগিব এতেকে বিদ্যোৎসাহী লোকে আগতে ধৰগুণি দি সহায় কৰে যেন। তেতিয়া কিছুমানে কিতাপৰ অগ্ৰিম মূল্য হিচাপে আৰু কিছুমানে দান হিচাপে টকা দি জনচনৰ কিতাপ লিখা দিনখিনিত খোৱা-বোৱাৰ চিন্তা লাঘৱ কৰি দিছিল। অভিধানৰ বেলিকা লৰ্ড চেষ্টাৰফিল্ডৰ পৰা ১০ পাউণ্ড সহায় হিচাপে পাইছিল বুলি জনা যায়। কিন্তু প্ৰধান সহায় আছিল প্ৰকাশক ডড্‌চলী (পিচৰ টীকা)। শেক্সপীয়াৰৰ বেলিকা এটা উদ্ধৃতি (১৫০ নং) বছৰেকৰ পৰা এই পুথিত দিয়া হৈছে।

ৰবাৰ্ট ডড্‌চলী Robert Dodsley (১৭০৩-৬৪)—আগ বয়সত সাধাৰণ চাপ্ৰাচীৰ কাম কৰিছিল। নিজে লিখক আৰু কবি আছিল। নিজৰ মেধা আৰু ব্যৱসায় বুদ্ধিৰ বলত ইংলেণ্ডৰ সকলোতকৈ বিখ্যাত প্ৰকাশক হৈ পৰিছিল। জনচনৰ অভিধান যি কেইজন প্ৰকাশক মিলি প্ৰকাশ কৰিছিল তাৰ ভিতৰত ৰবাৰ্ট ডড্‌চলী অন্যতম আৰু প্ৰধান। জেমচ ডড্‌চলী এওঁৰ ককায়েক।

পোপ, Alexander Pope (১৬৮৮-১৭৪৪)—অষ্টাদশ শতাব্দীৰ বিখ্যাত ইংৰাজ কবি।

১৩। বোক্লাৰ্ক, Topham Beauclerk—সম্ৰাট দ্বিতীয় চাৰ্লছৰ পৰিনাতি। (C)

১৪। লৰ্ড চেষ্টাৰফিল্ড Philip Dormer Stanhope, fourth Earle of Chesterfield (১৬৯৪-১৭৭৩)—তেওঁৰ যুগৰ এজন আগশাৰীৰ ৰাজনীতিবিদ আৰু সেই সময়ৰ সকলোতকৈ গুণবান ভদ্ৰলোক বুলি জনাজাত। দুখৰ বিষয় তেওঁৰ উল্লেখ থাকিলে জনচনৰ তীক্ষ্ণ অনুযোগ পূৰ্ণ চিঠিখনত আৰু ডিকেন্সৰ *Burnaby Rudge* নামে উপন্যাসত ছাৰ জন চেষ্টাৰ নামে ব্যঙ্গচিত্ৰত। কিন্তু তেওঁ এজন উচ্চ সংস্কৃতি সম্পন্ন ভদ্ৰলোক আৰু সক্ষম মন্ত্ৰী আছিল। সাহিত্য জগতত পত্ৰলিখক হিচাপে জনাজাত। চিঠিবোৰ *Letters to his Son* আৰু *Letters to his Godson* নামে দুখন কিতাপত ক্ৰমে ১৭৭৪ আৰু ১৭৯০ চনত (মৃত্যুৰ বহু পিছত) প্ৰকাশ হৈছিল। প্ৰথমখনৰ চিঠিবোৰৰ বিষয়ে জনচনে কৈছিল, "They teach the morals of a whore and the manners of a dancing master. চেষ্টাৰফিল্ড সম্বন্ধে জনচনৰ আৰু এটা অভিমত (ইং৬১)ত।

ভাৰ্জিলৰ গৰখীয়াই- —Virgil, ৰোমান কবি (৭০-১৯ খৃঃ পূঃ), *AEneid* ইত্যাদি বিখ্যাত কবিতাৰ লিখক। উল্লেখ কৰা কথা শাৰী ভাৰ্জিলৰ *Eclogue VIII* ৰ ৪৩ তম শাৰীত আছে '*nunc scio quid sit Amor*' ড্ৰাইডেনে এই শাৰীৰ অনুবাদ কৰিছে "মই তোমাক জানো প্ৰিয়তম। তুমি ম ভূমিত লুকাই আছিলা।" (C)

অকণমান সাহায্য নোপোৱাকৈয়ে—"ডঃ জনচনে এই নকলটো লোক দিওঁতে তেওঁৰ ফালৰ পৰা লোক কোৱা বুলি জুৰি দিবলৈ কৈছিল, যে চিঠিখনত 'কোনো সহায় নোপোৱাকৈ' বুলি লিখা হলেও তেওঁ এবাৰ লৰ্ড চেষ্টাৰফিল্ডৰ পৰা দহ পাউণ্ডৰ সহায় এটা পাইছিল। কিন্তু এই সাহায্য ইমান অকিঞ্চিৎকৰ যে এনে এখন চিঠিত তাৰ উল্লেখ কৰাটো বাঞ্চনীয় বুলি নেভাবিলে। (Langton)

অকলশৰীয়া——এই শাৰীত জনচনে নিশ্চয় তেওঁৰ পত্নীবিয়োগৰ ইঙ্গিত কৰিছে। (B)

১৬। চাহক সমৰ্থন কৰিছিল——জনচনে Jonas Hanway ৰ ৰচনাখনৰ সমালোচনা কৰিছিল *Literary Magazine* নামে এখন আলোচনীত। তাত জনচনে কৈছিল, 'Arlington আৰু Ossory ৰ আৰ্ল্‌সকলে (Earle) ১৬৬৬ চনত হলেণ্ডৰ পৰা চাহ আমদানি কৰিছিল। তেখেতসকলৰ পৰিয়ালৰ মহিলাসকলৰ পৰাই শিক্ষিতা মহিলাসকলে ইয়াৰ ব্যৱহাৰ শিকে। কিন্তু Samuel Pepys এ ১৬৬০ চনৰ ২৮ চেপ্টেম্বৰ তাৰিখতেই 'did send for a cup of tee (a China drink) of which I never had drank before'. (C)

১৭। ছাৰ উইলিয়ম টেম্পল্, Temple (১৬২৮-৯৯)——বিখ্যাত প্ৰবন্ধলিখক। তেখেতৰ কেইখনমান পুথি হ'ল: *Letters, Memoirs* আৰু *Miscellanea* জনচনে উল্লেখ কৰা আক্ষেপটো Temple অৰ ১৬৯২ চনত প্ৰকাশিত *Upon Ancient and Modern Learning* অৰ পৰা লোৱা।

বেলচ্, আৰু আইৰীশ্ ভাষা, লগতে গেলিক বা আৰ্চ্ (Erse), ব্ৰেটন্ আৰু কৰ্ণিশ্ পৰস্পৰৰ অতি ওচৰ সম্বন্ধীয়। বাস্ক্ (Basque) হল সম্পূৰ্ণ বেলেগ ভাষা।

১৮। বাৰ্ণি, Dr. Charles Burney (১৭২৭-১৮১৭)——এখেতক প্ৰধানকৈ সঙ্গীতৰ ঐতিহাসিক বুলিহে জানিব পাৰি। জনচনৰ বন্ধু

আছিল। বিখ্যাত ঔপন্যাসিক ফেনি বার্নি (১৭৫২-১৮৪০) (Frances Burney, Madame D'Arblay)) এখেতৰেই কন্যা আছিল। জনছনে ফেনিৰ চৰিত্ৰ অঙ্কণৰ ক্ষমতা দেখি ৰহস্যতে "my ilttle character monger" বুলি ।কছিল। (C)

এসোপা প্ৰস্তাৱ পঠাইছোঁ——এই প্ৰস্তাৱো হল উঃ ১১ ৰ টীকাত উল্লেখ কৰা ছক বা plan. এইবোৰ আছিল শ্বেক্সপীয়াৰৰ এটি সম্পূৰ্ণ সংস্কৰণ উলিওৱা সম্পৰ্কে।

ৱাৰবাৰ্টন, William Warburton (১৬৯৮-১৭৭৯)— খ্ৰীষ্টৰ বিশ্বপ। এওঁ ১৭৪৭ চনত শ্বেক্সপীয়াৰৰ এটি সংস্কৰণ প্ৰকাশ কৰে। সেই সময়ত এই সংস্কৰণৰ বৰ সুনাম আছিল। জনছনেও ইয়াৰেই প্ৰশংসা কৰিছে। (তলৰ টীকা দ্ৰষ্টব্য)

থিউবল্ড Lewis Theobald (১৬৮৮-১৭৪৪)—শ্বেক্সপীয়াৰৰ প্ৰথম লেখত লবলগীয়া সম্পাদক। এওঁ পোপে তেওঁৰ সংস্কৰণত কৰা ভুল-বোৰ শুধৰাইছিল আৰু আগৰ বহুতো ছপাৰ ভুল শুদ্ধ কৰিছিল। উদ্ধৃতিটোত দিয়া বাৰ্নি আৰু জনছনৰ মতামত আজি তেনেই ভুল যেন লাগিব। কাৰণ যিমানেই বেছি আলোচনা হৈছে, দেখা গৈছে ৱাৰ-বাৰ্টনৰ শ্বেক্সপীয়াৰ অধ্যয়ন তেনেই ভুল আছিল, আৰু তেওঁ যুক্তিতকৈ গল্প মৰা কথা কৈ হে নিজৰ মত সাব্যস্ত কৰিবলৈ চাইছিল। "Whose success is incredible to later ages. His edition is remarkable alike for its insolence and its ignorance. His conjectures will furnish a curiosity shop of im-possible words."

আন হাতে, Theobald অৰ 'শ্বেক্সপীয়াৰ' পোপৰ ব্যঙ্গ সত্ত্বেও আজিও সন্মানিত।

ৱাৰ্টন Rev. Thomas Warton (১৭২৮-৯০)——অক্সফৰ্ডত কবিতাৰ অধ্যাপক আছিল। পিচত ইংলেণ্ডৰ ৰাজ কবি (Poet Loureate) হয়। তেওঁ 'জনছনৰ এজন প্ৰিয়বন্ধু আছিল। তেখেতৰ প্ৰধান গ্ৰন্থ দুখন হ'ল *Observations on the Faerie Queene of Spenser* আৰু *History of English Poetry*, (c)

আপোনাৰ ভ্ৰাতৃৰেও——ইয়াতু ৱাৰ্টনৰ ককায়েক জোছেফ, Joseph Warton (১৭২২-১৮০০)। দুয়ো ভ্ৰাতৃৱেই জনছনৰ 'শ্বেক্সপীয়াৰ'ৰ বাবে

টীকা সৰবৰাহ কৰিছিল। দুয়োজনেই যে প্ৰধানতঃ কবিতাৰ ছাত্ৰ আছিল এই কথাই উধৃতিৰ শেষৰ শাৰীটো বুজাত সহায় কৰিব।

১৯। মিচ্ পটাৰ— Miss Porter জনছনৰ খুলশালীয়েক আছিল।

২০। আৰ্ল অৱ বিউট— John Stuart, Earle of Bute সম্ৰাট তৃতীয় জৰ্জৰ প্ৰধান মন্ত্ৰী আছিল। জৰ্জে ৰজা হৈয়েই প্ৰধান মন্ত্ৰীৰ হাতৰ পুতলা হৈ থাকিব নুখুজি নিজে প্ৰকৃত ৰজা হবলৈ ইচ্ছা কৰিলে আৰু সেইবাবেই উইলিয়ম পিটক গুচাই তেওঁৰ বন্ধু জন ষ্টুৱাৰ্ট নামে এজন স্কচ্‌মেনক Earle উপাধি দি মন্ত্ৰী পাতিলে। এওঁ বৰ ভাল মন্ত্ৰী নাছিল।

২১। টমাছ্ ডেভিছ্ Thomas Davies জনছনৰ চক্ৰৰ এজন সাধাৰণ সভ্য আছিল। তেওঁ কিতাপৰ ব্যৱসায়ত যথেষ্ট কষ্ট কৰা সত্ত্বেও দেউ-লিয়া হয়। পিছত *Memoirs of David Garrick* নামে এখন কিতাপ লিখি যথেষ্ট প্ৰশংসা পায়। জনছনে কৈছিল, "মি: ডেভিছে কিতাপ ব্যৱসায়ীৰ সৰ্বনাশৰ পৰা সকল গ্ৰন্থকাৰ হবৰ অনু-প্ৰেৰণা পালে।"

ফলি কটা হৈছে—এই সময়ত হাতেৰে খোদাই কৰা (engraving) ফলিৰ পৰা ছবি ছপোৱা হৈছিল। বছৱেলৰ জনছনৰ জীৱনীৰ প্ৰত্যেক সংস্কৰণৰ আৰম্ভণিতে উল্লিখিত প্ৰতিকৃতিৰ এখনি পূৰ্ণ পৃষ্ঠাৰ ছবি প্ৰকাশ কৰা হৈছিল।

২২। ক্ৰিট স্মাৰ্ট্, Christopher Smart (১৭২২-৭১)— তেওঁৰ বলিয়া অৱস্থাত লিখা *Song to David* নামে কবিতাটোৱেই আটাইতকৈ জনাজাত। (C)

পৰিষ্কাৰ কাপোৰ কানিৰ বাবে ইত্যাদি——জনছন পিন্ধা-উৰাত সঁচাকৈয়ে বৰ অৱলা আছিল।

২৫। মেলেট, David Malloch (১৭০৫-৬৫)—এইজন স্কচমেনে নিৰ্ভুল ইংৰাজী উচ্চাৰণ কৰিব পাৰিছিল। এওঁ তেওঁৰ নিজা স্কচ ভাষাৰ সকলো চিন মোকাম নাইকিয়া কৰিবৰ ইচ্ছাৰে নিজৰ নাম-টোও স্কচ্ Malloch ৰ পৰা ইংৰাজী Mallet কৰি লৈছিল। তেওঁ বিখ্যাত *Seasons* কবিতাৰ কবি James Thomson ৰ বন্ধু আছিল আৰু তেওঁৰে সৈতে লগ লাগি কবিতাও লিখিছিল। নাট্যকাৰ হিচাপেও তেওঁৰ কিছু সুনাম আছিল। (C)

২৬। *Citizen of the World*--পূৰা নামটো হল, *The Citizen of the World or Letters from a Chinese Philosopher residing in London, to his Friend in the East*. এইখন ১৭৬০ চনৰ পৰা ১৭৬১ চনলৈ *The Public Ledger* নামে আলোচনীত খণ্ড খণ্ডকৈ প্ৰকাশিত হয়।' ১৭৬২ চনত কিতাপ আকাৰে সম্পূৰ্ণকৈ প্ৰকাশ কৰা হৈছিল।

Nihil quod.—"যিহকে চুইছিল অলঙ্কৃত নকৰাকৈ নেথাকিছিল।" গ'ল্ডস্মিথৰ স্মৃতি-ফলকৰ বাবে লিখা জনছনৰ বাণীৰ পৰা উদ্ধৃত। (উ: ৯৪)

২৭। মিচেচ্ পিয়ৎজী, Mrs Piozzi (Mrs Thrale)——এখেতে জনছৰ মৃত্যুৰ পিছত তেখেতৰ জীৱনৰ কিছুমান সৰু সৰু ঘটনা লৈ *Anecdotes of the Late Samuel Johnson* নামে এখন কিতাপ লিখিছিল। কিতাপখন ১৭৮৬ চনত ছপা হৈ ওলায়।
(উ: ৪২ আৰু টীকা দ্ৰষ্টব্য)

ছাৰ জন হকিন্স——এখেতৰ জনছনৰ জীৱনী ১৭৮৭ চনত প্ৰকাশিত হয়। এইখন এখন তথ্যবহুল কিতাপ আৰু যথেষ্ট অন্তৰ্দৃষ্টিৰে লিখা। Sir John Hawkins এ জনছনক ৪০ বছৰ জানিছিল আৰু জনছনৰ জীৱনৰ বহু কথাই আমি তেওঁৰ পৰাহে জানিব পাৰোঁ।

এই দুয়োজনাৰে পৰিশ্ৰম আৰু অন্তৰ্দৃষ্টিৰ সমন্বয় কৰি বিস্তৃত ভাবে জীৱনী লিখিছে বচ্ৱেলে। দুয়োখনতে এই উদ্ধৃত দিয়া ঘটনাটো অলপ অলপ বেলেগ ৰকমে আছে।

২৯। আডাম স্মিথ— (উ: ৬)ৰ টীকা।

৩০। চামুচ কেইখন... ——কিছুমান মানুহ আছে, বিশেষকৈ ডাঙৰ মানুহ নহওক, পৰৰ ঘৰলৈ যাওঁতে বা খোৱা-বোৱা কৰোঁতে এখন শুনীয়া পিৰিচ বা চামুচ বা আন কোনো বস্তু লোভ হলেই চুৰি কৰি জেপত সুমুৱাই লৈ আহে। ইংলেণ্ডত এই ৰোগটোক Kleptomania বোলে। Sigmund Freud এ ইয়াক এবিধ যৌন-বিকৃতি বুলি কৈছে। জনছনে এই কচ্‌জনৰো কথা আৰু যুক্তিৰ ধৰণ দেখি তেনে বিকৃত স্বভাৱ থকাৰ সম্ভাৱনাৰ ইঙ্গিত কৰিছে।

৩১। প্ৰুছিয়াৰ ৰজা-- Frederick the Great. (C)

৩৩। মাৰ্টিনে লিখা বৰ্ণনা——নামটো মাৰ্টিন মাৰ্টিন আৰু কিতাপখন ১৭০৩ চনত প্ৰকাশিত হোৱা *Description of the Western Islands*

of Scotland. (C)

৩৬। কোৱেকাৰ— Quaker; খৃষ্টিয়ান সকলৰ এটা সম্প্ৰদায়। আন এটা নাম হল Society of Friends (বন্ধু সমাজ)। ১৬৪৮-৫০ চনত জৰ্জ ফক্স নামে এজনে এইবিধক প্ৰতিষ্ঠা কৰে। তেওঁলোক ঘোৰ যুদ্ধ-বিৰোধী আৰু সাজ-পাৰ অতি চাধা-চিধা ধৰণৰ। কথাবতৰা সৰল আৰু হব কম।

৩৭। ষ্টেজ ক'চ——ৰেলগাৰী, বাছ ইত্যাদি নথকা কালত ইংলেণ্ডত দূৰণি-বটীয়া ভ্ৰমণৰ বাবে ব্যৱহাৰ কৰা ঘোঁৰাৰ গাৰী। •চাৰিটা বা ছটা ঘোঁৰাই টনা এই গাৰীবোৰত একেলগে ১০।১২ জন মানুহ বালে বন্দৰে সৈতে যাব পাৰিছিল। এইবিলাক সাধাৰণতে বিশেষ ব্যৱস্থা থকা এবোটা Inn বা অতিথিশালাৰ পৰা যাত্ৰা কৰিছিল আৰু যাত্ৰীসকলে ঘোঁৰা-ঘোঁৰা কৰিবৰ বাবে বাটৰ কাষৰ একোটা অতিথি-শালাত ৰখৰ সুবন্দোবস্ত আছিল। এনেবিলাক ঠাইতে ভাগৰি যোৱা ঘোঁৰা সলাই অন্য ঘোঁৰা জুটি লোৱা হৈছিল। এই এটা অতিথি শালাৰ পৰা আনটোলৈ হল সেই বাটৰ একোটা 'ষ্টেজ' (stage) বা বিভাগ আৰু গাৰীবোৰৰ নাম হল 'ষ্টেজ ক'চ। একোটা বাটৰ ক'চক সেই সেই ক চৰ শেষ গন্তব্য স্থলীৰ নাম লৈ ডোভাৰ ক'চ, লণ্ডন ক'চ, হাৰৱিচ্ ক'চ ইত্যাদি নাম দিয়া হৈছিল।

৪২। থ্ৰেইল পৰিয়াৰ— Turale পৰিয়াৰৰ লগত জনছনৰ যথেষ্ট ঘনিষ্ঠতা গঢ়ি উঠিছিল, বিশেষকৈ মিছেছ্ থ্ৰেইলৰ লগত। কিন্তু ১৭৮১ চনত মিষ্টাৰ থ্ৰেইলৰ মৃত্যুৰ পিচৰ পৰাই তেওঁ জনছনক আওহেলা কৰিবলৈ ধৰিলে। বছৱেলে কাৰণ স্বৰূপে কয় যে জনছনৰ দৰে সাহিত্য সম্ৰাটৰ লগত বন্ধুতা পাতি আৰু ঘনিষ্ঠতা লাভ কৰাৱেই তেওঁৰ মুখ্য আকাংক্ষা পূৰ্ণ হ'ল তেতিয়াই তেওঁ জনছনৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। জনছনে সময়ে সময়ে মিছেছ্ থ্ৰেইলক বৰ্ণনাৰ দোষৰ বাবে তিৰস্কাৰো কৰিছিল। বছৱেলেও তেওঁৰ *Anecdotes* বোলা কিতাপখনত (৫: ২৭ৰ টীকা) বহুতো মিছা কথা ধৰা পেলাইছিল। অৱশেষত ১৭৮৪ চনত বিধৱা মিছেছ্ থ্ৰেইলে Signor Piozzi নামে এজন ইটালিৰ নৃত্য শিক্ষকক বিয়া কৰি সামাজিক ভাবে বহু তললৈ নামি পৰিল। (C)

৪৪। নিজৰ চুবুৰীয়াৰ দৰে——Love thy neighbour as thyself.

বাইবেলৰ উক্তি।

৪৬। Wood-cock আৰু Swallow —উডকক কাউৰীতকৈ সামান্য ডাঙৰ এবিধ মুগা বৰণীয়া চৰাই। ঠোঁটটো পোন আৰু দীঘল, ঠেং আৰু নেজ চুটি। ই বন-কুকুৰা নহয়, এবিধ সম্পূৰ্ণ বেলেগ চৰাই। Swallow দহি কন্তৰাৰ সমান আৰু দেখিবলৈকো প্ৰায় তেনেকুৱাই। নেজডাল দুভাগ হৈ থাকে। অতি বেগেৰে উৰিব পাৰে। দুযোবিধেই বছৰৰ এটা ভাগত ইংলেণ্ড এৰি আন গৰম দেশলৈ গুচি যায়। পানীৰ তলত শুই শুই সেই সময়ত পক্ষী প্ৰব্ৰজনৰ অনুসন্ধান ভালকৈ হোৱা নাছিল, গতিকে তেতিয়াৰ ধাৰণাবোৰো অদ্ভুত আছিল। কেৱল জনচনেই নহয় বিখ্যাত প্ৰকৃতি বৈজ্ঞানিক হোৱাইটেও (White of Selborne) ভাবিছিল যে Swallow বোৰে গোটেই শীতকালটো পানীৰ তলত শুই শুই কটায়। (C)

৪৭। কৰ্ছিকা—বছৱেলে ১৭৬৬ চনত তেওঁৰ ইউৰোপ ভ্ৰমণৰ পৰা ঘূৰি আহে আৰু ১৭৬৮ চনত তেওঁৰ *Account of Corsica* প্ৰকাশ কৰে। এই ভ্ৰমণত তেওঁ Voltaire, Rousseau আৰু কৰ্ছিকাৰ General Paoli ৰ লগত সাক্ষাত কৰিছিল। সেই ভ্ৰমণৰ সময়ত কৰ্ছিকাই জেনোৱা চৰকাৰৰ বিৰুদ্ধে স্বাধীনতাৰ যুদ্ধ চলাই আছিল। বছৱেলৰ স্বাধীনতা কামী কৰ্ছিকান সকলৰ কালে বিশেষ সহানুভূতি আছিল আৰু ইংলেণ্ডত তেওঁ ঘাৰে তাৰে আগত সেই বিষয়ে ইমান কথা কৈছিল যে মানুহে তেওঁক 'কৰ্ছিকা বছৱেল' বুলি ঠাট্টা কৰিছিল। উদ্ধৃত চিঠিখনত জনচনে তেওঁক মূৰৰ পৰা কৰ্ছিকা উলিয়াই পঠাবৰ উপদেশ দিয়াৰ কাৰণো সেয়ে। লগতে তুলি দিয়া বছৱেলৰ চিঠিৰ পৰা বুজা যায় যে বছৱেল সেইটো কৰিবলৈ নাৰাজ আছিল। এই চিঠি লিখা হৈছিল ১৭৬৮ চনৰ মাৰ্চ মাহত। ১৭৬৮ চনৰ জানুৱাৰী মাহত বছৱেলে তেওঁ নিজে আৰু আন আন কেইজনমানে লিখা ২০ খন চিঠি *British Essays in favour of the Brave Corsicans* নাম দি কিতাপ আকাৰে সম্পাদনা কৰি প্ৰকাশ কৰে।

৪৮। ভালুক জনছন—এই বিষয়ে আৰু এটা উল্লেখ উ: ৭২ৰ টীকাত।

৪৯। ব্ৰাইটেলমষ্টোন—Brighthelmstone ব্ৰাইটন চহৰৰ পুৰণি নাম।

৫০। মিছেছ মন্টেগু, Mrs Elizabeth Montague (১৭২০-১৮০০) এগৰাকী বিখ্যাত লিখিকা।

দুৰ' আৰু ব'অ'বছ্——ফৰাচী প্ৰবন্ধ লিখক। Pere Dominique Bouhours অৰ কিতাপ *The Art of Criticism* ইংৰাজীত অনুবাদ হৈ ১৭০৫ চনত প্ৰকাশ হয়। Abbe du Bos অৰ *Reflections on Poetry, Painting and Music* নামে কিতাপখন Thomas Nugent অৰ দ্বাৰা অনূদিত হৈ ১৭৪৮ চনত প্ৰকাশ হয়। (C)

৫৪। মি: ফুট, Samuel Foote (১৭২২-১৭৭৭)—অক্সফৰ্ডৰ ছাত্ৰ আছিল। এওঁ ধেমেলিয়া ভাওত মানুহক বেছ হহুঁৱাব পাৰিছিল। সেই সময়ত ইংলেণ্ডত নাটক মঞ্চস্থ কৰিবলৈ হলে পুলিচক অনুমতি লব লগীয়া হৈছিল। ফুটে সেইবাবে সেই আইনক ফাঁকি দি 'হে মাৰ্কেট' (Hay Market) নামে লণ্ডনৰ এটা অংশত Little Theatre নামৰ এটি ৰঙ্গমঞ্চ ভাৰা লৈ মানুহক 'সঙ্গীত সন্ধিয়ালৈ' বা 'ছবিৰ নীলাম'লৈ নিমন্ত্ৰণ কৰিছিল। অৱশেষত তেওঁকো অনুমতি দিয়া হয়।

৫৬। মেলেট— উ: ২৫ ৰ টীকা।

বৃদ্ধ মি: শেৰিডান——জনচনৰ বন্ধু টমাছ শেৰিডান। তেখেতৰ বিখ্যাত নাট্যকাৰ পুত্ৰক Richard Brinsley Sheridan অৰ পৰা বেলেগকৈ চিনিবলৈ বৃদ্ধ মি: শেৰিডান বোলা হৈছিল। তেখেতে বক্তৃতাদান আৰু উচ্চাৰণ শিক্ষা দিছিল। (C)

৫৭। ডেমস্থিনিছ, Demosthenes (৩৮৪-৩২২ খ্ৰী: পূ:) অতীতৰ গ্ৰীচৰ সকলোতকৈ বিখ্যাত বক্তা।

দিইত বৰ্বৰ আছিল——এইবাৰ কথা জনছনে কেৱল তৰ্কৰ খাতিৰতহে কোৱা বুলি মনে নধৰে। জনছনৰ সুচিন্তিত মত আছিল যে ডেমস্থিনিছ আৰু চিচেৰোৰ (Cicero) কালৰ মানুহ বিলাক বৰ্বৰ আছিল। কথাটো তেওঁ পুনৰুক্তিও কৰিছে। (উ: ৬২)। হয়তো সেই সময়ৰ দাস-প্ৰথাৰ কথা সুঁৱৰি তেখেতে এইবাৰ কৈছিল। কিন্তু ডেমস্থিনিছক বক্তৃতা দাসবিলাকক উদ্দেশ কৰি দিয়া হোৱা নাছিল। (C)

৫৯। লৰ্ড মেন্‌ছ্‌ফিল্ড্‌ William Murray, First Earl of Mansfield—এই বিখ্যাত কবি Alexander Pope অৰ বন্ধু আছিল। আৰু পিচ বয়সত ইংলেণ্ডৰ Lord Chief Justice হৈছিলগৈ। (C)

৬১। ড: বীটি, James Beattie (১৭৩৫-১৮০৩)—Aberdeen বিশ্ববিদ্যালয়ৰ দৰ্শনৰ অধ্যাপক আৰু বিখ্যাত *Minstrel* কবিতাৰ কবি।

জাহৰ অভিধানখনৰ ——জনছনে তেওঁৰ জাহৰ অভিধানখনৰ এটা সংক্ষিপ্ত

সংস্কৰণো প্ৰকাশ কৰিছিল। (C)

বেৰেট্টি, Joseph Baretti—জনছন চক্ৰৰ এজন লেখত লবলগীয়া সভ্য। ১৭৫০ চনত ইটালিৰ পৰা লণ্ডনলৈ আহে। তেওঁ ইটালিয়ান ভাষা শিকাই পেট পুহিছিল, আৰু কেইবছৰমান মিচ্ থ্ৰেইলৰ ঘৰুৱা শিক্ষক হিচাপে থ্ৰেইল পৰিয়ালৰ লগতো আছিল। তেওঁ বৰ খঙাল আৰু বদ্‌মেজাজী আছিল আৰু মিছেছ্ থ্ৰেইলৰ লগত কাজিয়া লাগি *European Magazine* অত তেওঁক বৰ নিষ্ঠুৰভাবে আক্ৰমণ কৰিছিল। তেওঁৰ নিজা দুখন কিতাপ—মিছেছ্ থ্ৰেইলৰ জনছন সম্বন্ধে *Anecdotes* আৰু *Letters*—এতিয়াও আছে। কিতাপ দুখনৰ পৃষ্ঠাই পৃষ্ঠাই খালি ঠাইবোৰত তেওঁ লিখি থোৱা মতামতবোৰ জীৱনী লিখক-সকলে বৰ মূল্যবান বুলি ভাবে। তেওঁ বা মিছেছ্ থ্ৰেইল কাকো বিশ্বাস কৰিব নোৱাৰি কিন্তু ইজনে সিজনক শুদ্ধ কৰে।

বেৰেট্টি জনছনৰ ঘনিষ্ঠ বন্ধু আছিল। জনছনে তেওঁৰ *Italian and English Dictionary* ৰ উৎসৰ্গপত্ৰ লিখি দিছিল। এইখন অভিধান বহুদিন এখন প্ৰামাণ্য গ্ৰন্থ ৰূপে চলি আছিল। (C)

ডেভিছ্—উঃ ২১ৰ টীকা।

এতিয়াও নাম দিয়া হোৱা নাই—পিছত জনছনেই নাম দিলে, *She Stoops to Conquer.*

৬২। এদল বৰ্বৰৰ সন্মুখত—উঃ ৫৭ ৰ টীকা।

৬৬। হিউম, David Hume (১৭১১-৭৬)—এওঁ ইতিহাসক দাৰ্শনিকৰ চকুৰে চাইছিল আৰু তাক মানুহৰ জীৱনৰ কাহিনী হিচাপে প্ৰকাশ কৰিছিল। হিউম এডিনবৰাৰ Faculty of Advocates ৰ গ্ৰন্থাগাৰিক আছিল। হিউমৰ ছয় খণ্ডৰ বিৰাট *History of Great Britain* আজিও এখন প্ৰামাণ্য গ্ৰন্থ।

ৰবাৰ্টছন, Dr. William Robertson (১৭২১-৯৩)— এজন ধৰ্মযাজক আৰু পিছত এডিনবৰা বিশ্ববিদ্যালয়ৰ অধ্যক্ষ (Vice-Chancellor নকৈছিল) হৈছিলগৈ। তেখেতৰ *History of Scotland* আৰু *History of Ameica* এসময়ত সকলোৱে শ্ৰেষ্ঠ ইতিহাস বুলি স্বীকাৰ কৰিছিল। (C)

লিট্‌ল্‌টন, George Lyttleton, Lord Hailes (১৭০৯-৭৩)—এখেত কিন্তু মুখ্যতঃ ঐতিহাসিক নাছিল, বৰং ৰাজনীতিবিদ বুলিব পাৰি।

ভাৰ্তো, René Vertot (১৬৫৫-১৭৩৫)—ফৰাচী বুৰঞ্জীবিদ। এওঁৰ *Histoires des revolutons romaines* (বিপ্লৱৰ ইতিহাস) জন অজেলৰ (John Ozell)) দ্বাৰা অনূদিত হৈ ১৭২০ চনত প্ৰকাশিত হৈছিল। (C)

এখন প্ৰকৃতি বিজ্ঞান—গ'ল্ডস্মিথৰ এই কিতাপখনৰ নাম *Animated Nature.*

৭০। সাহিত্যিক সম্পত্তি—ৰাণী Anne ৰ আইনত ইতিমধ্যে (আইন পাছ হোৱাৰ আগতে) ওলোৱা কিতাপত গ্ৰন্থকাৰক ২১ বছৰ, আৰু পিছত ওলোৱা বিলাকত ১৪ বছৰ আৰু তেতিয়াও গ্ৰন্থকাৰ জীয়াই থাকিলে আৰু ১৪ বছৰ সম্পূৰ্ণ স্বত্ব দিয়া হৈছিল। ইয়াৰ উপৰিও 'সাহিত্যিক সম্পত্তি' নামে এটা বস্তু সৰ্বসন্মতিক্ৰমে মানি লোৱা হৈছিল। সেইটো, জনছনৰ মতে "কিতাপৰ ব্যৱসায়ত সদায় মানি লোৱা হৈছিল যে যিজনে লিখকৰ পৰা প্ৰকাশৰ স্বত্ব কিনি লয় তেওঁ সদায় তাত চিৰকলীয়া অধিকাৰ পায়।" (বছৱেলৰ উৰ্দ্ধৃতি, ১৭৬৩)। এই খৰি-লোৱা অধিকাৰটো 'হাউছ অৱ লৰ্ডছে' এটা সিদ্ধান্তৰ দ্বাৰা ধ্বংস কৰে। জনছনেও চিৰকলীয়া অধিকাৰ ভাল নেপাইছিল, কিন্তু সময়টো ১৪ বছৰ নহৈ ৬০ বছৰ হোৱাটো সমীচীন বুলি ভাবিছিল।

১৮৪২ ৰ আইনে সময়টো ৪২ বছৰ বা লিখকৰ মৃত্যুৰ পিছত ৭ বছৰ (যিটোৱেই দীঘল হয়) কৰিলে। ১৯১২ চনৰ আইনে ইয়াক লিখকৰ মৃত্যুৰ পিছত ৫০ বছৰলৈ বঢ়ালে। (C)

৭১। জনছন আৰু বছৱেলৰ স্কটলেণ্ড ভ্ৰমণে দুখন লেখত লবলগীয়া কিতাপৰ জন্ম দিলে। এখন, জনছনৰ *Journey to the Western Islands of Scotland*—Raleigh ই কোৱা মতে That most ceremonious of diaries. এইখন প্ৰকাশ হৈছিল ১৭৭৫ চনত। আনখন বছৱেলৰ *Journal of a Tour to the Hebrides.* এইখন জনছনৰ মৃত্যুৰ পিছত ১৭৮৫ চনতহে প্ৰকাশ হৈছিল, কিন্তু হাতে লিখা অৱস্থাতে ইয়াক জনছন, মিছেছ থ্ৰেইল আৰু আন কোনোবা কোনোবাই পঢ়িছিল। কথাষাৰ বছৱেলে নিজেই উল্লেখ কৰিছে। (C)

এই বিদেশ যাত্ৰাৰ পৰা লিখকৰ ধন লাভ হোৱা নাছিল। জনছনে এই বিষয়ে ১৭৭৩ চনৰ ৩ নবেম্বৰ দিনা মিছেছ থ্ৰেইললৈ এখন চিঠিত লিখিছিল—বছৱেলে মোৰ একাগ্ৰতা আৰু অধ্যৱসায়ৰ প্ৰশংসা কৰিব আৰু আনহাতে মই প্ৰশংসা কৰিম তেওঁৰ সদানন্দ স্বভাৱ আৰু বিবাদ-

হীন প্ৰফুল্লতা। তেওঁৰ মই ভবাতকৈ বহুতো ভাল গুণ আছে, আছে শুদ্ধ পৰ্য্যবেক্ষণ শক্তি আৰু উপমা গঢ়িবৰ মস্তিষ্ক। তেওঁৰ লগত ভ্ৰমণ কৰাটোও বৰ সুবিধাজনক, কাৰণ এনে এটা ঘৰ নাই য'ত তেওঁ আদৰ আৰু সন্মানেৰে অভ্যৰ্থনা পোৱা নাই। (M)

৭২। মই জানো নিছেছ বছৱেলে মই বিদায় লোৱাটোকে বিচাৰিছিল— এইটো তেওঁৰ চোকা অন্তৰ্দৃষ্টিৰ পৰিচয়। তেখেত আমাৰ আলহী হৈ থাকোতে মোৰ গৃহিণীয়ে তেখেতক যথেষ্ট সন্মানেৰে সৈতে আদৰ যত্ন কৰিছিল যেয়েহে তেখেতে নো কেনেকৈ বুজি পালে যে তেওঁ তেখেতৰ বিদায় লোৱাটোকে বিচাৰিছে তাকে ভাবি মই আচৰিত হওঁ। আচল কথা হল যে তেখেতৰ অনিয়মিত চলা-ফুৰা আৰু কলধা অভ্যাসবোৰ, যেনে মমবাতি ভালকৈ নজ্বলিলে আগটো ওলোটাই ধৰা আৰু তেনে কৰোঁতে কাৰ্পেটত মমৰ টোপাল পেলাই লেতেৰা কৰা, ইত্যাদিয়ে তিৰোতা মানুহৰ বিতৃষ্ণা নজগাই নোৱাৰে। তদুপৰি তেখেতক চিনি পোৱা সকলৰ তেখেতৰ প্ৰতি যি উচ্চ ধাৰণা আছিল মোৰ গৃহিণীৰ সেইটো নাছিলেই। লগতে মাইকী মানুহৰ মনলৈ অহা এটা স্বাভাৱিক কথা, তেওঁ ভাবিছিল যে তেওঁৰ স্বামীৰ ওপৰত জনছনৰ বৰ বেছি প্ৰভাৱ আছিল। এই সম্বন্ধে তেওঁ এদিন অলপ উষ্মা প্ৰকাশ কৰিয়েই উচিত নহলেও অলপ দৃষ্টান্তৰ ছাঁ ৰাখি মত প্ৰকাশ কৰিছিল, 'মই বহুত ভালুকক মানুহে লৈ ফুৰোৱা দেখিছোঁ কিন্তু এই প্ৰথম এটা ভালুকে মানুহ এজনক লৈ ফুৰোৱা দেখিলোঁ।" (B)

মোৰ গৃহিণীয়ে—তেওঁৰ অন্তৰখন এনে ভাল আছিল যে—বাড়িপুৰাৰ বেছিৰ ভাগ সময় মোৰ বন্ধু আৰু তেওঁক দেখা কৰিবলৈ অহা মানুহবিলাকৰ বাবে অসংখ্য পিয়লা চাহ বাকী বাকীয়েই কটাই দিছিল। (বছৱেলৰ *Tour to the Hebrides*).

৭৪। চেম্বাৰ্চ বন্ধু দূৰলৈ গ'ল—চেম্বাৰ্চ ভাৰতবৰ্ষলৈকে আহিছিল। এওঁ হল সেই সময়ৰ ফ'ৰ্ট উইলিয়মৰ (কলিকতা) আদালতৰ জজ Sir Robert Chambers.

৭৫। মেক্‌ফাৰ্চন James Macpherson (১৭৩৬-১৭৯৬)—এডিনবৰা বিশ্ববিদ্যালয়ৰ পৰা সগৌৰৱে উত্তীৰ্ণ হয়। ১৭৫৮ চনত *Highlander* নামে এটি কবিতা প্ৰকাশ কৰি খাইজৰ চকুলৈ আহে।

অ'ছিয়ান——১৭৬০ চনৰ পৰা ১৭৬৩ চনলৈকে মেকফাৰ্চনে তিনিখন কবিতাৰ পুথি প্ৰকাশ কৰে। মেকফাৰ্চনৰ মতে এইবোৰ খৃষ্টীয় দ্বিতীয় শতাব্দীৰ অছিয়ান নামে লিখকৰ বা অছিয়ানৰ সংগ্ৰহৰ পৰা লোৱা কবিতাৰ অনুবাদ। প্ৰথমখন *Fragments* (১৭৬০), তাৰ পিচত *Fingal* (১৭৬২), আৰু তৃতীয়খন *Temora* (১৭৬৩)। এই-বোৰেই *Ossianic Poems.* এইবোৰ ওলোৱাৰ লগে লগে ইংলেণ্ডৰ প্ৰায় সকলো শিক্ষিত সাহিত্যিকে এইবোৰ জাল আৰু মেক-ফাৰ্ছনৰ নিজৰ তৈয়াৰী বুলি কয়। আন হাতে প্ৰায় সকলো স্কচ্‌মেনে বোধ হয় দেশপ্ৰেমত উদ্বুদ্ধ হৈ এইবোৰ সঁচাকৈ খৃষ্টীয় দ্বিতীয় কি তৃতীয় শতাব্দীৰ বুলি স্বীকাৰ কৰে, আৰু ইংৰাজসকলে তেওঁলোকৰ দেশৰ ইমান পুৰণি সাহিত্য থকা দেখি হিংসাতে প্ৰতিবাদ কৰিছে বুলি কয়। এই ইংৰাজসকলৰ আগশাৰীত আছিল জনচন।

তোমাৰ দেশৰ মানুহবোৰৰ....মিছা কথা কোৱা অভ্যাসৰ—এইষাৰ কথা কৈ বছুৱে মোৰ সাক্ষ্যৰ ওপৰতে নিৰ্ভৰ কৰিছে, কিন্তু কি ভিত্তিৰ ওপৰত সেইটো কৰিছে কই হলে পাহৰিলোঁ। (B)

ড: ব্লেয়াৰ, Dr. Hugh Blair (১৭১৮-১৮০০) এডিনবৰাৰ মানুহ আৰু *Sermons* নামে বিখ্যাত কিতাপৰ লিখক। এখেত কেৱল এডিনবৰাৰ High church অৰ ধৰ্মযাজকেই নাছিল, বৰং লগতে বিশ্ববিদ্যালয়ৰ অলংকাৰ শাস্ত্ৰৰো অধ্যাপক আছিল। তেখেতৰ *Lectures on Rhetoric and Belles Lettres* খনে বহুদিন বাইৰৰ মাজত আদৰ পাই আহিছিল। ড: ব্লেয়াৰে Ossian খন অতীতৰ মূলৰ পৰা উদ্ধাৰ কৰা বুলি বিশ্বাস কৰিছিল। (C)

মোৰ বিশ্বাস এইটো শুদ্ধ প্ৰতিলিপি—এই প্ৰতিলিপিটো মই বুটিছ মিউজিয়ামত জমা দিছোঁ। (B)

৭৭। টমাচ গ্ৰে, Thomas Gray (১৭১৬-১৭৭১)—জনছনে গ্ৰেৰ কবিতাবিলাকৰ বিষয়ে তাচ্ছিল্যপূৰ্ণ মতামত প্ৰকাশ কৰিছিল। কিন্তু মেকলেই Macaulay কৈছিল যে জনছনৰ কবিৰ জীৱনীবোৰৰ ভিতৰত গ্ৰেৰ জীৱনীয়েই আটাইতকৈ বেয়াকৈ লিখা। এই জীৱনীত কবি আৰু তেওঁৰ কবিতাৰ প্ৰতি কোনো সহানুভূতি দেখা নেযায়। (C)

Weave the Warp ......ইত্যাদি—জনছনে লোৱা প্ৰথম তিনিটা শাৰী *The Bard* কবিতাৰ পৰা লোৱা।

৭৮। নবকৰ ভেঁটি.........ইত্যাদি——এইটো এটা ফকৰা বুলিয়েই কব পাৰি। হাৰ্বাৰ্টে কৈছে, "নৰক সদৰ্থ আৰু সদিচ্ছাৰে ভৰা।" Jacula Prodentum. (M)

৮০। উঃ ৪০ দ্ৰষ্টব্য।

৮১। লৰ্ড নৰ্থ তেতিয়া বিশ্ববিদ্যালয়ৰ চেঞ্চেলৰ আছিল।

৮২। মিছেছ উইলিয়ামছ——জনছনৰ ঘৰত আশ্ৰয় লোৱা আৰু তেওঁ আংশিক ভাবে পোহপাল দিয়া কেইজনৰ ভিতৰত মিছেছ উইলিয়ামছ হ'ল উল্লেখযোগ্য। "Mrs. Anna Williams ৱেলছৰ এজন চিকিৎসকৰ ছোৱালী আছিল। তেখেত শিক্ষিতা আৰু সাহিত্যত বেছ ব্যুৎপত্তি থকা মহিলা আছিল। তেখেতৰ দুয়োটা চকুতে ছানি পৰাত লণ্ডনলৈ চিকিৎসা কৰাবলৈ আহিছিল কিন্তু অৱশেষত সম্পূৰ্ণ অন্ধ হৈ গ'ল। মিছেছ জনছন যিমান দিন জীয়াই আছিল, তেখেত প্ৰায়েই জনছনৰ ঘৰলৈ আহিছিল আৰু আদৰ-সাদৰ পাইছিল। তেখেতৰ মৃত্যুৰ পিচত ... .জীৱনৰ শেষছোৱা তেখেতে জনছনৰ ঘৰতে থাকিবলৈ এটা কোঠা পাইছিল।" (বছৱেল, ১৭৫১) জনছনে তেওঁৰ কথা-বতৰা বৰ ভাল পাইছিল আৰু তেওঁৰ খেঙ-খেঙীয়া স্বভাৱটোও সহ্য কৰিছিল। জনছনৰ ঘৰৰ আনবোৰ আশ্ৰিত হ'ল, মিছেছ ডিৰ'লীন ((Desmoulins), ষ্টাফোৰ্ডশ্বায়াৰৰ এজন বন্ধুৰ কপৰ্দকহীন জীয়েক ; ৰবাৰ্ট লিভেট্ ((Levett)), লণ্ডনৰ অতি দুখীয়া মানুহবোৰৰ মাজত চিকিৎসা ব্যৱসায় কৰা এজন দুখীয়া ডাক্তৰ ; নিগ্ৰো চাকৰ ফ্ৰেঙ্ক (উঃ ১০১) ; আৰু 'হজ' নামৰ মেকুৰীটো (উঃ ১৫৭) যাৰ বাবে তেওঁ বজাৰত শামুক কিনিছিল। (C)

৮৩। বন্ধ পৃষ্ঠা বিলাকত বিখিনি আছে——সেই সময়ত কিতাপবিলাক নবছোৱাকৈ বা অতি সাধাৰণ ভাবে চিলাই কৰি পাতল কাকতেৰে মেৰাই বিক্ৰী কৰা হৈছিল। কিনোতাই নিজে দপ্তৰী লগাই সেইবোৰ বন্ধাই, পাত কটাই আৰু সময়ত কাষটোইত গিল্টি কৰাই লৈছিল। নকটা খোল পৃষ্ঠা ছপোৱা কাগজ এখিলা ভাঁজ কৰি ললে দেখা যাব যে তাৰ চাৰিটা পৃষ্ঠা অনায়াসে পঢ়িব পাৰি, আঁঠটা পৃষ্ঠা কষ্টেৰে আংশিক ভাবে পঢ়িব পাৰি আৰু বাকী চাৰিটা পৃষ্ঠা একেবাৰেই নোৱাৰি।

৮৫। ছোৱালী কেজনীৰ বাবে কিছু বেছি আশা হয়——জনছনৰ ঘৰৰ ছোৱালী বুলি ভাল হবা পাৰ।

৮৭। বাৰ্টনৰ *Anatomy* .....—Robert Burton (১৫৭৭-১৬৪০) অক্সফৰ্ডৰ মানুহ আছিল। তেওঁৰ ব্যৱসায় আছিল ধৰ্ম যাজকৰ কিন্তু মনটো আছিল ডাক্তৰৰ। *Anatomy of Melancholy* তেখেতৰ আটাইতকৈ বিখ্যাত ৰচনা।

৮৮। মিঃ বাৰ্ণি—উঃ ১৮ৰ টীকা।

৯৫। মিঃ মাৰ্ফি, Arthur Murphy (১৭২৭-১৮০৫)—গেৰিকৰ যুগত এখেতৰ নাটকবিলাক বেছ চলিছিল। মৌলিক নহলেও ভলটেয়াৰ, মলিয়াৰ আদি ফৰাচী নাট্যকাৰৰ ছাঁয়া লৈ বা ৰূপান্তৰ কৰি লিখা প্ৰহসন আৰু ধেমেলিয়া নাটকৰ বাহিৰেও *Zenobia* (১৭৬৮) আৰু *The Grecian Daughter* (১৭৭২) নামে দুখন কৰুণ ৰসাত্মক নাটকৰ নাট্যকাৰ। তেখেতে জনছনৰ ওপৰতো এটা প্ৰবন্ধ লিখিছিল।

কাউলী, Abraham Cowley (১৬১৮-৬৭)—তেখেতৰ যুগৰ প্ৰখ্যাত কবি আছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় আজিকালি কাউলীৰ কবিতা কোনেও নপঢ়ে আৰু তেখেতক জীয়াই ৰাখিছে, কেৱল তেখেতৰ কিছুমান সুন্দৰ গদ্য প্ৰবন্ধই হে। স্কুলত পঢ়ি থাকোঁতেই তেখেতে কবিতা লিখিবলৈ আৰম্ভ কৰিছিল আৰু কেম্ব্ৰিজৰ ছাত্ৰ থাকোঁতে দুখন নাটকো লিখি উলিয়াইছিল। ১৬৫৬ চনত তেখেতৰ কবিতাসমূহ *Miscellanies, The Mistress, Pindaric Odes* আৰু *Davideis* নামে চাৰিটা খণ্ডত ছপা হৈ ওলায়।

হাৰ্ড, Richard Hurd (১৭২০-১৮০৮)—উষ্টাৰৰ (Worcester) বিশপ। জনছনতকৈ ১১ বছৰৰ সৰু আছিল আৰু ২৪ বছৰ পিচলৈকে জীয়াই আছিল। তেখেতৰ *Letters on Chivalry and Romance* নামে কিতাপখন ১৭৬২ চনত ছপা হৈ ওলায় আৰু *Oxford Libray of Prose and Poetry* ত ঠাই পাইছে। (C)

ফ্লেটমেন, Thomas Flatman (১৬৩৭-৮৮)—কবি আৰু চিত্ৰকৰ। দুখৰ বিষয়, তেখেতৰ নামটোৰ বাবে (flat শব্দৰ এটা অৰ্থ নীৰস, প্ৰাণহীন) অনেকে অন্যায় কৰি তেখেতৰ কবিতা বিলাক নীৰস বুলি ঠাট্টা কৰিছিল। কিন্তু নিজেহে শ্ৰেষ্ঠ হলে কবৰ দৰে পোপেও তেওঁৰ পদ্য ধাৰ কৰিবলৈ সংকোচ কৰা নাই।

৯৬। এবাৰ থ্ৰেইল পৰিয়ালৰ লগতে ইটালিলৈ যাবৰ বন্দোবস্ত ঠিক হৈ গৈছিল, কিন্তু তেওঁলোকৰ লৰাটিৰ মৃত্যু হোৱাত সি বাতিল হৈ গ'ল, আৰু পিচতো হৈ নুঠিল। (C)

৯৮। Hudibras (হুডিব্রা)——Samuel Butler ৰ (১৬১৩- ১৬৮০) সুদীৰ্ঘ ব্যঙ্গ কবিতা। কবিতাটিৰ এবাৰত তিনিটা সৰ্গকৈ ১৬৬৩, ১৬৬৪ আৰু ১৬৭৮ চনত তিনিটা খণ্ডত প্ৰকাশিত হয়। কথিত আছে সম্ৰাট প্ৰথম চাৰ্ল্‌ছে হেনো *Hudibras* জেপত লৈ ফুৰাইছিল আৰু যেতিয়াই তেতিয়াই জেপৰ পৰা উলিয়াই আনক পঢ়ি শুনাইছিল। এইখন লিখাৰ বাবে তেখেতে বাটলাৰক তিনিশ পাউণ্ডৰ পুৰস্কাৰ এটাও দিছিল।

Sixteen-String Jack —এটা কুখ্যাত ডকাইত। কেবাবাৰো বিচাৰত খালাচ হোৱাৰ পিচত অৱশেষত বিচাৰত ফাঁচী যায়। এওঁৰ কাপোৰ-কানি পিন্ধাত বৰ লাহ-বিলাহ আছিল, বিশেষকৈ পায়জামাৰ আঁঠুত ১৬ ডাল বৰ্ণী গুলোৱাই লৈ পিন্ধিছিল।

৯৯। উ: ৬ আৰু উ: ৭ দ্ৰষ্টব্য।

ফিল্ডিঙৰ *Amelia*—Henry Fielding (১৭০৭-৫৪), নাটকাৰ হাস্য-ৰসিক আৰু ঔপন্যাসিক। *Amelia* ফিল্ডিঙৰ শেষ উপন্যাস, মৃত্যুৰ তিনি বছৰ আগতে লিখা।

১০০। চেটাৰটন, Thomas Chatterton (১৭৫২-৭০) "সাহিত্য জাল কৰোঁতা সকলৰ ভিতৰত আটাইতকৈ জনাজাত।" এওঁৰ দেউতাক আছিল বৃষ্টলৰ গীৰ্জাৰ গায়ক আৰু স্কুলৰ শিক্ষক। খুৰাক, ককাক আৰু আজোককাক St Mary Radcliffe গীৰ্জাৰ তত্ত্বাৱধায়ক। এই গীৰ্জাতে ১২ বছৰীয়া চেটাৰটনে Cannynge's Coffer বা কেনিঙৰ বাকচ নামে এটা পুৰণি বাকচত এসোপা পাৰ্চমেণ্টত লিখা পুৰণি বৰ্ণনা পায়। এইবিলাক পঞ্চদশ শতাব্দীত চতুৰ্থ এডুৱাৰ্ডৰ দিনত বিখ্যাত সদাগৰ কেনিঙে গীৰ্জাটো ন-কৈ সজোৱাৰ দিনতে থোৱা হৈছিল। এই বিলাকতে চেটাৰটনে টমাছ ৰ'লী (Rowley) নামে এজন পঞ্চদশ শতাব্দীৰ কবি আৰু ঐতিহাসিকৰ ৰচনা পাইছোঁ বুলি দাবী কৰে আৰু তাৰে কিছুমানৰ তথাকথিত প্ৰতিলিপি লিখি উলিয়ায়। এই চেটাৰটনৰ সৃষ্ট Rowley ৰ কবিতাবোৰৰ মাজত *Aella, Baliade of Sir Charles Bowdwin* আৰু *Balliade of Charitie* প্ৰাধ্য জীৱনৰ এটি প্ৰেমৰ গীত *Elinore and Juga* এতিয়াও বিচাৰিলে পোৱা যায়। প্ৰথমতে ওলাওঁতে বেৰেট (Barrett) নামে এজন অস্ত্ৰ চিকিৎসক আৰু বৰ্ড কেটকট (Catcott)

নামে এজন পিউটাৰৰ সাজ-বাচন বেচোঁতাৰ পৰা চেটাৰটনে বৰ বেচি সমৰ্থন পাইছিল। কিন্তু Horace Walpole, Warton, Gray, Mason আৰু Johnson আদিয়ে এই ঠগামি সম্পূৰ্ণৰূপে ধৰা পেলায়। শেষ আঘাত হানে চেটাৰটনৰ মৃত্যুৰ ১০০ বছৰ পিচত ১৮৭১ চনত শব্দতত্ত্বৰ বিদগ্ধ পণ্ডিত ডঃ স্কীটে (Skeat) তেখেতৰ শেষ সিদ্ধান্ত হ'ল—"ছয় ৰ'লীয়ে তিনি শতাব্দীৰ পিচত কেনে ইংৰাজী লিখা হব ভাবি স্থিৰ কৰি লৈ সেইমতে লিখিছিল, নতুবা চেটাৰটনে ৰ'লীৰ যুগৰ ইংৰাজী ভাষাৰ বিষয়ে একোকে নেজানিছিল। চেটাৰটনৰ ব্যাকৰণ হল তেওঁৰ নিজৰ যুগৰ।"

১৭৭০ চনৰ এপ্ৰিলত চেটাৰটন লণ্ডনলৈ আহে কিন্তু কোনো জীৱিকাৰ উপায় বিচাৰি নেপাই অভাৱত পৰি হলবৰ্ণৰ (Holborn) এটা ঘৰত বিহ খাই আত্মহত্যা কৰে।

১০১। জন উইলকিছ John Wilkes (১৭২৭-৯৭)—প্ৰজাতন্ত্ৰৰ সমৰ্থনত বক্তৃতা দিওঁতা বিখ্যাত বাগ্মী আৰু অতি দুশ্চৰিত্ৰ মানুহ আছিল। এওঁ *North Briton* নামে এখন সাপ্তাহিক পত্ৰিকাৰ সম্পাদক আছিল। এইখনত তেওঁ ৰজাৰ মন্ত্ৰী সকলকো ঠাট্টা কৰিবলৈ এৰা নাছিল। এওঁ মিড্‌ল্‌ছেক্স (Middlesex) কাউণ্টিৰ নিৰ্বাচনৰ নায়ক। সকলো সময়তে ৰাইজৰ মাজত সৰবৰহী হৈ আছিল আৰু শেষ বয়সত ধনীও হৈছিল। জনছনে *False Alarm* নামে আলোচনীত আৰু উইলকিছে *North Briton* অত ইজনে সিজনক তীব্ৰ অভব্য ভাষাত আক্ৰমণ কৰিছিল। (C)

প'লট্ৰিৰ মেছাৰ্চ ডিলী—এই প্ৰকাশকেই বছৱেলৰ 'জনছনৰ জীৱনী' প্ৰকাশ কৰিছিল। ছপা কৰিছিল চাৰ্লছ ডিলীৰ হৈ H. Baldwin & Son কোম্পানীয়ে লণ্ডনত।

জেক কেচ, Jack Ketch সেই সময়ৰ এটা কুখ্যাত ডকাইত। এই বাক্যটো সম্বন্ধে বছৱেলে টোকা দিছে—বাক্যটো এনেদৰে প্ৰচলিত হৈছে যেন কথাষাৰ জনছনেহে কৈছিল অথচ সঁচা কথাটো হৈছে যে বাক্যটো মইহে ভাবি উলিয়াইছিলোঁ।

বিছেছ উইলিয়ামছ আৰু ফ্ৰেঞ্চ—উঃ ৮২, টীকা।

১০৩। স্মৃতিফলকৰ লেখা—অসমীয়া অনুবাদটোত মই নিজেই সন্তুষ্ট হব পৰা নাই। হয়তো অকণমান খুঁতো থাকিব পাৰে। সেইবাবে

জনাসকলৰ সুবিধাৰ্থে বছৱেলৰ দ্বাৰা উৰ্ধৃত জনছনৰ নিজা লেটিন-টোও তুলি দিলোঁ:

OLIVARII GOLDSMITH,

Poetae, Physici, Historici,
Qui nullum fere scribendi genus
Non tetigit,
Nullum quod tetigit non ornavit:
Sive risus essent movendi
Sive lacrymae
Affectuum potens at lenis dominator:
Ingenio sublimis, vividus, versatilis,
Oratione grandis, nitidus, venustus:
Hoc monumento memoriam coluit
Sodalium amor,
Amicorum fides,
Lectorum veneratio.
Natus in Hibernia Formiae Longfordiensis,
In loco cui nomen Pallas
Nov XXIX. MDCCXXXI;
Eblanae literis institutus;
Obiit Londini
April IV, MDCCLXXIV.

স্মৃতি লেখাৰ দ্বিতীয় শাৰী——গ'ল্ডস্মিথৰ নামত Poetae, Hostorici Physici (কবি, ঐতিহাসিক আৰু প্ৰকৃতি-বৈজ্ঞানিক) তিনিওটা বিশেষণ সমানে খটোৱাটো নিশ্চয় শুদ্ধ হোৱা নাই। কাৰণ তেওঁৰ শেষৰ বিশেষণটো পাবৰ যোগ্যতা সম্বন্ধে মই জনছনক নিজেই কোৱা শুনিছোঁ, "গ'ল্ডস্মিথে আমাক এই সম্বন্ধে এখন সুন্দৰ কিতাপ লিখি দিব পাৰে, কিন্তু তেওঁ যদি এটা গৰু আৰু এটা ঘোঁৰা বেলেগে বেলেগে চিনি উলিয়াব পাৰে তেন্তে সেয়ে তেওঁৰ প্ৰকৃতি বিজ্ঞানত বিদ্যাৰ সীমা।" (B)

প্লন্ডস্মিথে এই বিষয়ে যথাসাধ্য কৰিছিল। তেওঁ Buffon অৰ প্ৰকৃতি-বিজ্ঞানখন পঢ়িছিল আৰু চিৰিয়াখানালৈ গৈ বাঘ এটাবো জোখ-মাখ লৈছিল, "as well as I could, through the bars". (C)

১০৪। Journey to Corsica—প্ৰকৃতপক্ষে বছৱেলৰ কিতাপখনৰ নাম আছিল *An Account of Corsica.* বছৱেলে যে সেইটো লেখা-লিখিছিল তেনে নহয়, তেওঁ ছাৰ আলেকজাণ্ডাৰৰ চিঠিপনৰ হুবহু নকল হে তুলি দিছে।

পাপাডেনড্ৰিয়ন (Papadendrion) ——"তেখেতে, মোৰ বোধেৰে, বুজাব খুজিছে যে জনছন বাণিজ্যবিলাকৰ পিতৃ আছিল।" (Birbeck Hill). Papadendrion হল জখনা গ্ৰীক। (C)

১০৫। 'জনষ্টন' নোবোলে—— John উপনামটোৰ আটাইতকৈ প্ৰচলিত ইংৰাজী ৰূপান্তৰ হৈছে জনছন আৰু স্কচ ৰূপান্তৰ 'জনষ্টন'। মোৰ বিখ্যাত বন্ধুৱে কৈছিল যে উত্তৰ দেশৰ বছৱে তেখেতৰ নামটো নিজৰ মতে উচ্চাৰণ কৰিছিল। (B)

প্ৰস্তাৱ আৰু পোৱা ধনৰ ৰচিদ......——এই প্ৰস্তাৱেই 'ছুক' বা Plan (উঃ ১১ টীকা)

হবিল-গবিল কৰাটো ভাল নেপাওঁ——যিহেতু ধৰ্ম আৰু ৰাজনীতি সম্বন্ধে তেওঁলোকৰ জনছনৰ সৈতে মত নিমিলে। (B)

১০৬। সাহিত্যিক সম্পত্তি সম্ৰাজ্ঞী এনৰ আইন }——উঃ ৭০ টীকা

চ'ছাৰৰ পৰা বৰ্তমানলৈকে——Geoffrey Chaucer (১৩৪০-১৪০০) মধ্যযুগৰ সৰ্বপ্ৰধান কবিয়েই কেবল নাছিল, তেখেত ইংলেণ্ডৰ শ্ৰেষ্ঠ কবিসকলৰ এজন। সেইবাবেই চ'ছাৰৰ পৰা সংগ্ৰহ আৰম্ভ কৰিবলৈ স্থিৰ কৰা হৈছিল। পিছত কি বাবে কাউলীৰ পৰা (উঃ ৯৫) আৰম্ভ কৰা হল তাৰ কোনো কাৰণ পোৱা নেযায়।

দুশ গিনি——জনছনে ইমান কম পইচা দাবী কৰাটো সঁচাকৈয়ে আচৰিত। তেখেতে যদি এয়েজাৰ আনকি পোন্ধৰশ গিনিও বিচাৰিলেহেঁতেন তেন্তে কিতাপৰ ব্যৱসায়ীসকলে, যি তেওঁৰ নামৰ মূল্য জানিছিল, নিসন্দেহে তৎক্ষণাৎ সেইখিনি দিলেহেঁতেন। মোঠ ২৫ বছৰে তেওঁলোকে হয়তো এই কিতাপবৰ পৰা পাঁচ হেজাৰ গিনি উপাৰ্জন কৰিছে।(M)

১০৭। হয়তো প্ৰকৃতিৰ ভঁৰালত কিবা এটা আছে......কিবা যদি আছেও,

বছৱেলৰ আশা আজিও পূৰ্ণ হোৱা নাই।

১১০। ডঃ হিউ ব্লেয়াৰ——উঃ ৭৫ ৰ টীকা।

এডিছনৰ ৪৭৭ নং *Spectator*—Joseph Addison (১৬৭২-১৭১৯) তেখেতৰ বন্ধু Sir Richard Steele অৰ (১৬৭২-১৭২৯) সৈতে সপ্তদশ শতাব্দীৰ শ্ৰেষ্ঠ সাময়িক প্ৰবন্ধকাৰ। তেওঁলোকে প্ৰথমতে লিখিছিল Steele অৰ আলোচনী *Tatler* অত। ১৭১১ চনত *Tatler* বন্ধ হৈ যায়। এডিছনে *Spectator* উলিয়ায় ১ মাৰ্চ ১৭১১ চনত। ৬ ডিচেম্বৰ ১৭১২ চনত ৫৫৫ টা সংখ্যা ওলোৱাৰ পিচত *Spectator* বন্ধ হৈ যায়। ইয়াৰে ৪৭৭ সংখ্যক আলোচনীৰ কথা কোৱা হৈছে।

মিছ এইকিন (Aikin)——বিয়াৰ পিছত Mrs Anna Letitia Barbauld (১৭৪৩-১৮২৫)। সেই সময়ৰ জনাশুনা মহিলা কবি, কিন্তু এতিয়া কোনেও তেওঁৰ কবিতা নপঢ়ে। জনছনৰ প্ৰকাশভঙ্গী অনুকৰণ কবি *On Romances, an Imitation* নামে এটা প্ৰবন্ধ লিখিছিল।

১১২। মাফিৰ লগত আলোচনা হোৱাৰ দিনতেই—উঃ ৯৫।

হাৰ্ড —উঃ ৯৫ৰ টীকা।

১১৭। ডঃ য়ঙ, Edward Young (১৬৮৩-১৭৬৫)—কবি হিচাপে বৰ ওখ খাপৰ নাছিল। এখেতে ক্ষমতাত অধিষ্ঠিত সকলৰ প্ৰশংসাৰে পূৰ্ণ নাটকাৰে পৰা আৰম্ভ কবি (নাটকৰ নাম *Busiris*) বাইবেলৰ কবিতা অনুবাদলৈকে সকলো চেষ্টা কৰিও আগশাৰীলৈ আহিব নোৱাৰিলে। একমাত্ৰ সফল নাটক হল *The Revenge* (১৭২১) আৰু বহুদিন আদৰ পাই অহা অমিত্ৰাক্ষৰ ছন্দত লিখা কবিতাৰ পুথি হ'ল *Night Thoughts*.

১১৮। লগে লগে চেৰিয়াৰে ধৰি ললে......—জনছনে বছৱেলক কৈছিল যে তেখেতে *Traveller* অৰ মাত্ৰ নহটামান লাইন আৰু *Deserted Village* অৰ চাৰিটা লাইন লিখিছিল। তাৰ মাজতে দুয়োটাৰে শেষ লাইন কেইটা আছিল। (বছৱেলৰ 'জনছনৰ জীৱনী' ১৭৬৬).

১২২। পুৰস্কাৰো দিয়ে——গৈৰিকে ভাওলোৱা নাটকৰ অভিনয় চাবলৈ প্ৰবেশ-পত্ৰ।

১২৪। এড্‌বাৰ্ডছ——এই এড্‌বাৰ্ডছ, বছৱেলৰ কথাত "শোভন চেহেৰাৰ এজন আলহীয়া মানুহ, ছাইমুৱা বৰণৰ পোছাক আৰু মুৰত কেঁকোৰা

চুলিব টুপীবে সৈতে। "পেমব্ৰোক কলেজত জনছনৰ সহপাঠী আছিল। কিন্তু দুয়োজনে লণ্ডনত চল্লিশ বছৰ বাস কৰা সত্ত্বেও ইজনে সিজনৰ লগত দেখা হোৱা নাছিল। অৱশেষত এদিন গীৰ্জাৰ পৰা উভতি আহোঁতে হঠাৎ বাটতে দেখা হয়। (C)

১২৫। ডঃ পাৰ্চী, Thomas Percy, Bishop of Dromore (১৭২৯-১৮১১)——ব্ৰিজনৰ্থৰ এজন খাদ্য বস্তুৰ দোকানীৰ লৰা। ব্ৰিজনৰ্থৰ হাইস্কুলতে তেখেতে প্ৰথম শিক্ষালাভ কৰে (জনছনেও এই স্কুলতে প্ৰথম সহকাৰি শিক্ষকৰ চাকৰী কৰিছিল।) তাৰ পিছত অক্সফৰ্ডত শিক্ষা লয় আৰু বিশপ হয়গৈ। ইংলেণ্ডৰ মধ্যযুগৰ সাহিত্যত তেখেতে বাইজৰ কৌতুহল জগাই তোলে *Reliques of Ancient English Poetry* নামে এখন কবিতাৰ পুথিৰ যোগেদি। এইখন বজা প্ৰথম চাৰ্লছৰ যুগৰ এখন হস্তলিখিত পুথিৰ পৰা নিৰ্বাচন কৰা কবিতাৰ সংগ্ৰহ। ১৭৬৪ চনত জনছন গৈ তেখেতৰ ঘৰত কেইদিনমান আছিল, আৰু তেখেতৰ ঘৰুৱা গ্ৰন্থাগাৰত পোৱা *Felismarte of Hyrcania* নামে এখন পুৰণি গল্পৰ পুথি তেখেতৰ সহায়তে পঢ়িছিল।

১২৯। এলান ৰামজে—এইজন হল সৰু ৰামজে, এজন চিত্ৰকৰ। দেউতাক Allan Ramsay (১৬৮৬-১৭৫৮) সাহিত্যিক আছিল আৰু বিখ্যাত *Gentle Shepherd* নামে কবিতাত লিখা গাৰ্হস্থ্য জীৱনৰ নাটকৰ লিখক আছিল। (C)

বিহকে কোৱা যায় তাকে বিশ্বাস কৰে——এই এটা ভুল বিশ্বাসৰ বছৱেলে বাৰে বাৰে প্ৰতিবাদ কৰিছে। মানুহে ভাবিছিল যে নিজৰ মনঃপুত কথা হলে জনছনে বিহকে তিহকে বিশ্বাস কৰে উদাহৰণ স্বৰূপে যি কোনো ভুতৰ গল্প তেওঁ বিশ্বাস কৰিছিল। (C)

১৩২। runt অৰ কথা——আচলতে জনছনেও runt অৰ কথা ভাল নেপাইছিল। জনছনে হেনো বছৱেলক ডঃ টেইলৰৰ কথা কৈছিল, "মই মানুহজনক ভাল পাওঁ, কিন্তু বেছি ভাব পোৱা নাই, বাবে তেওঁৰ প্ৰতি মোৰ ভালপোৱা বঢ়া নাই। পুৰণি বাইবেলত কোৱাৰ দৰে "তেওঁৰ কথাবোৰ হল বলদৰ।" (বছৱেল, ১৭৭৭.)

১৩৪। মজনক পৃথিবীৰ বুকুত স্বৰ্গ বুলি ভাবিছিল—টীঃ ১১১ দ্ৰষ্টব্য।

১৩৯। কচ্ছ ৰাজদূতক বেচি দিবলৈ—বোক্লাৰ্কৰ গ্ৰন্থসংগ্ৰহ ১৭৮১ চনৰ এপ্ৰিল আৰু সেই মাহত ৰাজছৰা নীলামত ৫০১১ পাউণ্ডত বিক্ৰী হয়। (M)

১৪৬। Act of Oblivion—সম্ৰাট প্ৰথম চাৰ্লছক হত্যা কৰাৰ পিচত ১০ বছৰ ইংলেণ্ডত অলিভাৰ ক্ৰমৱেল প্ৰৱৰ্ত্তিত Commonwealth শাসন চলে। পুতেক ইউৰোপলৈ পলাই যায়। ক্ৰমৱেলৰ মৃত্যুৰ পিচত ৰাজভক্ত সকল পুনৰ শক্তিশালী হৈ উঠে আৰু পুতেকক নিৰ্বাসনৰপৰা মাতি আনি দ্বিতীয় চাৰ্লছ্ নাম দি সিংহাসনত বহুৱায়। ইয়াৰ আগতে দ্বিতীয় চাৰ্লছে ব্ৰেডা চহৰত চাৰিটা প্ৰতিজ্ঞা কৰে (Declaration of Breda): (১) সৈন্য সকলৰ বাকী দৰমহা আদায় কৰা, (২) সাধাৰণ ভাৱে ৰাজদ্ৰোহী সকলক ক্ষমা কৰা, (৩) কমনৱেল্থৰ কালৰ মাটিৰ অধিকাৰ মানি লোৱা আৰু (৪) মানুহক বিবেক অনুসৰি চলিবলৈ সন্মতি দিয়া। এই দ্বিতীয় প্ৰতিজ্ঞা অনুসৰি এডুৱাৰ্ড হাইড, আৰ্ল অব ক্লেৰেণ্ডনৰ সহায়ত এই Act of Indemnity and Oblivion পাছ্ কৰা হয়। ইয়াৰ দ্বাৰা ৰাজদ্ৰোহী আৰু ক্ৰমৱেলৰ সমৰ্থনকাৰীবোৰক ক্ষমা কৰা হৈছিল, কিন্তু তথাপিও পাৰ্লেমেণ্টে চাৰ্লছ্ৰ মৃত্যুদণ্ডাজ্ঞাত চহী কৰা ১৩ জনক প্ৰাণদণ্ড দিয়ে আৰু ২৫ জনক যাবজ্জীৱন কাৰাদণ্ড দিয়ে। ক্ৰমৱেলৰ শটো Westminster Abbey ৰ কবৰৰ পৰা খান্দি উলিয়াই Tyburn অত ফাঁচী দিয়া হয় আৰু এইবাৰ পোতাশালৰ তলতে কবৰ দি থোৱা হয়। মিল্টন আছিল ক্ৰমৱেলৰ সক্ৰিয় আৰু উগ্ৰ সমৰ্থনকাৰী, কিন্তু তেওঁক ক্ষমা কৰা হয়। (কোকিল বেজবৰুৱা)

১৪৭। ডঃ যঙ—উঃ ১১৭ টীকা।

দ্ৰঃ ক্ৰফ্ট—Herbert Croft. জনছনে ক্ৰফ্টৰ *Life of young* খন সংক্ষিপ্ত কৰি তেখেতৰ *Lives of the Poets* অৰ অন্তৰ্ভুক্ত কৰিছিল। (C)

এজন বিখ্যাত সাহিত্যিকক—এডমণ্ড বাৰ্ক (M)

চাইবিল (Sybil)—গ্ৰীক পুৰা-কাহিনী মতে স্বৰ্গীয় অনুপ্ৰেৰণা পাই ভৱিষ্যবাণী কৰিব পৰা এগৰাকী মানুহ। এওঁ মৃত্যুপাচৰিণীও আছিল।

১৫০। প্ৰত্যেক দিনৰ ব্যৱস্থা—জনছনে তেওঁৰ *Dictionary* ৰ

পাতনিত লিখিছে, "মোৰ জীৱনৰ বেছিৰ ভাগ কাল ৰোগৰ হেঁচাতে অতিবাহিত হ'ল। বহুখিনি অযতেনাতে নষ্ট কৰিলোঁ। আৰু সদায়েই বহুতখিনি কাল খৰচ হল মুৰ্বৰ ওপৰেদি পাৰ হৈ যোৱা প্ৰত্যেকটো দিনৰ ব্যৱস্থা ক'ৰাঁতে। (C)

পইচাখিনিও খাই শেষ কৰি থৈছেঁ।—(উঃ ১১, ১৮, ১০৫)ৰ টীকা। এই সম্বন্ধে জনছনে বছ্‌ৱেলক এটা সুন্দৰ গল্প কৈছিল। কুক (Cooke) বোলা মানুহ এজনে হেনো প্লুটাছৰ (Plautus) অনুবাদৰ ওপৰত কুৰি বছৰ ধৰি খাই আছিল আৰু কিতাপখনৰ বাবে তেওঁ সদায় চাপ্দা লৈয়ে আছিল। (বছ্‌ৱেলৰ *Tour to the Hebrides*).

১৫১। উঃ ৭৫ আৰু ১০০।

এডমণ্ড মেলন Edmond (বা Edmund) Malone (১৭৪১-১৮১২)—প্ৰখ্যাত পণ্ডিত আৰু ঐতিহাসিক। বছ্‌ৱেলে তেওঁৰ জনছনৰ জীৱনীৰ পাতনিত মেল'নৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি গৈছে। এই জীৱনীৰ তৃতীয় সংস্কৰণত বছ্‌ৱেলৰ সন্মতিক্ৰমে মেল'নে বহুত কথা যোগ দিছিল। এই সংস্কৰণ ছপা নৌ হওঁতেই বছ্‌ৱেলৰ মৃত্যু হয় (১৯ মেই ১৭৯৫)। মেলনৰ তত্ত্বাৱধানতে ১৭৯৯ চনত ৩য় সংস্কৰণ ছপা হৈ ওলায়। ৪ৰ্থ, ৫ম আৰু ৬ষ্ঠ সংস্কৰণতো মেল'নে কিছু কিছু কথা যোগ দিছিল। মেল'নৰ আৰু এটা ডাঙৰ কাম হল শেক্সপীয়াৰৰ নাটকবিলাকৰ পাঠ সংশোধন কৰি আৰু নিজৰ সুন্দৰ টীকাৰ উপৰিও বো', পোপ আৰু ৱাৰ্টন আদিৰ টীকা সঙ্কলন কৰি ২১ টা খণ্ডত প্ৰকাশ কৰা (১৭৯০ চন)। ১৮২১ চনত বছ্‌ৱেলৰ পুতেক জেমচ বছ্‌ৱেলে মেলনে সম্পাদনা কৰা শেক্সপীয়াৰৰ নাটকাৱলী প্ৰকাশ কৰে। এয়েই নাটকবোৰৰ প্ৰামাণ্য পাঠ বুলি গৃহীত। মেল'নৰ সংস্কৰণেই প্ৰথম *Variorum Edition*.

১৫৫। বুকানন, George Buchanon ১৫০৬-৮২)—লেটিন ভাষাৰ বিদগ্ধ পণ্ডিত আছিল, আৰু বৰ্ডো (Bordeaux) বিশ্ববিদ্যালয়ত লেটিনৰ অধ্যাপনা কৰিছিল। তেওঁৰ প্ৰায় সকলো উল্লেখযোগ্য কিতাপেই এই ভাষাত লিখা। বুকাননৰ বিশ্বাস আছিল যে পৃথিৱীৰ সকলো বুদ্ধিমান মানুহেই এদিন লেটিন ভাষা-ভাষী হৈ যাব। জনছনৰ নিচিনা এজন লেটিন-প্ৰেমিকে যে বুকাননক ভাল পাব তাত সন্দেহ

কি ? বুকাননে প্ৰায় গোটেই জীৱন বিদেশত থাকি ১৫৬০ চনত স্কট-লেণ্ডলৈ ঘূৰি আহে। ইয়াতেই তেখেতে জীৱনৰ মাত্ৰ দুখনি স্কটছ ভাষাৰ কিতাপ লিখে। তাৰে স্কটলেণ্ডৰ বুৰঞ্জীখনে বহুদিন ধৰি বাই-জৰ আদৰ পাইছিল। আগ বয়সত বুকানন ৰজা জেমছ্‌ৰো (প্ৰথমজন) ঘৰুৱা শিক্ষক আছিল।

১৫৬। ফলষ্টাফ—— Sir John Falstaff শ্বেক্সপীয়াৰৰ *King Henry the Fourth I, II* আৰু *King Henry the Fifth* নামৰ তিনিখন নাটকত বিয়পি থকা এটি খেমেলিয়া চৰিত্ৰ। শ্বেক্সপীয়াৰে দেখুৱা মতে, কাপুৰুষ, গপাল, কথাচহকী আৰু ৰাজকুমাৰ হেনৰীৰ বিপৰীত চৰিত্ৰৰ। এই বিখ্যাত চৰিত্ৰ সম্বন্ধে শ্বেক্সপীয়াৰ সাহিত্যত বহুতো আলোচনা হৈছে।

মৰিছ মৰগেন—— Maurice Morgann অৰ ফল্‌ষ্টাফৰ বিষয়ে ৰচনাখন *Essay on the Dramatic character of Sir John Falstaff* খোলে এটা বাজী ধৰি—কাপুৰুষ ফল্‌ষ্টাফক সাহসী প্ৰতিপন্ন কৰি-বলৈ লিখা হৈছিল। ইয়াক নিসন্দেহে উদ্ভট ৰচনাৰ প্ৰচেষ্টা বুলিব পাৰি কিন্তু পৰোক্ষে চৰিত্ৰটিৰ সুন্দৰ সমালোচনাও আছে। (C)

ডেৰিকৰ মেধা.........ডেৰিকৰ কবিতাই অইন নহলেও তেওঁক অন্ততঃ *King of Bath* অৰ সন্মান আনি দিছিল। এই সন্মানৰ অৰ্থ হল যে সেই নগৰত বিমান ৰাজকীয় আৰু ৰাজহুৱা অনুষ্ঠান হয় সেই সকলোৰে তেওঁ সন্মানিত মুৰব্বী।

১৫৯। কেম্বল আৰু ছিড্ডেন্স (?) ছিডনছ —Charles Kemble আৰু Mrs Sara Siddons সেই সময়ৰ বিখ্যাত অভিনেতা আৰু অভিনেত্ৰী আছিল, বিশেষকৈ শ্বেক্সপীয়াৰৰ চৰিত্ৰবোৰত ।